# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখঃ ৪/০৪/২০২৩ মঙ্গলবাৰ**

---

**মাননীয় অধ্যক্ষৰ মহোদয়ৰ অধ্যক্ষতাত আজি ইংৰাজী ০৪-০৪-২০২৩ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত অসম বিধান সভাৰ বাজেট অধিবেশনৰ কাৰ্য্যসূচী অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ২২১। শ্ৰী অখিল গগৈ।

**শ্ৰীমতী অজন্তা নেওগ, মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল যে, অসম চৰকাৰে যিমানবিলাক বিভাগৰ ঠিকাদাৰ আছে, অসম চৰকাৰৰ বিভিন্ন বিভাগৰ অধীনত তেওঁলোকক সৰ্বমুঠ কিমান টকা আদায় দিবলৈ বাকী আছে তাৰ উত্তৰত মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়ানিয়ে দিছে যে ঠিকাদাৰ সকলক কিমান টকা ঘুৰাই দিবলৈ বাকী আছে। বিত্ত বিভাগলৈ অহা প্ৰতিটো বিধিসন্মত ধন মোকলাই দিয়াৰ প্ৰস্তাৱ বিত্তীয়বৰ্ষৰ আৰম্ভণিৰে পৰা শেষলৈ অসম চৰকাৰে প্ৰাপ্ত প্ৰস্তাৱ অনুসৰি ধন মুকলি কৰিছে। মই সুধিছো কিবা এটা, reply দিছে কিবা এটা। তাৰ পাছত বেলেগ বেলেগ বিভাগৰ পৰা মোলৈ এটা হিচাপ আহিছে কিন্তু major department বিলাকৰ পৰা এতিয়ালৈকে হিচাপটো অহা নাই। মোক যিকেইটা বিভাগে হিচাপ দিছে সেই হিচাপ দিয়া অনুসৰি এতিয়ালৈকে মই ২ হাজাৰ ৮২ কোটি টকা অসম চৰকাৰে বিভিন্ন ঠিকাদাৰক বাকী দিবলৈ থকাৰ হিচাপ পাইছো। তাৰ ভিতৰত Water Resourse Department ৰ ৯ শ কোটি টকা, PWD Department ৰ ৪ শ তকৈ অধিক কোটি টকা, Irrigation Department ৩২৩ কোটি টকা। মুঠতে দেখা গৈছে যে চৰকাৰে আমাৰ ঠিকাদাৰ সকলক বহুত বেছি টকা এতিয়াও বিল হিচাপে আদায় দিবলৈ বাকী আছে। মোক মাননীয়া বিত্ত বিভাগৰ মন্ত্ৰী ডাঙৰীয়ানিয়ে এই কথাটো জনাব লাগে, প্ৰথম মোৰ প্ৰশ্নটো হ'ল আচলতে সমুদায় cumilative হিচাপত মুঠ কিমানখিনি টকা ঠিকাদাৰক বিল আদায় কৰিবলৈ বাকী আছে আৰু কিয় মোক এই প্ৰশ্নটোৰ উত্তৰ দিয়া নহ'ল পোনপতীয়াকৈ বিত্ত বিভাগৰ পৰা।

**শ্ৰীমতী অজন্তা নেওগ, (বিত্ত বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিধায়ক ডাঙৰীয়াই যিখিনি কথা কৈছে, আমি কৈছো যে বিত্ত বিভাগৰ আচলতে দায়িত্ব হৈছে চৰকাৰক যিখিনি প্ৰয়োজনীয় যাৱতীয় ধন লাগে সেইখিনি মোকলাই থাকো আৰু সেইবিলাকৰ কাৰণে বিভাগ সমূহে আমালৈ প্ৰস্তাৱ প্ৰেৰণ কৰে। সেই প্ৰস্তাৱৰ ভিত্তিত আমি আচলতে পইচাখিনি release কৰে। আমি তাত ঠিকাদাৰে পাইছো নে নাই, কোনে পাইছে সেই কথাখিনি আমি নিৰীক্ষণ নকৰো। আমি নিৰীক্ষণ কৰো প্ৰস্তাৱবিলাক আহিছে আৰু সেই প্ৰস্তাৱ বিলাক শুদ্ধ হৈছে নে নাই আমি সেইখিনি চাও আৰু সেই হিচাপে আমি প্ৰস্তাৱবিলাক অনুমোদন জনাও। মাননীয় অধ্যক্ষ মহোদয়, সেই কাৰণে কৈছো যে, বিত্ত বিভাগ এই বিষয়ে জ্ঞাত নহয়। এইবাৰ মই এইটো কথা পবিত্ৰ সদনত ক'বলৈ ভাল পাম যোৱা বিত্তীয়বৰ্ষত আমাৰ highest expenditure হৈছে কাৰণ আমি সদনত যিটো কৈছিলো ১ লাখ ২০ হাজাৰ কোটি টকা, তাৰ ১ লাখ ২০ হাজাৰ আমি cross কৰিছো। আপোনাক মই এইটো কথায়েই ক'লো যে, আমি যোৱা বছৰ বিত্তীয়বৰ্ষত

আমাৰে .যিবিলাক প্ৰস্তাৱ আহিছিল, সেই প্ৰস্তাৱ বিলাকৰ ধন আমি প্ৰায় ভাগেই মঞ্জুৰ কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, এইটো আপুনি জানিব, আপোনাক এই কাৰণেই মই ক'লো কাৰণ প্ৰশ্নটো যিহেতু কৰিছে আমাৰ চৰকাৰখন অহাৰ পাছত Finance Department ৰ এইটো কথাই আছিল যে পুঁজিবিলাক তেওঁলোকে যাতে নিয়মীয়াকৈ পায় আৰু সেই কাৰণে DFP যিখন Rule আছে Deligation of Financial Powers সেইখন আমি বহুত শিথিল কৰিছো আৰু শিথিল কৰাৰ লগে লগে পুঁজিবিলাক বিভাগ বিলাকে প্ৰয়োজনীয় পুঁজি নিজেই ল'বলৈ তেওঁলোক সক্ষম হৈছে। যিবিলাক Work Department আছে, সেইখিনি কথা আপুনি জানি ভাল পাব যে, প্ৰথমখন বাজেটত যিবিলাক capital ডাঙৰ ডাঙৰ scheme আছে তাৰ ceiling free মুক্ত কৰিছিলো। বিত্ত বিভাগৰ এইটোৱেই কথা আছিল যে, পুঁজিবিলাক তেওঁলোকে যাতে সময়মতে বিভাগবিলকে ল'ব পাৰে DFP Rule খন আমি বহুতখিনি relaxation কৰিলো আৰু financially relaxation কৰিবৰ কাৰণে আমি capital project বিলাকত celing free কৰি দিছো আৰু যোৱা বিত্তীয় বৰ্ষত যিবিলাক প্ৰস্তাৱ আমালৈ আহিছিল আমি সেই প্ৰস্তাৱবিলাকৰ পুঁজিৰ ধন মুকলি কৰি দিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীপীযুষ হাজৰিকা,(সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰায় ৯০ কোটিহে আছে। ৯ শ কোটি নহয়, এইবছৰ হলেহে হ'ব। এইবছৰৰ ongoing কাম ল'লে ৯ শ কোটি হ'ব। Ongoing কামৰ বিল অহাই নাই। ৯ শ কোটি total কৈছো। আপুনি কথাটো বুলি পোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** মই কৈছো Department বিলাকে ক'ৰপৰা দিব এতিয়া। প্ৰশ্নটো সুধিছে Finance Department ক। Finance Deaprtment য়ে already দি দিলে আপোনাৰ reply টো। বাকী যি আছে, Concern Department হে দিব পাৰিব। গতিকে ইয়াত আৰু supplemantary reply কোনে দিব। Finance য়ে ঠিকা নিদিয়ে, tender নিদিয়ে।

**শ্ৰী অখিল গগৈ,(শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পিছৰ যিটো প্ৰশ্ন আছে সেইটো finanance য়ে ক'ব লাগিব। মোৰ দ্বিতীয় যিটো প্ৰশ্ন আছে সেইটো Direct Finance Department ৰ।

**মাননীয় অধ্যক্ষ ঃ** Silence Please. আমাৰ সদনত বহুত মাননীয় বিধায়কৰ প্ৰশ্নবিলাক Department Related নহয়। এনেকুৱা ৮ টা ৯ টালৈকে not related হৈ আছে বিধান সভাত। বহুত মাননীয় বিধায়কে concern নহয়। কোনটো department ক'ত। সন্মানীয় সদস্যৰ প্ৰশ্নও এতিয়া যিটো Finance ত আহিছে, Finance ৰ পৰা জনাইছে যে, সেইটো Finance Department ৰ related নহয়। Finance য়ে পইচা দিবহে। কিন্তু ক'ত দিব, কি দিব, ঠিকাদাৰৰ হিচাপ, কামৰ হিচাপ, পইচা দিয়া সেইটো department concern finance য়ে ইয়াৰ reply দিব নোৱাৰে। আপুনি যিটো প্ৰশ্ন কৰিব, Department য়ে যিটো ইয়াৰ reply দিব লাগে তেতিয়া বেলেগ প্ৰশ্ন নচলিব তেওঁলোকে তথ্য দিব নোৱাৰিব। আপনি যিখিনি প্ৰশ্ন কৰিছে, concern department ৰ পৰা আপুনি reply টো পাব Writtenly. কিন্তু আপুনি ইয়াত supplemantary কৰিব নোৱাৰিব।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দ্বিতীয়টুযিটো আছে, সেইটো মোৰ directly বিত্ত বিভাগৰ লগত জড়িত। মই প্ৰশ্নটো সুধিব খুজিছো যে, ঠিকাদাৰ সকলৰ বা অন্য

যিকোনো বিভাগৰ বিলবিলাক release কৰে বিত্ত বিভাগে। গতিকে 100% কাৰ কিমান পইচা পাবলগীয়া আছে তাৰ সম্পূৰ্ণ হিচাপ বিত্ত বিভাগৰ হাতত থাকে। এতিয়া এই বিত্ত বিভাগে মোক এই কথাটো জনাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কি জানিব বিচাৰিছে। আপুনি সুধক। বিত্ত বিভাগৰ সকলো হিচাপ থাকিবই। আপুনি ৰাস্তা, দলং উন্নয়ণ কৈছে, নিশ্চয় ঠিকাদাৰক পইচা দিবই লাগিব। বাকীখিনিতো Concern Departmentৰ। গতিকে আপুনি মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়ানিক shortly প্ৰশ্ন কৰক যে তেওঁৰ concern যদি হয়।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি কোৱা কথাকেইটা মাননীয়া বিত্তমন্ত্ৰী মহোদয়াৰ পৰাই শুনিব খুজিছো। মোৰ প্ৰশ্নটো হ'ল যে, কেতিয়াৰ ভিতৰত এই যিখিনি অনাদায় ধন দিবলৈ বাকী আছে, কেতিয়াৰ ভিতৰত ধনখিনি দিব। আচলতে চৰকাৰৰ অৰ্থনৈতিক অৱস্থা সঁচাকৈ বহু দেউলীয়া নেকি যে তেওঁলোকে ইমান হাজাৰ হাজাৰ কোটি টকা এনেকৈ দিবলৈ বাকী আছে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয়া মন্ত্ৰী ডাঙৰীয়ানী।

**শ্ৰীমতী অজন্তা নেওগ, (বিত্ত বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে মাননীয় বিধায়ক ডাঙৰীয়াই চৰকাৰখনৰ বিত্তবিভাগক ধন্যবাদ দিব লাগে যে আমি প্ৰথমবাৰৰ বাবে ১ লাখ ২০ হাজাৰ কোটি টকা খৰচ কৰিছো আৰু expenditure কৰা মানে কি বুজাই। পইচাটো পাইছে তেতিয়াহ'লে। আমি এইটোৰেই কৈছো যে যিবিলাক ceiling আমালৈ আহিছে, আমি দি আছো। FOC প্ৰক্ৰিয়াটো আমি continous process মাননীয় অধ্যক্ষ মহোদয় আৰু এটা কথা বিত্ত বিভাগৰ হাতত কেনেকৈ থাকিব হিচাপ। বিভাগ বিলাকে যেতিয়া এটা tender call কৰে, তেওঁলোকৰ tender amount ত যিখিনি কাম complete হৈছে, সেয়াহে বিল আহে। আমি কিমান পইচা মোকলাই দিছো নাৰাখো। তেওঁলোক phase manner ত আহে তেওঁলোকে দি থাকে, গতিকে সেইটো কথাও কৈছো। মাননীয় বিধায়ক ডাঙৰীয়াই আচলতে চৰকাৰখনক ধন্যবাদ দিব লাগে প্ৰথমবাৰৰ বাবে চৰকাৰখনে ১ লাখ ২০ হাজাৰ কোটি টকাৰ অধিক ধন খৰচ কৰিবলৈ সক্ষম হৈছো আৰু এইখিনি বিভাগ বিলাকে পাইছে।

**মাননীয় অধ্যক্ষ ঃ** Thank You. Question no. 222, Hon'ble LOP (Leader of the Opposition).

**শ্ৰীৰণজিৎ কুমাৰ দাস, (খাদ্য আৰু অসামৰিক যোগান ইত্যাদিৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰসমূহ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মন্ত্ৰী মহোদয়ৰ প্ৰশ্ন উত্তৰত মই পাইছো প্ৰায় ৭ লাখ হিতাধিকাৰী এতিয়াও আধাৰ সংযুক্ত হোৱা নাই আৰু তেওঁলোকৰ বহুখিনি বঞ্চিত হৈ আছে খাদ্য সুৰক্ষাৰ পৰা। গতিকে এইক্ষেত্ৰত এটা ব্যৱস্থা নললে তেওঁলোকৰ পৰিয়াল বিলাকৰ যথেষ্ট শোচনীয় অৱস্থা হ'ব। সেই গতিকে এটা খৰতকীয়া ব্যৱস্থা বিচাৰিছো। দ্বিতীয়তে, আমাৰ ৰাজ্যত খুৱ সম্ভৱ অকল চাউলহে খাদ্য সুৰক্ষা অধীনত দিয়া হয় অন্যান্য সামগ্ৰী প্ৰয়োজনীয় যেনেকৈ নিমখ, দাইল, তেল, চেনি। কেৰেলা ৰাজ্যত মই জনাত ১৬ বিধ সামগ্ৰী এনেকৈ সুলভ মূল্যত দিয়া হয়। তেনে ধৰণৰ কিছু পদক্ষেপ মূল্যবৃদ্ধিৰ পৰিপ্ৰেক্ষিতত আমাৰ অসমৰ ৰাইজক সকাহ দিবলৈ বিভাগে ব্যৱস্থা কৰিব নেকি। এই কথাটো জানিব বিচাৰো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমি খাদ্য সুৰক্ষা আইনৰ অধীনত অকল চাউলহে যোগান ধৰি আছো আৰু কিছুদিন আগতে কেইবালাখ মানুহৰ নাম Delete কৰা হৈছে। এই Delete কৰা কাৰণটো হৈছে যে বহু ভুৱা ৰেচন কাৰ্ড আছিল। যিহেতু এই PDS System আৰু Adhar Screening ৰ কথা আহি গ'ল, Automatically বহু লোক আধাৰ কৰিবলৈ অহা নাই। প্ৰকৃততে এই মানুহখিনি আছে নে নাই আমি সেই বিষয়েও জ্ঞাত নহয়। তথাপিও খাদ্য সুৰক্ষা আইনৰ অধীনত যাতে কোনো মানুহ চাউলৰ পৰা বঞ্চিত নহয়, তাৰ বাবে আমি তীক্ষ্ণ নজৰ ৰাখিছো। শেহতীয়াকৈ নতুনকৈ ৪০ লাখ মানুহৰ হিতাধিকাৰীৰ বাবে বাঁচনি প্ৰক্ৰিয়া চলি আছে। এই বাঁচনি প্ৰক্ৰিয়াত আমাৰ মাননীয় বিধায়কসকলৰ সহযোগিতা বিচাৰিছো। কাৰণ ৪০ লাখ মানুহৰ আমি যি টাৰ্গেট দিছিলো, বিভাগীয় তথ্য অনুসৰি এতিয়ালৈকে কেৱল প্ৰায় ৩৭ লাখ মানুহৰহে আবেদন পত্ৰ পাইছো। অৰ্থাৎ দিব খোজাৰ পিছতো মানুহৰ পৰা চাউলৰ ক্ষেত্ৰত সেইধৰণে আবেদন পত্ৰ অহা নাই। আপোনালোকৰ সমষ্টিসমূহত যদি এনেকুৱা কোনো লোক বঞ্চিত হৈ থাকে, আপোনালোকে খাদ্য সুৰক্ষা বিভাগ বা উপায়ুক্তৰ লগত আলোচনা কৰি ল'ব আৰু আমি তেওঁলোকক দিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** দ্বিতীয় পৰিপূৰক প্ৰশ্ন।

**শ্ৰী দেৱব্ৰত শইকীয়া,(বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাগান অঞ্চলত বহু শ্ৰমিকৰ হাতৰ Finger Print capture নহয়। যাৰ বাবে তেওঁলোকে আধাৰ কাৰ্ড বা অন্যান্য বহুতো অসুবিধা হৈছে, আনকি বেংক একাউণ্টো খুলিব পৰা নাই। বিশেষকৈ খাদ্য সুৰক্ষাৰ লগত আধাৰ লিংকেজৰ কাৰণে বহু অসুবিধা হৈছে। এইক্ষেত্ৰত চৰকাৰে বিশেষ কিবা ব্যৱস্থা ল'ব নেকি? সেই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী ৰণজিৎ কুমাৰ দাস,(মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় দেৱব্ৰত শইকীয়া ডাঙৰীয়াই যিটো কথা কৈছে, একেবাৰে বাস্তৱ কথা। আমাৰ ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া আৰু তেৰছ গোৱালা ডাঙৰীয়াই এই বিষয়ে আপত্তি জনাইছিল যে বাগানত বহু মানুহৰ কাম কৰি থকা কাৰণে বা আঙুলি বেয়া হোৱাৰ কাৰণে তেওঁলোকে আধাৰ লিংক কৰিব পৰা নাই। সেই কাৰণে এইবাৰ আমি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক এই বিষয়ে জনোৱাত তেখেতে কৈছে যে যিসকল লোকে আধাৰ লিংক কৰিব পৰা নাই তেওঁলোকৰ বাবে বিশেষ এটা কৌশল উলিয়াইছে। Eye Screening ৰ জৰিয়তে চকুৰ লগত কণ্টেক কৰি কৰা হ'ব। আমি পাইলট প্ৰজেক্ট হিচাপে ইতিমধ্যে ১০০ টা Screening মেচিন যোগান ধৰাৰ বাবে আহ্বান জনাইছো আৰু পৰৱৰ্তী সময়ত বাগানসমূহত যদি তেনেকুৱা সমস্যা থাকে আমি Eye Screening ৰ জৰিয়তে তেওঁলোকক স্ক্ৰীনিং কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ভাস্কৰজ্যোতি বৰুৱা ডাঙৰীয়াই কওঁক।

**শ্ৰী ভাস্কৰজ্যোতি বৰুৱা, (তিতাবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আধাৰ সম্পৰ্কীয় এটা প্ৰশ্ন সুধিব বিচাৰিছো। মোৰ সমষ্টিত বিভিন্ন সময়ত মানুহে মোক আপত্তি কৰিছে যে বহু লোক আছে, যিসকলে আধাৰ কাৰ্ড বনাবৰ বাবে বেংক বা আধাৰ কাৰ্ড বনোৱা চেণ্টাৰলৈ যাব নোৱাৰে, শাৰীৰিকভাৱে তেওঁলোক সক্ষম নহয়। এতিয়া আমাৰ আধাৰ কাৰ্ড নহ'লে কোনো কামেই নহয়। আধাৰ কাৰ্ডৰ পৰিৱৰ্তে চৰকাৰে অন্য কিবা নথি-পত্ৰ দি এইটো শিথিল কৰিব পাৰিব নেকি? অথবা যিসকল লোক শাৰীৰিকভাৱে সক্ষম নহয়, তেওঁলোকৰ বাবে আধাৰ কাৰ্ড বনোৱাৰ অন্য

কিবা উপায় যেনে তেওঁলোকৰ ঘৰত গৈ আধাৰ বনোৱাৰ কিবা উপায় অৱলম্বন কৰিব পাৰি নেকি ? সেই বিষয়ে মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ)ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ মুঠ Adhar seeding Cardৰ হিতাধিকাৰী আছে ১, ৫১, ২৯ , ৫৮৪ জন আৰু আমি দেখিছো যে ৯৬.৭৬ শতাংশ Adhar seeding সম্পূৰ্ণ হৈছে। দেৱব্ৰত শইকীয়া ডাঙৰীয়াই কোৱাৰ দৰে বাকী যিখিনি সমস্যা আছে, যেনে- আঙুলিৰ কাৰণে বহুতে আধাৰ লিংক কৰিব পৰা নাই। বৰ্তমান আধাৰ কাৰ্ড বাধ্যতামূলক হৈছে। আনকি MGNREGA ৰ হিতাধিকাৰীয়েই হওঁক বা অন্য কোনো হিতাধিকাৰীয়েই হওঁক, আধাৰ লিংক নকৰাকৈ হিতাধিকাৰী হ'ব নোৱাৰে। গতিকে যিসকল লোকে আঙুলিৰ কাৰণে আধাৰ লিংক কৰিব পৰা নাই, তেওঁলোকক আমি Eye স্ক্ৰীনিংৰ জৰিয়তে আধাৰ লিংক কৰিম। আমাৰ খাদ্য আৰু যোগান বিভাগে ইতিমধ্যে যিহেতু ৯৬.৭৬ শতাংশ Adhar seeding সম্পূৰ্ণ কৰিছে, এইক্ষেত্ৰত বিভাগে ভাল এটা সফলতা লাভ কৰিছে। বাকী কোনো সমস্যা থাকিলে আপুনি উপায়ুক্ত বা খাদ্য সুৰক্ষা বিভাগৰ বি ডি অ' বা চাপ্লাই ইনস্পেক্টৰক জনাই আমি তেওঁলোকক আই স্কীনিংৰ জৰিয়তে লিংক কৰাই দিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া জাকিৰ হুছেইন লস্কৰ ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ)ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**মাননীয় অধ্যক্ষ ঃ** দ্বিতীয় পৰিপূৰক প্ৰশ্ন।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, (হাইলাকান্দি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত GP Level কেৱল মোৰ সমষ্টিতেই নহয়, বহু সমষ্টিতেই কম আছে। মোৰ সমষ্টিত ১৪ জন কাৰ্য্যবাহী অভিযন্তা কম আছে, ৩-৪ জনকৈ কৰ্মচাৰী কম আছে। এজন জি পি চেক্ৰেটাৰীৰ ওপৰত চাৰি-পাঁচখন জি পিৰ দায়িত্ব দিয়া থাকে। যাৰ ফলত জি পি অফিচ সমূহত গ'লে কেৱল চতুৰ্থ বৰ্গৰ কৰ্মচাৰীকহে পোৱা যায়। তাত গৈ বা ফোন কৰি জি পি চেক্ৰেটাৰীৰ কথা সুধিলে কয় যে তেখেত বেলেগ এখন জি পি ত আছে, যিখন তাৰ পৰা চল্লিশ-পঞ্চাশ কিলোমিটাৰ দূৰত আছে। কিন্তু বাস্তৱত তেওঁলোকে সুবিধা লৈ থাকে আৰু ঘৰৰ পৰা অফিচ চলাই আছে। প্ৰধানমন্ত্ৰী আৱাস যোজনাকে ধৰি জব কাৰ্ডৰ যিমান দুৰ্নীতি হৈ আছে, এইটো এটা প্ৰধান কাৰণ। যিহেতু প্ৰশাসনিক শিতানৰ পৰা তেওঁলোকৰ দৰমহা দিয়াৰ চিষ্টেম আছে, যদি চৰকাৰে সকলো লোককে এশ দিনৰ কাম দিব পাৰে তেনেহ'লে এনেই পুঁজি আহি যাব আৰু এই পুঁজিৰ পৰাই তেওঁলোকক দৰমহা দিব পৰা যাব। সেয়েহে এই পদসমূহ পূৰণ কৰিবৰ বাবে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই বিষয়ে আমি যোৱা বিধান সভাতো আলোচনা কৰিছো। যিহেতু আমাৰ পঞ্চায়তৰ সচিবৰ পদ আধাই খালী আছে আৰু আমাৰ ডাইৰেক্ট ৰিক্ৰুইটমেণ্ট বোৰ্ডত দিয়া আছে, প্ৰায় এক হাজাৰ পঞ্চায়ত চেক্ৰেটাৰীক আমি তাত দিব পাৰিম। বাকী GRS, Accredited Engineer, বা GPC আছে, সেইখিনি আমাৰ যথেষ্ট নহয়, কম সংখ্যক আছে। কিন্তু আমি যদি চাওঁ হাইলাকান্দিৰ জাকিৰ হুছেইন লস্কৰ ডাঙৰীয়াৰ সমষ্টিত ভালেখিনি বিষয়া-কৰ্মচাৰী আছে।

আপোনাৰ সমষ্টিত কম্পিউটাৰ এচিষ্টেণ্টৰ প্ৰয়োজন আছে, বিশ জন। তাত বিশ জনৰ ঠাইত সোতৰজন কৰ্মৰত হৈ আছে। GRS ৰ প্ৰয়োজন আছে, বিশ জন। তাত বিশ জনৰ ঠাইত সোতৰজন কৰ্মৰত হৈ আছে। কিন্তু Accredited Engineer কম আছে। প্ৰয়োজন আছে, বিশ জন। তাত বিশ জনৰ ঠাইত চৈধ্য জন কৰ্মৰত হৈ আছে। GPC ত বিশ জন লাগে আৰু তাত বিশ জনেই আছে। তাত কোনো খালী নাই। যিখিনি Accredited Engineer পদ খালী হৈ আছে, সেইখিনি আগন্তুক দিনত মই পূৰণ কৰি দিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া প্ৰশ্ন-২২৪ নুৰুল হুদা ডাঙৰীয়া।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**মাননীয় অধ্যক্ষ** ঃ পৰিপূৰক প্ৰশ্ন।

**মোঃ নুৰুল হুদা,(ৰূপহীহাট)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত দিছে যে জুৰীয়া উন্নয়ন খণ্ডত দেখা যায় যে ২০১৮ চনৰ পৰা ২০২৩ চনলৈ দহ জন খণ্ড উন্নয়ন বিষয়াই কাৰ্য্যভাৰ চলাইছিল। কিন্তু এনেক্সাৰ ‘ক’ ত দিয়া হৈছে পোন্ধৰ জন। এই তাৰতম্যতো কিয় হ’ল? জুৰীয়া উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াৰ নিযুক্তিৰ ক্ষেত্ৰত বহু দুৰ্নীতি হৈছে। পাঁচটা বছৰত পোন্ধৰ জন উন্নয়ন বিষয়া সলনি হৈছে। কোনোবা এজন এক মাহ, কোনোবা এজন দুমাহ, কোনোবা এজন তিনিমাহ, কোনোবা এজন একৈশ দিন, কোনোবা এজন সাত দিন, কোনোবা এজন দহ দিন থাকি সলনি হৈছে। এনেকৈ পাঁচটা বছৰত যদি পোন্ধৰজন উন্নয়ন বিষয়া সলনি হৈছে, এনেকুৱা উন্নয়ন খণ্ডত উন্নয়নৰ কাম হ’ব পাৰে নেকি? এজন উন্নয়ন বিষয়াই জইন কৰি গোটেইখিনি দায়িত্ব লৈ কাগজ-পত্ৰৰ বিষয়ে বুজি লওঁতে দুমাহ যায় আৰু তাৰ পিছতে তেওঁ বদলি হৈ যায়। এইটো কিয় হৈছে? এই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ পৰা সদুত্তৰ জানিব বিচাৰিছো। যদি এনেকুৱা হয়, গাওঁৰ উন্নয়ন কেনেকৈ হ’ব?

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, এইটো এইকাৰণেই হৈছে যে , যেতিয়া অৱসৰত যায়, তেতিয়া স্বাভাৱিকতে তেওঁৰ সলনি আমি তাত মানুহ দিব লাগে। বিভাগৰ ফালৰ পৰা যেতিয়া তাত মানুহ দিয়া নহয়, তেতিয়া অস্থায়ী ভাৱে উপায়ুক্ত মহোদয়ক কোনোবা এজন এ ডি চি বা এ ই চি এজনক চাৰ্জ দিবৰ বাবে আহ্বান জনাওঁ। সেইটো খুব অস্থায়ীভাৱে দিয়া হয়। তাৰ পিছত স্থায়ীভাৱে কোনোবা এজন যেতিয়া আমাৰ বিভাগৰ ফালৰ পৰা যায় আৰু তেওঁ যদি মেডিকেল গ্ৰাউণ্ড বা বিভিন্ন কাৰণত সলনি কৰিব লাগে বুলি আবেদন জনায়, বা তেওঁ অৱসৰ লয়, তেতিয়া তেওঁ সলনি হয়। কিন্তু এতিয়া আমি যিজনক তাত দিছো মৃগাংক কুমাৰ দাস, তেওঁ যোৱা ২৭ ফেব্ৰুৱাৰী তাৰিখে জইন কৰিছে আৰু আগন্তুক দিনত তেওঁ দুটা বছৰ নিশ্চয় তাত থাকিব।

**মোঃ নুৰুল হুদা, (ৰূপহীহাট)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ জুৰীয়া উন্নয়ন খণ্ডত এম জি এন ৰেগা বা কোনো আঁচনিৰ কামেই হোৱা নাই। কাৰণ উন্নয়ন খণ্ড বিষয়া গৈ তাত জইন কৰাৰ পিছত একাউণ্ট ট্ৰেন্সফাৰ কৰা কামসমূহ ঠিক কৰোতেই তেওঁক পুনৰ বদলি হৈ যায়। এই কথাটো সত্য নহয় যে নিজে নিজে তেওঁ কৰ’বালৈ গৈছে বা নিজে বদলি হৈছে। এই উন্নয়ন খণ্ডটো এনেভাৱে হেঁচা প্ৰয়োগ কৰা হৈছে যে দুদিনৰ মূৰে মূৰে গৈ যদি কোনোবা এজনে কিবা কয়, সেই হিচাপেই বিভাগৰ উচ্চ পদস্থ বিষয়াসকলে তেওঁ বদলি কৰি দিয়ে। মাননীয় মন্ত্ৰী মহোদয়ে আজি আশ্বস্ত

কৰিছে যে তেওঁ দুবছৰলৈ থাকিব। বেয়া কাম কৰিলে মানুহ বদলি হ'ব, কিন্তু ঘনাই ঘনাই বিষয়া বদলি কৰি উন্নয়নমূলক কামসমূহ যাতে স্থবিৰ কৰা নহয়, তাৰ বাবে যাতে মাননীয় মন্ত্ৰী মহোদয়ে চোকা দৃষ্টি ৰাখে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই ইতিমধ্যে কৈছো যে এইবাৰ বি ডি অ' দিছো, তেখেত দুবছৰ থাকিব। গতিকে জুৰীয়া সমষ্টিৰ যিটো বেমেজালি আছিল আৰু জুৰীয়াৰ কি বেমেজালি আছিল, সেই সম্পৰ্কে আপুনি, মই আৰু বহুতে জানে। সেইখিনি দূৰ কৰিবৰ বাবে এই ব্যৱস্থাটো কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং-২২৫। জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে মাননীয় মন্ত্ৰী ডাঙৰীয়াই আমাৰ বিৰোধী দলপতি ডাঙৰীয়াৰ ৰেচন কাৰ্ড সম্পৰ্কীয় প্ৰশ্নৰ উত্তৰ দিছে। ৰেচন কাৰ্ড হ'ল এটা পৰিয়ালৰ পৰিচয় পত্ৰ। ৰেচন কাৰ্ড মানুহে কেৱল চাউলৰ বাবেই নহয়, ইয়াৰ জৰিয়তে মানুহে বিভিন্ন সা-সুবিধাও লাভ কৰে যাৰ বাবে প্ৰত্যেকটো পৰিয়ালে ৰেচন কাৰ্ড পোৱাৰ বাবে আগ্ৰহ প্ৰকাশ কৰে। মাননীয় মন্ত্ৰী মহোদয়ে ৪০ লাখ আবেদন নোপোৱাৰ তথ্য প্ৰকাশ কৰিছে। এই আবেদনসমূহ কৰোতে প্ৰত্যেকখন জিলাতে ভাগ কৰি দিছে যে কোনখন জিলাই কিমান আবেদন কৰিব পাৰিব বা কিমান হিতাধিকাৰী হ'ব। গতিকে, মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে যি সমূহ জিলাত হোৱা নাই সেই জিলাৰ পৰিৱৰ্তে বৰপেটা জিলাত আৰু যদি সংখ্যা বৃদ্ধি কৰে তেন্তে নিৰ্দিষ্ট আবেদনকাৰীৰ সংখ্যা পাব। অধ্যক্ষ মহোদয়, ৰেচন কাৰ্ড বাচনিৰ প্ৰক্ৰিয়াত বিভিন্ন সময়ত দুখীয়া মানুহৰ পৰিৱৰ্তে ধনী মানুহে লাভ কৰে। এই বিষয়ে আমি সকলোৱে নিশ্চয় অৱগত। গতিকে, এই ক্ষেত্ৰত বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰিছে? মাননীয় মন্ত্ৰী মহোদয়ে অলপ আগতে কৈছে যে বিধায়কসকলৰ সহযোগিতা লাগিব। কিন্তু এই পৰ্যন্ত বিধায়কসকলক লগত লৈ বাচনি প্ৰক্ৰিয়াটো কৰিছে নে নাই সেই বিষয়ে আমি অৱগত নহয়, কাৰণ ব্যক্তিগত ভাৱে আমি তেনেকৈ আমন্ত্ৰণ পোৱা নাই। গতিকে, মাননীয় মন্ত্ৰী মহোদয়ে এই কথাখিনিৰ ক্ষেত্ৰত স্পষ্টভাৱে বিধান সভাত উত্তৰ দিব লাগে।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, খাদ্য আৰু অসামৰিক যোগান ইত্যাদি)ঃ** অধ্যক্ষ ডাঙৰীয়া, আমাৰ দেশৰ প্ৰধান মন্ত্ৰীয়ে 'One Nation One Ration Card' ৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। এই 'One Nation One Ration Card' ৰ মূলগত কথা আছিল যে যিসকল মানুহ কিবা কাৰণত migrate হৈ কেৰেলা বা ডিব্ৰুগড়ত কাম কৰি আছে, তেওঁলোকে তাত থাকিও যাতে এই খাদ্য বস্তুখিনি সংগ্ৰহ কৰিব পাৰে অৰ্থাৎ ইয়াৰ উদ্দেশ্য এইটোৱেই যে কোনো মানুহেই যাতে পাবলগীয়া চাউলৰ পৰা হওঁক বা ৰেচনৰ পৰা বঞ্চিত নহয়। তাৰ বাবে দেশৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াই যি ব্যৱস্থা কৰিছিল, তাৰ ফলস্বৰূপে আমাৰ প্ৰত্যেক হিতাধিকাৰীক আমি নিৰ্বাচন কৰিবলৈ চেষ্টা কৰিছো। এই লোকসকলক নিৰ্বাচন কৰাৰ ক্ষেত্ৰত আৰু ৪০ লাখ লোকক নিৰ্বাচনৰ বাবে আমি proforma বা checklist দিছিলো। আমাৰ BDO সকলক লৈ এখন সমিতি আছে । আমাৰ বিধায়কসকল NFSA ৰ ক্ষেত্ৰতহওঁক বা Block ৰ Vigilance Committee ত Chairman হয়। টাউনৰ ক্ষেত্ৰত Town Committee আৰু গাঁৱৰ ক্ষেত্ৰত BDO ক Designated Officer আৰু Authorized Officer হিচাপে দায়িত্ব দিছো। আমি এতিয়া ৪০ লাখ দিছো, আৰু দিব পৰাৰ প্ৰভিজন আছে। তাৰ পিছত আৰু ৩৭ লাখ আবেদন আহিছে ।

আপোনাৰ বৰপেটা জিলাত যদি এতিয়াও বঞ্চিত হৈ আছে, মই অনুৰোধ জনাম যে বৰপেটা জিলাৰ বিধায়কসকলে একেলগে বহি প্ৰকৃত তথ্য যাতে নিশ্চিত কৰে। এই ক্ষেত্ৰত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এতিয়া বহুত relaxed কৰিছে। আগতে, NFSA ৰ মতে যাৰ ১ লাখ টকা আয়, তেওঁলোকেহে পাইছিল। কিন্তু, এতিয়া যাৰ ২.৫ লাখ টকা আয়, তেওঁলোকেও পাব। ভাৰত চৰকাৰে যিহেতু চাউল দি আছে, প্ৰকৃত দুখীয়া মানুহ যাতে বঞ্চিত নহয় তাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে relaxed কৰি দিছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে 'আয়ুষ্মান অসম'ৰ জৰিয়তে একোখনকৈ কাৰ্ড দিয়াৰ ব্যৱস্থা কৰিছে। 'আয়ুষ্মান ভাৰত'ৰ কাৰ্ডৰ লগতে 'আয়ুষ্মান অসম'ৰ কাৰ্ডখন যাতে অসমৰ প্ৰতিগৰাকী যোগ্য আৰু প্ৰাপ্য হিতাধিকাৰীয়ে পায়। নহ'লে এই কাৰ্ডখন যদি নাপায় তেন্তে ভৱিষ্যতত ৫ লাখ টকাৰ স্বাস্থ্য সেৱাৰ সুবিধাটো হেৰুৱাব। গতিকে, এই ক্ষেত্ৰত মই সদনৰ সকলো বিধায়কৰ সহযোগিতা কামনা কৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে কৈছে যে সহযোগিতা কামনা কৰিছে। গতিকে, মই অনুৰোধ জনাম যে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা এটা নিৰ্দেশ জিলা উপায়ুক্তসকললৈ যাব লাগে যে সন্মানীয় বিধায়কসকলক লগত লৈ এই ৰেচন কাৰ্ডৰ ক্ষেত্ৰত যিধৰণে বাচনি প্ৰক্ৰিয়া চলি আছে, সেই বিষয়ে যাতে এখন মিটিং যাতে কৰে। অধ্যক্ষ ডাঙৰীয়া, ইয়াৰ আগতেও ৰেচন কাৰ্ড দিয়া হৈছিল। ৰেচন কাৰ্ড মানুহে পালে, ৰেচন কাৰ্ডত গোটেই পৰিয়ালৰ নাম থাকিল, কিন্তু, যেতিয়া ৰেচন কাৰ্ড সমূহ নতুনকৈ scrutiny কৰা হ'ল, নতুনকৈ data entry কৰা হ'ল, তেতিয়া দেখা গ'ল যে বহুতৰে ৰেচন কাৰ্ডত নাম আছে কিন্তু, official ভাৱে, এই পৰিয়ালৰ পাঁচজন মানুহৰ যদি ৰেচন কাৰ্ড আছে, তিনিজনৰহে নামটো আছে দুজনৰ নাম কটা গৈছে, কেতিয়াবা এজনৰ আছে, চাৰিজনৰ নাম কটা গৈছে, তিনিজন যদি আছিল, দুজনৰহে থাকিল, এজনৰ নাম কটা গৈছে। ঠিক এনেদৰে এই মানুহখিনিৰ ৰেচন কাৰ্ডৰ পৰা নাম কৰ্তন কৰা হৈছে। ঘৰত থকা ৰেচন কাৰ্ডখনত নাম আছে, কিন্তু, ডি.চি. অফিচ বা যোগান বিভাগত যি data entry কৰা আছে, তাত তেওঁলোকৰ নাম নাই। এনেদৰে, যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। নতুন ৰেচন কাৰ্ড কৰি আছে, সেইটো ভাল, কিন্তু তাৰ লগে লগে পুৰণি ৰেচন কাৰ্ডত যি সকলৰ নাম কৰ্তন হৈছে, এই বিষয়ত মাননীয় মন্ত্ৰী ডাঙৰীয়াই কি ব্যৱস্থা গ্ৰহণ কৰিব সেই সম্পৰ্কত মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, খাদ্য আৰু অসামৰিক যোগান ইত্যাদি)ঃ** অধ্যক্ষ ডাঙৰীয়া, যিহেতু হাৰ্ড কপিসমূহ কাৰোবাৰ তাত আছে, হয়তো তেওঁলোকৰ aadhaar seeding নোহোৱা বাবে অনলাইনত generate কৰা নাই। গতিকে তেনেকুৱা আমাৰ নাই, কাৰণ আমি ক'লোৱেই যে ৯৬% মানুহৰ generate কৰা হৈছে। আমি চৰকাৰৰ দায়িত্ব লোৱাৰ পিছত, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু মই যেতিয়া আবেদন জনাইছিলো তেতিয়া আমি ৫২ লাখ মানুহৰ delete কৰিছো। Delete কৰাৰ পিছতো আমি কৈছো যে যাৰ delete কৰা হৈছে, তেওঁলোকে যদি আবেদন জনায়, নিশ্চিত ভাৱে আমি তেওঁলোকক দিব পাৰিম। কিন্তু, তেনেকুৱা যথেষ্ট সংখ্যক অহা নাই। তাৰ পিছতো যদি কোনোবা ৰৈ গৈছে, মই আজিয়েই বিভাগক এই সদনৰ পৰাই এটা নিৰ্দেশ দিছো যে উপায়ুক্তসকলক আমাৰ বিভাগে যাতে এটা নিৰ্দেশনা দিয়ে । যিহেতু দুখীয়াৰ কল্যাণৰ বাবে আমি কাম কৰিছো, আমাৰ যি Verification Committee আছে, য'ত Block

level ত Chairman হৈছে- BDO, Urban ৰ ক্ষেত্ৰত Chairman হৈছে Revenue Circle Officer, কিন্তু আমাৰ বিধায়কসকলক যিহেতু Blockৰ Vigilence Committee ৰ Chairman, গতিকে এই Verification Committee ত BDO জন Chairman হ'লেও আপোনালোকৰ নিশ্চিত ভাৱে অধিকাৰ আছে। তথাপি মই সদনৰ মজিয়াৰ পৰা বিভাগক আজি নিৰ্দেশ দিছো যাতে উপায়ুক্তসমূহক এখন চিঠি লিখি কোন জিলাত এনেকুৱা কিমান আহিলে, সেই সম্পৰ্কে বিধায়কসকলৰ লগত আলোচনা কৰি যাতে শুদ্ধ ৰূপত এখন পূৰ্ণাংগ লিষ্ট দিয়ে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। প্ৰশ্ন নং ২২৬। শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী, দক্ষতা, নিয়োগ আৰু উদ্যমিতা, ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, (সোণাৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰাইদেউ জিলা এখন নতুন জিলা। আমাৰ সোণাৰি সমষ্টিটো এই চৰাইদেউ জিলাৰ অন্তৰ্গত। চৰাইদেউ জিলাত যি সকল শিক্ষিত যুৱক-যুৱতী আছে, তেওঁলোকৰ জীৱন, জীৱিকা আৰু স্ব-নিয়োজনৰ কাৰণে দক্ষ হোৱাটো অতি প্ৰয়োজন। বৰ্তমান যুৱক-যুৱতীসকলৰ স্ব-নিয়োজনৰ কাৰণে চৰকাৰে বহুখিনি কৰিছে। আমাৰ সমষ্টিৰ যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশৰ ক্ষেত্ৰত চৰকাৰে প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনৰ কিবা বিবেচনা কৰিছে নেকি? যদি পদক্ষেপ গ্ৰহণ কৰিছে, তেন্তে কেতিয়া এই প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰা হ'ব আৰু এই প্ৰশিক্ষণ কেন্দ্ৰসমূহ কেতিয়াৰ পৰা পৰিচালনা কৰিব পৰা হ'ব সেই বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা জানিলে মই নিশ্চয় ভাল পাম বুলি অৱগত কৰিলো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী, দক্ষতা, নিয়োগ আৰু উদ্যমিতা, ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মই উত্তৰত কৈছোৱেই যে দক্ষতা বিকাশৰ কাৰণে আমাৰ বিভাগে কিছু short term course, ছয়মহীয়া, এবছৰীয়া বা দুবছৰীয়া course ITI বিলাকৰ জৰিয়তে দিয়ে। যোৱা সময়ত চৰাইদেউ জিলাত ১৮ টা দক্ষতা বিকাশ কেন্দ্ৰত ১৮ টা Job role ৰ ওপৰত ট্ৰেইনিং কৰা হৈছে। এইবিলাক Agriculture, Beauty and Wellness, Construction, Food Processing ইত্যাদিত কৰা হৈছিল। যোৱা বিধান সভাৰ সময়ত আমি সকলো বিধায়কক নিমন্ত্ৰণ কৰি আমাৰ Skill Development Mission ত এটা presentation দিছিলো যে কিধৰণে আমাৰ এইধৰণৰ দক্ষতাৰ লগত বিধায়কসকলে নিজেও জড়িত হ'ব লাগে। যোৱা সময়ত আমি যিবিলাক ট্ৰেইনিং কৰিছিলো, এই ট্ৰেইনিংসমূহৰ impact বিলাক যিধৰণে হ'ব লাগিছিল সেই ধৰণে হোৱা নাই বুলি আমি সকলো বিধায়কে ভাৱো। এইবাৰ সেইকাৰণে আমি maximum ট্ৰেইনিংয়েই residential কৰিছো। এই বছৰত যিমান ট্ৰেইনিং হ'ব, তাত একেলগে দহ-পোন্ধৰ দিন, এমাহ থাকি ট্ৰেইনিং কৰিব যাতে তাৰ impact টো আমি দেখিবলৈ পাওঁ আৰু ট্ৰেইনিং কৰাৰ লগে লগে তেওঁলোকৰ employment ৰ সুবিধাটোও যাতে থাকে। ঠিক তেনেদৰে আগতেও মই কৈছো যে প্ৰতিটো ব্লকতে আমি একো একোখন ITI কৰিবলৈ সিদ্ধান্ত লৈছো আৰু ইতিমধ্যে কেইবাখনো RFP float হৈছে। য'ত আমাৰ খালী বিল্ডিং আছিলে, আপোনাৰলোকৰ পৰা লিষ্ট পাইছিলো য'ত কিছুমান amalgamate হোৱাৰ পাছত খালী হৈ থকা স্কুল আছে সেই সমূহত আমি প্ৰতিটো ব্লকতে একো একোখন ITI PPP mode ত কৰাৰ পৰিকল্পনা কৰিছো আৰু বৰ্তমান থকা ITI আৰু Polytechnic সমূহত

নতুনকৈ Tata technology ৰ সহযোগত Industry 4.1 ৰ জৰিয়তে training ৰ ব্যৱস্থা কৰিছো। নতুনকৈ দক্ষতা বিকাশৰ কাৰণে বহুত খিনি কাম আৰম্ভ হৈছে আৰু আমাৰ চৰকাৰে যি নতুনকৈ ২ লাখ আত্ম সংস্থাপনৰ কথা কৈছে, তাৰ লগত জড়িত training ৰ ব্যৱস্থাও দক্ষতা বিভাগে কৰিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী দিগন্ত বৰ্মন।

**শ্ৰী দিগন্ত বৰ্মন, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদিও প্ৰশ্নটো চৰাইদেউ জিলাৰ, তথাপিও মই মন্ত্ৰী মহোদয়ক ক'ব বিচাৰিছো যে মাননীয় মন্ত্ৰী মহোদয়ে মোৰ পৰা লিষ্ট বিচাৰিছিলে আৰু মই তেখেতক লিষ্টখন দিছো। মোৰ কথাটো হ'ল যে Commerce Ministry কেতিয়াবাই এখন ITI বনাইছিলে ২০১০ চনৰ অক্টোবৰতে আৰু handover কৰিছিলে State ক। এই গোটেই বিল্ডিংটো এতিয়া abandoned হৈ পৰি আছে। তাত পুলিচৰ মানুহ আছিলে আৰু মই তেখেত সকলক তাৰ পৰা গুচাই দিলো, এই কথা মাননীয় মন্ত্ৰী মহোদয়ে জানে। তাৰোপৰি এখন বিদ্যামন্দিৰ হাইস্কুল amalgamate হৈছিলে গঙ্গা পুখুৰীৰ লগত। এই স্কুলখন তেখেতৰ মানুহে গৈ চাইও আহিছে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো, তেখেত যিহেতু নলবাৰীতে থাকে এই প্ৰজেক্ট দুটা চাই আহিলে অলপ ভাল হয় আৰু কম দিনৰ ভিতৰত আৰম্ভ কৰিলে নিশ্চিতভাৱে উঠি অহা যুৱকখিনি উপকৃত হ'ব।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী) ঃ** আমাৰ বিভাগীয় বিষয়াই আপুনি কোৱা দুয়োটা প্ৰতিষ্ঠান ইতিমধ্যে চাই আহিছে আৰু খুব কম দিনৰ ভিতৰত যিখন MSDP ৰ পৰা ITI বনাইছিল সেইখনৰ RFP float কৰিম আৰু নিশ্চয়কৈ PPP model ত যেনেকৈ কৰা হয়, এইখন খুব কম দিনৰ ভিতৰতে কৰিব পৰা যাব। লগতে আপুনি যিখন বিদ্যামন্দিৰ স্কুলৰ কথা কৈছে সেইখনতো ইতিমধ্যে আমাৰ বিষয়া গৈছে আৰু বাকীখিনি মইও প্ৰয়োজন সাপেক্ষে আপোনাৰ তাত গৈ চাই লম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ২২৭, শ্ৰী সুজামুদ্দিন লস্কৰ।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (খাদ্য আৰু অসামৰিক যোগান ইত্যাদিৰ মন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী সুজামুদ্দিন লস্কৰ,(কাটলিছেড়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ হাইলাকান্দি জিলাৰ ২০১৯-২০ বৰ্ষত SOPD ৰ under ত দুটা community hall sanction পাইছিলে। তেতিয়া আমাৰ জিলাখনত আমি তিনি জন বিধায়ক আৰু ৫ টা development block আছিল আৰু তেতিয়া DC মহোদয়ে লটাৰী কৰি দুটা ব্লকৰ নাম selection কৰিছিলে। আলগাপুৰ ব্লকৰ under ত জানকী বাজাৰ আৰু কাটলিচৰা ব্লকৰ under ত চাহাবাদ বাজাৰ। ২০১৮-১৯ ত sanction পালে, ১০০ শতাংশ কাম সম্পূৰ্ণ কিন্তু আজি ২০২৩-২৪ চলি আছে কিন্তু আজি পৰ্য্যন্ত পুঁজিৰ এটকাও পোৱা নাই। গতিকে মই আপোনাৰ মাধ্যমেৰে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো, আমি বিধায়ক হিচাপেও ৪-৫ বাৰ Commissioner ৰ অফিচত গৈছো, ৪-৫ বাৰ UC submit কৰিছো। কিন্তু কিয়, ৮ লাখ, ৮ লাখ টকাৰ দুটা community টয়লেট। এই ফাণ্ডটো কেতিয়া release কৰিব?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (খাদ্য আৰু অসামৰিক যোগান ইত্যাদিৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ

মহোদয়, চাহাবাদ বজাৰ আৰু জানকী বজাৰৰ community টয়লেট ইতিমধ্যে নিৰ্মাণ কৰা হৈছে আৰু কামো সম্পূৰ্ণ কৰা হৈছে আৰু এইবিলাক কাম আমাৰ কোনো vendor ৰ জৰিয়তে কৰা নহয়। আমি আমাৰ construction committee ৰ জৰিয়তে কামবিলাক কৰো আৰু এই construction committee ৰ বেঙ্কৰ একাউন্টত আমি যদিও ১০ ফেব্ৰুৱাৰী তাৰিখে আমাৰ সমগ্ৰ পুঁজি হস্তান্তৰ কৰিছিলো কিন্তু তাৰ পিছতো তেওঁলোকে হয়তো বেঙ্কৰ একাউন্টৰ কিবা খেলিমেলিৰ কাৰণে কাম কৰিব নোৱাৰাৰ কথাটো মোক commissioner য়ে জনাইছে। মই ব্যক্তিগতভাৱে commissioner ডাঙৰীয়াক তদাৰক কৰিবলৈ দিছিলো। সেই একাউন্টত যোৱা নাই কিন্তু পুঁজি সেই একাউন্টতে গৈছে। কিন্তু তেওঁলোকৰ একাউন্টত সেইটো সোমাব পৰা নাই। এতিয়া আমি BDO সকলক নিৰ্দেশ দিছো যে একাউন্টৰ সালসলনি কৰিয়েই হওঁক বা বেঙ্কৰ লগত কথা পাতিয়ে হওঁক তেওঁলোকে যাতে ঠিকঠাক কৰে আৰু টকাটো যাতে দিব পৰা যায়। তাৰকাৰণে বিত্তীয় বৰ্ষ ২০২৩-২৪ বৰ্ষত আমি বাজেটৰ পৰা পাবলগীয়া টকাৰ পৰা সেই টকাটো দি দিওঁ।

**শ্ৰী সুজামুদ্দিন লস্কৰ, (কাটলিছেড়া) ঃ** উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে দিছে যে জানকী বজাৰত টকাটো পাইছে ১০-০২-২০২৩ ত আৰু চাহাবাদটো কৈছে যে ২০২৩-২৪ ত টকাটো পাব। গতিকে আমাৰ মন্ত্ৰী মহোদয়ে কথাটো কৈছে সেইটোত আমাৰ জিলা পৰিষদৰ under ত BDO আৰু JE য়ে মিলি কামটো কৰাইছে। এতিয়া ৫ বছৰ হৈ গ'ল, এই দুটাৰ এটাৰো টকাও পোৱা নাই। যিহেতু জানকী বজাৰত আলগাপুৰ development block য়ে পাই গ'ল আমাৰ কাটলিছেড়া ডিভিজনে কেতিয়া পাম?

**শ্ৰীৰণজিৎ কুমাৰ দাস, (খাদ্য আৰু অসামৰিক যোগান ইত্যাদিৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বাজেটখন অনুমোদন হোৱাৰ পাছতেই ২০২৩-২৪ বিত্তীয় বৰ্ষত নিশ্চয়কৈ পাব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ২২৮। শ্ৰী জয়ন্ত বসুমতাৰী।

**শ্ৰী মতী অজন্তা নেওগ, (মন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী জয়ন্ত বসুমতাৰী, (চিডলী) ঃ** মাননীয় অধ্যক্ষ আৰু মাননীয় সদন, মন্ত্ৰী মহোদয়ৰ পৰা মই লিখিত উত্তৰ সঠিকভাৱে পাইছো। মোৰ supplementary question টো হ'ল যে আগতে যিটো Social Welfare Department আছিলে সেইটো এতিয়া Women & Child Development Department হৈ গ'ল। আমাৰ চিৰাং এখন নতুন জিলা। আমাৰ জিলাত যিজন District Social Welfare Officer আছে, তেওঁ CDPO হয় আৰু incharge হিচাপে কাম কৰি আছে। আমাৰ চিৰাং জিলাত তেওঁৰ বাহিৰে এই বিভাগটোত কোনো এজন staff নাই। গতিকে District Social Welfare Department টো functional কৰিবলৈ যি ব্যৱস্থা কৰিব লাগে, সেইটো কৰি দিব নেকি মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী মতী অজন্তা নেওঁগ, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মই আপোনাক জনাইছোৱেই যে তলৰ যিখিনি staff লাগে, সেইকিনি BTC য়ে নিজে কৰিব লাগে। তথাপিও আপুনি যিহেতু পৰামৰ্শ আগবঢ়াইছে মই চালিজাৰি চাই ইয়াৰ ওপৰত ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী নুৰুল হুদা।

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ৰূপহীহাট ICDS project টো ৰূপহী উন্নয়ন খণ্ড এলেকাৰ ভিতৰত হয় আৰু এই উন্নয়ন খণ্ডৰ ৬৭ টা centre চামগুৰি সমষ্টিৰ লাওখোৱা ICDS project ৰ অন্তৰ্ভুক্ত কৰি থোৱা হৈছে। এই বিষয়ে আগতেও সদনত

আলোচনা হৈছিলে আৰু ২০২২ চনতো এই কথাটো আমাৰ মাননীয় মন্ত্ৰী বাইদেৱে কৈছিলে অতি সোনকালে এইখিনি আনি দিব। গতিকে লাওখোৱা ICDS project ৰ এই ৬৭ টা centre কেতিয়া ৰূপাহীহাট ICDS project ৰ অন্তৰ্ভুক্ত কৰিব এই কথাটো মাননীয় মন্ত্ৰী মহোদয়ে জনাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী মতী অজন্তা নেওঁগ, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক গৰাকীয়ে আগতেও মোক প্ৰশ্নটো সুধিছিলে। মই আগতেও আপোনাক এবাৰ কৈছিলো যে যিহেতু আমি এতিয়া প্ৰক্ৰিয়া এটা চলাই আছো কেন্দ্ৰ বিলাকত গৈ পেলাই এই সমূহ কেনেকৈ আমি rationalize কৰিব পাৰো, সেইটো প্ৰক্ৰিয়া শেষ হোৱাৰ পাছতে আমি second step ত এইখিনি কাম আৰম্ভ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** Question No.229, শ্ৰী তেৰছ গোৱালা।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (খাদ্য আৰু অসামৰিক যোগান ইত্যাদিৰ মন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী তেৰছ গোৱালা, (দুলীয়াজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধন্যবাদ জনাইছো মন্ত্ৰী ডাঙৰীয়াক। মই বিচৰা প্ৰতিটো প্ৰশ্নৰ উত্তৰ তথ্য সহকাৰে পাইছো আৰু আপোনাকো ধন্যবাদ জনাইছো যে এটা নতুন পৰ্ব আৰম্ভ কৰিছে যে আমাৰ প্ৰশ্নবিলাক, যদিও মোৰ প্ৰশ্ন দুটা related নাছিল, Related নাথাকিলেও Finance Department আৰু মহিলা আৰু শিশু উন্নয়ন বিভাগৰ জৰিয়তে গোটেই প্ৰশ্নবিলাক তথ্য সহকাৰে দিয়া কাৰণে ধন্যবাদ জনাইছো। মই দেখিছো যে দিব্যাংগ পেঞ্চন ১,২৯,৮১০, বিধৱা পেঞ্চন ৩,২৮,৪৮০, বৃদ্ধ পেঞ্চন ১৮,৭৪,৬৩৬ আৰু অৰুণোদয় ১৭,৭,৩১৬ প্ৰায় ৪০,০০০ বেনিফিচাৰীক আমি বেনিফিট দিছো। কিন্তু এই আধাৰ কাৰ্ড চেটিঙৰ ক্ষেত্ৰত অসুবিধা হৈছে। বেঙ্ক একাউন্ট আগত খুলিলে, আধাৰটো পিচত হ'ল, আধাৰ কাৰ্ডত নামটো ভুল হোৱা কাৰণে বেঙ্কত এইটো Accept কৰা নাই। গতিকে বেঙ্ক বিলাকক এটা instruction দিব লাগে যে আধাৰ মতে যাতে বেঙ্কত নামটো শুদ্ধ কৰি দিয়ে। কাৰণ আমি আগত পঢ়িছিলো যে নামবাচক বিশেষ্য পদ সাধাৰণতে ভুল নহয়, Proper noun ত সাধাৰণতে ভুল নহয়। কিন্তু বেঙ্ক বিলাকে ইমান grammar পঢ়াই আছে যে আমাৰ দুখীয়া দিব্যাংগ ব্যক্তিয়ে অসুবিধা পাইছে। এবাৰ বেঙ্ক বিলাকৰ লগত review কৰিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (পঞ্চায়তআৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, যেতিয়া মই জিলা উপায়ুক্তসকলৰ লগত ৰিভিউ কৰো তাত এই বিষয়টো উত্থাপন হয় । সেই কাৰণে উপায়ুক্তসকলক নিৰ্দ্দেশ দিছো যে, লীড বেংক মেনেজাৰৰ লগত কথা পাতি ষ্টেইক হোল্ডাৰসকলক লগত লৈ এই সমস্যাটো দূৰ কৰাৰ বাবে নিৰ্দ্দেশ দিছো । সেইটোৰ আধাৰতে ব্লকসমূহত পাৰ্টিকুলাৰলি পি এম এ ৱাই বা এম জি এন ৰেগাৰ ক্ষেত্ৰত ইতিমধ্যে ব্লকত কেম্প কৰি আমি কৰিছো । গতিকে মই সন্মানীয় বিধায়কসকলক আহ্বান জনাব বিচাৰিছো যে যিসকলে এই পেনশ্যন পাই আছে কিবা কাৰণত ব্লক হৈছে বা আধাৰৰ বাবে ব্লক হৈছে । অন্ততঃ আধাৰ যিটো নামত আহিছে নতুনকৈ সেই নামত বেংক একাউন্ট খোলে কাৰণ নহ'লে আধাৰখন চেঞ্জ কৰিব লাগিব। হয়তো বেংক একাউন্ট চেঞ্জ কৰিব লাগিব নহ'লে আধাৰ চেঞ্জ কৰিব লাগিব। কিন্তু মই ভাবিছো যে যাতে বেংক একাউন্ট চেঞ্জ কৰি তেওলোকে পেনশ্যন পোৱাৰ ব্যৱস্থা হয় আৰু এই ক্ষেত্ৰত মই

বিধায়কসকলে যাতে সহায় কৰে মই এইটো আহ্বান জনাইছো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (কৰিমগঞ্জ উত্তৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইন্দিৰা গান্ধী পেনশ্যন স্কীম- এইটো চেণ্ট্ৰেল গৰ্ভমেন্টৰ স্কীম- এটা ফ্লেগশ্বিপ প্ৰজেক্ট । ইন্দিৰা মিৰি পেনশ্যন স্কীম ষ্টেট গৰ্ভমেন্টৰ হয় । অধ্যক্ষ মহোদয়, ইন্দিৰা গান্ধী পেনশ্যন স্কীমত আপুনি যদি চাই, বিহাৰ , মনিপুৰ , গুজৰাট, ৰাজস্থান , উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ , দিল্লী, গোৱা, কেৰালা এইবোৰ ৰাজ্যত দুই হাজাৰ টকাকৈ পায় old age pension । চৰকাৰৰ টকা চৰ্ট আছেনে নাই মই নাজানো কিন্তু মোৰ এনেকুৱা লাগিছে টকা চৰ্ট হৈছে নহ'লে আপোনালোকে কিয় দিব নোৱাৰিব ? কথাটো হৈছে- চেন্ট্ৰেলৰ ইন্দিৰা গান্ধী পেনশ্যন স্কীমটো দি থাকক লগতে আপোনালোকে অৰুণোদয়টোও দিয়ক তেতিয়া হ'লে হিতাধিকাৰীসকল উপকৃত হ'ব ।

**মাননীয় অধ্যক্ষ ঃ** অনাৰেবল্ মিনিষ্টাৰ ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ ইত্যাদি) ঃ** অধ্যক্ষ ডাঙৰীয়া আমি প্ৰতি মাহে আমি দিব্যাঙ্গ পেনশ্যন দি আছো- ৩২,৮০৮ গৰাকীক, বৃদ্ধ পেনশ্যন দি আছো - ১৮, ৭৬,৬৩৬ গৰাকীক, বিধৱা পেনশ্যন দি আছো ৩,২৮, ৪৮০ গৰাকীক । বৃদ্ধ পেনশ্যন- ৬০- ৭৯ বছৰ বয়সলৈ- ২৫০ টকা আৰু ৮০ বছৰৰ উৰ্দ্ধত হ'লে ৫৫০ টকাকৈ পায় । আমাৰ জ্যেষ্ঠ নাগৰিক সন্মিলনীয়ে বা জ্যেষ্ঠ ব্যক্তিয়ে এইটো বৃদ্ধি কৰাৰ বাবে আমাক কয় গতিকে বৃদ্ধি কৰিব পাৰিনে নোৱাৰি আগন্তুক দিনত মই এইটো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগত নিশ্চিতভাবে আলোচনা কৰিম । অধ্যক্ষ ডাঙৰীয়া আগন্তুক দিনত আমি এনেকুৱা এটা ব্যৱস্থালৈ গৈ আছো যে এটাই যাতে সুবিধা পায় । আগন্তুক দিনত পুঁজি সাপেক্ষে কি ব্যৱস্থা কৰিব পৰা যায় আমি চাম ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, আফতাবুদ্দিন মোল্লা- কোৱেশ্চন নং-২৩০

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ ইত্যাদি) ঃ** অধ্যক্ষ ডাঙৰীয়া , উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীআফতাবুদ্দিন মোল্লা, (জলেশ্বৰ) ঃ** অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক কেইটামান কথা ক'ব বিচাৰিছো । মই এটা প্ৰশ্ন কৰিছিলো কিন্তু যিটো উত্তৰ দিছে মই এইটোত সন্তুষ্ট নহয় । ২০১৬- ১৭

বিত্তীয় বৰ্ষৰ পৰা ২০২১-২২ বিত্তীয় বৰ্ষলৈ অসমৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগত প্ৰধান মন্ত্ৰীৰ আৱাস যোজনাত কিমান সংখ্যক ঘৰ আৰু কিমানজনক আবন্টণ দিয়া হৈছিল আৰু কিমান টকা মোকলাই দিয়া হৈছিল । উক্ত সময়ছোৱাত ধুবুৰী জিলাৰ বিভিন্ন উন্নয়ণ খণ্ডত আবন্টিত ঘৰ আৰু ধনৰ বৰ্ষভিত্তিক তথ্য বিচাৰিছিলো । আমাৰ ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে প্ৰতিজন দুখীয়া মানুহক একোখন ঘৰ দিব বিচাৰিছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়েও আঁচনি লৈছে যে প্ৰতিজন দুখীয়া মানুহে একোটা ঘৰ পাব লাগে। ধুবুৰী জিলাত যিমান কেইটা উন্নয়ণ খণ্ড আছে তাৰ ভিতৰত এটা উন্নয়ণখণ্ড হ'ল - জামাদাৰ হাট । এইটো উন্নয়ণখণ্ড জলেশ্বৰ সমষ্টিৰ অৰ্ন্তগত । মই প্ৰতিটো উন্নয়ণখণ্ডৰ বৰ্ষভিত্তিত তথ্য বিচাৰিছিলো কিন্তু মন্ত্ৰী মহোদয়ে উত্তৰটো কেৱল জামাদাৰ হাটৰহে দিলে । গতিকে ইয়াত আচল কথাটো ওলাই পৰিল যে জামাদাৰ হাটত ঘৰৰ টাৰগেট আছিল ৪,৩৫৪ টা কিন্তু ৰেজিষ্ট্ৰেশ্যন হৈছে ৪২৭০ টা । ধুবুৰীৰ অন্যান্য ব্লকবিলাকত আশী শতাংশ- সত্তৰ শতাংশ হৈছে কিন্তু জামাদাৰহাটত মাত্ৰ এঘাৰ শতাংশ হৈছে । ইতিমধ্যে মই তাৰে বিডিওৰ লগত কথা পাতিছো গতিকে ইয়াৰ উত্তৰটো মই মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া , বিধায়কগৰাকীয়ে যিটো কথা ক'লে যে ধুবুৰী জিলাৰ গোটেই তথ্যটো দিয়া নাই তেনে নহয় । এনেক্সাৰ- ১ আৰু এনেক্সাৰ ২ ত আমি ধুবুৰী জিলাৰ সম্পূৰ্ণ তথ্য দিছো । অধ্যক্ষ মহোদয়, আপুনি জানি সুখী হ'ব যে ধুবুৰী জিলাত এতিয়ালৈকে আমি এক লাখ ন হাজাৰ তিনিশ উনাশী ঘৰ দিছো । তাৰে ভিতৰত জামাদাৰহাটত দিয়া হৈছে - ৬৪১৮ টা ঠিক তেনেকৈ আগমনিত আছে ৫৪৮৪ টা , বিলাসীপাৰাত আছে ৬৮৫৫ টা, বীৰ সিং জাৰুৱাত আছে ১৫,৪৩৬ টা চাপৰ - শালকোছাত- ৮৭৮৮ টা, দেবীতোলাত- ৪৪৩২ টা, গৌৰীপুৰত ১৪,৫৪০ টা, গোলকগঞ্জত ৮৩৪১ , হাতীধুৰাত- ২৩৪৯ টা, জামাদাৰহাটত ৬,৪১৮ টা, মহামায়াত ৮২৯০ টা, নায়াৰআলগাত ৯৯৪৮ টা আৰু ৰূপসীত আছে ৮৮৫২ টা । এইখিনি গড় নিৰ্মাণ কৰাৰ বাবে আমি ইতিমধ্যে ধুবুৰী জিলাত ৫৯৪ কোটি ৫৫ লাখ টকা খৰছ কৰিছো । কেৱল এইটোয়ে নহয় অধ্যক্ষ ডাঙৰীয়া, ভাৰত চৰকাৰৰ লগতে মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাম যে এই ক্ষেত্ৰত সমগ্ৰ ভাৰতত তথ্য যদি আমি চাঁও তেন্তে দেখিব যে মধ্য প্ৰদেশত হাউচহোল্ড আছে প্ৰায় এক কোটি দহ লাখ নিৰানব্বৈ হাজাৰ আৰু তাত পি এম জি এ ৱাই ঘৰ চেংশ্যন কৰিছে ৩৭ লাখ ৭৪ হাজাৰটা । অৰ্থাৎ যিমান আছে তাৰ ৩৪ শতাংশ । লগতে যদি আমি অসমত চাঁও ইয়াত হাউচহোল্ড আছে ৫৯ লাখ ৩২ হাজাৰ ৩ ৫৭ টা আৰু ইয়াৰে ভিতৰত ১৯ লাখ ৭৪ হাজাৰটা ঘৰ আমি ইতিমধ্যে পাইছো । অৰ্থাৎ অসমেও ৩৩ শতাংশ লৈ দ্বিতীয় পজিশ্যনত আছে । এই যে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈ থাকে আমি একৰ পৰা পাঁচ নম্বৰ ৰাজ্যৰ ভিতৰত থাকিব ইতিমধ্যে এই কথাটো ইয়াত ৰিফ্লেক্ট হৈছে কাৰণ এতিয়াও কিছুমান ৰাজ্যত এক ৰ পৰা পাঁচ শতাংশলৈহে আগবাঢ়িছে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব ঠিক আছে ।

**শ্ৰীআফতাবুদ্দিন মোল্লা, (জলেশ্বৰ) ঃ** অধ্যক্ষ মহোদয়, মোৰ কথাটো আছিলে ২০২০- ২১ আৰু ২০২১-২২ - এই দুটা বৰ্ষৰ তথ্যৰ কথা কৈছিলো। ইয়াত গোটেই জিলাৰ ব্লক ৱাইজ যিটো ডাটা দিছে সেই মতে জামাদাৰ হাটত মাত্ৰ এঘাৰ শতাংশ ঘৰ হৈছে । বাকী বিলাক সত্তৰ- আশী শতাংশ ঘৰ হৈছে । জামাদাৰ হাটত এঘাৰ শতাংশ ঘৰ কাচ্চা হাউচহে হৈছে । গতিকে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাঁও যে কি কাৰণে এইটো হৈছে ইয়াৰ এটা তদন্ত কৰিব লাগে ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় অধ্যক্ষ , অনাৰেবল্ মিনিষ্টাৰ

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী, পঞ্চায়ত ও গ্ৰামোন্নয়ণ ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, ইতিমধ্যে এইটো বিষয়ত তদন্ত কৰা হৈছে । তাত থকা কিছুমান দুখীয়া মানুহে বানপানীৰ কাৰণে বেলেগ ঠাইলৈ উঠি গৈছিল আৰু আমাক য'ত মাটি আবন্টণ দিয়া হৈছে তাতহে ঘৰ বনাব পাৰি । গুৱাহাটীত পি এম জি এচ ৱাই আঁচনিয়ে আমাক অনুমতি নিদিয়ে কাৰণ সেইবিলাক ৰুৰেলত হে হয় । গতিকে এই বিলাক কাৰণে আপোনাৰ সমষ্টিত কিছু সমস্যা হৈছে । তথাপি আমি আগন্তুক দিনত গাওঁ সভা পাতি যি সকল প্ৰকৃত নমিনেছ আৰু সেই অঞ্চলৰ মানুহ, সেই অঞ্চলৰ বাসিন্দা, সেই সকলক either মাটি যোগান নহলে ক্লাষ্টাৰ কৰি সেইখিনি দিয়াৰ কাৰণে যোযা চলাই আছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীআফতাব উদ্দিন মোল্লা, (জলেশ্বৰ)** ঃ ছাৰ, তাত মাটিৰ কোনো অসুবিধা নাই। এইটো দুখীয়া মানুহৰ কথা।

**মাননীয় অধ্যক্ষ** ঃ মাটিৰ অসুবিধা নাই বিধায়কে মাটি উলিয়াই দিব। মাননীয় মন্ত্ৰী।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** ভাৰত চৰকাৰৰ যিটো আমালৈ নিৰ্দেশনা বা criteria সেই আধাৰতে আমি দিব লাগিব। গতিকে আপোনাৰ তাত যিটো সমস্যা আছে সেইটো লৈ ইতিমধ্যে তদন্ত কৰা হৈছে। আপোনালোকক জ্ঞাতাৰ্থে জনাব বিচাৰিছোঁ ধুবুৰী জিলাত ২৫ হাজাৰ নাম এতিয়া আমি withdraw কৰিব লাগিব। কাৰণ কিয় সেই সময়ৰ মানুহ খিনি existence য়ে নাই। আমি যিখন লিষ্ট পাইছো, ২০১১ চনত যিখন লিষ্ট বনাইছিল তাত ২৫ হাজাৰ মানুহে বিচাৰি পোৱা নাই। আমি এতিয়া গাওঁ সভা কৰি কৈছো যে আমাক সেইখন দিলিট কৰিবলৈ দিয়ক, দিলিট কৰিলে হয়তো আমি বেলেগত দিব পাৰিম। গাওঁসভা বোৰে দিলিটে নকৰে। গাওঁসভাই দিলিট কৰি দিলে, মুক্ত কৰি দিলে কাৰণ মানুহ নাই তাত, নাম বোৰ আছে, গতিকে তেনেকুৱা সমস্যা আছে। ধুবুৰী জিলাক জানো কাৰণ মই বহুদিন ধুবুৰী জিলাৰ লগত জড়িত।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। এতিয়া ভাস্কৰ জ্যোতি বৰুৱা।

**শ্ৰীভাস্কৰ জ্যোতি বৰুৱা, (তিতাবৰ) ঃ** অধ্যক্ষ মহোদয়, মই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে আমি দেখিছো যে ২০১১ চনৰ ঘৰ allotment হৈ আছে। আৰু এই ঘৰৰ ধন ৰাখি হৈছে ১,৩০,০০০ টকা। ১,৩০,০০০ টকাত ঘৰ এটা ভালকৈ বনাব নোৱাৰে। মই সদনৰ যোগেদি এইটো জনাব বিচাৰিছো যে এই ধনৰাখি বঢ়াব লাগে। কাৰণ মাননীয় প্ৰধান মন্ত্ৰীয়ে বিচাৰিছে যে ২০২৪ চনৰ ভিতৰত সম্পূৰ্ণ ঘৰ আমাৰ হ'ব লাগে। কিন্তু ঘৰ দিয়াৰ নামত যাতে পইচা পৰ্য্যাপ্ত পৰিমাণে তেওঁলোকক দিব নোৱাৰো ঘৰৰ মানদণ্ড খুব বেয়া হৈছে, বিশেষকৈ টিন বিলাক। Minimum 45mm টিন যাতে দিয়ে। কাৰণ আমাৰ দুখীয়া মানুহ বিলাকে কম দামৰ টিন লগোৱাৰ কাৰণে টিনবোৰ ৫ বা ১০ বছৰৰ ভিতৰত নষ্ট হয়। সেইটো এটা assure কৰিব লাগে যে প্ৰত্যেক বছৰে এই system continue নকৰি প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ যিটো ইচ্ছ যে ২০২৪ চনৰ ভিতৰত প্ৰত্যেকে ঘৰ পাব লাগিব, সেইটো আমি সকলোৱে assure কৰিব লাগে যে ২০২৪ চনৰ ভিতৰত এই আমাৰ যি আঁচনি আছে, সেই আঁচনি যাতে শেষ হয় আৰু প্ৰত্যেক মানুহে যাতে ঘৰ পায়।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, সেইটোৰ কাৰণে আমি দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াক ধন্যবাদ জনাব লাগে। কাৰণ কিয় আগতে ইন্দিৰা আৱাস যোজনা আছিল, ৭৫ হাজাৰ দিছিল, আপোনাৰ যিটো অনুভুতি এই কথাষাৰ মাননীয় দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই ২০১৪ চনতে উপলব্ধি কৰিলে আৰু ২০১৪ চনৰ উপলব্ধি কৰি ২০১৬ চনৰ পৰা প্ৰবৰ্তন কৰিলে প্ৰধানমন্ত্ৰী আৱাস যোজনা, য'ত নেকি ১,৩০,০০০ টকা লগতে MGNREGA ৰ জৰিয়তে ২১ হাজাৰ টকা অৰ্থাৎ ১,৫১,০০০ হাজাৰ টকা দিয়াৰ ব্যৱস্থা কৰিছোঁ দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই। আগন্তুক দিনৰ পৰা যিহেতু কিছু সামগ্ৰীৰ দাম বাঢ়িছে আগন্তুক ভাৰত চৰকাৰে যদি বৃদ্ধি কৰে ভালে পাম, সেইটোৰ কাৰণে আমি ইতিমধ্যে আমাৰ পৰা নিবেদন জনাইছোঁ। অহা ১৭ তাৰিখৰ পৰা এখন পঞ্চায়ত মন্ত্ৰী সকলৰ conference আছে। তাত এই বিষয়টো আমি উত্থাপন কৰিম।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** ছাৰ, এটা গুৰুত্বপূৰ্ণ কথা আপোনাক অনুৰোধ কৰিছোঁ। মাননীয় মন্ত্ৰী ডাঙৰীয়াই কৈছে যে পঞ্চায়ত মন্ত্ৰী সকলৰ conference আছে National levelত। অসমত এটা গুৰুত্বপূৰ্ণ বিষয় যে Kacha Houseৰ যিটো সংজ্ঞা টিন পাতৰ বেৰ থকা যি বোৰ ঘৰ beneficiary list ৰ পৰা কৰ্তন হৈছে এই বিষয়ে পবিত্ৰ বিধান সভাত আমি বিভিন্ন সময়ত আলোচনা কৰিছো কিন্তু এতিয়ালৈকে এই বিষয়ত বিভাগে কোনো ধৰণৰ নিৰ্দেশ লাভ কৰা

নাই কেন্দ্ৰৰ পৰা। গতিকে আপোনাৰ জৰিয়তে माননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো যে পঞ্চায়ত মন্ত্ৰী সকলৰ যিটো conference আছে তাত Kacha House অসমৰ ক্ষেত্ৰত যিটো সংজ্ঞা কেন্দ্ৰই গ্ৰহণ কৰিছে এই ক্ষেত্ৰত বিহীত আলোচনা কৰি উপযুক্ত হিতাধিকাৰী সকলে যাতে ঘৰ পাই তাৰ ব্যৱস্থা কৰিব নে নাই?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, সেই ব্যৱস্থাটো কৰা হৈছে কাৰণে, কাৰণ কিয় আমাৰ অসম আৰু ত্ৰিপুৰাক সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰত exemption দিয়াৰ কাৰণে Kacha Houseৰ যিটো concept, সেইটো concept দেশৰ কোনো ঠাইত নাই। আমাৰ অসম আৰু ত্ৰিপুৰাৰ ঘৰ বোৰ যিহেতু বেলেগ ধৰণৰ structure, যেতিয়া Assam Type ঘৰ মানুহে পাই কেৰল কি চাৰিওফালে পকী ৱাল হ'ব নালগে সেই কাৰণে আমি যে 2nd position পাইছো কিহৰ কাৰণে পাইছো Kacha House ৰ ধাৰণাটো ত্ৰিপুৰা আৰু অসমৰ ক্ষেত্ৰত সলনি কৰিছে কাৰণে। আমি এই সুবিধাটো লাভ কৰিছো। টিনপাত থকাটোক লৈ ভাৰ ত চৰকাৰে এতিয়ালৈ অনুমতি দিয়া নাই, তথাপিও আমি আবেদনটো ৰাখিম।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** ছাৰ, positively কিবা এটা কৰক।

**মাননীয় অধ্যক্ষ ঃ** হৈছে, supplementary কৰিলে reply দিলে। এতিয়া Shri Aminul Islam(Senior) 231.

**শ্ৰীআমিনুল ইছলাম, (ধিং ) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত পাইছো সেই কাৰণে মই supplementary কৰি আছোঁ। ইয়াত উত্তৰত যিটো কথা কৈছে যে কেন্দ্ৰীয় মন্ত্ৰালয়ে ভাৰত চৰকাৰক জাৰী কৰা MGNREGAৰ গ্ৰহণযোগ্য কামৰ তালিকাৰ অনুসৰি গ্ৰাম্য সংযোগী কৰণৰ আঁচনিৰ কাম গাঁওসভাৰ অনুমোদন সাপেক্ষে কাৰ্য্যকৰী কৰিব পৰা যায়। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা গৈছে যে গাওঁ সভাত অনুমোদ কৰিলেও ভোট বিলাক যি বিলাক গ্ৰাম্য ৰাস্তা এই আঁচনি বিলাক accept নকৰে, block য়ে বা জিলা পৰিষদে accept নকৰে। সেইবিলাক আচলতে এগ্ৰি বান্ধ হিচাপে দেখুৱাই কিন্তু এইটো খোলাখুলিকৈ গ্ৰাম্য ৰাস্তা পকীকৰণ আৰু চি চি ব্লক আৰু মাটিখিনি ওখ কৰাকৈ accept কৰিব লাগে মন্ত্ৰী মহোদয়ৰ পৰা এইটোৰ উত্তৰ বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, গ্ৰাম্য যিটো পথ অৰ্থাৎ paver block ৰ যিটো পথ, সেই পথটো আমি ইতিমধ্যে 15 % MGNREGA ৰ অধিনত ইতিমধ্যে আমি যিমান টকা থাকিব সেইটোৰ পৰা ১৫ শতাংশ এই ৰাস্তাবোৰ ধৰিবৰ পাৰিব। দ্বিতীয়তে হৈছে কি আমাৰ নতুনকৈ আমি আগৰ যিবোৰ rate আছিল সেই ৰেটবোৰো আমি সলনি কৰি দিছোঁ। PWD বা CPWD বা Water Resources ৰ পৰা rate বোৰ নতুন কৈ দিছোঁ। যেনেকৈ ইটাৰ ক্ষেত্ৰত আগতে আছিল ৭ টকা প্ৰতিটোত, এতিয়া আমি ১১ টকা দিছো, চিমেন্টৰ ক্ষেত্ৰত ৪২৫ টকা দিছোঁ excluding GST, তেনেকৈ ৰ'ডৰ ক্ষেত্ৰত আমি দিছো আগতে ৪,৭২০ টকা আছিল এতিয়া ৫,৫০০ কৰিছোঁ, ঠিক তেনেকৈ ব'ল্ডাৰৰ ক্ষেত্ৰত আগতে আছিল ৫৩৮ টকা এতিয়া ৬৮৬ টকা দিছো। কাৰণ ব'ল্ডাৰ সমূহ যিহেতু আমাৰ এগ্ৰিবান্ধ বা মথাউৰি বনাওতে লাগে, ঠিক তেনেকৈ প্ৰত্যেকটো item ত আমাৰ PWD বা Water Resourcesৰ যিটো norms ৰ আধাৰত আমি এই ৰেটখিনি দিছোঁ। 15th Financeৰ অধীনত 25% ৰাস্তা ধৰিব পাৰিব। মই আপোনালোকক আহ্বান জনাইছো যে এইবাৰ যাতে 15th Finance ত টকাটো সমূদায় টকাটো

স্কুল সমূহক দি কাৰণ অলপ এক লাখ ডেৰ লাখ টকাৰ কাম থাকে হয়তো কাৰোবাৰ white wash কৰিব লগীয়া আছে, টিনপাত সলনি কৰিব লগীয়া আছে একেলগে স্কুলৰ সমস্যাটো সমধান হ'ব। পৰৱৰ্তী সময়ত আপোনালোকে ৰাস্তা ধৰিব পাৰিব, এইবাৰ অন্তত আবেদন জনাম ময়ো সমষ্টিত কৰিছো ৭২ খন স্কুলত কৰিছো, পৰৱৰ্তী সময়ত অঙ্গনবাড়ী খিনি কৰি দিয়ে য'ত মডেল অঙ্গনবাড়ী নহয়, কাৰণ 15th Financeৰ পৰা সেইবোৰ কৰিলে, কাৰণ নিজৰ সমষ্টিৰ সমস্যা যিহেতু আমি সমস্যাটো সমধান কৰিব পাৰিম আৰু যিটো 15% বিধায়ক সকলে জনাইছিল, যে MGNREGAৰ ৰাস্তাটো আমাৰ ১৫ শতাংশৰ সলনি যাতে অলপ বৃদ্ধি কৰিব পৰা যায়। ৫০ শতাংশ কৰিলে revenue generate scheme বোৰ হৈ যাব।

**শ্ৰীআমিনুল ইছলাম, (ধিং) ঃ** অধ্যক্ষ মহোদয়, 15% ৰ পৰা 50% কৰিলে ভাল হয়, আচলতে ১৫ শতাংশত একো নহয়, ৰাস্তা-ঘাট আটাইতকৈ মূল সমস্যা।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** আমি ফিচাৰীয়ে হওঁক বা plantation হওঁক সেইবোৰো ধৰিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** হ'ব এজন এজনে সোধক, reply নহ'বচোন সময় নাই।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** আমি balance কৰিব লাগিব নহয়। মই যিটো plantationৰ কথা কৈ আছো sericulture কথা কৈ আছো সেইবোৰতো আমি invest কৰিব লাগিব। নহলে আমি অকল ৰাস্তা কৰিলে livelihood যদি নাবাঢ়ে IVS scheme ত দি আছো, বি ডি অ' সকলে কয়ে যে IVS scheme কিয় নলাও, IVS scheme ললেহে মহিলা সকলৰ livelihood বাঢ়িব। গতিকে দুয়োটা বেলেন্স কৰিব লাগিব।

**শ্ৰীজাকিৰ হুছেইন লস্কৰ, (হাইলাকান্দি) ঃ** অধ্যক্ষ মহোদয়, IVS scheme যদিও ইয়াত আছে সেইবিলাকটো ইমান material component ইমান নহয়, ফেন্সিঙৰ পইচা লাগিব যাৰ কাৰণে এই পুঁজি কৰা যায় গ্ৰামিন ৰাস্তা বিলাকত ১৫ শতাংশৰে একো নহয়, সেইটোৰ কাৰণে খুব কমেও ৪০ শতাংশ কৰি দিয়ক।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** মই সেইটো আহ্বান জনাম, আপোনালোকে কাম বেছিকৈ ধৰিলে মেটেৰিয়েলটো বেছিকৈ পাব। গতিকে আপোনালোকে এটা কাম কৰিব আমি ৬০-৪০ মেইন্টেইন কৰিব লাগিব। ৪০ শতাংশ মেটেৰিয়েল ল'ব লাগিব, সেইটো আমি ক্ৰছ কৰিব নোৱাৰো, সেইটো আমি বেলেন্স কৰি লৈ আপোনালোক যিহেতু vigilance Committeeৰ Chairman গতিকে আপোনালোকে যিটো সিদ্ধান্ত ল'ব সেইটোৱে হ'ব।

**মাননীয় অধ্যক্ষ ঃ** Question Hour over.

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পইন্ট অফ অৰ্ডাৰ, ৰুল ১৫৮,১৫৯, আৰু ১৬৪ আমাৰ দলৰ ফালৰ পৰা ২৯ তাৰিখে আমি মুখ্যমন্ত্ৰীৰ ওপৰত এটা Privilege notice দিছিলো। আমাৰ কংগ্ৰেছ বিধায়িনী দলৰ কথা কৈছে, কাৰ পৰা পালে কোনে কৈছে এইটো এটা আলোচনা কৰিব লাগে।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে কৈছিল যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই উঠাই ল'ব লাগে বুলি কোৱাৰ বাবে মুখ্যমন্ত্ৰী ডাঙৰীয়াই উঠাই লৈছে।

**মাননীয় অধ্যক্ষ ঃ** যদি ৰুল মতে কিবা থাকে সেইটো সকলোৱে উত্থাপন কৰিব পাৰে। গতিকে বিৰোধী পক্ষৰ পৰা এই নোটিছখন পোৱা গৈছে। নোটিচখন মই ভালদৰে পৰীক্ষণ কৰিলো।

ইয়াত যিটো মাননীয় মুখ্যমন্ত্ৰীৰ কথাটো কোৱা হৈছে বা যি শব্দ প্ৰয়োগ কৰা হৈছে, সেইটো সদনতে সেইদিনাখন উঠাই লৈছে। যিটো আপোনালোকে Sub-judice ৰ কথা কৈছিল সেই গোটেইখিনি পৰীক্ষণ কৰা হৈ গ'ল। আমি As per Rule মতে সেইটো বিষয়ত আলোচনা কৰিব পাৰো আৰু সংকল্প ল'ব পাৰো। সদনৰ সন্মতি সাপেক্ষে সেই সংকল্প প্ৰস্তাৱটো সেইদিনাখনেই হৈ গৈছে। আপোনালোকৰ নোটিচত কৈছিল যে সংকল্প প্ৰস্তাৱটো উঠাই ল'ব লাগে। গতিকে সেইটোৰ কাৰণে মই এই নোটিচখন পাইছো। আপোনালোকে যিটো কৈছে এই নোটিচখনত বিশেষ বিষয় নাই।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাক এইটো ৰুলিং দি বা ব্যাখ্যা কৰিব নে।

**শ্ৰী পিযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো উঠাই লোৱা হৈছে।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি )** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো অসত্য আছিল। যিহেতু উঠাই লৈছে।

**মাননীয় অধ্যক্ষ** ঃ "The Assam State Commission for Safai Karamcharis Bill, 2023" ৰাজভৱনৰ পৰা এটা বাণী আছে। বাণীটো হ'ল Under the Provision of Article 207 (1) of the Constitution of India " I Shri Gulab Chand Kataria" the Governor of Assam recommends the introduction of "The Assam State Commission for Safai Karamcharis Bill, 2023" in the Assam Legislative Assembly মাননীয় মন্ত্ৰী পিযুষ হাজৰিকা ডাঙৰীয়াক মই বিলখন উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী পিযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে "The Assam State Commission for Safai Karamcharis Bill, 2023" বিধায়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰস্তাৱটো হ'ল বিধেয়কখন উত্থাপন কৰাত সদনৰ সন্মতি আছে নে, যি সকল সদস্য/সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকলে বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো 'হয়ৰ সাপক্ষে', হয় সাপক্ষে,' হয়ৰ সাপক্ষে' বিধেয়কখন উত্থাপন হ'ল। এতিয়া Members Hour ,প্ৰথমতে মাননীয় সদস্য শ্ৰী জিৰণ বসুমতাৰী। আপোনাক ১০ মিনিট দিয়া হৈছে।

**শ্ৰী জিৰণ বসুমতাৰী, (গোসাঁইগাঁও)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সদস্যৰ সময়ত তিনিটা বিভাগক লৈ মোৰ সমষ্টিৰ যি সদস্যা এই বিলাক মই দাঙি ধৰিব বিচাৰিছো। প্ৰথমতে জলসম্পদ বিভাগৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি মই কথা ক'ব বিচাৰিছো। গোসাঁইগাঁও সমষ্টি এনে এটা সমষ্টি, য'ত বহুটো নদ-নদীৰ দ্বাৰা পৰিপূৰ্ণ। তাৰ কাৰণে বাৰিষা কাল আহিছে আমাৰ ৰাইজ বহুত ক্ষতিগ্ৰস্ত হয়। এইবাৰ বাৰিষাত আমাৰ যিবিলাক সৰু- বৰ নদ-নদী আছে, এই নদীবোৰে ফেনে-ফুটুকাৰে বাঢ়ি অহাত বছৰে বছৰে বানপানী হোৱাৰ লগতে তাত গঢ়াখহনীয়া প্ৰৱল হয়। তাৰ কাৰণে খেতিকে ধৰি ঘৰ-বাৰী নষ্ট হয়। যাৰ ফলত মোৰ সমষ্টিত শ শ পৰিয়ালে আজিৰ তাৰিখত ঘৰ নাইকীয়া হৈছে। তাৰ কাৰণে মই আজি পবিত্ৰ সদনত ক'ব বিচাৰিছো, অকল গোঁহাইগাও সমষ্টিয়ে নহয় অসম বুলি ক'লে আমি জানো নদ-নদী প্ৰধান এখন ৰাজ্য। আমি আমাৰ ৰাজ্যখনত গৰাখহনীয়া কেনেকৈ ৰোধ কৰিব লাগে, নিশ্চয় ৰাজ্য চৰকাৰে বৈজ্ঞানিক ভাবে এটা ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

গোঁসাইগাঁও সমষ্টিত বিশেষকৈ সংকোচ নদী, গংগাধৰ নদীকে ধৰি বহুত নদী আছে আৰু ভূটানৰ পৰা নামি আহে আৰু বহুত গাওঁ জলমগ্ন হয়। এই গাওঁ সমূহৰ নাম ক'ব বিচাৰিছো যে, চৌধুৰী ঘাট, ভুলুকামাৰী, বকীহাজা, বৰঘোপা, উপেন্দ্ৰপুৰ, কাছিয়াবাৰী, চিমলাবাৰী, সুৰেন্দ্ৰপুৰ, পলাচগুৰী, কোকচাগুৰী, জাৰাগুৰী, কয়লাগুৰী, গৰুমাৰা চৰ, বাকদোৰৰা, ভোলাৰকাচ আদিকে ধৰি বহুটো গাঁও আজিৰ তাৰিখত গৰাখহনীয়াৰ কৱলত পৰিছে। মই আশাবাদী, আমাৰ বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই ২ মাহৰ আগত চৰজমিন তদন্ত কৰি আহিছে ৰাইজৰ লগত কথা পাতিছে গতিকে নিশ্চয়কৈ মই সন্মানীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে আকৌ বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। গতিকে অনাগত সময়ত তাত স্থায়ী এটা সমাধান ল'ব লাগে, যিহেতুকে সংকোচ আৰু গংগাধৰ নদী অসম আৰু পশ্চিমবংগৰ মাজেৰে বৈ গৈছে। নদী সদায় অসমৰ ফালে বেছি ঠেলি আহিছে, আৰু তাৰ কাৰণে বছৰে বছৰে অসমৰ বহুত মাটি ক্ষতি হোৱাৰ লগতে বহুত মাটি নষ্ট হৈ গৈছে। সেই কাৰণে ইয়াৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ ২০২৩-২৪ বাজেটত যাতে ভাল এটা স্কীম ধৰা হয়, আৰু পাৰমোনেন্ট বান্ধ এটা দি ৰাইজক সহায় কৰিব পাৰো তাৰ কাৰণে মই আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো। ইয়াৰ লগতে এতিয়া মই PWD বিভাগৰ বিষয়ে ক'ব খুজিছো, মই আগতে উনুকিয়াইছো যে সচাঁকৈয়ে আমাৰ বহুতো নদ নদী থকাৰ কাৰণে তাত বহুতো দলঙৰ প্ৰয়োজন আছে। ৰাস্তাঘাটৰ সমস্যা আছে যদিও আজিৰ তাৰিখত আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বহুতো স্কীম দি আমাক সকাহ দিছে। কিন্তু ৰাস্তাঘাটৰ উপৰিও বিশেষকৈ ইয়াত প্ৰয়োজন হৈছে দলং আৰু কালভাৰ্টৰ। মোৰ সমষ্টিত অতি কমেও ৩০ খনতকৈ অধিক সৰু ডাঙৰ কাঠৰ দলং আছে। কিন্তু এই কাঁঠৰ দলংবোৰ বহুত পুৰণা হৈ যোৱাত ইয়াত অহা যোৱা কৰাৰ কাৰণে বহুত অসুবিধা হৈ আছে। এই কাঠৰ দলংবোৰ বৰ্তমান চলাৰ কাৰণে উপযোগী নহয়, তাৰ কাৰণে মই সন্মানীয় PWD বিভাগত থকা আমাৰ সন্মানীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিব বিচাৰিছো, যাতে যিবোৰ কাঠৰ দলং আছে, এই কাঁঠৰ দলংবোৰ replace কৰি তাত যদি RCC Bridge দিয়া হয় নিশ্চয় ৰাইজৰ কাৰণে সুবিধা হ'ব। লগতে বাৰিষাকাল আহিলে দলঙৰ অৱস্থা জৰাজীৰ্ণ হোৱাৰ কাৰণে বহুতো ছাত্ৰ-ছাত্ৰী সকলেও অহা যোৱা কৰাত বহুতো অসুবিধা হয়, কষ্ট হয়। ৰাস্তা থাকিলে দলং নাই , বা কালভাৰ্ট নাই তেনেকুৱা অৱস্থা। গতিকে মই ভাবো মাননীয় উপাধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মই আকৌ দৃষ্টি আৰ্কষণ কৰিব বিচাৰিছো। সন্মানীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া যিহেতু PWD বিভাগত আছে, তেখেতে আমাৰ সমষ্টিত বহুতো কাম কৰাৰ আশ্বাস দিছে। এইবাৰ যদি দলং বনোৱাৰ কাৰণে বিশেষকৈ মোৰ সমষ্টিত যদি পুঁজি আৱন্টন দিয়া হয়, নিশ্চয় ৰাইজ তথা আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে এটা ভাল ব্যৱস্থা হ'ব। ইয়াৰ লগতে মই আকৌ ক'ব খুজিছো আমাৰ জলসিঞ্চন বিভাগৰ ওপৰত। আমি প্ৰত্যেকেই কওঁ বা জানো যে আমাৰ ৰাজ্যখনত যদি আমি উন্নয়নৰ ফালে যাব লগা হয় বা যাব বিচাৰো তেনেহ'লে কৃষিৰ ক্ষেত্ৰত আমি অগ্ৰাধিকাৰ দিব লাগিব। কাৰণ আমাৰ প্ৰায় ৮০ শতাংশ জনসাধাৰণ কৃষিৰ ওপৰত নিৰ্ভৰ কৰে। খেতি বাতি যদি সুকলমে কৰিব নোৱাৰে তেনেহলে, আমাৰ কৃষকসকল নিৰাশাত পৰে। গতিকে আমাৰ গোঁসাইগাঁও অঞ্চল , এনেকুৱা এটা অঞ্চল বুলি ক'ব লাগিব য'ত ভৌগলিক ক্ষেত্ৰত বহুতো খেতি বাতি হয়। কিন্তু আমি দেখিবলৈ পাইছো যে বাৰিষা কালত সময় মতে বৰষুণ নোহোৱাৰ কাৰণে আমি খেতি বাতি কৰিব নোৱাৰো। সেইটো লক্ষ্য কৰি মই সন্মানীয় উপাধ্যক্ষ মহোদয়ৰ যোগেদি বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে মোৰ সমষ্টিত য'ত যেনেকুৱাকৈ প্ৰয়োজন তাত জলসিঞ্চনৰ ব্যৱস্থা যদি কৰি দিয়ে

নিশ্চয়কৈ কৃষক সকল উপকৃত হ'ব। এই কৃষক সকলে যদি কৃষিৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দি নিজৰ যিখিনি কৃষিৰ ওপৰত পাব লাগে সেইখিনি যদি পাই যায়, নিশ্চয়কৈ ঘৰটো পোহপাল দিয়াত অৰিহণা যোগাব। আৰু মই ভাবো কৃষক সকলৰ অবিহনে আমাৰ ৰাজ্যৰ ইমান অগ্ৰগতি হ'ব নোৱাৰিব, এইটো আমি প্ৰত্যেক বিধায়ক সকলে জানো। তাৰ কাৰণে মই বিশেষভাবে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো এইবাৰ ২০২৩-২৪ বিত্তীয় বৰ্ষত সন্মানীয় মন্ত্ৰী মহোদয়ে বিশেষকৈ মোৰ সমষ্টিৰ কাৰণে জলসিঞ্চলৰ আঁচনি যাতে ভাল এটা সুবিধা কৰাই দিয়ে আৰু লগতে তেনেকুৱাকৈ আগতে যিবিলাক শ্লুইচগেট বনোৱা হৈছিল, আজিৰ তাৰিখত বহুত শ্লুইচগেট ভাল এটা পৰিবেশত নাই। ক'ৰবাত কাৰিকৰী বিজুতি হৈ আছে, এই বিলাককো যদি মেৰামতি কৰা হয় নিশ্চয় কৃষক সকল উপকৃত হ'ব। গতিকে মই এইখিনি কথা কৈছো, লগতে মই আশাবাদী যে নিশ্চয়কৈ মন্ত্ৰী মহোদয়ে গুৰুত্ব দি সহায় কৰিব। আৰু তাত এইবাৰ নিশ্চয়কৈ ভালদৰে কাম কৰিব । এইখিনি কোৱাৰ সুযোগ দিয়াৰ বাবে মই ধন্যবাদ জনাইছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মাননীয় সদস্য জাকিৰ হুছেইন লস্কৰ। ১০ মিনিটত আপোনাৰ তিনিটা বিষয় আছে আপুনি উত্থাপন কৰিব।

**শ্ৰীজাকিৰ হুছেইন লস্কৰ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ লগত ৰাজ্যখনৰ বিভিন্ন সমস্যাৰ ওপৰত আলোচনাত অংশগ্ৰহণৰ সুযোগ দিয়াৰ বাবে পোনপতীয়াকৈ আপোনাক ধন্যবাদ জনাইছো। মাননীয় উপাধ্যক্ষ মহোদয় আমি জানো যে আমি আগবাঢ়িবলৈ হ'লে প্ৰথমে আমি কৃষি আৰু গ্ৰামোন্নয়নৰ ক্ষেত্ৰত আগবাঢ়িব লাগিব। মোৰ জিলা হাইলাকান্দি ইতিমধ্যে এখন অনুন্নত জিলা হিচাপে পৰিগণিত হৈছে। গ্ৰাম্য অঞ্চলৰ উন্নয়ৰ বাবে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ অন্যতম গুৰুত্বপুৰ্ণ বিভাগ। কিন্তু এই বিভাগত তুলনামুলক ভাৱে কৰ্মচাৰীৰ সংখ্যা যথেষ্ট পৰিমাণে কম, যাৰ বাবে গাঁও উন্নয়ন বিভাগত বিভিন্ন কাম কাজ লাহে লাহে চলি আছে। বিশেষকৈ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ক্ষেত্ৰত আজি সদনত আহি মই মন্ত্ৰী মহোদয়ৰ পৰা শুনিলো যে মেটেৰিয়েলচৰ ৰেট অলপ বঢ়াই দিছে। সেই কাৰণে মই এইটো কৈছো যে প্ৰধানমন্ত্ৰী আৱাস যোজনাত এতিয়া যিহেতু মেটেৰিয়েলচৰ ৰেটটো অলপ বাঢ়ি গৈছে, প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ কাৰণে যি ১.৫০ লাখ দিয়া হয়, সেইটো অলপ কম। সেই কাৰণে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক কৈছো, যে প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ পইচাটো বঢ়াব লাগে, এইটো ১.৫০ ৰ পৰা ২.৫০ লাখ কৰিব লাগে। আৰু এটা কথা অলপ আগত কোৱা হৈছে যে গ্ৰামোন্নয়নৰ ক্ষেত্ৰত প্ৰধানকৈ এম জি এনৰেগাত ষ্টাফবিলাক কম হোৱা হেতুকে এতিয়ালৈকে ১০০ দিনৰ কাম আমি দিব পৰা নাই। আৰু আমাৰ মানুহ ইমান সচেতনো নহয় । সেই কাৰণে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে গ্ৰামোন্নয়নত অফিচাৰ সকল দিব লাগে, কাৰণ চাওঁক আজি যদি গাওঁ পঞ্চায়তত যোৱা যায়, তেতিয়া চাব গাওঁ পঞ্চায়তত কোনো এজন মানুহেই নাই। গাওঁ পঞ্চায়তত এজন চতুৰ্থ বৰ্গৰ কৰ্মচাৰী আছে, কিন্তু বাকী কোনো অফিচাৰ আৰু ষ্টাফ নাই। সেইটো এনচিউৰ কৰিব লাগে, যে গাওঁ পঞ্চায়তত মিনিমাম কম্পিউটাৰ এচিষ্টেন্ট, জি আৰ এচ, জি পি এচ ই, জি পি সচিব কম পক্ষেই থাকিবই লাগে। ঠিক আছে ফিল্ডত কাম আছে আমি সেইটো মানি লৈছো। কিন্তু এটা বা দুটা পৰ্য্যন্ত এটা নিৰ্দিষ্ট সময় জি পিত থাকিব লাগে। কাৰণ গাওঁ পঞ্চায়তৰ লগত গাঁৰৰ দুখীয়া মানুহৰ বিভিন্ন কাম কাজ জড়িত হৈ আছে। কোনো জি পি ত গ'লে পোৱা যায় এজন ৪ৰ্থ শ্ৰেণীৰ কৰ্মচাৰী থাকে, তেওঁক যদি সোধা যায় তেতিয়া কয়, বাকী ষ্টাফবিলাক অন্য জি পি লৈ গৈছে। কিন্তু তেওঁলোকে বেলেগ জি পি ত নগৈ ঘৰৰ পৰাই কৈ থাকে যে মই অমুক জি পিত

আছো, তমুক  জি পিত আছো। উপাধ্যক্ষ মহোদয় হাইলাকান্দি জিলা অনুন্নত জিলা হিচাপে ভাৰত চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত আৰু তাত ৮০ শতাংশ মানুহ কৃষি কাৰ্য্যৰ লগত জড়িত। আমাৰ চাউলৰ ক'লা বজাৰৰ বেপাৰৰ বিষয়ে বহু আগতে আমাৰ সদনত বিভিন্ন কথা উঠিছে। কিন্তু চাউলৰ কলা বজাৰ নিয়ন্ত্ৰণ কৰিবৰ বাবে কৃষক ৰাইজক সহায় কৰাতো চৰকাৰৰ উচিত। ইয়াৰ উপৰিও দেখা যায় যে প্ৰতিখন জিলাত যিসকল wholesaler আছে, এই wholesaler বিলাকে তেওঁলোকৰ নিজৰ স্বাৰ্থ সিদ্ধি কৰাৰ বাবে তেওঁলোকৰ মুনাফাৰ কাৰণে তেওঁলোকৰ নিজা মানুহক retail saller কৰি দিয়ে। এই সুযোগটো wholesaler বিলাকে লৈ আছে। সেই কাৰণে এটা জি পি ত মিনিমাম দুটা retail saller দোকান দিব লাগে আৰু ইয়াত জি পি  চেক্ৰেটাৰীক জড়িত কৰিব লাগে। কৃষি বিভাগত ২০ শতাংশ কৰ্মচাৰী বৰ্তমান আছে। ৮০ শতাংশৰ অধিক পদ খালী হৈ আছে। কৃষি বিভাগৰ এই খালী পদৰ অৱস্থাটো বহুত বেয়া অৱস্থা। সেইটো কাৰণে আজি গ্ৰামোন্নয়ণৰ যেনেকুৱা প্ৰয়োজন, ঠিক তেনেকৈ কৃষি বিভাগটো প্ৰয়োজন। কিন্তু তাত দেখা গৈছে যে ৮০ শতাংশ পদ এতিয়াও খালী হৈ আছে। মাননীয় উপাধ্যক্ষ মহোদয়, ইমান পদ খালী হৈ থকাৰ পিছত কৃষি বিভাগটো কেনেকৈ আগবাঢ়ি যাব। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিটো ধান ক্ৰয়ৰ ব্যৱস্থা কৰিছে এইটো অতি ভাল পদক্ষেপ। কিন্তু মোৰ জিলাত এটা FCI Godown আছে আৰু এই এটাতেই  ধান ক্ৰয় কৰা হয়। সেইটো যদি অলপ ঠিক কৰিব পৰা যায় দুই-তিনিটা FCI ৰ ধান ক্ৰয় কৰিব পৰা যায়। FCI ৰ ধানত আৰু এটা সমস্যা আছে যে FCI য়ে যিবিলাক মিলাৰক ধান দিয়ে সেইটোত এবাৰেই যদি ৬৭ কিলো থাকে, প্ৰতি কুইণ্টল ধান দিয়াৰ পিছত মিলাৰৰ পৰা পৰা ৬৭ কে.জি ধান FCI ক দিব লাগে। কিন্তু অসমত আচলতে যিমান হয় ৬৫ কে.জি ৰ ওপৰত নাযায়। সেইটোৰ এটা বিবেচনা কৰিব লাগে। হাইলাকান্দি জিলাৰ একমাত্ৰ Seed Farm and Reserch Center কাটলিচৰা মণিপুৰত অৱস্থিত। ইয়াত বৰ্তমানে কৃষি বিভাগৰ কাম চলি আছে। মাননীয় উপাধ্যক্ষ মহোদয়, এটা পৰিতাপৰ বিষয় যে এখনেই Seed Farm আছে। তাৰ মাটিখিনি শিক্ষা বিভাগক দিয়া হৈছে। যি জিলাখনত ৮০ শতাংশ মানুহ কৃষিৰ লগত জড়িত সেই জিলাখনত এটা  Seed Farm and Reserch Center আছিল, সেই Seed Farm and Reserch Center ৰ ঠাইখিনি কিয় কলেজৰ বাবে দিয়া হ'ল। কলেজ বনাবৰ বাবে আৰু বহুত বেলেগ ঠাইত মাটি আছে। সেই বাবে আপোনাৰ জৰিয়তে মই এইটো অনুৰোধ জনাইছো যে এই ঠাইখিনি কৃষি ক্ষেত্ৰৰ কাৰণে আৰু Seed Farm and Reserch Center কাৰণে ৰাখিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, খাদ্য আৰু অসামৰিক যোগান বিভাগ, এই বিভাগটোত দুটা বিভাগ জড়িত হৈ আছে। খাদ্য আৰু অসামৰিক যোগান আৰু সমবায় বিভাগ। খাদ্য আৰু অসামৰিক যোগান বিভাগে বস্তু দি থাকে আৰু সমবায় বিভাগে সেইবোৰ বিতৰণ কৰি থাকে। সেইটো কাৰণে control কৰিব নোৱাৰে। আমি জানো যে গাঁৱৰ যি ডিলাৰ শ্বপ আছে, তাত এখন ভিজিলেঞ্চ কমিটি আছে। জি পি লেভেলত এখন আছে,  এখন ব্লক লেভেলত আছে ; এখন সমষ্টি লেভেল আছে আৰু এখন জিলা পৰ্য্যায়ৰ কমিটি আছে। কিন্তু কেতিয়াবা কেতিয়াবা দেখা যায় যে একমাত্ৰ জিলা পৰ্য্যায়ৰ সমিতিত হে ৬ মাহ বা এবছৰৰ মূৰত দুই-তিনিখন মিটিং হয় কিন্তু শ্বপ লেভেল, গাওঁ পঞ্চায়ত লেভেল, সমষ্টি লেভেলত মিটিঙবোৰ নহয়। সেইকাৰণে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে এই যিটো নিয়ম আছে তাৰ ওপৰত উপায়ুক্ত সকলক এটা নিৰ্দেশ দিব লাগে যে শ্বপ লেভেললৈ যদি মিটিং নহয় তেতিয়ালৈকে জিলা পৰ্য্যায়ৰ মিটিঙখন বন্ধ ৰাখিব লাগে। কাৰণ শ্বপ লেভেলৰ মিটিঙ হোৱাৰ পিছত জি পি

লেভেললৈ আহে তাৰ পিছত ব্লক লেভেলত হ'ব। কিন্তু দেখা যায় যে জিলা পৰ্য্যায়ৰ মিটিং কৰি দিয়ে। এই সময়খিনি মোক ক'বলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী প্ৰদীপ সৰকাৰ। আপোনাৰ দহ মিনিট সময় থাকিব। তিনিটা বিষয়।

**শ্ৰী প্ৰদীপ সৰকাৰ, (অভয়াপুৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সদস্যৰ সময়ত দুআষাৰ কোৱাৰ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, বঙাইগাঁও জিলাত মেডিকেল কলেজ মঞ্জুৰী দিয়াৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়লৈ ধন্যবাদ জ্ঞাপন কৰিলো। আমাৰ উত্তৰ শালমাৰা মহকুমাৰ অন্তৰ্গত অভয়াপুৰী নগৰত অৱস্থিত অভয়াপুৰী সমূহীয়া স্বাস্থ্য কেন্দ্ৰখন আমাৰ বৃহৎ অঞ্চলৰ একমাত্ৰ স্বাস্থ কেন্দ্ৰ আৰু এই স্বাস্থ্য কেন্দ্ৰলৈ চিকিৎসাৰ বাবে বিভিন্ন প্ৰান্তৰ পৰা ৰোগী চিকিৎসা কৰিবলৈ আহে। কিন্তু স্বাস্থ্য কেন্দ্ৰখন নানা দিশত পিছপৰি থকাৰ বাবে আমাৰ অঞ্চলবাসীৰ বৰ অসুবিধা হৈছে। চিকিৎসালয়খনত উপযুক্ত চিকিৎসকৰ উপৰিও পৰ্য্যাপ্ত পৰিমাণৰ বিল্ডিং নথকাত ৰোগীক সঠিক চিকিৎসা দিয়াৰ লগতে ৰোগী ৰখাৰ ক্ষেত্ৰতো বৰ অসুবিধা হৈ পৰিছে। সেয়েহে অভয়াপুৰী সমূহীয়া স্বাস্থ্য কেন্দ্ৰখন এশখন বিচনাযুক্ত অসামৰিক চিকিৎসালয়লৈ উন্নত কৰি তাত নানান ৰোগৰ বিশেষজ্ঞ নিয়োগৰ উপৰিও আই.চি.ইউৰ ব্যৱস্থা কৰিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, অভয়াপুৰী দক্ষিণ বিধান সভা সমষ্টিৰ অন্তৰ্গত এলেকা সমূহত যিকেইখন ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আছে তাত পৰ্য্যাপ্ত পৰিমাণৰ চিকিৎসক আৰু নাৰ্চ নথকাত দুখীয়া ৰাইজে যমৰ-যাতনা ভোগাৰ ওপৰিও গৰ্ভৱতী মহিলা সকলে বিশেষ অসুবিধাৰ সন্মুখীন হৈ আছে। সেয়েহে মোৰ সমষ্টিৰ সন্তোষপুৰ-ডুমেৰগুৰি, লেংটিছিঙা, মেৰেৰচৰ, যোগীঘোপা, পাচনিয়া, বিষ্ণুপুৰ, কচুডোলা, ধনতলা, আমগুৰি আৰু উত্তৰ শালমাৰা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ সমূহ উন্নীতকৰণ কৰি উপযুক্ত চিকিৎসক আৰু নাৰ্চ নিযোগ কৰাৰ ব্যৱস্থা কৰিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, টাপাট্টাৰী ব্লক এলেকাত কোনো ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নথকাত ৰাইজৰ বিশেষ অসুবিধাৰ সৃষ্টি হৈছে। সেয়েহে টাপাট্টাৰী উন্নয়ন খণ্ডৰ চৌহদত টাপাট্টাৰী ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নামাকৰণেৰে এখন ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ মঞ্জুৰী দিব লাগে। ইয়াৰ বাবে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। মোৰ অভয়াপুৰী দক্ষিণ বিধান সভা সমষ্টিৰ অন্তৰ্গত ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰসমূহত স্থায়ীভাৱে কোনো চিকিৎসক নিযুক্তি নিদিয়াত গাঁৱৰ ৰাইজ বৰ সমস্যাত পৰিছে। যিখিনি চিকিৎসক কৰ্মৰত অৱস্থাত আছে সেইখিনিও ঠিকা ভিত্তিত নিযুক্তি দিয়া হৈছে। সেয়েহে ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ সমূহত স্থায়ী ভাৱে চিকিৎসক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইখিনিতে মন্ত্ৰী মহোদয়ক অৱগত কৰিছো যে ইতিমধ্যে চলন্তপাৰা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটো সমূহীয়া স্বাস্থ্য কেন্দ্ৰলৈ উন্নীত কৰণৰ কাম প্ৰায় সমাপ্ত কৰা হৈছে। সেয়েহে মন্ত্ৰী মহোদয়ক অনতিপলমে স্বাস্থ্য কেন্দ্ৰটোৰ যাৱতীয় লাগতিয়াল সা-সামগ্ৰী যোগান ধৰি তাৰ দ্বাৰ মুকলি কৰাৰ ব্যৱস্থা কৰে। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বইটামাৰী মডেল স্বাস্থ্য কেন্দ্ৰত সু-চিকিৎসাৰ বাবে এজন প্ৰসুতি বিভাগৰ ডাক্তৰ, এজন মেডিচিন বিশেষজ্ঞ, এজন শিশু বিশেষজ্ঞ, এজন এনাস্থেচিয়া ৰ ডাক্তৰ নিয়োগৰ ব্যৱস্থা কৰিব লাগে। এইখিনি মোৰ স্বাস্থ্য বিভাগৰ আছিল। ইয়াৰ পিছত মই জলসম্পদ বিভাগলৈ আহিছো। মাননীয় উপাধ্যক্ষ মহাদয়, প্ৰথমে বিভাগীয় মন্ত্ৰী মহোদয়ক পাচঁনিয়া আৰু ডুবাচুৰীৰ গৰাখহনীয়া প্ৰতিৰোধ কৰাৰ বাবে যথাক্ৰমে ২ কোটি ৫০ লাখ আৰু ২ কোটি ৮২ লাখ টকা মঞ্জুৰী দিয়াৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু ডুবাচুৰীৰ বান্ধটো আৰু ২০০ মিটাৰ মান সংযোগ কৰিলে

সমূহ গাওঁ খহনীয়াৰ কবলৰ পৰা সম্পূৰ্ণ ৰক্ষা পৰিব। ইতিমধ্যে এই কামটো চলি আছে। কিন্তু ২০০ মিটাৰ যদি বৃদ্ধি নকৰে তেতিয়াহ'লে গৰাখহনীয়া প্ৰতিৰোধ কৰাত অসুবিধা হ'ব। সেয়েহে মাননীয় মন্ত্ৰী মহোদয়ে উক্ত বান্ধটো ২০০ মিটাৰ সংযোগ কৰাৰ ব্যৱস্থা কৰিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, অভয়াপুৰী দক্ষিন বিধান সভা সমষ্টিৰ অন্তৰ্গত বহুসংখ্যক গাঁও প্ৰত্যেক বছৰে ব্ৰহ্মপুত্ৰ, আই, মানাহ আৰু চম্পা নদীৰ গৰাখহনীয়াৰ কবলত পৰি ঘৰ-দুৱাৰ ভঙাৰ উপৰিও শ শ বিঘা খেতি-মাটি নদীত জাহ যায়। ব্ৰহ্মপুত্ৰ নদীয়ে মালেগড়, গোবিন্দপুৰ মহোনপুৰ, যোগীঘোপা, চটপৰা, মাজেৰআলগা, খাওনকোৰা আদি অঞ্চলৰ স্কুল, ৰাস্তা-ঘাট, ঘৰ-দুৱাৰ আদি গৰাখহনীয়াৰ কবলত পৰি বিস্তৰ ক্ষতি সাধন কৰে।

মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ১২.০৭.২০২২ ইং তাৰিখত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ব্ৰহ্মপুত্ৰত গৰাখহনীয়াৰ কবলত পৰা মালেগড় গাঁও পঞ্চায়তৰ অন্তৰ্গত গোবিন্দপুৰ, তিনিকোণীয়া গাঁও পৰিদৰ্শন কৰি আহিছে আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই অঞ্চলৰ গৰাখহনীয়া প্ৰতিৰোধ কৰাৰ আশ্বাস প্ৰদান কৰিছিল। সেয়েহে মাননীয় মন্ত্ৰী মহোদয়ক অনিতপলমে ইয়াৰ বিহীত ব্যৱস্থা কৰিবলৈ অনুৰোধ জনালোঁ।

ইয়াৰ উপৰি আই আৰু মানাহ নদী একেলগ হোৱাত সন্তোষপুৰ- ডুমেৰগুৰী, ভৰালীপাৰা, মেৰেৰচৰ, কুশবাৰী আৰু বৰাজানা অঞ্চলৰ ৰাস্তা-ঘাট, স্কুল, ঘৰ-দুৱাৰ, শ-শ বিঘা খেতি-মাটি ইতিমধ্যে গৰাখহনীয়াৰ কবলত পৰি নদীত জাহ গৈছে। এইবোৰ অঞ্চলৰ গৰাখহনীয়া প্ৰতিৰোধ কৰাৰ ব্যৱস্থা কৰিব লাগে।

চম্পা নদীৰ গৰাখহনীয়াত ঔডুবী, খেলুৱাপাৰা, হকোডোৰা, আৰিয়া আৰু পশ্চিম মাজেৰআলগাৰ অপৰিসীম ক্ষতি সাধন হয়।

মাননীয় উপাধ্যক্ষ মহোদয়, ওপৰোক্ত নদী সমূহৰ গৰাখহনীয়াৰ এটা স্থায়ী প্ৰতিৰোধ ব্যৱস্থাযোগে হাজাৰ হাজাৰ দুখীয়া ৰাইজৰ পৰম উপকাৰ সাধাৰ উপৰি অভয়াপুৰী দক্ষিন বিধান সভা সমষ্টিৰ মানচিত্ৰৰ পৰা বহু সংখ্যক গাঁও নাইকিয়া হোৱাৰ পৰা ৰক্ষা কৰিবলৈ আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালোঁ।

মাননীয় উপাধ্যক্ষ মহোদয়, অভয়াপুৰী দক্ষিন বিধান সভা সমষ্টিলৈ ১) RIDF ৰ অধীনত ১০ কোটি টকা ব্যায় সাপেক্ষে ৭.৫ কি.মি. ৰাস্তা। ২) মুখ্যমন্ত্ৰীৰ পকীপথকৰণ আঁচনিৰ জৰিয়তে ১৬ কি.মি. নতুন ৰাস্তা ৩) মুখ্যমন্ত্ৰীৰ পথ নবীকৰণ আঁচনিৰ জৰিয়তে ১৫ কি.মি. পথ মেৰামতি আৰু ৪) মুখ্যমন্ত্ৰীৰ পথ উন্নতিকৰণ আঁচনিৰ জৰিয়তে ১০ কি.মি. পথ উন্নতিকৰণ (বহলীকৰণ) কৰাৰ বাবে প্ৰথমতে মই মাননীয় মুখ্যমন্ত্ৰীলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মই মাননীয় উপাধ্যক্ষ মহোদয়ৰ জ্ঞাতাৰ্থে জনাব খুজিছো যে, অভয়াপুৰী দক্ষিন বিধান সভা সমষ্টিৰ অন্তৰ্গত গড়কাপ্তনী বিভাগৰ পকী ৰাস্তা সমূহৰ অধিকাংশ ৰাস্তা বহুদিন ধৰি মেৰামতি নকৰাত সেইবোৰৰ অৱস্থা অতি শোচনীয় হৈ পৰিছে। তাৰ ভিতৰত -

১) বড়িগাঁও মেৰেৰচৰ গড়কপ্তানী ৰাস্তা।

২) লেংটিছিঙা থানাৰ পৰা ঝাৰপাৰালৈ।

৩) লেংটিছিঙা বজাৰৰ পৰা ডুমেৰগুৰী ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ।

৪) আৰিমাৰা বজাৰৰ পৰা বৰজানালৈ।

৫) অশোক কাগজ কলৰ পৰা কৰেয়ালৈ।

৬) বালাপাৰ বজাৰৰ পৰা কুমৰাকাটালৈ।

৭) টিলাপাৰাৰ (দলনিবিল) পৰা সৃষ্টিপাৰালৈ।

৮) ৩১ (B) নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা চটপাৰা।

ওপৰোক্ত ৰাস্তা সমূহ মেৰামতি কৰাৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, অভয়াপুৰী দক্ষিন বিধান সভা সমষ্টিৰ অন্তৰ্গত কিছু সংখ্যক গড়কাপ্তানী ৰাস্তাত পকী দলং নথকাত যাতায়তৰ অশেষ অসুবিধা হৈ পৰিছে আৰু নিম্নোক্ত ৰাস্তা সমূহত পকী দলং নিৰ্মাণৰ বাবে আবেদন জনালোঁ।

১) ৰঘুনন্দনপুৰ ২য় খণ্ডৰ পৰা পচাগাঁও সংলগ্ন ৰাস্তা।

২) কলবাৰীৰ পৰা বাতাবাৰী সংলগ্ন ৰাস্তা।

৩) বাজিতপাৰাৰ পৰা ধৰাকান্ত সংলগ্ন ৰাস্তা।

৪) কুশবাৰী ১ম খণ্ডৰ পৰা কুশবাৰী ৩য় খণ্ড সংলগ্ন ৰাস্তা।

৫) খেলুৱাপাৰাৰ পৰা সুতিৰমুখ সংলগ্ন ৰাস্তা।

৬) আৰিমাৰা বজাৰৰ পৰা বৰজানালৈ সংলগ্ন ৰাস্তা।

৭) অভয়াপুৰীৰ পৰা বৰজানা সংলগ্ন ৰাস্তা।

৮) মেক্সাঝাৰৰ পৰা মইনাগুৰী সংলগ্ন ৰাস্তা।

ইয়াৰ ওপৰি কিছু সংখ্যক গাঁৱলীয়া কাৰ্য্যকৰ (viable) ৰাস্তা পকী ৰাস্তাৰে সংযোগ কৰাৰ বাবে ৰাস্তাসমূহ RAMS-GIS MAP ত অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা কৰিব লাগে। ৰাস্তা সমূহ তলত উল্লেখ কৰা হ'ল -

১) বড়িগাঁও -মেৰেৰচৰ PWD ৰাস্তা সংলগ্ন অমৰ আলীৰ ঘৰৰ পৰা ইয়াকুব আলীৰ ঘৰ হৈ আব্দুৰ ৰেজ্জক ফকিৰৰ ঘৰলৈ (PWD ৰাস্তা সংলগ্ন)

২) বড়িগাওঁ -মেৰেৰচৰ PWD ৰাস্তাৰ পৰা সংলগ্ন নজৰুল ইছলামৰ ঘৰৰ পৰা আব্দুল কাদেৰ প্ৰামাণিকৰ ঘৰ হৈ পিৰাধৰা ২য় খণ্ডলৈ (PWD ৰাস্তা সংলগ্ন)

৩) PWD ৰাস্তাৰ পৰা বৰজানা পকা দলং লৈ।

৪) PWD ৰাস্তাৰ পৰা মেৰেৰচৰ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ হৈ কুশবাৰী ৩য় খণ্ডলৈ।

৫) PWD ৰাস্তাৰ পৰা লতিবাৰী কালীমন্দিৰলৈ।

মাননীয় উপাধ্যক্ষ মহোদয়, অভয়াপুৰী দক্ষিণ বিধান সভা সমষ্টিৰ যোগীঘোপা - কাবাইটাৰীৰ পৰা ঔডুবী-শালবাৰী, ধলাগাওঁ, মূলাগাঁও হৈ বঙাইগাঁও শ্বহীদবেদীলৈ ৩৭ কি.মি. ৰাস্তা ২০১৯ চনত আসামমালা আঁচনিৰ অধীনত ধৰা হৈছে যদিও আজিলৈকে কামটো আৰম্ভ হোৱা নাই। সেয়েহে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে এই কামটো অনতিপলমে শুভাৰম্ভ কৰাৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় উ পাধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগ, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী শ্ৰী ৰণজিৎ দাস ডাঙৰীয়াক উত্তৰ দিয়াৰ কাৰণে অনুৰোধ কৰিলো।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগ ইত্যাদি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰী জাকিৰ হুছেইন লস্কৰ ডাঙৰীয়াই member hour ৰ জৰিয়তে হাইলাকান্দি সমষ্টিৰ লগতে সমগ্ৰ অসমৰ লগত জড়িত এটা বিষয় উত্থাপন কৰিছে। এই বিষয়টো হৈছে, কেন্দ্ৰীয় চৰকাৰৰ নীতি নিৰ্দেশনা অনুসৰি ৰাজ্যৰ জিলা পৰ্য্যায়ত Vigilence & Monitoring Committee ৰ বৈঠক নিয়মীয়াকৈ হৈ আছে। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ নীতি অনুসৰি খাদ্য আৰু অসামৰিক যোগান বিভাগৰ ব্লক আৰু পঞ্চায়ত পৰ্যায়ত বৈঠকৰ ব্যৱস্থা আছে। কিন্তু বিভিন্ন সময়ত দেখা যায় যে এইবোৰ নিস্ক্ৰিয় হৈ আছে। এই সন্দৰ্ভত আমাৰ চৰকাৰে State

Level Vigilence & Monitoring Committee, এই সমিতি যোৱা ৩১ মে' তাৰিখে গঠন কৰি দিছিল। তাত সভাপতি জন হ'ল খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী, দুইজন সাংসদ, দুইজন বিধায়ক, আয়ুক্ত আৰু সচিব, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ সঞ্চালক, দুজনী মহিলা activist, consumer activist, এই সমিতিৰ সদস্য হৈ আছে। এই সমিতিৰ বৈঠক ইতিমধ্যে হৈছে। District Level Vigilence & Monitoring Committee ত উপায়ুক্ত বা Principal Secretary in 6th Schedule area, Chairman হিচাপে আছে। জিলা পৰিষদৰ সভাপতি গৰাকী উপ-সভাপতি হিচাপে আছে। Dy. Commissioner বা DDO তাত Member Secretary, all MP of the District and all local MLA are member in the Committee. এনেকুৱাকৈ বিভিন্ন SDO কে আদি কৰি সদস্য আছে। গতিকে মই আহ্বান জনাম যে District Level Committee ত যিহেতু আমাৰ সন্মানীয় বিধায়ক সকলে সদস্য হিচাপে আছে, গতিকে বিধায়ক সকলে নিজেও এই সভা আহ্বান কৰিব পাৰে। Block Level Committee ত সন্মানীয় বিধায়ক তাৰে সভাপতি আৰু আঞ্চলিক পঞ্চায়তৰ সভাপতিগৰাকীয়েই তাৰ উপ-সভাপতি, Dy. Director বা Inspector হ'ল Member Secretary আৰু Inspector, BDO, গাঁও পঞ্চায়তৰ সদস্য এই সকলোকে লৈ ব্লক পৰ্য্যায়ত একোখন সমিতি আছে। গতিকে তেওঁ নিৰ্দেশ দি তিনি মাহৰ বা দুই মাহৰ মুৰত মিটিঙ পাতিব পাৰে। তেনেকুৱা কৰিলে ভাল হয়, যাতে smooth ভাৱে এই বিভাগটো চলি থাকে। এই বিষয়টো দৃষ্টিগোচৰ কৰাৰ বাবে মই তেখেতক ধন্যবাদ জনাইছোঁ আৰু আগন্তুক দিনত আমাক Feedback দিলে আমিও এই বিষয়ত সহায় সহযোগ আগবঢ়াব পাৰিম। বাকী আমাৰ পঞ্চায়ত বিভাগত যিখিনি বিষয় আনিছে সেইখিনি বিভাগৰ কথা ইতিমধ্যে প্ৰশ্নোত্তৰ শিতানত আমি আলোচনা কৰিছো। আমাৰ আগন্তুক দিনত যিবোৰ আমাৰ উন্নয়নৰ কাৰণে যি সমূহ কাৰ্য্যসূচী ল'বলগীয়া আছে তাত নিযুক্তি দিয়াৰ কথা আগন্তুক দিনত দিব পাৰো তাৰ কাৰণে নিশ্চিত ৰূপত প্ৰচেষ্টা চলাম আৰু বাকী তেখেতে এম জি এনৰেগাৰ কাম বা অন্য কামেই হওক, মই অলপ আগতেই কৈছে যে মই হাইলাকান্দিত গৈ তেওঁৰ সমষ্টিতো এবাৰ চাম । কাৰণ কিয় মই বিধান সভাত বক্তব্য ৰখাটোৱে ডাঙৰ কথা নহয়। বাস্তৱিক অৰ্থত যাতে আমি কাম খিনি কৰিব পাৰো তাৰ কাৰণে নিশ্চিত ৰূপত ব্যৱস্থা কৰিম। পূৰ্বতে আমাৰ বিভাগৰ যি ৰেট আছিলে তাৰ পৰিৱৰ্ত্তে আমি বিভাগে নতুনকৈ লোকনিৰ্মাণ বিভাগ আৰু জলসম্পদ বিভাগৰ মুখ্য অভিযন্তাৰ বা অন্যান্য বিভাগৰ সকলোকে লগত লৈ আমি যাতে নতুন ৰেট ফিক্স কৰিব পাৰো তাৰ ব্যৱস্থা কৰাই নহয়, এম জি এনৰেগাৰ জৰিয়তে আমি ইতিমধ্যে কাম হাতত লৈছো আৰু তাৰ আধাৰ ১৫৪ টা আমাৰ সামগ্ৰীৰ ভিতৰত গোটেই খিনি বিশ্লেষণ কৰিছো। পৰ্যালোচনা কৰা পিছতে যেনেকৈ ইটাৰ দাম আছিলে আগতে সাত টকাকৈ আছিলে সেইটো আমি বৃদ্ধি কৰি জি এছ টিৰ বাহিৰে এঘাৰ টকা কৰিছো । চিমেন্টৰ দাম আছিলে ৪২৫ টকা, জি এছ টিৰ বাহিৰে এতিয়া ৪২৫ টকা, ৰ'ডৰ ক্ষেত্ৰত আমাৰ ৪,৭২০ টকা আছিলে এতিয়া ৫,৫০০ টকা কৰিছো, ঠিক বল্ডাৰৰ ক্ষেত্ৰতো আমি দেখিছো ৫৩৮ টকা আছিলে এতিয়া ৮৮৬ টকা কৰিছো, বালিৰ ক্ষেত্ৰতো কৰিছো যিটো ১,০০০ টকা আছিলে এতিয়া ১,৫০০ টকা কৰিছো আৰু বাহৰ ক্ষেত্ৰতো আমি বৃদ্ধি কৰিছো। তেনেকৈ সকলো সামগ্ৰীত বৃদ্ধি কৰা হৈছে । গতিকে এম জি এনৰেগাৰ কামটেই হওক বা পি এম এ ৱাই ৰ কামটেই হওক আমি আগন্তুক দিনত যিটো হাৰত কাম কৰি আছো আৰু বিভাগৰ সহায় সহযোগত। যদিও কৰ্মচাৰী কম আছে কিন্তু মই ধন্যবাদ জনাম যে আমাৰ ৰেগুলাৰ বা কন্ট্ৰেকচুৱেল ষ্টাফ সকলে নিষ্ঠা সহকাৰে

গ্ৰামোন্নয়নৰ কাৰণে কাম কৰি আছে। যাৰ বাবে ২২ মাহত ৫ লাখ ঘৰ সম্পুৰ্ণ কৰিবলৈ সক্ষম হৈছে। আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে এইটো মাহৰ ভিতৰত বহাগ বিহুৰ আগে আগে আমি সম্পুৰ্ণ অসমত ১০ লাখ ঘৰ আমি সম্পুৰ্ণ কৰিব পাৰিম। গতিকে অসমত আজি দহ লাখ ঘৰ সম্পুৰ্ণ কৰাটো কিমান ডাঙৰ কথা আৰু এই সফলতা হৈছে মুলত ভাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যিটো কৰ্ম সংস্কৃতি, এই কৰ্ম সংস্কৃতিক সকলো বিভাগৰ মানুহে আকোৰালী লৈছে আৰু হাতে কামে লাগিছে কাৰণে আজি ইমান খিনি কাম কৰাটো সম্ভৱ হৈছে। মই ভাবো আমাৰ যেনেকুৱাকৈ খন্তেক আগতে পি এম ৰাইৰ টাৰ্গেটৰ ক্ষেত্ৰত যিটো কৈছিলো যে অসমত কিমান হাউচ হল্ড আছে যে ৩৩ শতাংশ, মধ্যপ্ৰদেশত তেওঁলোকে মাত্ৰ এক শতাংশ বেছি। তেওঁলোকে ৩৪ শতাংশ পাইছে। ঠিক তেনেকৈ যদি ডাঙৰ ডাঙৰ ৰাজ্য বিলাকত চাব যাওঁ যিমান হাউচ হল্ড আছে, ত্ৰিপুৰাত তেওঁলোকে পাইছে ১৪ শতাংশ। ঠিক তেনেকৈ মহাৰাষ্ট্ৰত তেওঁলোকে পাইছে এঘাৰ শতাংশ। গতিকে মণিপুৰত পাইছে দহ শতাংশ, গুজৰাটত আঠ শতাংশ পাইছে। হয়তো নিশ্চিত ভাবে তেওঁলোকৰ অভাৱ কম আছিলে। আমাৰ হয়তো অভাৱটো বেছি। যাৰ কাৰণে আমাৰ উৰিষ্যাৰ ৩১ শতাংশ আমি ৩৩ শতাংশ বা মধ্যপ্ৰদেশে ৩৪ শতাংশ। এনেকুৱাকৈ আমি আগন্তুক দিনত নিশ্চিত ৰূপত ২০২৪ চনৰ আগে আগে বাকী যি ৯ লাখ ঘৰ ইতিমধ্যে কাম চলি আছে আৰু পেমেন্ট প্ৰক্ৰিয়াত প্ৰথম কিস্তি তেওঁলোকে পাই গৈছে। এতিয়া আমি দ্বিতীয় কিস্তি আমি দিম। টকা আমাৰ অভাৱ হোৱা নাই । আমি ইতিমধ্যে ভাৰত চৰকাৰৰ পৰা প্ৰায় তিনি হাজাৰ কোটি টকা পি এম ৰাই ঘৰৰ কাৰণে ইতিমধ্যে লাভ কৰিছো। গতিকে যেতিয়া আমাক ব্লকৰ পৰা প্ৰথন কিস্তিৰ ব্যৱহাৰিক প্ৰমান-পত্ৰ দিয়াৰ লগে লগে আমি দ্বিতীয় কিস্তিটো আমি দিব পাৰিম । গতিকে এই ক্ষেত্ৰত আপোনালোকে ভিজিলেন্স কমিটিত অন্ততঃ আপোনালোকে তিনি বা ছয় মাহৰ মুৰে মুৰে আপলোড কৰি থাকে কাম খিনি অধিক খকৰটকীয়া হ'ব। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে মুখ্যমন্ত্ৰীৰ আবাস যোজনাৰ কাম কৰাৰ আগতেই আগৰ কাম খিনি সম্পুৰ্ণ কৰিব লাগিব । এইক্ষেত্ৰত মই আপোনালোক সকলোৰে সহায় সহযোগীতা কামনা কৰিছো আৰু আগলৈও আপোনালোকৰ কিবা সমস্যা থাকিলে সেই বিলাক আলাপ আলোচনাৰ মাজেৰে নিশ্চিত ভাবে সেইখিনিও সমাধান কৰিবলৈ চেষ্টা কৰিম। এইখিনি কৈয়ে মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মাননীয় মন্ত্ৰী পিযুষ হাজৰিকা ডাঙৰীয়াই মাননীয় মুখ্যমন্ত্ৰীৰ হৈ লোক নিৰ্মাণ আৰু জলসম্পদ বিভাগৰ উত্তৰ সমূহ দিব ।

**শ্ৰী পিযুষ হাজৰিকা, (সংসদীয়া প্ৰৰিক্ৰমা মন্ত্ৰী) ঃ** সন্মানীয় উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ সন্মানীয় সদস্য জিৰণ বসুমটাৰী দেৱে অসমৰ পশ্চিম সীনান্তত থকা ২৮ নং গোসাইগাওঁৰ সমষ্টিৰ অন্তৰ্গত অঞ্চল সমূহত হোৱা বানপানী আৰু গৰাখহনীয়া সমস্যাৰ বিষয়ে কিছু কথা সদনত উপস্থাপন কৰিছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ মুখ্য উপনৈ সমূহৰ ভিতৰত সোনকোষ এখন মুখ্য উপনৈ। আমাৰ প্ৰতিবেশী ৰাষ্ট্ৰ ভুটানৰ পৰা এই নৈ খন ওলাই আহি কালিকুলা অঞ্চলত ভূটান সীমা অতিক্ৰম কৰি সোনকোষ নামেৰে অসম আৰু পশ্চিমবংগৰ সীমাৰে বৈ গৈছে । অসমৰ শ্ৰীৰামপুৰৰ ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথ অতিক্ৰম কৰি কোকৰাঝাৰ জিলাৰ বৰঘোপা, সিমলাবাৰী, গৰুমাৰাচৰয শ্ৰীৰামপুৰ, বাকদোগৰা, ভেলাৰকাষ আদি অঞ্চলত প্ৰধানকৈ গৰাখহনীয়াৰ সৃষ্টি কৰিছে। কোকৰাঝাৰ জিলাত থকা আন আন সৰু সৰু নৈ এই সোনকোষ নদীত মিলিত হৈ ইয়াৰ পানীৰ আয়তন বৃদ্ধি কৰিছে। দমৰা নদী আৰু বুঢ়াচৰা নদী সোনকোষ নদীৰ প্ৰধান উপনৈ । সোনকোষ

নদীৰ দাতিকাষৰীয়া অঞ্চলত হোৱা গৰাখহনীয়া আৰু বানপানীৰ সমস্যা হ'ল এই অঞ্চলৰ প্ৰধান সমস্যা। যোৱা বিত্তীয় বৰ্ষত সোনকোষ আৰু দমৰা নৈৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে মুঠ ৭.৫ কোটি টকাৰ ব্যয় সাপেক্ষে ৯ খন আঁচনি সুখকাগুৰী, উপচন্দ্ৰপুৰ, পাগৰীগুৰী, মাজদাবৰি, দাইনামাৰী আদি ঠাইত গ্ৰহণ কৰা হৈছে । ইয়াৰে ইতিমধ্যে পাচ খন আঁচনিৰ কাম সম্পুৰ্ণ হৈছে বাকী থকা চাৰিখন আঁচনিৰ ভিতৰত তিনি খনৰ কাম চলি আছে আৰু এখন আঁচনিৰ বাবে নিবিদা আহ্বান কৰা হৈছে । উপাধ্যক্ষ ডাঙৰীয়া এই তথ্যখিনি মই সদনৰ জৰিয়তে তেখেতক দিয়াৰ ব্যৱস্থা কৰিম । সন্মানীয় সদস্য আৰু বি টি আৰৰ মুৰব্বী প্ৰমুদ বড়ো ডাঙৰীয়াৰ উপস্থিতিক যোৱা ফেব্ৰুৱাৰী মাহৰ ২০ তাৰিখে মই তেখেতৰ সমষ্টিলৈ গৈ চিমালবাৰী, বৰঘোপা, বাকদোবৰা আদি অঞ্চল সমূহ পৰিদৰ্শন কৰিছিলো । চিমলাগুৰীত মুঠ গৰাখহনীয়াৰ সন্মুখীন হোৱা অঞ্চল আছিল ৮০০ মিটাৰ, বৰঘোপাত আছিল ৭৫০ মিটাৰ আৰু বাকদোবৰাত আছিল ৯০০ মিটাৰ। পৰিস্থিতিটো যিহেতু গুৰুত্বপুৰ্ণ সেয়েহে মই পুঁজি সাপেক্ষে অতি সোনকালে খহনীয়া ৰোধৰ ব্যৱস্থা কৰি দিয়াৰ প্ৰতিশ্ৰুতি দি আহিছিলো আৰু সেই মৰ্মে কৰি দিয়াৰ ব্যৱস্থা কৰিম।

মাননীয় উপাধ্যক্ষ ডাঙৰীয়া মাননীয় সদস্য প্ৰদীপ সৰকাৰ দেৱেও তেখেতৰ সমষ্টিৰ কেইবাটাও গুৰুত্বপুৰ্ণ সমস্যাৰ কথা ইয়াত উপস্থান কৰিছে । তেখেতৰ সমষ্টিৰ অন্তৰ্গত **৩৫** নং অভয়াপুৰী (দক্ষিন) অঞ্চলৰ কেইবাটাও ঠাই গৰাখহনীয়াৰ কবলত পৰিছে । পাচনীয়া আৰু দবাচুবুৰী অঞ্চলত এচ ডি আৰ এফ শিতানত ২.৫ কোটি আৰু ২.৮৫ কোটি ব্যয় সাপেক্ষে দুখন আঁচনিৰ কাম ইতিমধ্যে ৯০ শতাংশ সম্পূৰ্ণ হৈছে। স্থানীয় ৰাইজে দবাচুবৰী অঞ্চলত চলি থকা আঁচনিখনৰ কাম অধীক ফলপ্ৰসু হ'বৰ বাবে আৰু ২ শ মিটাৰ বৃদ্ধি কৰাৰ কাৰণে আহ্বান জনাইছে, মাননীয় বিধায়ক গৰাকীয়েও আবেদন জনাইছে। এইক্ষেত্ৰত অতি সোনকালে ব্যৱস্থা লোৱা হ'ব। যোৱা বাৰিষাৰ আৰম্ভণিৰ পৰা আই, মানাহ, বেঁকী আৰু ব্ৰহ্মপুত্ৰৰ সংগমস্থলৰ গাতেলাগি থকা গোবিন্দপুৰ, তিনিকোঁট্ৰীয়া অঞ্চলত হোৱা তীব্ৰ গৰাখহনীয়া যোৱা ২২ জুলাই, ২০২২ তাৰিখে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই পৰিদৰ্শন কৰে আৰু তেখেতৰ নিৰ্দেশ ক্ৰমে জলসম্পদ বিভাগে খহনীয়া প্ৰতিৰোধৰ mathematical model study ৰ কাম IIT Guwahati ৰ জৰিয়তে চলাই আছে। অলপ feasibility study ৰ report যদি feasible বুলি আহে, আমি কাম নিশ্চয়কৈ কৰাৰ প্ৰয়াস কৰিম। ইয়াৰ উপৰিও বঙাইগাঁও জলসম্পদ বিভাগে SDRF, SDMF শিতানত উক্ত অঞ্চলৰ খহনীয়া প্ৰতিৰোধ আঁচনিৰ প্ৰস্তাৱ প্ৰদান কৰিছে। ৩৫ নং অভয়াপুৰী দক্ষিণ সমষ্টিৰ অন্তৰ্গত সন্তোষপুৰ, ভড়ালীমুৰী, কোষবাৰী, লতিবাৰী, মেৰেৰশ্বৰ, গোবিন্দপুৰ, তিনিকোণীয়া, চটপাৰা, কৰৈইদা, মাজেৰআল্লা, ইটাৰখাৰী, জাকুৰা, খেলুৱাপাৰা ইত্যাদি খহনীয়াগ্ৰস্থ গাঁওসমূহক আবৰি ২০২২-২৩ বৰ্ষত জলসম্পদ বিভাগত SDRF, SDMF আঁচনিসমূহ Annexture ত গাঠি দিছো। Annexture ত গাঠি দিয়া মতে আঁচনি অনুমোদন লাভ কৰিছে। ইয়াৰ ভিতৰত DM Act 2005, Section- 50 ৰ অধীনত ২ কোটি ৮৫ লাখ টকাৰ Immediate measure for recoupment of flood damages Act Dobasuri area on right bank of River Aie under SDRF for 2022-23 নামৰ আঁচনি দবাচুবুৰী অঞ্চলত চলি আছে। ইয়াৰ পাছতে মই সন্মানীয় গড়কাপ্তানী মন্ত্ৰী মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ মাননীয় সদস্য শ্ৰীজিৰণ বসুমতাৰী আৰু শ্ৰীপ্ৰদীপ সৰকাৰ ডাঙৰীয়াই অনা প্ৰস্তাৱৰ সম্পৰ্কে উত্তৰ দিবলৈ ওলাইছো। গোঁসাইগাওঁ বিধান সভা সমষ্টিত ৩৫ খন দলং বৰ্তমান বেয়া হৈ আছে। ইয়াৰে ১৮ খন দলং বিশ্ব বেংকৰ সাহাৰ্য্যত ৰূপায়ণ হ'বলগীয়া ARRBP

(Assam Resilient Rural Bridges Project) ৰ অধীনত নিৰ্মাণৰ বাবে অন্তৰ্ভূক্ত কৰা হৈছে। তাৰ প্ৰাক্কলনৰ প্ৰস্তুতিৰ কাম পূৰ্ণগতিত চলি আছে। বাকী থকা দলং খিনিৰ পৰৱৰ্তী কোনো আঁচনিৰ অধীনত নিৰ্মাণ কৰিবলৈ চেষ্টা কৰা হ'ব। সমষ্টিটোৰ কিছু পথ অসম চৰকাৰে PMGSY ৰ ইত্যাদি আদি কৰিবলৈ চেষ্টা কৰিছে। গোঁসাইগাওঁ সমষ্টিৰ অন্তৰ্গত ৪৩৫.৭৮ কিলোমিটাৰ পথ RAMS ত অন্তৰ্ভূক্ত হৈ আছে।এই পথ সমূহৰ ভিতৰত অসম চৰকাৰৰ অনুমোদিত পুঁজিৰ পৰা ৯৭.৮২৬ কিলোমিটাৰ পথৰ বাবে আৱণ্টন পোৱা হৈছে। প্ৰধান মন্ত্ৰী গ্ৰাম চৰক যোজনাৰ অধীনত ২১.৭২৮ কিলোমিটাৰ পথৰ বাবে আৱণ্টন পোৱা গৈছে। বি. টি চি ৰ অধীনত ১২.৭৫ কিলোমিটাৰ পথৰ অনুমোদন পোৱা গৈছে। বাকী থকা পথসমূহৰ বাবে ভৰিষ্যত পুঁজি আৰু প্ৰয়োজনীয় পুঁজি সাপেক্ষে আঁচনিৰ নীতিমতে পৰ্য্যায় ক্ৰমে নিৰ্মাণৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হ'ব। সন্মানীয় সদস্য শ্ৰীপ্ৰদীপ সৰকাৰ ডাঙৰীয়াই গড়কাপ্তানী বিভাগৰ যি প্ৰশ্ন উপস্থাপন কৰিছে তাৰ উত্তৰ দক্ষিণ অভয়াপুৰী বিধান সভা সমষ্টিৰ কিছু পথ আৰু দলঙৰ তিনিটা নাম উল্লেখ কৰা হৈছে। তেখেতক মই submit কৰিম। ইয়াৰে প্ৰথম অংশত উল্লেখিত ৯ টা পথৰ কাম PMGSY আঁচনি বিভিন্ন পৰ্য্যায়ৰ আৰু এটা পথৰ কাম SCSP ২০১৫ বৰ্ষৰ দিনত কৰোৱা হৈছিল আৰু এই পথসমূহৰ ঠায়ে ঠায়ে মেৰামতিৰ প্ৰয়োজন হৈছে আৰু দুই এঠাইত দলঙৰো প্ৰয়োজন হৈছে। সেই প্ৰয়োজনীয় কামসমূহ যথাসম্ভৱ সোনকালে পুঁজিৰ অনুমোদন সাপেক্ষে হাতত লোৱা হ'ব। দ্বিতীয় অংশত ৮ খন দলঙৰ প্ৰস্তাৱ উল্লেখ কৰা হৈছে। ইয়াৰে তিনিখন বিশ্ব বেংকৰ অধীনত ৰূপায়ণ হ'বলগীয়া ARRBP আঁচনিৰ অন্তৰ্ভূক্ত হৈছে আৰু প্ৰাক্কলনৰ প্ৰস্তুতিৰ কাম পূৰ্ণগতিত চলি আছে। তৃতীয় অংশত উল্লেখিত ৫ টা পথ লোকনিৰ্মাণ বিভাগৰ Road Asset Management System ত যথাসম্ভৱ সোনকালে অন্তৰ্ভূক্ত কৰা হ'ব। মাননীয় উপাধ্যক্ষ মহোদয়, তেখেতৰ কেইবাটাও আছে, এইখিনি মই তেখেতক submit কৰি দিম। মই এইখিনি উত্তৰ আপোনাক lay কৰি দিম। যোগীঘোপা, কাবাইতৰী, ঔৰদুবী, শালবাৰী, ধলাগাওঁ, মুলাগাওঁ হৈ বঙাইগাওঁ শ্বহীদ বেদীলৈ ৩৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা নিৰ্মাণৰ বাবে অসমমালা প্ৰকল্পৰ দিনত ইতিমধ্যে ঠিকাদাৰক work order দিয়া হৈ গৈছে। উক্ত ঠিকাদাৰে বৰ্তমান জৰীপৰ কাম কৰি আছে, জৰীপৰ কাম আগবাঢ়িছে অতি সোনকালে কাম আৰম্ভ হ'ব, order হৈ গৈছে ইতিমধ্যে।

**শ্ৰীজাকিৰ হুছেইন লস্কৰ, (অভয়াপুৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কৃষি বিভাগৰ এটা আছিল।

**মাননীয় উপাধ্যক্ষ ঃ** হ'ব। আপুনি চেম্বাৰত লগ কৰিব। ১ কিলোমিটাৰ, ২ কিলোমিটাৰ কি লাগে এই সকলোখিনি আলোচনা কৰি ল'ব। মাননীয় মন্ত্ৰী শ্ৰীকেশৱ মহন্ত ডাঙৰীয়া Health & Family Welfare Minister.

**শ্ৰীকেশৱ মহন্ত,(স্বাস্থ্য বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদস্যৰ যি সময়, এই সময়ৰ ক্ষেত্ৰত মাননীয় সদস্য শ্ৰীজাকিৰ হুছেইন লস্কৰ ডাঙৰীয়াই কৃষি বিভাগৰ বিষয়ে উত্থাপন কৰিছিল আৰু মাননীয় সদস্য শ্ৰীপ্ৰদীপ সৰকাৰ ডাঙৰীয়াই স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ বিষয়ে উত্থাপন কৰিছিল। এই দুয়োটা কথাতে মই ক্ৰমে তেখেতৰ আলোচনাৰ উত্তৰত মই ভাগ ল'ব বিচাৰিছো। অভয়াপুৰী দক্ষিণ সমষ্টিত মাননীয় বিধায়ক শ্ৰীপ্ৰদীপ সৰকাৰ ডাঙৰীয়াই তেখেতে যিখিনি কথা উত্থাপন কৰিছে বা লিখিতভাৱে আমাক দিছে এইখিনি কথা আমি যেতিয়া চাইছো ইয়াত যেনেধৰণে আপোনালোকে অভাৱ অভিযোগৰ কথা কৈছে সিমানখিনি অভাৱ অভিযোগ সেই তাত তেখেতে কোৱা ধৰণে নহয়। মই আপোনালোকক কথাটো দাঙি ধৰিবলৈ বিচাৰিছো যে তেখেতৰ তাত বা তেখেতৰ সমীপৱৰ্তী মিলি প্ৰায় ১৫ খন স্বাস্থ্যকেন্দ্ৰ আছে। তাৰ ভিতৰত ধৰিলো

অভয়াপুৰী CHE cum FRU. FRU খন ভালকৈ চলি আছে। তাৰ পিছতে হ'ল বৈটামাৰী model hospital তাৰ উপৰিও MPHE ৮ খন আছে, State Dispensary দুখন আছে। Riverine PHE এখন আছে। ইয়াত আমাৰ ডাক্তৰৰ sanction post ২৮ টা, এই আটাইখিনি hospital মিলি। ২৮ টাৰ ভিতৰত আমি তাতে ২৫ জন ডাক্তৰ আছে। ১৫ জন আমাৰ যিখিনি Health & Family Welfare Department আৰু NHM ৰ পৰা বাকী ১০ জন। আমাৰ sanction থকা post হিচাপে ৩ জন ডাক্তৰ কম আছে। আজি অসমত আমাৰ post য়েই ৫ শ ৰ ওপৰত খালী আছে, গতিকে আৰু তিনিজন ডাক্তৰ সকলোতে short থাকিব, ৩ জন, ৪জন, ৫জন এইটোত কোনো ক'বলগীয়া বিষয় নহয়। তাত এটা ভাল খবৰ যে তেখেতৰ অভয়াপুৰীত আমি ১০০ খন বিচনাযুক্ত এখন ডাঙৰ হস্পিতালৰ প্ৰস্তাৱ কৰিছো আৰু অতি সোনকালে ইয়াৰ tender হ'ব আৰু এইখন একেবাৰে উচ্চ মানদণ্ডৰ হ'ব, World bank ৰ Finance ৰে সেইখন কৰিম আৰু এইখন তেখেতৰ sub-division head quarter ৰো আছে। গতিকে sub-division head quarter এইখন হ'ব আৰু তেখেতৰ বৰ্তমান থকা যিখিন CHE FRU অভয়াপুৰী, সেইখনৰ performance ভাল। হয়তো কেতিয়াবা কিবা shortage কাৰণে হ'ব পাৰে সেইটো কথা বেলেগ। ৰোগীয়ে তাত সা-সুবিধা পাই আছে। Performance বেয়া নহয়, কেতিয়াবা অভাৱ-অভিযোগ কম থাকে performance বেয়া হৈ যায়। তাত অভাৱ অভিযোগ অলপ আছে আৰু অতি সোনকালে ইয়াৰ ৰূপটো সলনি হ'ব, সেইখিনি কথা আপোনালোকে ভালধৰণে পাব। এইটোত আচলতে চিন্তা কৰিবলগীয়া বিষয় নহয়। এতিয়া তাত আপোনালোকে যি দুই-চাৰিটা কথা কৈছে, বাকী পথখিনিৰ কথা বা অন্য কথা, সেইখিনি আমি সময়ে সময়ে fillup কৰিম, সেইটো চিন্তা কবিলগীয়া নাই। মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত আপোনালোকে কেইটামান কথা চাওঁক, আপুনি যি কেইটা কথা কৈছে যে আপোনাৰ তাৰ পৰা বঙাইগাঁও চিভিল হস্পিতাল বা বঙাইগাঁও মেডিকেল কলেজলৈ দূৰত্ব ১৪ কিলোমিটৰ। আপোনাৰ সমষ্টিত স্বাস্থ্য সেৱা পাবৰ কাৰণে ওচৰত যিখিনি সা-সুবিধা আছে, সেই সা-সুবিধাখিনি বঙাইগাঁও চিভিল হস্পিতাল আৰু এতিয়া তাত মেডিকেল কলেজো হৈ আছে আৰু তাত সুবিধাসমূহ লাভ কৰিব। আপুনি যদি যোগীঘোপাৰ ফালেৰে দলংৰ কাষলৈ যায়, তাৰ পৰা গোৱালপাৰা চিভিল হস্পিতাললৈ দূৰত্ব ১৬ কিলোমিটাৰ। আমি য'ত মেডিকেল কলেজ দিয়াৰ কথা ভাৰিছো তালৈ আৰু দুই কিলোমিটাৰ দূৰত্ব কমি যাব। আপোনাৰ পৰা দুখন মেডিকেল কলেজৰ দূৰত্ব ১৪ কিলোমিটাৰকৈ হ'ব। আপুনি স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত দুই-তিনি বছৰ অপেক্ষা কৰিলে আপোনাৰ সমষ্টিৰ দুয়োফালে দুখন মেডিকেল কলেজ হ'ব। আপোনাৰ সমষ্টিৰ মানুহ লাভান্বিত হৈছে যে আপোনালোকৰ কেওঁফালে Health Institue গঢ়ি উঠিছে।আপোনাৰ নিজৰ সমষ্টিত এশ খন বিছনাযুক্ত হস্পিতাল নিৰ্মাণ হ'বলৈ গৈ আছে আৰু বাকী হস্পিতালসমূহেও ভালকৈ কাম কৰি আছে। আমি সকলোখিনি access কৰিছো। ক'ৰাবাত যদি বস্তু কম থাকে, আপোনালোকে আমাক জনাব। আমি সহায় কৰিম। আমাৰ সন্মানীয় সদস্য জাকিৰ হুছেইন লস্কৰ ডাঙৰীয়াই কৃষি বিভাগৰ ক্ষেত্ৰত সামূহিকভাৱে গোটেই কথাখিনি কৈছে আৰু সমষ্টিভিত্তিত বৰ বেছি কথা ক'বলৈ যোৱা নাই। তেখেতে এটা কথা সুধিছে যে কৃষিৰ ক্ষেত্ৰত কি পৰিৰৰ্তন আহিছে? কৃষিৰ ক্ষেত্ৰত বৰ্তমান আগতকৈ বহু পৰিৰৰ্তন আহিছে। আপোনালোকে ভালকৈ দেখিছে যে কৃষি অভিযান্ত্ৰিক শাখাৰ পৰা পাম্পছেট, ডিজেল পাম্প, ছ'লাৰৰ যিখিনি minor irrigation আছে, সেইখিনি, পাৱাৰ ট্ৰিলাৰ আৰু ট্ৰেক্টৰ পাইছে। প্ৰত্যেকখন ৰেভিনিউ ভিলেজতে এখনকৈ দিছে।

তেখেতৰ জিলাত প্ৰায় তিনিশখন পাৰাৰ টিলাৰ চাব-চিডিত পাইছে। তিনিশ পাৰাৰ টিলাৰ দিয়া কম কথা নহয়। তেখেতৰ সমষ্টিত হাৰ্ভেষ্টিং মেচিন, স্প্ৰে মেচিন আৰু যিমানখিনি কৃষি সামগ্ৰী আছে, চাবচিডি হিচাপে পাইছে। তেখেতে সাৰৰ কথা কৈছে। বৰ্তমান সাৰৰ হোলচেলাৰ হিচাপে আগৰ নিচিনাকৈ নাই। সেইটো উঠাই দিয়া হৈছে। এতিয়া আমাৰ এগ্ৰিকালচাৰ মাৰ্কেটিং বোৰ্ড আছে আৰু সেই বোৰ্ডে নিজে সাৰখিনি লৈ ৰিটেইলাৰক দিয়ে আৰু সেই দামত পায়। কোম্পেনীসমূহৰ পৰাও দিয়া হয়। এতিয়া আগৰ নিচিনাকৈ সাৰৰ ক'লা বজাৰৰ কোনো স্কোপ নাই। কোনোবাই বেয়া কাম কৰিব বিচাৰিলেও তাৰ কোনো স্কোপ নাই। তেখেতে পদ খালী থকাৰ কথা কৈছে। এতিয়া কৃষি বিভাগৰ যথেষ্টখিনি ইণ্টাৰভিউ হৈছে। ইণ্টাভিউৰ ফলাফল দিয়াৰ পিছত ইয়াৰ বহুখিনি পদ পূৰণ হ'ব। তেখেতে আৰু এটা গুৰুত্বপূৰ্ণ কথা কৈছে যে' Seed Farm ত এখন কলেজ। ইয়াৰ আগত তাত ফাৰ্ম এখন আছিল আৰু এই ফাৰ্মখন পৰিত্যক্ত অৱস্থাত থকা বাবে Seed Farm and Research Institute ৰ এইখিনি পৰিত্যক্ত অৱস্থাত থকা বাবে তাত থকা ৪৫ বিঘা মাটিৰ ৩০ বিঘা এখন ডিগ্ৰী কলেজত দিছে। কিন্তু উপায়ুক্তই ৩০ বিঘা alternative মাটি ফাৰ্ম খনৰ আকৌ বেলেগক দি দিছে।

**শ্ৰী সুজাম উদ্দিন লস্কৰ, (কাটলিছেড়া)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, উপায়ুক্ত মহোদয়ে ৩০ বিঘা মাটি লৈছে আৰু alternative ৩০ বিঘা ফাৰ্মক দি দিছে। ৰাষ্ট্ৰীয় ঘাই পথৰ কাষত আজি ৭ বছৰ হৈ গৈছে আমাৰ ৯ টা গাওঁ পঞ্চায়তৰ ১ টা ডেভলপমেণ্ট ব্লকত এখন কলেজ নাই, এখন হাইয়াৰ চেকেণ্ডাৰী স্কুল নাই। এই কলেজখন আগতে হাইলাকান্দিত আছিল আৰু হাই কোৰ্টৰ পৰা জাজমেণ্টৰ পোৱাৰ পিছত কাটিগড়া এডুকেশ্যন ব্লকে পাইছে। তাত মাটি নাই। সেইকাৰণে D C আৰু D O'ৰ ৰিপোৰ্ট লৈ তাত কৃষি ভূমিৰ alternative land দিছে। তাত একো অসুবিধা নাই।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী, স্বাস্থ্য ইত্যাদি বিভাগ) ঃ** এইখিনি দিয়া হ'ল। ইয়াত আৰু আপুনি কোৱাৰ প্ৰয়োজন নাই। এইখন কলেজ ইয়াত এনেকৈ হ'ব আৰু পোন্ধৰ বিঘা মাটি Knowledge Centre ৰ কাৰণে দিয়া হৈছে। Knowledge Centre টো কৃষি বিভাগৰ, এই বিষয়টো এনেধৰণে সমাধান কৰা হৈছে। এখন ডিগ্ৰী কলেজৰ Centre Place ত খুবেই প্ৰয়োজনীয়তা আছে। সেইকাৰণে সকলো প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য কৰি Research Land দিয়া হৈছে। তেখেতে ধান ক্ৰয় কৰাৰ কথা এটা আনিছে। বৰ্তমান এফ চি আই য়ে প্ৰতি কুইণ্টল ধানত ৬৭ কিলো চাউল বিচাৰে। ৬৭ কিলো চাউল পোৱাটো টান আৰু ৬৫ কিলোমানহে ওলায়। ৬৭ কিলো চাউল উলিয়াবলৈ হ'লে পুৰণি হোলাৰ মিলৰ সলনি নতুন মডাৰ্ণ মিল লাগিব। নতুন মডাৰ্ণ মিলসমূহ ইতিমধ্যে subsidy দি আছে। গতিকে মই ভাৰিছো যে এই সমস্যাটো সমাধান হ'ব। তেখেতে উত্থাপন কৰা বিষয়সমূহৰ উত্তৰখিনি মাননীয় কৃষি মন্ত্ৰীৰ হৈ চুই যাবলৈ বিচাৰিছিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মই মাননীয় মন্ত্ৰী অশোক সিংহল ডাঙৰীয়াক জলসিঞ্চন বিভাগৰ উত্তৰ দিবলৈ অনুৰোধ জনালো।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, (হাইলাকান্দি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ এটা কথা স্পষ্ট কৰিবলৈ আছিল......

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া পৰিপূৰক প্ৰশ্ন নাহে। আপোনাৰ কিবা ক'বলগীয়া থাকিলে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ চেম্বাৰত কথাখিনি পাতিব। আপুনি কিবা ক'লে আপোনাৰ কথা ৰেকৰ্ড কৰা নহয়।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী, জলসিঞ্চন ইত্যাদি বিভাগ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, গোঁসাইগাওঁ সমষ্টিৰ সন্মানীয় বিধায়ক জিৰণ বসুমতাৰী ডাঙৰীয়াই সমষ্টিৰ জলসিঞ্চন ব্যৱস্থা আৰু ভাল হ'ব

লাগে, তাৰ ওপৰত যিখিনি কথা ক'লে, তাৰ উত্তৰত মই ক'ব খুজিছো। সমষ্টিটোত কেইবাটাও প্ৰকল্প চলি আছে। তাৰ ভিতৰত অনুসূচীত জাতি-উপ পৰিকল্পনাৰ অধীনত সাত খন আঁচনিৰ জৰিয়তে পাঁচ হেক্টৰ কৃষিভূমিও জলসিঞ্চন কৰিব পৰা অৱস্থাত আছে। ৬০ হেক্টৰ ভূমিত জলসিঞ্চন কৰিব পৰা অৱস্থাত আছে। AIBP ৰ ২১ খন জলসিঞ্চন প্ৰকল্পৰ যোগেদি ২,১২০ হেক্টৰ কৃষি ভূমিত জলসিঞ্চন কৰিব পৰা অৱস্থাত আছে। ইয়াৰোপৰি প্ৰধানমন্ত্ৰী কৃষি বীমা যোজনাৰ অধীনত প্ৰথম পৰ্য্যায়ত ২০১৯-২০ চনত ১০০ টা নদী-নাদৰ জৰিয়তে ৪০০ হেক্টৰ কৃষি ভূমিত জলসিঞ্চন ক্ষমতা অব্যাহত কৰা হৈছে। ২০২২-২৩ বৰ্ষত SOPD, SOPD- G আৰু মেৰামতিৰ শিতানত কাম হাতত লোৱা হৈছে। তাৰোপৰিও বি টি চি অঞ্চলত ৫০০ কোটি টকাৰ এ আই বি পি ৰ অন্তৰ্গত কেইবাটাও প্ৰকল্প হাতত লোৱা হৈছে আৰু গোসাঁইগাঁও অঞ্চলতো বি টি চি য়ে জলসিঞ্চনৰ প্ৰকল্প হাতত লৈছে বুলি মই জ্ঞাত। অহা দিনবোৰত এই গোটেই অঞ্চলবোৰত জলসিঞ্চনৰ ভাল ব্যৱস্থা কৰাৰ কাৰণে জিলাই জিলাই Irrigation Master Plan বনোৱাৰ সিদ্ধান্ত লোৱা হৈছে আৰু বহুখিনি জিলাত এই প্লান ইতিমধ্যে প্ৰস্তুত কৰা হৈছে। মই জিৰণ বসুমতাৰী ডাঙৰীয়াক অনুৰোধ কৰিম যে তেখেতে নিজৰ জিলাৰ যিটো Irrigation Master Planআছে, তাত তেখেতৰ অঞ্চলৰ যিখিনি প্ৰকল্প হ'ব পাৰে সেইখিনি অন্তৰ্ভুক্ত কৰিলে বিভাগে এটা সময়ত পৰ্য্যায়ক্ৰমে তাৰ ওপৰত পুঁজি সাপেক্ষে ব্যৱস্থা ল'ব আৰু প্ৰকল্পসমূহ ভালদৰে বনাই দিব। তেখেতৰ বাই ইলেকশ্যনৰ সময়ত মই তেখেতৰ সমষ্টিত বহুদিন আছিলো আৰু মই জানো যে তাত কৃষক সকলে খেতি কৰিবলৈ কৃষি ভূমি বহুত আছে । যিসমূহ অঞ্চলত কৃষকে ভালকৈ খেতি কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰে তাত আমিও ব্যৱস্থা ৰাখিবলৈ আগ্ৰহ প্ৰকাশ কৰিছো। বি টি চি প্ৰশাসনকো মই আগ্ৰহ কৰিম যে যিবিলাক অঞ্চলক কৃষি হ'ব পাৰে সেইবিলাক অঞ্চলত বি টি চি ৰ ফালৰ পৰা আঁচনি কাৰ্য্যকৰী কৰোতে গুৰুত্ব দিব লাগে। বিতং তথ্য মই আনিছো আৰু আপোনাৰ মাধ্যমেৰে সদনত দি আছো। য'ত নেকি সদস্যগৰাকীয়েও এইবোৰ তথ্য লৈ উপকৃত হ'ব পাৰে।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং ৪ (ক)।

Under Rule 115- সংকল্প প্ৰস্তাৱ। প্ৰথমটো সংকল্প প্ৰস্তাৱ মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰৰ নামত আছে। তেখেতৰ সংকল্প প্ৰস্তাৱটো সদনত উত্থাপন কৰি ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, Rule 115 ৰ অধীনত, 'প্ৰতিটো বিধান সভা সমষ্টিত বিধায়ক কাৰ্যালয় স্থাপন কৰাৰ লগতে প্ৰতিটো বিত্তীয় বৰ্ষত বিধায়ক পুঁজিৰ পৰিমাণ ৩ কোটি টকাকৈ ধাৰ্য কৰাৰ প্ৰস্তাৱ পৱিত্ৰ সদনত গ্ৰহণ কৰা হওঁক'- শীৰ্ষক সংকল্প প্ৰস্তাৱটো উত্থাপন কৰাৰ সুযোগ দিয়াৰ বাবে আপোনাৰ লগতে মাননীয় অধ্যক্ষ ডাঙৰীয়াকো ধন্যবাদ জ্ঞাপন কৰিছো। উপাধ্যক্ষ ডাঙৰীয়া, অধ্যক্ষ ডাঙৰীয়াৰ লগতে আপুনি, আমাৰ বিধান সভাৰ দলপতি মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু আমাৰ বিৰোধী দলৰ দলপতি ডাঙৰীয়াকে প্ৰমুখ্য কৰি অসম বিধান সভালৈ ১২৬ জন বিধায়ক প্ৰতিটো সমষ্টিৰ পৰা সন্মানীয় ভোটাৰ সকলে ৫ বছৰৰ বাবে নিৰ্বাচিত কৰে। সেই সন্মানীয় ভোটাৰসকলৰ দ্বাৰা নিৰ্বাচিত বিধায়কসকলে আইন প্ৰণয়নৰ লগতে ৰাজ্যখনৰ উন্নয়ন আৰু বিভিন্ন সমস্যা সমাধান কৰাৰ লগতে ৰাইজে আশা কৰা ধৰণে বিভিন্ন কাম কাজৰ লগত, ৰাইজৰ দুখৰ লগত সমভাগী হ'বলগীয়া হয়। পাঁচ বছৰীয়া কাৰ্যকালত প্ৰত্যেকজন বিধায়কে মন্ত্ৰী-মণ্ডলীসকলৰ লগত নিজৰ নিজৰ সমষ্টি এলেকাৰ লগতে ৰাজ্যখনৰ উন্নয়নৰ বাবে প্ৰতি মূহুৰ্তত চিন্তা-চৰ্চা কৰে। ৰাইজেও প্ৰত্যেকজন বিধায়কৰ পৰা বিভিন্ন

ধৰণে আশা কৰে। ৰাইজে, ভোটাৰসকলে যিখিনি দাবী জনায়, নিজ নিজ এলেকাৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ কাৰণে প্ৰতিটো দাবী, প্ৰতিটো অভাৱ-অভিযোগ বিধায়কজনৰ জৰিয়তে সমাধান হোৱাটো আশা কৰে। নিশ্চিতভাৱে প্ৰতিজন বিধায়কে ৰাইজৰ সেই দাবী, আশাৰ প্ৰতি গুৰুত্ব দি কাম-কাজ কৰে। মাননীয় মুখ্যমন্ত্ৰীৰ লগতে সন্মানীয় মন্ত্ৰীসকলে এটা, দুটা, তিনিটা, চাৰিটা বা তাতকৈ বেছি বিভিন্ন বিভাগৰ কাম দায়িত্ব সহকাৰে চলাই আছে। কিন্তু, আমি যদি বিধায়কৰ ক্ষেত্ৰত আহো, তেন্তে এজন বিধায়কৰ ওপৰত সেই সমষ্টিৰ প্ৰত্যেকটো বিভাগৰ দায়িত্ব ন্যস্ত থাকে। মন্ত্ৰীসকলে তেওঁলোকৰ হাতত থকা বিভাগসমূহৰ কাম দায়িত্ব সহকাৰে পালন কৰে বা বিভাগটো পৰিচালনা কৰে। কিন্তু, এই সন্মানীয় মন্ত্ৰীজন যেতিয়া সমষ্টিত বিধায়ক হৈ যায় বা আমাৰ শাসক পক্ষ বা বিৰোধী পক্ষৰ যিসকল বিধায়ক আছো, আটাইয়ে মাননীয় মুখ্যমন্ত্ৰীৰ পৰা আৰম্ভ কৰি প্ৰত্যেকজন মন্ত্ৰীৰ হাতত থকা সকলো বিভাগ, দায়িত্ব এই বিধায়কজনে চকু দিব লাগে, তাৰ লগত সমন্বয় কৰিব লাগে। ৰাইজৰ দুখ-দুৰ্দশা, প্ৰাকৃতিক দুৰ্যোগ, বিভিন্ন বিবাদ সকলো ক্ষেত্ৰতে আজিকালি মন্ত্ৰীৰ কাৰ্যালয়, সচিবালয়, বিভিন্ন বিভাগৰ মুখ্য কাৰ্যালয়, জিলা পৰ্যায়, ব্লক পৰ্যায়ৰ পৰা আৰম্ভ কৰি পঞ্চায়ত পৰ্যায়ৰ সকলো কাৰ্যালয়লৈ আৰু সকলো বিষয়াৰ লগত এজন বিধায়কে সমন্বয় ৰক্ষা কৰি কাম-কাজসমূহ আগুৱাই লৈ যাব লাগে। এইখিনি কৰোতে বিধায়কজন যথেষ্ট ব্যস্ত হৈ থাকিবলগীয়া হয়। বিধায়কজনক সমষ্টিবাসী ৰাইজে বিভিন্ন সময়ত বিভিন্ন কাৰণত লগ কৰিব লাগে, বিধায়কজনৰ ওচৰত আহিব লাগে। বিধায়কজনে সমষ্টিৰ কাম-কাজ ত্বৰান্বিত কৰাৰ স্বাৰ্থত অকল সমষ্টিতে থাকিব নোৱাৰে। বিভিন্ন সময়ত ৰাজ্যৰ ৰাজধানীৰ লগতে দায়িত্বসূত্ৰে বিভিন্ন ঠাইত যাবলগীয়া হয়। তেনেকুৱা সময়ত বিধায়কজনক বিচাৰি বিভিন্ন সময়ত সমষ্টিৰ মানুহে হাবাথুৰি খাবলগীয়া হয়। অভিযোগো আছে যে বিধায়কজনক পোৱা নাযায়। বিধায়কজন সাধাৰণতে নিজৰ বাসগৃহত বা কোনোবাই ব্যক্তিগত ভাৱে কাৰ্যালয় এটা খুলি তাত থাকে। গতিকে, ৰাইজৰ লগত বিধায়কজনক অতি ওচৰত বা যিকোনো এটা সমস্যাৰ লগে লগে বিধায়কজনক অৱগত কৰাৰ ক্ষেত্ৰত বিভিন্ন অসুবিধাৰ সন্মুখীন হয়। এনেকুৱা অসুবিধাৰ সন্মুখীনৰ পৰা দূৰ কৰাৰ ক্ষেত্ৰত বিধায়কজন থাকক বা নাথাকক, তেওঁক প্ৰতিটো কথা সমষ্টিৰ ৰাইজে জনোৱাৰ বাবে, তাৎক্ষণিক ভাৱে পোৱাৰ বাবে বিধায়কজনৰ যদি এটা কাৰ্যালয় থাকে তেন্তে নিশ্চিতভাৱে ৰাইজ তথা বিধায়কজনৰ সহায় হ'ব আৰু মই ভাৱো ৰাজ্যখনৰ উন্নয়নৰ ক্ষেত্ৰতো সহায় হ'ব। ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত বিধায়কজনৰ পৰা যিখিনি আশা কৰে সেইখিনি সহযোগিতা পাব। প্ৰত্যেকটো বিধান সভা সমষ্টিত এটা বা দুটাকৈ খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয় আছে। মোৰ চৰকাৰলৈ অনুৰোধ যে প্ৰত্যেকটো খণ্ড উন্নয়ন কাৰ্যালয়ত বিধায়ক সকলৰ বাবেও এটা কাৰ্যালয় স্থাপন কৰি তাত বিভাগীয়ভাৱে এজন প্ৰশিক্ষিত ব্যক্তি, যিজনে প্ৰত্যেকটো বিভাগ, প্ৰত্যেকটো আঁচনিৰ বিষয়ে জানে, কোন সময়ত কি পদক্ষেপ ল'ব লাগে, কোন বিষয়ত কোন বিভাগলৈ চিঠি লিখিব লাগে এই সকলোখিনি জানে, তেনে এজন বিভগীয় expert বিষয়া, তেওঁ যি পৰ্যায়ৰে নহওঁক, নিয়োগ কৰি বিধায়ক সকলক কাম-কাজ কৰাৰ ক্ষেত্ৰত সহায় কৰিব লাগে। উপাধ্যক্ষ ডাঙৰীয়া, অসমত বিধায়ক পুঁজি ১ কোটি টকা। এইটো আমি সকলোৱে স্বীকাৰ কৰিব লাগিব যে সমষ্টিৰ সকলো ৰাইজে নিজৰ এলেকাৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, ৰাস্তা-ঘাট, গৰাখহনীয়াৰ পৰা আৰম্ভ কৰি সকলো ক্ষেত্ৰত সকলোৰে প্ৰথম দাবী থাকে যে বিধায়ক পুঁজিৰ পৰা আমি কি লাভ কৰিলো? ৰাইজে হিচাপ কৰে, পঞ্চায়ত বা সমষ্টিৰ সকলো গাঁৱতে বিভিন্ন বিভাগৰ জৰিয়তে বেলেগ বেলেগ উন্নয়ন হয়, কিন্তু বিধায়ক পুঁজিৰ পৰা কি লাভ কৰে এই কথাৰ দাবী কিন্তু প্ৰত্যেক জন বিধায়কক দিয়ে।

এটা সমষ্টিত ২০ ৰ পৰা ২২ টালৈকে পঞ্চায়ত থাকে, ১ কোটি টকা যদি এক বছৰত ভাগ কৰিব লগা হয়, আমি কিমানটা আঁচনি ল'ব পাৰো? আঁচনিৰ ক্ষেত্ৰতো কিছু নীতি-নিৰ্দেশনা আছে। দেখা যায়, যেতিয়াৰ পৰা ১ কোটি টকাৰ পুঁজি ধাৰ্য কৰিছিল, তাৰ পিছত অসমত বিভিন্ন সা-সামগ্ৰীৰ দাম বৃদ্ধি হৈছে। আগতে ১ কোটি টকাৰে যিমান কাম কৰিব পাৰিছিলো, আজিৰ তাৰিখত, ২০২৩ চনত, ১ কোটিৰে সিমানখিনি কাম আমি কৰিব নোৱাৰো। চিমেণ্ট, মাটি, ৰ'ড, য'ত যি সামগ্ৰী লাগে সকলো ক্ষেত্ৰত, আমি বিধায়ক পুঁজিৰ দ্বাৰা যিখিনি আঁচনি ৰূপায়ণ কৰিব লাগে সেই আঁচনিত ব্যৱহৃত বিভিন্ন সা-সামগ্ৰীৰ দাম বৰ্তমান অসমত আৰু দেশত বৃদ্ধি পাইছে। আগত ১ কোটিৰে যিমান কাম কৰিব পাৰিছিলো, আজিৰ তাৰিখত ২০২৩ চনত ১ কোটিৰে সিমানখিনি কাম আমি কৰিব নোৱাৰো। চিমেন্ট, ৰড, মাটি সকলো ক্ষেত্ৰত, য'ত যি সামগ্ৰী লাগে আমি বিধায়ক পুঁজিৰ দ্বাৰাই যি আঁচনি ৰূপায়ণ কৰিব লাগে, সেই আঁচনি ব্যৱহাৰিত বিভিন্ন সা-সামগ্ৰীৰ দাম বৰ্তমান অসমত বৃদ্ধি পাইছে। গতিকে ১ কোটিৰে ৰাইজে আশা কৰা ধৰণে আৰু আমি সকলোৰে এটা সপোনৰ সমষ্টি বনাবলৈ আমি কাম কৰিব নোৱাৰো। উপাধ্যক্ষ ডাঙৰীয়া, এইখিনিতে মই এটা তথ্য দিব বিচাৰো যে ৰাজ্য চৰকাৰে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু ৰাজ্য চৰকাৰৰ ফালৰ পৰা সদায় এটা কথা কয় যে ভাৰতবৰ্ষৰ শ্ৰেষ্ঠ ৫ খন ৰাজ্যৰ ভিতৰত অসম এখন কৰিম। গতিকে ভাৰতবৰ্ষৰ আন আন ৰাজ্যতো বিধায়ক পুঁজি কিমান আপোনাৰ জড়িয়তে মই সদনত তথ্য দিব বিচাৰিছো। উত্তৰ প্ৰদেশ ৫ কোটি, পাঞ্জাৱ ৫ কোটি, কেৰেলা ৫ কোটি, মহাৰাষ্ট্ৰৰ ৫ কোটি, তেলেংগানা ৫ কোটি, ঝাৰখণ্ড ৫ কোটি, চত্তিশগড় ৪ কোটি, দিল্লী ৪ কোটি, তামিলনাডু ৩ কোটি, ৰাজস্থান ৩ কোটি, উৰিষ্যা ৩ কোটি, গোৱা ২.৫ কোটি, গুজৰাট ২ কোটি, বিহাৰ ২ কোটি, কৰ্ণাটক ২ কোটি, হাৰিয়ানা ২ কোটি, অৰুণাচল ৩ কোটি, গতিকে আন আন ৰাজ্যত ৫ কোটি পৰ্য্যন্ত বিধায়ক পুঁজি আছে। গতিকে মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক যিহেতু তেখেত ইয়াত উপস্থিত নাই, মই অনুৰোধ জনাওঁ যে আমাৰ বিধায়ক পুঁজি ১ কোটিৰ পৰিৱৰ্তে চলিত বিত্তীয় বৰ্ষৰ পৰাই ৩ কোটিলৈ বৃদ্ধি কৰিব লাগে আৰু মই ভাৱো আমাৰ মাননীয় শাসক পক্ষৰ বিধায়ক সকলেও সমষ্টিৰ ৰাইজৰ প্ৰতি লক্ষ্য কৰি ইয়াক সমৰ্থণ জনাব লাগে। মই আপোনাৰ জড়িয়তে মাননীয় শাসকীয় পক্ষৰ বিধায়ক সকলক আহ্বান জনাইছো যে সমষ্টিৰ ৰাইজৰ স্বাৰ্থত এই প্ৰস্তাৱ আপোনালোকে সৰ্ব সন্মতিক্ৰমে পূৰ্ণ সমৰ্থন জনাব লাগে।

মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, অসমখন ভাৰতবৰ্ষৰ ৫ খন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত এখন হওক তাৰে প্ৰতি লক্ষ্য ৰাখি প্ৰত্যেকটো বিধানসভা সমষ্টিত বিধায়কৰ কাৰ্য্যালয় স্থাপন কৰাৰ লগতে বিধায়ক পুঁজি ১ কোটিৰ পৰিৱৰ্তে চলিত বিত্তীয় বৰ্ষৰ পৰাই ৩ কোটিলৈ বৃদ্ধি কৰিব লাগে তাৰ প্ৰস্তাৱ এই বিধান সভাত উত্থাপন কৰি মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এই সম্পৰ্কে আন কোনোবা সদস্যই বক্তব্য ৰাখিব নেকি? ----হুলস্থুল------প্ৰতি গৰাকীকে দুই মিনিটকৈ সময় দিয়া হ'ল।

**শ্ৰী ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই যি প্ৰস্তাৱ আনিছে তাত আমাৰ পূৰ্ণ সমৰ্থণ আছে আৰু মই ভাৱো শাসক পক্ষৰ বিধায়ক সকলৰো পূৰ্ণ সমৰ্থন আছে। এই ক্ষেত্ৰত হাত চাপৰি দিয়াত তেখেত সকলৰ কিছু অসুবিধা থাকিব পাৰে কিন্তু অন্তৰেৰে তেওঁলোকে পূৰ্ণ সমৰ্থণ দিছে। মাননীয় উপাধ্যক্ষ মহোদয়,

আপুনি প্ৰথমতে এজন বিধায়কক তাৰ পিছতহে উপাধ্যক্ষ। সমষ্টিৰ জনগনে বিধায়ক এজনৰ ওচৰত সৰ্ব বেমাৰৰ ঔষধ আছে বুলি ধাৰণা কৰে। হয়, বিধায়কজন সমষ্টিৰ মুৰব্বী। ৰাইজে তেখেতসকলৰ সমস্যা সমূহ লৈ বিধায়কজনৰ ওচৰলৈ আহে, ৰাস্তা ঘাটৰ পৰা আৰম্ভ কৰি গৰা খহনীয়া, স্কুল ডেমেজ, বানপানীৰ দ্বাৰা ক্ষতিগ্ৰস্ত লোক, ধুমুহাৰ দ্বাৰা ক্ষতিগ্ৰস্ত লোক এই সমস্যাবিলাক লৈ তেখেতসকলে বিধায়কৰ ওচৰত আহে। কিন্তু বিধায়কৰ ওচৰত দিবলগা কি আছে এই কথা নিশ্চয় আমাৰ মাননীয় মন্ত্ৰী মহোদয়ৰ লগতে সকলোৱে জানে। আমাৰ বিধায়কসকলৰ পুঁজি ২০১২ চনত বঢ়োৱা হৈছিল। ২০১১ চনত ৪০ লাখ আছিল, তেতিয়া আমাৰ মুখ্যমন্ত্ৰী আছিল প্ৰয়াত মাননীয় তৰুণ গগৈ ডাঙৰীয়া আৰু তেখেতে আমি নিবিচৰাকৈয়ে হঠাৎ ২০১২ চনত ঘোষণা কৰি দিলে যে বিধায়ক পুঁজি ১ কোটি হ'ব। এতিয়া ১৩ বছৰ হৈ গ'ল আমাৰ ৰাজ্যখনত বিধায়ক পুঁজি বঢ়া নাই। এটা গুৰুত্বপূৰ্ণ কথা, আমাৰ Parliamentary Affairs Minister ডাঙৰীয়া ইয়াত আছে, তেখেত সেই সময়ত কংগ্ৰেছত আছিল, ১৩ বছৰ এখন ৰাজ্যত বিধায়কৰ পুঁজি বঢ়োৱা নাই। গতিকে এই ১৩ বছৰৰ গেপটো পূৰণ কৰাৰ স্বাৰ্থত এইবাৰ যি ৫ কোটি টকাৰ দাবী জনাইছে ইয়াৰ প্ৰতি সমৰ্থণ কৰি মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি বিৰোধীৰ ফালৰ পৰা বিধায়ক পুঁজি ১ কোটিৰ পৰা ৩ কোটিলৈ বঢ়োৱাৰ প্ৰস্তাৱ আনিছে। মই ২০০৬ চনৰ পৰাই বিধায়ক হৈ আছো। মোৰ দুখ লাগিছে আজি কংগ্ৰেছৰ পক্ষৰ পৰা এই প্ৰস্তাৱ আনিছে। যদি কংগ্ৰেছৰ ফালৰ পৰা তেওঁলোকৰ ১৫ বছৰৰ চৰকাৰৰ সময়তে ৩ কোটি কৰাহেতেন আমাৰ ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰখনে হয়তো এইটো ৬ কোটি কৰিলেহেঁতেন। মই ভাবো এইটো এটা অৱাস্তৱ প্ৰস্তাৱ। আজি বিভিন্ন ধৰণৰ চৰকাৰী আঁচনিসমূহ ভালদৰে ৰূপায়ণ হৈছে নে নাই তেওঁলোকে এইটোহে ভালদৰে চাব লাগে। আজি যদি আমি ৰাস্তাৰ শিতানত চাবলৈ যাওঁ, সমান্তৰালভাৱে শাসক-বিৰোধী সকলো বিধায়কে নুন্যতম ৪০ কোটিতকৈ অধিক প্ৰত্যেক বছৰে পাইছে যিটো ভাৰতবৰ্ষৰ কোনো ৰাজ্যৰ বিধায়কে পোৱা নাই। আজি যদি আপোনালোকে স্বাস্থ্য শিতানত চায় বা অঙ্গনবাড়ী ক্ষেত্ৰতে হওক সমান্তৰালভাৱে প্ৰত্যেকেই পাই আছে বা পা বলৈ গৈ আছে। চাহ বাগানত এখন এখন স্কুল প্ৰতি বছৰে বৃদ্ধি কৰি গৈ আছে। মহাপ্ৰভু জগন্নাথৰ ৰঙা মঞ্চ এতিয়া দিবলৈ গৈ আছে। শাসক বিৰোধীৰ প্ৰতিজন বিধায়কে এতিয়া প্ৰতি বছৰে ৫০ কোটিতকৈ অধিক পাব। আমি সামান্য ৩ কোটি কেলেই লম? গতিকে এই বিধায়ক পুঁজি বৃদ্ধিৰ প্ৰস্তাৱটো আমি কেতিয়াও সমৰ্থন নকৰো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কথাটো হৈছে এনেকুৱা যে মই মোৰ দৰমহা বা পেঞ্চনৰ কথা কোৱা নাই। দৰমহা, পেঞ্চন বা protocol লাগিলে কমাই দিয়ক। আমাৰ দৰমহাটো কমাই লাগিলে অঙ্গনবাড়ী কৰ্মী, সহায়িকা তেওঁলোকৰ পইচাটো যদি বঢ়াই দিয়ে বা ঠিকা ভিত্তিক কৰ্মচাৰী সকলক যদি permanent কৰি দিয়ে তাৰ

বিষয়ে আমাৰ ক'বলগা একো নাই। তাৰবাবে আমি চৰকাৰক ধন্যবাদ জনাম। উপাধ্যক্ষ মহোদয়, মই মাত্র তথ্যটো দাঙি ধৰিছো যিসমূহ ৰাজ্য ভাৰতীয় জনতা পাৰ্টীৰ, উত্তৰ প্রদেশ ৩ কোটি আছিলে ৫ কোটি হ'ল, মহাৰাষ্ট্ৰৰ ৪ কোটি আছিলে ৫ কোটি হ'ল, বিহাৰৰ ২ কোটি আছিলে ৩ কোটি হ'ল, মেঘালয় ২ কোটিৰ পৰা ২.৫ কোটি কৰিলে। এইবোৰ যদি আমি চাওঁ অসম এনেকুৰা এখন ৰাজ্য য'ত ২ কোটি আছিলে আৰু ২ কোটিৰ পৰা ১ কোটি কৰিলে।

ছাৰ কথাটো হৈছে এনেকুৰা যে মই পেনশ্যন বা দৰমহাৰ কথাটো কোৱা নাই । লাগিলে পেনশ্যন- দৰমহাটো কমাই দিয়ক । আমাৰ দৰমহা ক'মাই অঙ্গনবাদী ৱৰ্কাৰ্ৰ, হেল্পাৰ এইসকলৰ টকাটো যদি বঢ়াই দিয়ে , কনট্রেকচুৱেল সকলক যদি পাৰ্মানেন্ট কৰি দিয়ে আমাৰ ক'ব লগা একো নাই আমি চৰকাৰক ধন্যবাদ জনাম । অধ্যক্ষ মহোদয় মই তথ্য দাঙি ধৰিছো- এইখিনি ষ্টেট বিজেপি শাসিত । উত্তৰ প্রদেশত তিনি কোটি আছিল এতিয়া পাঁচ কোটি কৰিছে । মহাৰাষ্ট্ৰ চাৰি কোটি আছিল এতিয়া পাঁচ কোটি কৰিছে । বিহাৰ দুই কোটি আছিল তিনি কোটি কৰিলে । পাঞ্জাৱ পাঁচ কোটি । মেঘালয় দুই কোটিৰ পৰা আঢ়ৈ কোটি কৰিলে । আৰু বেলেগ ষ্টেট আছে মই নকওঁ । কিন্তু অসম এনেকুৰা এখন ৰাজ্য য'ত দুই কোটি আছিল পিচত এক কোটি কৰিলে। আনটাইড ফাণ্ড ৫০ লাখ টকা আছিলে সুহৃদ পঞ্চাশ লাখ টকা আছিল। তাৰ মানে কি, আমি এচেমপ্লিত কৈ থাকো আমাৰ জি এচ ডিবি বাঢ়িছে , আমাৰ বাজেট চাইজ বাঢ়িছে । কিন্তু আল্টিমেটলী আমাৰ বাজেট চাইজটো বাঢ়িছে কিন্তু আমি এম এল এ ফাণ্ডটো ক'মাই আছে তাৰ মানে আমাৰ পইচাৰ নাটনি আছে । অধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰিছো গ্ৰ'থ - প্ৰগ্ৰেছ আৰু ইন ডেবট্ - গ্ৰ'থ মানে কি, আগতে বাজেট চাইজ আছিলে - সত্তৰ হাজাৰ কোটি টকা আজি এক লাখ বিশ হাজাৰ কোটি টকা কৰিলো । প্ৰগ্ৰেছ হৈছে এথিকছ, মানে গ্ৰ'থৰ লগত যদি এথিকছ মিল হয় তেতিয়া প্ৰগ্ৰেছ হয় অৰ্থাৎ গ্ৰ'থ প্লাচ এথিক্ছ হৈছে প্ৰগ্ৰেছ আৰু ছাকচেছ হৈছে গ্ৰ'থ প্লাচ প্ৰগ্ৰেছ অৰ্থ্যাৎ গ্ৰ'থ প্লাচ এথিকচ্ প্লাচ হিউমিনিটি অৰ্থ্যাৎ মানবীয়তা । যেতিয়া তিনিটাই গোট খায় তেতিয়া চাকচেছ হয় । এইখন চৰকাৰৰ বাজেট চাইজ বাঢ়িছে কিন্তু চাকচেছ হোৱা নাই । দ্বিতীয়তে উপাধ্যক্ষ মহোদয় এজনে বিধায়কে কৈছে যে আমাৰ এম এল এ ফাণ্ডটো বৃদ্ধি হোৱা নাই, তেতিয়া তেখেতে কংগ্ৰেছত আছিলে - আমি সকলোৱে মিলি এক কোটি টকা কৰিছিলো । আজি গেছৰ দামটো চাৰিশ টকাৰ পৰা বাৰশ টকা হৈছে কিন্তু আপোনালোকে এম এল এ ফাণ্ডটো নবঢ়ায় । এইটো মোৰ কথা নহয় । এইটো কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যদি টকা চৰ্ট নাই এম এল এ ফাণ্ডটো বঢ়াওক।

---হুলস্থুল --

**মাননীয় উপাধ্যক্ষ ঃ** এল ও পি ডাঙৰীয়াই ক'ব বিচাৰিছে ।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ জাকিৰ হুছেইন শিকদাৰ ডাঙৰীয়াৰ প্ৰস্তাৱটো মইও সমৰ্থন জনাইছো । কাৰণ এম এল এ ফাণ্ড যিটো দিয়া হয় যদিও এইটো নামত এম এল এ ফাণ্ড কিন্তু এইটো প্ৰকৃততে ৰাইজৰ কামৰ বাবে ব্যৱহাৰ কৰা হয় । দ্বিতীয়তে আমি দেখিছো চৰকাৰী আঁচনিত নিশ্চিতভাবে কিছু ভাল ভাল কাম হৈছে এইটো মই স্বীকাৰ কৰো । ৰাস্তাবিলাকো লোৱা হৈছে ৰেংকিঙত। ৰেংকিঙ যদি কম থাকে আমি সেই ৰাস্তাবিলাক উন্নত কৰিব নোৱাৰো । এতিয়া পঞ্চায়তৰ পুঁজিত আজিকালি শিল দিবলৈ দিয়া নহয়। মোৰ সমষ্টিত ২০ টা পঞ্চায়ত আছে তাৰ প্ৰতিটো ৱাৰ্ডৰ ৰাইজে মোক কয় যে আপুনি কেইটামান শিলেই দিয়াই দিয়ক । গতিকে এই এম এল এ ফাণ্ডৰ জৰিয়তে আমি ৰাইজৰ কিছু কাম

কৰিবলৈ কিবা উপায়েৰে কৰিবলৈ সক্ষম হৈছো । সেই কাৰণে অধ্যক্ষ মহোদয় চৰকাৰী আঁচনিৰ মাজত গেপ পূৰণ কৰিবলৈ আমাৰ এই ফাণ্ডটো প্ৰয়োজন। দ্বিতীয়তে মহোদয়, সৰ্ব্ব শিক্ষা আঁচনিত স্কুলবিলাকৰ উন্নয়ন কৰা হৈছিল । তেতিয়া সেই আঁচনিখন এটা লিমিটেড পিৰিয়ডত আছিল , বন্ধ হৈ গ'ল । ইয়াৰ ফলত অসুবিধা হৈছে । কাৰণ অসমীয়া মাধ্যমৰ স্কুলবিলাকৰ টিনপাতৰ ৰিপিয়াৰিং খুবেই প্ৰয়োজন মই এম এল এ ফাণ্ডৰ পৰা দিব লগা হৈছে । গতিকে আমি এম এল এ ফাণ্ডটো চেংশ্যন কৰি আমি এনেধৰনৰ কামবোৰ কৰিব লগা হয় । আমি জানো যে হিমাচল প্ৰদেশত বিজেপি দল বিৰোধী পক্ষত আছে । তাত প্ৰথম দিনেই এই এম এল এ ফাণ্ডটো তেওলোকে ৯০ লাখ টকা বঢ়াই দিছিল যোৱা বিজেপি চৰকাৰে , এতিয়া দুই কোটি কৰিছে শেহতীয়া বাজেটত । এইবাৰ কংগ্ৰেছ চৰকাৰে তাত এম এল এ ফাণ্ড বন্ধ কৰি দিছে । তেতিয়া বিজেপি দলৰ এল ও পিয়ে সদন পৰিত্যাগ কৰিছে আৰু কৈছে যে এইটো ফাণ্ড দিবই লাগে । আমাৰ চুবুৰীয়া ৰাজ্যত যথেষ্ঠ বৃদ্ধি হৈছে এম এল এ ফাণ্ড, গতিকে ছাৰ, আমি এনেকুৱাধৰনৰ কিছু কথা চাই এম এল ফাণ্ড বৃদ্ধি আৰু এম এল এৰ অফিছটো এটা যুক্তিসংগত দাবী বুলি বিবেচনা কৰি চৰকাৰক ব্যৱস্থা ল'বলৈ অনুৰোধ জনালো ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ --- অখিল গগৈ । তিনি মিনিটত শেষ কৰক । নো কনট্ৰ'ভাৰ্চি তিনি কোটি লাগে নে নালাগে এইটোৰ ওপৰত কওঁক ।

**শ্ৰীঅখিল গগৈ,(শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বাৰিষা আহি গ'ল। আমাৰ সমষ্টিবিলাকত হুলস্থূল আৰম্ভ হৈ গ'ল । সমষ্টিৰ ৰাস্তাবিলাকত বোকা পানী গতিকে এম এল এ ফাণ্ডৰ টকা বিচাৰি মানুহ অহা আৰম্ভ হৈ গ'ল । মোৰ সমষ্টিত ১৪৫ খন স্কুলত পানী পৰে উপাধ্যক্ষ মহোদয়। তাত টিনবিলাক বদলাবলৈ আমাৰ ওপৰত প্ৰেছাৰ আছে । কিন্তু অকল এক কোটি টকাৰে এইবিলাক কাম কৰিবলৈ অসুবিধা।

মাননীয় উপাধ্যক্ষ ঃ টিন পাত লগাবলৈ এম এল এ ফাণ্ডৰ পৰা পঞ্চাশ হাজাৰমান টকা দিলেই হৈ যাব।

**শ্ৰীঅখিল গগৈ,(শিৱসাগৰ) ঃ** কাঠ ডালৰ সৈতে ডেৰ লাখমান লাগিব আৰু ১৪৫ খন স্কুলত দিব লাগিব উপাধ্যক্ষ মহোদয় সেই কাৰণে আমি কথাটো কৈছো । দ্বিতীয় কথাটো হ'ল মই বিধায়ক হোৱাৰ পৰা এতিয়ালৈকে এক টাকাও আন টাইড ফাণ্ড পোৱা নাই । সুহৃদ আঁচনি যিটো আছিলে আগতে ৫০ লাখ টকা আছিলে আমি অসুখীয়া মানুহক দিব পাৰিছিলো কিন্তু বিধায়ক হোৱাৰ পিচত সুহৃদ বন্ধ হৈ গ'ল । মই এক হাজাৰমান এপ্লিকেশ্যন চি এমৰ অফিছত দি থৈছো । যে অসুখীয়া মানুহক পইচা দিব লাগে । সমষ্টিত গ'লেই হুলস্থূল হৈ যায় । গতিকে উপাধ্যক্ষ মহোদয় প্ৰস্তাৱকে যদিও আমাৰ বিধায়ক পুঁজিটো এক কোটি টকাটো তিনি কোটি টকা কৰাৰ কাৰণে কৈছে কিন্তু এইটো ক'মেও ছয় কোটি কৰিব লাগে । আৰু দ্বিতীয় কথাটো হ'ল আমাৰ প্ৰতিটো সমষ্টিতে একোটাকৈ বিধায়ক কাৰ্য্যালয় থাকিব লাগে । উপাধ্যক্ষ মহোদয় মই মোৰ সমষ্টিত এটা কাৰ্য্যালয় লৈছে মাহেকীয়া ভাৰা ত্ৰিছ হাজাৰ টকা । ইয়াৰ লগত আন আন খৰছো আছে । গতিকে উপাধ্যক্ষ মহোদয় এইটো ছয় কোটি নহ'লেও অন্তত পাঁচ কোটি হ'বই লাগে। গতিকে ইয়াৰ এটা ব্যৱস্থা ল'ব লাগে ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ । এতিয়া দিগন্ত বৰ্মন ।

**শ্ৰীদিগন্ত বৰ্মন, (বৰক্ষেত্ৰী) ঃ** ছাৰ , মোৰ এটা কথা ক'বলগীয়া আছে। আমি যেতিয়া চিকিমত চি পিএ কনফাৰেন্সত গৈছিলো আমাৰ মাননীয় অধ্যক্ষ মহোদয়ো তাত আছিল। আমাৰ মাজত

এটা অনা আনুষ্ঠানিক আলোচনা হৈছিলে যে অৰুণাচলত এটা সমষ্টিত মেক্সিমাম ভোটাৰ তেৰ হাজাৰ আৰু মিনিমাম তিনি হাজাৰ দুশ। কিন্তু তাত বিধায়ক পুঁজি তিনি কোটি টকা। আমাৰ মাননীয় অধ্যক্ষ ডাঙৰীয়াই কৈছিলে যে মই এই বিষয়ে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰিম । সেই কাৰণে চৰকাৰে এই পুঁজি বৃদ্ধিৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ .... অনাৰেবল্ মিনিষ্টাৰ ।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** উপাধ্যক্ষ ডাঙৰীয়া, যিহেতু মই তিনিবাৰকৈ বিধান সভালৈ নিৰ্বাচিত হৈছো , গতিকে মই অভিজ্ঞতাৰ ফালৰ পৰা কওঁ যে- আমি যেতিয়া ইয়াত দৰমহাৰ বৃদ্ধিৰ কথা আলোচনা কৰো তেতিয়া বাহিৰত ৰাইজে আমাক প্ৰচণ্ড সমালোচনা কৰে । ঠিক তেনেকৈ আজি যদি এম এল এ ফাণ্ডৰ কথা বৈছিকৈ কওঁ তেন্তে আকৌ সমালোচনা কৰিব । কিন্তু আমি এইটো অস্বীকাৰ কৰা নাই , ভৱিষ্যতে এই বিষয়ে চিন্তা চৰ্চা কৰিম কাৰণ এম এল এ ফাণ্ড আৰু এম পি ফাণ্ড লৈ মানুহ খুব চিৰিয়াছ। বহু ঠাইত এম এল এ আৰু এম পি ফাণ্ডৰ গোণ্ডগোল আছে ।

....হুলস্থূল...

**মাননীয় উপাধ্যক্ষ ঃ** প্লিজ, গণ্ডোগল নকৰিব। আপোনালোকে উত্তৰটো শুনক ।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মই কন্ট্ৰ'ভাৰ্চি কৰিব খোজা নাই । সকলোৱে চিৰিয়াচ হ'ব লাগে । আমাৰ সাংসদ দুই এজনৰ কথাও আপোনালোকে দেখি আছে , মই কাৰো নাম নকওঁ । উপাধ্যক্ষ ডাঙৰীয়া এনেকুৱা হৈছে- ২৫ - ৮০ টাকৈ স্কীমৰ এগৰাকীয়ে সভাপতি - ৮০ টাকৈ স্কীমৰ টেকনিকেল অফিচাৰ এজনেই ।এইখিনি সাংসদ এগৰাকীয়ে ৰিক'মেণ্ড কৰিছে । মোৰ কথাটো হ'ল গুৱাহাটীত যি গৰাকী সভাপতি তেওঁ কামৰূপ ৰুৰেলৰ সভাপতি কেনেকৈ হ'ব পাৰে । সেইটোকে সাংসদ এগৰাকীয়ে ৰিক'মেণ্ড কৰিছে । গতিকে মই কৈছো যে এইটো ভৱিষ্যতে চিন্তা চৰ্চা কৰা হ'ব কিন্তু এই মুহূৰ্তত নহয় ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** চৰকাৰৰ পইচাৰ নাটনি আছে নেকি ?

**শ্ৰীপিযুষ হাজৰিকা(মন্ত্ৰী,সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** চৰকাৰৰ পুঁজিৰ নাটনি নাই । আপুনিয়েইতো নিজৰ সমষ্টিত পি ডব্লিউ ডিত যথেষ্ট ফাণ্ড পাইছে আপোনালোকে চৰকাৰ দেউলীয়া বুলি কৈ থাকে কিন্তু সমষ্টিৰ উন্নয়নৰ বাবে পুঁজি বিচাৰি হুলস্থুল কৰি থাকে। বেলেগত ক'মাই দিব নোৱাৰি গণ্ডোগোল হোৱাৰ চান্স থাকে। কমাব লাগে বুলি বহুতেই কয় কিন্তু মই ভাবো বেচিহে হ'ব লাগে। ৰাইজৰ মত অনুসৰি আগবাঢ়িব লাগে। বহুতেই কয় এইটোত কেলেংকাৰী হয়, এম এল এ পুঁজি কমাব লাগে ।

সুহৃদ বন্ধ কৰক কাহিনীটো মই নকও আৰু, এইবোৰ কেলেংকাৰী হয়, পাৰিলে কমাবহে লাগে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ Implement DC য়ে কৰে।

**শ্ৰীপিয়ুষ হাজৰিকা, (মন্ত্ৰী) ঃ** আৰে, কেনেকৈ বিষয়াই কৰে, এইবোৰ শিকাব নেকি আমাক?

**মাননীয় উপাধ্যক্ষ** ঃ Let the answer finish.

(হুলস্থূল)

**শ্ৰীপিয়ুষ হাজৰিকা, মন্ত্ৰী ঃ** মই আপোনাৰ নাম কৈছোঁ নেকি?

**মাননীয় উপাধ্যক্ষ** ঃ please do not disturb, listen the answer, উত্তৰটো দিব দিয়ক। অনুগ্ৰহ কৰি এনেকৈ অসুবিধা নকৰিব। সকলো কথাতে আপুনি মাত মাতি থাকিলে নহ'ব নহয়।

**শ্ৰীপিয়ুষ হাজৰিকা (মন্ত্ৰী) ঃ** মই কৈছো যে অলপ খেলিমেলি আছে। চিন্তা-চৰ্চাৰ আলোচনাৰ প্ৰয়োজন আছে। MLA fund খৰচকৰিলে অলপ চিন্তা-চৰ্চাৰ প্ৰয়োজন আছে। কিন্তু মই অস্বীকাৰ নকৰোঁ, সন্মানীয় বিধায়ক সকলে কোৱা কথাটো ভৱিষ্যতে বঢ়াবলৈ নিশ্চয়কৈ চেষ্টা কৰা হ'ব, চিন্তা কৰা হ'ব। কিন্তু এই মুহূৰ্তত যিহেতু আমি বিভিন্ন বিভাগত যথেষ্ট টকা দিয়াৰ ব্যৱস্থা কৰিছো, সকলো সমষ্টিতে গৈছে, কোনো সমষ্টি ব্যতিক্ৰম হোৱা নাই, গতিকে এই মুহূৰ্তত বঢ়াব পৰা পজিচন নাই, কিন্তু ভৱিষ্যতে যদি সময় সুবিধা হয়, সুযোগ হয় বা পুঁজি সাপেক্ষে আমি বঢ়াবলৈ চেষ্টা কৰিম। বিধায়কৰ কাৰ্য্যালয়টো আজিয়ে কব পৰা বিষয় নহয়। বিধায়ক কাৰ্য্যালয় কতো নাই মই জনাত।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** কৰোবাত কৰোবাত আছে।

**শ্ৰীপিয়ুষ হাজৰিকা (মন্ত্ৰী) ঃ** ঠিক আছে, কিন্তু আৰু এটা কথা আজি এগৰাকী সদস্য কমলাক্ষ দে পুৰকায়স্থই ইউ পি ৰ কথা কৈছে। ইউ পিৰ ভোটাৰৰ সংখ্যা ১০ লাখ, ৯ লাখ। গতিকে তাতটো অলপ বেছি হবই।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** অৰুণাচলত।

**শ্ৰীপিয়ুষ হাজৰিকা (মন্ত্ৰী)ঃ** অৰুণাচল অসমতকৈ ডাঙৰ, demographically অৰুণাচল অসমতকৈ ডাঙৰ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** Population কম।

**শ্ৰীপিয়ুষ হাজৰিকা (মন্ত্ৰী) ঃ** Population কম হলে নহ'ব নহয়, geographically অসমতকৈ ডাঙৰ। আমাৰ এটা সমষ্টি তাৰ তিনিটা সমষ্টি। আমাৰ এটা সমষ্টি এদিন ঘূৰোতে লাগে, তাত এক মাহলৈকে লাগে। গতিকে তেওঁলোকৰ কথাটো আমাৰ ইয়াত নহয়। এনেকৈ কিয় কয় হে আপুনি, জ্ঞান দিবলৈ কিয় চেষ্টা কৰে? bulldogs কৰিবলৈ চেষ্টা নকৰিব। you cannot bulldogs us, simple, আপুনি আমাক bulldogs কৰিব নোৱাৰে। আমি আপোনাক bulldogs কৰিব নোৱাৰো, আপোনাৰ মতে আমি নচলো নহয়। এইটো কি কথা।

**মাননীয় উপাধ্যক্ষ ঃ** কমলাক্ষ দে পুৰকায়স্থ এনেকৈ নহয়, আপোনাক কব দিয়া হৈছে সময়, উত্তৰ দিয়াৰ সময়ত এনেকুৱা নকৰিব। কমলাক্ষ দে পুৰকায়স্থ আৰু যদি এনেকুৱা কৰে next time debate ৰ সময়ত সুবিধা নাপব। If you do like this. সদন চলিবলৈ আপুনি নিদিয়ে disturb কৰি থাকে then we will also take some action like that, answerটো শুনক প্ৰথমতে।

**শ্ৰীপিয়ুষ হাজৰিকা (মন্ত্ৰী) ঃ** Assembly ত বিধায়ক সকেল সমস্বৰে কৈছে যে বঢ়াব লাগে। এই আজিৰ মুহূৰ্তত বঢ়াব পৰা নাই, কিন্তু আপোনালোকৰ ইচ্ছাক সন্মান জনাই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই অনুৰোধ কৰিম ভৱিষ্যতে বঢ়াব পাৰে নেকি, এই মুহূৰ্তত বঢ়াব নোৱাৰি সদনত জনাব খুজিছোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** সুন্দৰ উত্তৰ পাইছে, ইয়াতকৈ কি লাগে আৰু ? মাননীয় সদস্য জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়া আপোনাৰ সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে?

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** ছাৰ।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোকৰ নিজৰ দলৰ সদস্যই কবলৈ লৈছে, disturb কিয় দিয়ে? এইটো অভ্যাসত পৰিণত হৈছে নেকি আপোনাৰ?

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ** আজি মই অনা সংকল্প প্ৰস্তাৱৰ ওপৰত বিৰেধী পক্ষ, শাসক পক্ষ,

সন্মানীয় বিধায়ক সকলৰ লগতে মাননীয় মন্ত্ৰী ডাঙৰীয়াও ইয়াৰ reply দিলে। তাত মই দুটা কথা কব বিচাৰোঁ, যে পবিত্ৰ বিধান সভাত আমি সকলো বিধায়ক নিৰ্বাচিত হৈ আহো, আমি বিৰোধীৰ আসনত বহিছো, শাসন পক্ষৰ আসনত আন বিধায়ক সকল বহিছে, এতিয়া কোনো এটা বিষয়ৰ ওপৰত আমি যেতিয়া debate কৰো বা নিজৰ মন্তব্য দিও সেই মন্তব্য সমূহ দিওতে সেই মন্তব্যসমূহৰ শব্দ বা আমি কি কথা প্ৰকাশ কৰিব বিচাৰো তাৰ ওপৰত অলপ গুৰুত্ব দিব লাগে। মাত্ৰ মই এটা কথা কওঁ যে এই বিষয়ত কথা কবলৈ যায় জ্যেষ্ঠ বিধায়ক ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই এটা কথা কৈছে যে মই অনা প্ৰস্তাৱ, অপ্ৰস্তাৱ বুলি কৈছে। এজন বিধায়কে বা বিধায়ক সকলে চৰকাৰৰ ওচৰত পুঁজি বৃদ্ধিৰ প্ৰস্তাৱটো অপ্ৰস্তাৱ হ'ব নোৱাৰে। মই ভাৱো তেখেতে কথাখিনি উঠাই ল'ব লাগে। ইয়াত অপ্ৰস্তাৱৰ প্ৰশ্নয়ে নাহে।

**মাননীয় উপাধ্যক্ষ ঃ** অপ্ৰস্তাৱটো unparliamentarily word নেকি? সদস্যৰ ৰাইট আছে। যদি unparliamentarily word হয় তেতিয়া expunge কৰা হ'ব।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** সদস্যৰ ৰাইট আছে কব পাৰে। গতিকে মন্ত্ৰী ডাঙৰীয়াই এই বিষয়ে মাননীয় মুখমন্ত্ৰীৰ লগত কথা পাতি পৰৱৰ্তী সময়ত বঢ়োৱাৰ যিটো চিন্তা চৰ্চা কৰিছে, যি আশ্বাস দিছে, সেই আশ্বাসৰ প্ৰতি আশা পালি ৰৈ মোৰ প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিলোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া সদনৰ সন্মতি সাপেক্ষে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল। এতিয়া কাৰ্য্যসূচী নং ৪ (খ), under Rule-115, সংকল্প প্ৰস্তাৱ। এতিয়া দ্বিতীয়টো সংকল্প প্ৰস্তাৱ মাননীয় সদস্য শ্ৰীশ্বেৰমান আলী আহমেদৰ নামত আছে। তেখেতৰ সংকল্প প্ৰস্তাৱটো সদনত উত্থাপন কৰি ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালোঁ।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** Hon'ble Speaker Sir, I do hereby move that whereas about 200 km roads and 35 nos. of RCC bridges at the cost of about Rs.200.00 cr. had already been constructed in this char areas of Alopati, majorchar , Bhagmara, Dharmapur, Bhatnapaity, Kadamtola, Chaysimana Uzirarchar GP whereas 2 RCC bridges are connecting Baghmara, Shimlitora and Dolkoma Chaysimana, over river Jaljaliya, are yet to be constructed for which a population of about 2 lakhs of Baghbar, senga, Dundhnoi and Goalpara East LAC are suffering badly, it is therefore resolved by this August House that the aforesaid 2 RCC bridges connecting Bagmara, Shimlithora and Dolkoma, Chaysimana over river Jaljali beel construted immediately.

মাননীয় উপাধ্যক্ষ মহোদয়, এই যি দলং দুখনৰ প্ৰয়োজনীয় সম্পৰ্কে মই দুষাৰ মান কব খুজিছো, বাঘবৰ সমষ্টিত প্ৰায় ৭ টা পঞ্চায়ত আলবতি মাজৰ চৰ, বাঘমাৰা, ধৰ্মপুৰ, ভাত্মাৰতি, কদমতলা, উজুৰেচৰ, সোণাবাৰী, ৰামাপাৰা এনেকৈ সাঁতটা পঞ্চায়ত চেঙা সমষ্টিৰ প্ৰায় ৩ টা পঞ্চায়ত গোৱালপাৰা সমষ্টিৰ এটা অংশ, এটা পঞ্চায়তৰ তেনেকৈ বকো সমষ্টি আৰু দুধনৈ সমষ্টিৰ মানুহ এই দলং দুখনৰ লগ জড়িত। এই যিখিনি এৰিয়া মই mention কৰিলো বাঘবৰ সমষ্টিটো আছে প্ৰায় ৫১ খন গাওঁ। গাওঁ বোৰৰ নাম উল্লেখ কৰিবলৈ গলৈ বহুত সময় যাব। তথাপি মই কব খুজিছো 3No.Alupati N.C, Bhatnapaity Char N.C, Chaishimana N.C, Chakhowajar, Chakowajar N.C, Chapari Gaon, Chapari Pathar, Char

Gaon, Char Gaon Pam N.C, Dharma Pur, Dharmapur N.C, Islam Pur, Islampur, Jahanar Gaon, Jahanar Ghola, Jahanar Pam, Jahanar Pathar, Kadam Tola, Kalardia N.C, Kalgachi, Kalpani N.C, Kapah Toli, Majar Char N.C, Matha Ranga, Momin Pur, Mowamari, Mowkhowa Char N.C, Nichanir Char N.C, No.1Baghmara N.C, No.2Baghmara N.C, No.3Baghmara N.C, No.4Baghmara N.C, Ramapara Gaon, Ramapara Pam, Ramapara Pathar, Sutirpar, Syed Pur, Tekla Chuti, Ujirar Char, Bandarmora, Barhowara, Chachapari, Chatala Gaon, Chatala N.C, Deuldi, Hatijuna, Kayakuchi Gaon, Kayakuchi Pathar, Khandakar Para, Moyanbari Pam, Pathalia Para ৫১ খন ৰাজহ গাওঁ অকল বাঘবৰ সমষ্টিত ইয়াৰোপৰি চেঙা সমষ্টিৰ ১০ বা ১২ খন গাওঁ আছে। গোৱালপাৰা পূব সমষ্টিৰ এটা পঞ্চায়ৰ দুই তিনিখন গাওঁ আছে। দুধনৈ সমষ্টিৰ মানুহ জড়িত। এই অঞ্চলটোত কেৱল বাঘবৰ সমষ্টিতে ১৩৮ খন এল পি স্কুল আছে। ইয়াত কেৱল বাঘবৰ সমষ্টিতে ৭ খন High School Higher Secondary School আছে তাৰে ৬ খন Higher Secondary School. তেনেকৈ চেঙা সমষ্টিতো আছে। এই অঞ্চলৰ কেৱল বাঘবৰ সমষ্টিত ৪ খন PHC আছে। Alupati mini PHC, Baghmara আৰু River PHC, চয়াচুনানা পি এইচ চি এনেকৈ ৪ খন পি এইচ চি আছে। তাৰোপৰি বাঘবৰ সমষ্টিত ৭ টা GPৰ লগত জড়িত চেঙা সমষ্টিৰ খুব সম্ভৱ ৩ টা জি পি, গোৱালপাৰা সমষ্টিৰ এটা জি পি ৰ এটা অংশ, এই গোটেইখিনি এই অঞ্চলত পৰে। এই অঞ্চলতোত এখন Luitparia College আছে। তাৰোপৰি এখন sub-divisional agriculture office আছে। এটা char development office আছে। এখন থানা আছে আৰু এই অঞ্চলত কৃষিজাত সামগ্ৰী যথেষ্ট উৎপন্ন হয়।

মাননীয় উপাধ্যক্ষ মহোদয়, Further, these areas are hotbed of huge agricultural production such as rice, mustard, maize, jute, wheat, black grams, beans, ground nut, corns, water melon, onion, brinjal, cabbages, cucumber, chili, garlic, ginger, pumpkins, tomato, Sesame etc. এই অঞ্চলৰ যাতায়াত ব্যৱস্থাৰ উন্নয়নৰ বাবে বৃহত্তৰ চৰ অঞ্চলত প্ৰায় ২ লাখ জনসংখ্যাৰ কাৰণে চৰকাৰে ইতিমধ্যে ভালেখিনি ব্যৱস্থাও লৈছে। যেনে চৰকাৰে বিগত সময়ছোৱাত ২৮ টা প্ৰধানমন্ত্ৰী গ্ৰামচড়ক যোজনাৰ অধীনত মুখ্যমন্ত্ৰীৰ পথ নৱীকৰণৰ অধীনত ২৮ টা ৰাস্তা পকীকৰণ কৰিছে। মই এই ৰাস্তা কেইটাৰ নাম কৈ দিছো।

Takakata-Jaurimari Road, Pkg No. AS-01-265 Length in km 8.34, No.of RCC brides 3 Cost (in lakh) 1606.68. Uzirarchar to Birsinghpara Pkg No. As-01-278 Length in km 3.81, No.of RCC bridges 0 Cost (in lakh) 269.04 Bhatnapaity to kapahtoli AS-01-216 Length in km 5, No.of RCC bridges 1 Cost (in lakh) 580.63. Majorchar to Pathimari Pkg No. AS-01-356, Length in km 2.82, No.of RCC bridges 1, Cost (in lakh) 418.65. Majorchar high school to Mairadia Pkg No. AS-01-263, Length in km 1.2 No,of RCC bridges

0, Cost (in lakh) 141. Kalairdia to 1 No Baghmara char, AS-01-272, Length in km 4.037. No.of RCC bridges 0, Cost (in lakh) 311.4. Alopati PHC to Sukhowarjhar luit paria bazaar, Pkg No. AS-01-203, Length in km 7.567, No.of RCC bridges 1, Cost (in lakh) 886.82. 4 No Baghmara to Sukhowarjhar Bazar Pkg No. AS-01-208, Length in km 8, No.of RCC bridges 4, Cost (in lakh) 1967.38. 2 No Baghmara to Bhatnapaity Anchalik Bazar, Pkg No. AS-01-271, Length in km 5.5, No.of RCC bridges 4, Cost (in lakh) 1516.2. 1 No Baghmara to 3 No Baghmara Pkg No. AS-01-270, Length in km 7, No.of RCC bridges 1, Cost (in lakh) 1098.22. Paschim chaysimana to Sukhowarjhar Pkg No. AS-01-358, Length in km 14.58, No.of Rcc bridges 3, Cost (in lakh) 2084.22. Sukhowarjhar to Bhatnapaity Pkg No. AS-01-273, Length in km 8.11, No.of RCC bridges 3, Cost (in lakh) 1084.73. Kalairdia to Sukhowarjhar Anchalik Bazar, Pkg No. AS-01-226, Length in km 13, No.of RCC bridges 4, Cost (in lakh) 1666.81. Pub-Uzirarchar/Paschim chaysimana to Baladmari, Pkg No. AS-01-211, Length in km 17.65, No.of RCC bridges 3, Cost (in lakh) 1545.49. 1 No Baghmara to Nayer char Pkg No. AS-01-357, Length in km 3.9, No.of RCC bridges 0, Cost (in lakh) 285.34. 4 No Baghmara to Alopati Mandalpara, Pkg No. AS-01-202, Length in km 3.5, No.of RCC bridges 1, Cost (in lakh) 368. Majorchar length to Khatimari Milan Bazar, Pkg No. AS-01-201, Length in km 5.5, No.of RCC bridges 1, Cost (in lakh) 708. 2 No Baghmara to 3 No Baghmara char Pkg No. AS-01-206, Length in km 4.53, No.of RCC bridges 1, Cost (in lakh) 702.18. Paschim Deuldi to Khandakarpara, Pkg No. AS-01-253, Length in km 6.3, No.of RCC bridges 3, Cost (in lakh) 1170.89. Kalairdia to Baghmara char, Pkg No. AS-01-44, No.of RCC bridges 2, Cost (in lakh) 314.86. Majorchar to Kalairdia NC, AS-01-48, Cost (in lakh) 72.08. Bhatnapaity to Dharmapur NC, AS-01-49, Cost (in lakh) 47.39. Sokhowarjhar to Dharmapur NC, AS-01-50, Cost (in lakh) 72.59. Kadamtola to Chaysimana AS-01-51, Cost (in lakh) 71.94. Pub Uzirarchar to Uzirarchar, AS-01-52, Length in Km.23, Cost (in lakh) 69.07. মাননীয় উপাধ্যক্ষ মহোদয়, PMGSY III ত দুখন RCC Bridge ৰ সৈতে ১০.৬৮ কিঃমিঃ ৰাস্তাৰ কাৰণে ১৩ কোটি ৯০ লাখ টকা অনুমোদন হৈছে। আমাৰ মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনিৰ বাঘমাৰাৰ পৰা আলুপটি মণ্ডলপাৰা ৩ কোটি ৫৭ টকা অনুমোদন হৈছে আগৰখিনি নিৰ্মাণ হৈ গ'ল। মাজৰ চৰ বাঘমাৰা PMGSY ৰাস্তাটো ৪৫ লাখ টকা অনুমোদন হৈছে। মুঠতে এতিয়ালৈ সেই অঞ্চলটোৰ উন্নয়নৰ বাবে প্ৰায় ২০০ কিঃমিঃ ৰাস্তা

নিৰ্মাণ হৈছে যদিও মই প্ৰপোজেলত ৩৫ টা কৈছো ৩৬ খন RCC Bridge ইতিমধ্যে নিৰ্মাণ হৈছে। ১৯০ কোটি টকা তাত খৰচ হৈছে। এইখিনি যেতিয়া নিৰ্মাণ হৈ যাব তাত মুঠ খৰচ হ'ব ২০৮ কোটি ৫১ লাখ টকা। সৰ্বমুঠ ৰাস্তা নিৰ্মাণ হ'ব ১৬৮.৬৮ কিঃমিঃ। ইমানখিনি ৰাস্তাত ২০৮ কোটি টকা খৰচ হৈছে কিন্তু মূল সংযোগটো হোৱা নাই। বাঘমৰা চিমলিত এখন আৰু কমদতলা ছয় শিমলাত অঞ্চলটোক যদিও চৰ বুলি কোৱা হয় এইটো প্ৰকৃততে চৰ যেন নালাগে। আজিৰ পৰা প্ৰায় ১৫০ বছৰীয়া পুৰণি মানুহ লগ পাইছো, তেখেতক সুধিছিলো তেওঁলোকে ক'লে যে কেতিয়াৰ পৰা চৰ আমি গম নাপাঁও, আমি যেতিয়াৰ পৰা জন্ম হৈছো তেনেকুৱাই দেখিছো। এই ফালেৰে ব্ৰহ্মপুত্ৰ নদী আৰু আনফালে সৰু এটা নদী জলজলী। সেই ব্ৰহ্মপুত্ৰ সুতি এটা আহি জলজলিত লগ লাগি গ'ল। The area has become riverine. ইমানখিনি টকা খৰচ কৰাৰ পিছতো এই জলজলি নদীৰ ওপৰত দুখন দলং নিৰ্মাণ নকৰাৰ ফলত আজিও মানুহখিনিৰ যিখিনি সুফল সেয়া ভোগ কৰিব পৰা নাই। আজিও কৃষিজাত সামগ্ৰী বিক্ৰীৰ ক্ষেত্ৰত যোগাযোগৰ সাংঘাটিক অসুবিধা। তাত এম্বুলেন্স যাব নোৱাৰে। ১০-১২ বজাত যেতিয়া সন্তান সম্ভৱা মাতৃ বিলাকৰ সন্তান জন্মৰ প্ৰৱনতা তেওঁলোকে অনুভৱ কৰে, তেতিয়া তেওঁলোকে হস্পিতাললৈ যাব নোৱাৰে। গতিকে এই অসুবিধা বোৰ আছে। এই দলং ২ খন অতি জৰুৰী। ২০১৪ চনত তেতিয়া কংগ্ৰেছ চৰকাৰ আছিল । আমাৰ অজন্তা বাইদেও গড়কাপ্তানী মন্ত্ৰী আছিল, তেখেত আৰু তেতিয়াৰ মুখ্যমন্ত্ৰী তৰুণ গগৈ চাৰে এই বাঘমাৰ শিমলতলা দলংখন নিৰ্মাণৰ বাবে ৫২ কোটি টকা অনুমোদন দিছিল। কিন্তু দুৰ্ভাগ্যজনক কথা, তেতিয়া মোৰ কাষৰে কেবিনেট মন্ত্ৰীয়ে বিৰোধ কৰিছিল। ইয়াৰ পিছত ২০১৮ চনত আমাৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী তেখেত গড়কাপ্তানী মন্ত্ৰী আছিল। তেতিয়া তেখেতে আকৌ Economic important head আমাৰ ইয়াৰ পৰা ৰিকোমেণ্ড কৰি পঠিয়াইছিল দিল্লীলৈ। দিল্লীৰ পৰা ৮ জুন ২০১৮ তাৰিখে এই বাঘমৰা চিমলি ব্ৰীজখন নিৰ্মাণ কৰিবলৈ নীতিগত ভাবে অনুমোদন কৰিলে। ইয়াৰ পৰা যেতিয়া DPR গ'ল, তাত মানে অলপ খেলি-মেলি হোৱা বাবে তেখেত সকলে ঘূৰাই পঠালে। কিন্তু তাৰ পিছৰ পৰা এতিয়ালৈ প্ৰজেক্টটো আজিলৈ যোৱা নাই। Government of India was ready to release the fund, Government of India approved in principle. মই এই বিষয়ে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগত কথা পাতিছো। আমাৰ আজি সংসদীয় পৰিক্ৰমা মন্ত্ৰীও আছে, তেখেতে আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰি নিশ্চয় দলংখন নিৰ্মাণৰ কাৰণে চেষ্টা কৰিব। দ্বিতীয় যিখন দলগোমা ছয়চিমনা যিখন দলং, এই দলংখনৰ বাবে ইতিমধ্যে ইয়াৰ গুৰুত্ব উপলব্ধি কৰি আমাৰ অসম চৰকাৰে NESID ত ইতিমধ্যে প্ৰস্তাৱ পঠাইছে। দলগোমা ছয়চিমনা যিখন দলং সেইখন বনাবলৈ ইতিমধ্যে কেন্দ্ৰলৈ প্ৰস্তাৱ পঠোৱা হৈছে আৰু কেন্দ্ৰীয় চৰকাৰৰ ঘাইপথ আৰু জলপথ বিভাগে উক্ত বিষয়টো চোৱা-চিতা কৰি আছে। ২০০ কোটি টকাৰ যাতে সঠিক ব্যৱহাৰ হয়। যিহেতু দুয়োটা প্ৰজেক্ট দিল্লীত আছে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় বা অসম চৰকাৰে অলপ বিষয়টো গুৰুত্ব দিলে ভাল হ'ব। the over all literacy of Assam goes up, the over all IMR goes down, the over all MMR goes down and it will bring a revolution in the matters of Agricultural production. Thank you sir.

**মাননীয় উপাধ্যক্ষ**ঃ ধন্যবাদ, যিহেতু এইটো this resolution is entirely on Baghbar Constituency, গতিকে মই ভাবো, বেলেগ সদস্যৰ ইয়াত scope নাই।

**শ্ৰী আব্দুৰ ৰচিদ মণ্ডল**ঃ আধা মিনিট ছাৰ, শ্বেৰমান আলী ডাঙৰীয়াক মই আন্তৰিক ভাবে ধন্যবাদ

জনাইছো। আজি যিটো প্ৰস্তাৱ আনিছে, কাৰণ মোৰ জন্মস্থান আলুপটি চহৰ, যদিও মই গোৱালপাৰা জিলাৰ পৰা প্ৰতিনিধিত্ব কৰি আহিছো, কিন্তু শ্বেৰমান আলী ডাঙৰীয়াই যি চৰ অঞ্চলৰ কথা কৈছে, তাতে মোৰ জন্ম আৰু তাতেই লিখা পঢ়া কৰিছো। অত্যাধিক পিছ পৰা অঞ্চল, আজি মই ধন্যবাদ দিম এই চৰকাৰৰ দিনত যথেষ্টখিনি তাত যাতায়তৰ সুবিধা কৰিছে আৰু শ্বেৰমান আলী ডাঙৰীয়াই নিশ্চিতভাবে সেই কৃতিত্বৰ দাবী কৰিব পাৰে। অসম চৰকাৰেও দাবী কৰিব পাৰে যে এই চৰকাৰৰ দিনত যথেষ্ট পৰিমাণে, আগৰ চৰকাৰৰ দিনত যিটো ধাৰাবাহিকতা আৰম্ভ হৈছিল PWD ৰ পকী পথ এই চৰকাৰৰ দিনতো ধাৰাবাহিকতা বজাই ৰাখিছে, তাৰ কাৰণে চৰকাৰক ধন্যবাদ দিছো আৰু শ্বেৰমান আলী ডাঙৰীয়াকো ধন্যবাদ দিছো। কিন্তু এই উন্নয়নৰ সুফল লাভ কৰাৰ পৰা যথেষ্ট বঞ্চিত হৈছে। যি দুখন দলং মই তাতে সংযোগ কৰাৰ কাৰণে অনুৰোধ কৰিম সেইয়া হৈছে নগৰবেৰাৰ পৰা লংকেশ্বৰী পাহাৰৰ টোপামলৈ যোৱা যিটো ৰাস্তা, এইটো বকো সমষ্টি, তিনিখন দলং যদি জলজলীৰ নদীৰ ওপৰত দিয়ে, মই ভাবো চৰকাৰে ভাৰতবৰ্ষৰ ৫ খন উন্নত ৰাজ্যৰ ভিতৰত এখন ৰাজ্য হ'ব বিচাৰিছে, এইটো সপোন বাস্তবায়িত হ'ব।

**মাননীয় উপাধ্যক্ষ** ঃ নন্দিতা বাইদেউ কিবা ক'ব নেকি ?

**শ্ৰীমতী নন্দিতা দাস, (বকো)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই কেৱল এষাৰি কথা কৈ দিওঁ যে এইটো যিটো বাঘমৰা চিমলিতলা তেখেতে কৈছে, ঠিকে আছে, কিন্তু আমাৰ নগৰবেৰাৰ যিখন মূল ঠাই সেইখন যাতে বাদ পৰি নাযায়, সেইকাৰণে মইয়ো অনুৰোধ কৰিব বিচাৰিছো যে আমাৰ ৩ খন দলং, যিখন দলংৰ কথা মই আজি ৬ বছৰ কৈ আছো। জলজলী নদীৰ ওপৰত ডুকুছি পাহাৰ পাৰা নগৰবেৰা related bridge যিখন দলং এটা সময়ত পি এম জি এচ ৱাইৰ ৰাস্তাৰ অধীনত আছিল। কিন্তু সেই সময়ত ৫০ মিটাৰৰ ওপৰত নল'লে, সেয়ে গাইড লাইনত নপৰিল। কাৰণ সেই খন দলং তেতিয়াই left out bridge হৈ থাকি গ'ল। অতি প্ৰয়োজনীয় দলং কাৰণ গোটেই বি পি চি চলিহা কলেজ, নগৰবেৰা চাৰ্কোল অফিচ, নগৰবেৰা বিডিঅ' অফিচ, গোটেই মূল মূল প্ৰতিষ্ঠানবিলাক নগৰবেৰাত আছে সেই কাৰণে এইখন দলংৰ অতি প্ৰয়োজন আছে।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ , মাননীয় মন্ত্ৰী।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্বেৰমান আলী ডাঙৰীয়াই তেখেতৰ সমষ্টিৰ এটা গুৰুত্বপূৰ্ণ বিষয় আজি এই বিধান সভাত উপস্থাপন কৰিছে ৰুল ১১৫ৰ যোগেদি । মাননীয় উপাধ্যক্ষ মহোদয় তেখেতৰ সমষ্টিত ইতিমধ্যে প্ৰায় ২০০ কিঃমিঃ পথ আৰু ৩৬ খন দলং কৰা হৈছে। মই ভাবো যে এইটো চৰকাৰখনৰ নিঃসন্দেহে সকলোৰে প্ৰতি কৰা উল্লেখযোগ্য নমুনা। মাননীয় উপাধ্যক্ষ মহোদয় তেখেতে আৰু এটা গুৰুত্বপূৰ্ণ কথা কৈছে যে মই অন্তৰেৰে স্বীকাৰ কৰো যে MMR, IMR কম কৰাৰ ক্ষেত্ৰত ময়ো স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী আছিলো। এই যোগাযোগৰ মাধ্যম উন্নত কৰি আমি MMR, IMR নিয়ন্ত্ৰণ কৰিব পাৰো। উপাধ্যক্ষ ডাঙৰীয়া তেখেতে এইটোও কৈছে যে এই দুখন দলং নিৰ্মাণৰ প্ৰস্তাৱ ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰক দিয়া হৈছে, আৰু কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে। তেখেতে মাত্ৰ আহ্বান জনাইছিল আমি কেন্দ্ৰীয় চৰকাৰৰ লগত যাতে এই বিষয়টো সোনকালে take up কৰো। মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক, তেখেত গড়কাপ্তানি বিভাগৰো মন্ত্ৰী, মই তেখেতক অনুৰোধ কৰিম আজি, তেখেতৰ যিটো প্ৰস্তাৱ সেই প্ৰস্তাৱটো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অৱগত কৰিম আৰু যিমান সোনকালে পাৰো এই কামখিনি আমি খৰতকীয়াকৈ কৰিবৰ বাবে প্ৰচেষ্টা চলাম।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্বেৰমান আলী ডাঙৰীয়া, আপোনাৰ সংকল্প

প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে?

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয় মাননীয় মন্ত্ৰী মহোদয়ৰ আশ্বাস মৰ্মে মই মোৰ প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া সদনৰ সন্মতিক্ৰমে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল। এতিয়া কাৰ্য্যসূচী নং ৪ (গ) তৃতীয় সংকল্প প্ৰস্তাৱ মাননীয় সদস্য নুৰুল হুদাৰ নামত আছে। তেখেতক সংকল্প প্ৰস্তাৱটো সদনত উত্থাপন কৰি তাৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো।

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সমন্বিত আৰু সু- সংহত বিকাশৰ লক্ষ্যত উপনীত হ'বলৈ, জনজাতীয় নিম্নবৰ্গীয় তথা সকলো ভাৰতীয় লোকৰ বাবে বসুন্ধৰা ২.০, ১০০ শতাংশ পৰিপূৰ্ণ ৰূপত আৰু বৈষম্যহীনভাবে ৰূপায়ণ কৰাৰ উদ্দেশ্যে সদনত প্ৰস্তাৱ গ্ৰহণৰ সুযোগ দিয়াৰ কাৰণে মই উপাধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো। উপাধ্যক্ষ মহোদয় ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰা সমন্বিত বিকাশ Sustainable Development Goals ভাৰতবৰ্ষ এখন অন্যতম ৰাষ্ট্ৰ, যি স্বাক্ষৰ কৰিছে। ইয়াৰ মুল কথা আছিল যে সমাজৰ সকলো লোকৰ উন্নয়ন আৰু সুযোগ প্ৰদান কৰা। আমাৰ ভাৰত চৰকাৰেও শ্ল'গান দিছিল যে চব কা সাথ চব কা বিকাশ। এই শ্ল'গানটো অসম চৰকাৰেও মাজে মাজে দিয়া দেখা যায়। কিন্তু এই কাৰ্য্যসূচী সফল কৰাৰ স্বাৰ্থত দেখা যায় যে মানুহৰ জীৱন, জীৱিকা আৰু কৰ্মসংস্থাপন এই তিনিটা বিষয়ৰ ওপৰত যিখিনি গুৰুত্ব দিব লাগিছিল সেইখিনি গুৰুত্ব কিন্তু Sustainable Development Goals ৰ উদ্দেশ্যৰ পৰা আঁতৰি গৈ কিছুমান কাৰ্য্য কৰি থকা হৈছে। Sustainable Development Goals ৰ পৰি পূৰ্ণ লক্ষ্যটো আছিল যে দৰিদ্ৰতা নিৰ্মূল কৰা। ক্ষুধাতুৰৰ সংখ্যা শূণ্যলৈ নমাই অনা, সুস্বাস্থ্য আৰু সমন্বয়ৰ কল্যাণ সাধন কৰা । উপাধ্যক্ষ মহোদয় দৰিদ্ৰতা নিৰ্মূল সকলো ঠাইৰ পৰা সকলো ধৰণৰ দৰিদ্ৰতা সম্পূৰ্ণ শেষ কৰা আৰু ক্ষুধাতুৰ জনসংখ্যা শূণ্যলৈ নমাই অনা সকলো ধৰণৰ ক্ষুধাৰ্তৰ সমস্যাৰ পৰা মানৱ সমাজক সম্পুৰ্ণ মুক্ত কৰা, খাদ্য সুৰক্ষা নিশ্চিত কৰাৰ লগতে পুষ্টিপুৰক খাদ্য নিশ্চয়তা প্ৰদান কৰা,যাৰ বাবে কৃষি খণ্ডত সু- সংহত আৰু সমন্বিত বিকাশৰ পথ প্ৰশস্ত কৰা। ৩ নং আছিল, সু-স্বাস্থ্য আৰু সৰ্বময় কল্যাণ। সকলোৰে যাতে সু-স্বাস্থ্যৰ অধিকাৰী হ'ব পাৰে, সকলো বয়সৰ লোকে যাতে সুখময়. জীৱন যাপন কৰিব পাৰে, তাৰ ব্যৱস্থা কৰিব লাগে। কিন্তু এইবোৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত ভূমিৰ অধিকাৰিত্ব এই বিষয়টো অতি গুৰুত্বপূৰ্ণ। এই ভূমিৰ অধিকাৰ ৰক্ষাৰ বাবে আমাৰ অসম চৰকাৰে যি কাৰ্য্যসূচী হাতত লৈছে, বসুন্ধৰা, ২.০ ইয়াত কিছুমান ক্ষেত্ৰত দেখা যায়, বৈষম্যমুলক দেখা গৈছে। এই কাৰ্য্যসূচী ৰূপায়ণৰ ক্ষেত্ৰত চৰকাৰী বিষয়া সকলে বৈষম্যমুলক আচৰণ কৰা দেখা যায়। অসমত ৫ লাখ ৮০ হাজাৰ ৭০৯ টা ভূমিহীন পৰিয়াল আছে বুলি চৰকাৰে কৈছে। আৰু ১২ লাখ লোকে বসুন্ধৰাত আৱেদন কৰিছে। যেতিয়া লোকপিয়ল হৈছিল বা Economic survey হৈছিল। সেই সময়ত যি সকল মানুহ চৰকাৰী ভূমিত বহি আছিল তেওঁলোকক ভূমিহীনত ধৰা নাই। যি সকল মানুহ ফৰেষ্টত বহি আছিল, তেওঁলোকক ভূমিহীনতাত ধৰা নাই। বহুত ভূমিহীন মানুহ গ্ৰেজিং ৰিজাৰ্ভ, ফৰেষ্টত, চৰকাৰী ভূমিত বসবাস কৰি আছিল তেওঁলোকক কিন্তু হিচাবত ধৰা নাছিল. যাৰ কাৰণে এই ৫৮০৭০৯ টা ভূমিহীন পৰিয়ালৰ সংখ্যাটো শুদ্ধ নহয়। ইতিমধ্যে বসুন্ধৰা ২.০ ৰ যোগেদি ১২ লাখ মানুহে আবেদন কৰিলে আৰু বহুতো আবেদন কৰিবলৈ বাকী আছে। আজি কৃষি ক্ষেত্ৰৰ লগত জড়িত এই লোক সকলক অধিকাৰৰ পৰা বঞ্চিত কৰা হৈছে। যিটো সময়ত আমি কৃষক সকলক কৃষি কৰাৰ কাৰণে অধিক ভূমিৰ ব্যৱস্থা কৰি দিব লাগে, পট্টা দিব লাগে কিন্তু সেই সময়ত উপাধ্যক্ষ

মহোদয় উচ্ছেদ কৰা হৈ আছে।ৰাজ্যৰ বিভিন্ন প্ৰান্তত জনজাতি, অনুসূচিত জাতিৰ লোকক উচ্ছেদৰ পৰা ৰেহাই দিয়া হোৱা নাই। দৰং জিলাৰ ধলপুৰ, শোনিতপুৰ, নগাঁও, মৰিগাঁও, ধুবুৰী, গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তত নদীৰ বান্ধৰ যিসকল গৰাখহনীয়াগ্ৰস্ত লোক সেই এলেকা বিলাকৰ ভূমিৰ পৰাও মানুহক উচ্ছেদ কৰা হৈছে। মানৱ সমাজৰ ইতিহাসৰ সোণালী অধ্যায় নে কংলকিত অধ্যায় সেইটো আমি পিছলৈ থ'লো আশা কৰো বিবেচনা কৰিব। আমি এই প্ৰসংগত মনত ৰখা প্ৰয়োজন যে চৰ অঞ্চলৰ ভূমি এবাৰ নদীয়ে ভাঙি দিয়াৰ পিছত ম্যাদী পট্টাৰ মাটি নদীয়ে ভাঙি লৈ যায় আকৌ কিছুদিনৰ পিছত নদী ঘূৰি আহে, সেইখিনি চৰ পৰে। এই ম্যাদী পট্টাৰ পট্টাদাৰ সকলৰ তেতিয়া মাটিৰ স্বত্ব নাইকিয়া হৈ যায়। যিখন ঠাই ম্যাদী মাটি, গৰাখহনীয়াই খহাই লৈ গৈছে পুনৰ বাৰ কিছু বছৰৰ পিছত যদি তাত আকৌ চৰ পৰি যায় তেতিয়া সেই মানুহজনৰ অধিকাৰ তাত নাথাকে। সেই অধিকাৰ কিন্তু সুনিশ্চিত হ'ব লাগিছিল আৰু বছৰি ইমান গৰাখহনীয়া হৈ আছে সেই গৰাখহনীয়াগ্ৰস্ত মানুহ বিলাকক চাৰ্টিফিকেটো দিয়া নহয়। এই সদনত পূৰ্বতে মই কেইবাবাৰো দোহাৰিছিলো যে গৰাখহনীয়াগ্ৰস্ত লোক সকলক যদি চাৰ্টিফিকেট দিয়া হয় যে অমুক মানুহৰ  ইমান নং ম্যাদী পট্টাৰ ইমান দাগত মাটি গৰাখহনীয়াই খহাই লৈ গৈছে। এই তথ্যখিনি মানুহৰ হাতত থাকিব আৰু চৰকাৰৰ হাততো থাকিব। চৰকাৰক যেতিয়া আমি প্ৰশ্ন উত্থাপন কৰো যে এতিয়ালৈকে মুঠ কিমান বিঘা মাটি গৰাখহনীয়াগ্ৰস্ত হৈছে, তেতিয়া হয়তো চৰকাৰে উত্তৰ দিয়ে যে তথ্য বিচাৰি থকা হৈছে। লামচাম এটা হিচাপ দি দিয়ে। কিন্তু এইটো এটা অন্যায় কৰি থকা হৈছে। গৰাখহনীয়াগ্ৰস্ত লোক সকলক যাতে লগে লগে এখন চাৰ্টিফিকেট দিয়া হয় যে অমুক মানুহজনৰ ইমানখিনি মাটি গৰাখহনীয়াগ্ৰস্ত হৈছে। এই প্ৰমাণটো দিব লাগে, এই প্ৰমাণটো কিন্তু দিয়া হোৱা নাই। গতিকে বসুন্ধৰা - ২ ৰূপায়ণৰ সময়ত জাতি-জনগোষ্ঠী লোকক মাটিৰ পট্টা দিয়াৰ ক্ষেত্ৰত চৰকাৰী বিষয়াসকলে বৈষম্য মূলক আচৰণ কৰা দেখা যায়। এনে বৈষম্য মূলক আচৰণে 'সবকা সাথ, সবকা বিকাশ' ৰ কথাটো অসাৰ হৈ পৰিছে। গতিকে আমি যিখন সংবিধানৰ বলত  বিধায়ক হৈ ইয়ালৈ আহিছো, মন্ত্ৰী সকল ইয়ালৈ আহিছে, আমি সেই সংবিধানৰ কথা পাহৰি গৈ আমি যেতিয়া বৈষম্যমূলক আচৰণ কৰো  তেতিয়াহ'লে আমি যেতিয়া শপত গ্ৰহণ কৰিছো সেই শপত গ্ৰহণৰ মূল্য ক'ত থাকিব। গতিকে সংবিধানৰ প্ৰতি সকলোকে শ্ৰদ্ধাশীল হ'বলৈ মই চৰকাৰক অনুৰোধ জনাইছো। যদি আমি সংবিধানৰ প্ৰতি শ্ৰদ্ধাশীল হও তেতিয়াহ'লে বৈষম্য বুলি কোনো শব্দ নাথাকিব। গতিকে আজি মই এই বিধান সভাৰ পবিত্ৰ সদনত অসম চৰকাৰৰ ভূমিহীন লোক সকলক ভূমি আবণ্টন আৰু ভূমি পট্টা দিবলৈ ইতিমধ্যে দ্বিতীয় পৰ্য্যায়ৰ বসুন্ধৰা আঁচনি কাৰ্য্যকৰী কৰিবলৈ বসুন্ধৰা -২ আৰম্ভ কৰিছে। এই আঁচনিৰ সহায়ত ভূমি আবণ্টন আৰু ভূমি পট্টা বিচাৰি যথেষ্ট সংখ্যক লোকে আবেদন দাখিল কৰিছে আৰু বহুতো আবেদন দাখিল কৰিবলৈ বাকী আছে। সেয়ে চৰকাৰে বহু চৰ্চিত ইতিবাচক আঁচনি বসুন্ধৰা ২.০ এশ শতাংশ পৰিপূৰ্ণ আৰু বৈষম্যহীন ভাৱে কাৰ্য্যকৰী কৰাৰ দাবীত অসম বিধান সভাত মই সংকল্প প্ৰস্তাৱ উত্থাপন কৰিব বিচাৰিছো যে - 'সমন্বিত আৰু সু-সংগত বিকাশৰ লক্ষ্যত উপনীত হ'বলৈ জনজাতীয়, নিম্ন বৰ্গীয় তথা সকলো ভাৰতীয় লোকৰ বাবে বসুন্ধৰা ২.০ এশ শতাংশ পৰিপূৰ্ণ আৰু বৈষম্যহীন ভাৱে ৰূপায়ণ কৰাৰ উদ্দেশ্যৰে সদনত এই প্ৰস্তাৱ গ্ৰহণ কৰা হওক'।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য কোনোবাই ইয়াৰ ওপৰত বক্তব্য ৰাখিব বিচাৰে নেকি? যদি নিবিচাৰে মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব।

**শ্ৰী যোগেন মহন, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, Private Members Resolu-

tion under Rule115 আমাৰ সন্মানীয় বিধায়ক নুৰুল হুদা ডাঙৰীয়াই সংহত যি আমি SDGৰ কথা কৈ আছো তাত সকলো শ্ৰেণীৰ ৰাইজৰ ভাষা-ভাষী, জনগোষ্ঠীৰ সকলোকে সাঙুৰি দেশৰ উন্নয়নৰ স্বাৰ্থত আমাৰ দেশৰ শক্তিশালী প্ৰধানমন্ত্ৰী মাননীয় শ্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই যি 'সবকা সাথ, সবকা বিকাশ,সবকা বিকাশ আৰু সবকা প্ৰয়াস' এই আদৰ্শৰে কাম কৰি যাবলৈ সংকল্পবদ্ধ আৰু অসমেও আমি সেই শ্লোগানকে ৰূপায়িত কৰিবলৈ গৈ আমি মিশ্যন বসুন্ধৰা ২.০ এই পৰ্য্যায়ত আমি ক'তো বিংসগতি নথকা সকলো জনগোষ্ঠী, পিছপৰা আৰু অন্যান্য পিছপৰা সকলো খিলঞ্জীয়া ভাৰতীয়কে মাটিৰ অধিকাৰ দিবৰ কাৰণে এই বসুন্ধৰা আঁচনিখন আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আমি কাৰ্য্যকৰী কৰিবলৈ গৈ আছো। ইতিমধ্যে আপোনালোকে জানি সুখী হ'ব যে ৩১ মাৰ্চলৈকে সময় বঢ়াই দিছিলো কিন্তু কিছু server down বিভিন্ন ৰাইজৰ অনুৰোধত লগতে মাননীয় মুখ্যমন্ত্ৰীৰ অনুৰোধ মৰ্ম্মে আকৌ দুদিনৰ সময় বঢ়াই দিলো অৰ্থাৎ ২ এপ্ৰিলৰ নিশাৰ ১২ বজালৈকে। ইয়াতে আপোনালোকে জানি সুখী হ'ব যে ১৩ লাখ ৩৯ হাজাৰ ৩৯০ খন আবেদন আমাৰ হাতলৈ আহিছে। এই অভিলেখ সংখ্যক আবেদন মিশ্যন বসুন্ধৰা আমি ১৪ নবেম্বৰৰ ভিতৰত নিষ্পত্তি কৰিব লাগে। তাৰ কাৰণে আমি ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিখন SD LAC যিখনে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। এইক্ষেত্ৰত আমি সকলো সদস্যকে আমন্ত্ৰণ জনাইছো যেনে - D.C, ADC, Circle Officer আৰু বিধায়কখিনিও এই SD LAC ৰ সদস্য হ'ব আৰু এতিয়া নতুনকৈ DFO সকলকো ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে লগতে আৰু দুজন ৰাইজৰ প্ৰতিনিধিকো ইয়াৰ সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। তেওঁলোকেও যাতে গোটেই জনসাধাৰণৰ লগত মিলি এই ভূমি সংক্ৰান্তীয় সকলো সমস্যা ক্ষীপ্ৰতাৰে নিষ্পত্তি কৰিব পাৰে তাৰ কাৰণে তেওঁলোকেও যাতে সহযোগ কৰিব পাৰে আৰু ইয়াৰ বাবে ৰাজহ আদালত আৰু field visit কৰি গোটেই SD LAC খনে তাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। অসম বিধান সভাৰ অধিবেশন শেষ হোৱাৰ লগে লগে যাতে সকলোৰে তেওঁলোকৰ নিজ নিজ জিলালৈ গৈ এই SD LAC পাতি কিমান সংখ্যক আবেদন আহিছে কি কি পৰ্য্যায়ত আহিছে খাচ লেগুত থকা কিমান আহিছে, VGR-PGR ৰ আবেদন কিমান আহেছে আৰু আমাৰ এই জনগোষ্ঠী সকলৰ কাৰণে আমি মিশ্যন বসুন্ধৰাত, পূৰ্বতে যিটো নীতি আছিল সেইমতে ৭ বিঘা আৰু ১ বিঘা মাটি ২০১৯ চনত লেণ্ড পলিচি মতে পাব লাগিছিল। কিন্তু এই বসুন্ধৰাত তেওঁলোকক ৫০ বিঘা লৈকে মাটি বঢ়াই দিয়া হ'ল। কাৰণ তেওঁলোকে উত্তৰাধিকাৰী সূত্ৰে যিখিনি মাটি দখল কৰি আছে বা তেওঁলোকৰ হাতত আছে, বিশেষকৈ খিলঞ্জীয়া জনগোষ্ঠীসকলৰ কাৰণে ৫০ বিঘালৈকে বঢ়াই দিয়া হ'ল। এইটো এটা ভাল পদক্ষেপ। কোনো বৈষম্য নোহোৱাকৈ নিখুঁতভাৱে কৰাৰ কাৰণে এই আঁচনিখন গ্ৰহণ কৰা হৈছে। তেওঁলোকে ৫০ বিঘালৈকে মাটি পাব। তেওঁলোকেই নহয় যিবিলাক VGR-PGR আমাৰ মিশ্যন বসুন্ধৰা ফেজ -২ ত চৰকাৰী নটিফিকেশ্যনত আপোনালোকে গম পাব যে যদি ক'ৰবাত আগতে MNP পট্টা লোৱা আছিল বা তেওঁলোকক চৰকাৰীভাৱে vizer-pizerত কোনোবা চৰকাৰী বিষয়াই সংস্থাপিত কৰিছিল, ক'ৰবাত গৰাখহনীয়াগ্ৰস্ত বা বানপানীগ্ৰস্ত সেইসকলকো আমি এই বসুন্ধৰা আঁচনিত SD LAC অনুমোদন সাপেক্ষে ভূমি পট্টা দিম। কোনো ধৰণৰ বৈষম্যৰ কথা ইয়াত আহিবই নোৱাৰে। সুন্দৰকৈ ২০১৯ চনত পলিচিখন কৰা হৈছে। গতিকে মই ভাবো যে এই আঁচনিখন কাৰ্য্যকৰী যদি সঠিক ভাৱে কৰো সকলো জাতি-জনগোষ্ঠীয়ে ইয়াত মাটিৰ অধিকাৰ পাব। চৰ-চাপৰিত যদি খিলঞ্জীয়া ভূমিহীন মানুহ আছে তেওঁলোকে যদি আবেদন কৰিছে তেওঁলোককো

এইখন পলিচিত বিবেচনা কৰা হৈছে। এই গোটেই কথাখিনি আমি ভাৱিছো যে ২০১৯ চনৰ পলিচিখনত সুন্দৰকৈ এই জনজাতীয় যিসকলৰ কথা আমি ইয়াত কৈ আছো যে যাক আমি মাটিৰ অধিকাৰ দিব লাগে, নিম্ন বৰ্গীয় হওক বা গোটেই ভাৰতীয় লোকৰ বাবে বসুন্ধৰা -২.০ ত এশ শতাংশ পৰিপূৰক ৰূপত আৰু দক্ষহীনভাৱে ৰূপায়ণ কৰাৰ উদ্দ্যেশে এই প্ৰস্তাৱটো আনিছে। ২০১৯ ৰ policy খনত সুন্দৰকৈ ভূমি অধিকাৰ কেনেধৰণে দিব, সেই কথাটো তাত উল্লেখ থকাৰ কাৰণে, আমি ভাৱো আকৌ এই সংকল্প প্ৰস্তাৱ লোৱাৰ কোনো প্ৰয়োজন নাই। আমি বহুত ঠাইত চৰকাৰী মাটিত উচ্ছেদ কৰিব লগীয়া হৈছে, কাৰণ ভূমি হ'ল এটা স্থায়ী বস্তু। বৰ্তমান পৰিস্থিতিত যিমান উদ্দ্যোগিকৰণৰ প্ৰয়োজন চৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানৰ কাৰণে এতিয়া Construction কৰিব লাগে, আৰু ecological balance যিটো, তেনেকুৱাবোৰ কাৰণত আমি eviction কৰিবলগীয়া হৈছে। Eviction কৰাৰ পিছত যিসকল ভুমিহীন, তেওঁলোকক ভুমি দিয়াৰ কাৰণে এইখন policy ত অধিকাৰ দিছে। তেওঁলোকৰ কাৰণে Rehabilitation Policy ও আছে। গতিকে এনেকুৰা ধৰণৰ এই policy আছে, নীতি আছে, ১৯৮৬ চনৰ আইন আছে, ইমান বিলাক ব্যৱস্থা থকাৰ পিছত, মই ভাৱো ইয়াৰ কাৰণে আমি সকলোৱে মিলি সুন্দৰকৈ কাৰ্য্যকৰীৰ ব্যৱস্থা লওঁ, নিশ্চয় অসমত বসবাস কৰা প্ৰতিটো জাতি জনগোষ্ঠী, বিভিন্ন ভাষা ভাষী, ধৰ্মালম্বী সকলোৱে এই আইনৰ অনুসৰি তেওঁলোকৰ মাটি পোৱাৰ অধিকাৰ আছে আৰু পাব। গতিকে এইখিনি ক্ষেত্ৰত মই মাননীয় সদস্য শ্ৰী নৰুল হুডা ডাঙৰীয়া, তেখেতসকলে যিহেতু একোটা সমষ্টিৰ একোজন সদস্য, তেখেতসকলেও এই বিষয়টো গুৰুত্ব সহকাৰে নিশ্চয়কৈ ল'ব। য'ত এনেকুৰা ধৰণৰ policy, আইনৰ যোগেদি আবেদন কৰি আৰু ইতিমধে Phase -II ত আবেদনৰ সময়সীমা সমাপ্ত হৈছে। এতিয়া disposed ৰ কাম আহিছে। আমি যদি কৰাবত কিবা আকৌ কৰিবলগীয়া আছে, পৰবৰ্তী Phase -III হয়তো আকৌ আনিবলগীয়া হ'ব পাৰে। তেতিয়া সেইখিনিত আকৌ নতুনকৈ policy আনি critical case বা non disposable যিখিনি case থাকি যাব, সেইখিনিক implement কৰিবৰ কাৰণে, যিহেতু এইটো এটা continus process, গতিকে settlement দিয়া প্ৰক্ৰিয়াটো continously চলি থাকিব। এই ক্ষেত্ৰত মাননীয় সদস্যগৰাকীয়ে যিটো সংকল্প প্ৰস্তাৱ সদনত উল্লেখ কৰিছে, মই ভাৱো আমাৰ চৰকাৰে এই আঁচনি দৃঢ়ভাৱে ৰূপায়ন কৰাত দক্ষমহীনভাৱে সকলো জাতি-জনগোষ্ঠী, সকলো ভাষা-ভাষী, সকলো ধৰ্মালম্বীক সমান মৰ্য্যদা দি এইখন অসমত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ যেনেধৰণে স্ববকা স্বাথ, স্ববকা বিকাশ, স্ববকা বিশ্বাস, স্ববকা প্ৰয়াস নীতিৰে আমি সকলোৱে আগবঢ়ি গলে আমাৰ সকলো জাতি-জনগোষ্ঠী, ভাষা-ভাষী, ধৰ্মালম্বীৰ বঞ্চিত হৈ থকা মানুহখিনিয়েও ভূমিহীন, তেওঁলোকেও মাটিৰ পাট্টা পাব। আৰু যি কৰবাত চৰকাৰী ভূমি বেআইনীভাৱে বেদখল কৰি থকা eviction কৰি আছে। কি কাৰণে চৰকাৰে eviction কৰিবলগীয়া হৈছে, আমি সকলোৱে জ্ঞাত, বিশেষকৈ ecological balance ৰ কথাটো আহিছে আৰু development। আমাৰ development লাগিবই, industry য়ে হওঁক বা অন্যান্য চৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠান কৰিবৰ কাৰণে। চৰকাৰী মাটি নোহোৱাৰ কাৰণে আমি হয়তো উদ্দ্যোগিকৰণৰ পৰা হয়তো বঞ্চিত হ'ব লাগিব পাৰে। বিভিন্ন investor সকল আহি আছে, হয়তো আমি চৰকাৰী ভূমিবোৰ সেই কাৰণেও, নিবনুৱা সমস্যা সমাধান কৰিব লাগে, আমি SDG ত উপনিত হোৱাৰ কাৰণে ৰাষ্ট্ৰ সংঘৰ দ্বাৰা যি কাৰ্য্যসূচী লৈছে, ভাৰতে সমৰ্থন কৰিছে আৰু অসমেও ইয়াক সংকল্প হিচাপে লৈ আগবাঢ়ি গৈ আছো। গতিকে মই মাননীয় সদস্যগৰাকীক কৈছো যে ইমানবোৰ ব্যৱস্থা থকাৰ ফলত নতুনকৈ আৰু সংকল্প প্ৰস্তাৱ নালাগে। মাননীয় সদসদ্যগৰাকীক মই

উঠাই লোৱাৰ কাৰণে অনুৰোধ কৰিছোঁ। আৰু আমি এই policy ৰ মাজতে, ইয়াৰ প্ৰতিটো দফা ভালকৈ কাৰ্য্যকৰী কৰো, বিশ্লেষণ কৰো, উপায়ুক্তৰ লগত, চাৰ্কোল অফিচাৰ লগত বা ADC Revenue ৰ লগত বহো, নিশ্চয় সমাধান সুত্ৰ তাতে ওলাব। মই এইখিনিকে কৈ মাননীয় সদস্য জনক প্ৰস্তাৱটো উঠাই লোৱাৰ কাৰণে অনুৰোধ কৰিছোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰী নুৰুল হুডা ডাঙৰীয়া আপোনাৰ প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে ?

**শ্ৰী নুৰুল হুডা, (ৰূপহীহাট) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যে মাননীয় মন্ত্ৰী মহোদয়ে যিখিনি উত্তৰ প্ৰদান কৰিছে, মই আশ্বস্ত হৈছো আৰু বিশ্বাস আছে যে বৈশম্যহীনভাৱে গোটেই প্ৰক্ৰিয়াটো সমাপ্ত হয়, যাতে কোনো ব্যক্তিয়ে এই আঁচনিৰ পৰা বাদ নপৰে, তাৰ প্ৰতি দৃষ্টি ৰখাৰ কাৰণে আহ্বান জনাই আৰু তেখেতৰ উত্তৰত সন্তুষ্টি হৈ মই মোৰ সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** সদনৰ সন্মতি সাপেক্ষে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল।

চতুৰ্থ সংকল্প প্ৰস্তাৱ, মাননীয় সদস্য হাফিছ বছিৰ আহমেদ আৰু আমিনুল ইছলাম (জেষ্ঠ্য) ডাঙৰীয়াৰ নামত আছে। যিকোনো এজনক এই সংকল্প প্ৰস্তাৱ সদনত উত্থাপন কৰি, ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালোঁ।

**শ্ৰীআমিনুল ইছলাম,(ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ কাৰ্য্য পৰিচালনাৰ বিধিৰ ১১৫ নং নিয়ম অনুসৰি এটা অতি গুৰুত্বপূৰ্ণ সংকল্প প্ৰস্তাৱ আজি সদনৰ মজিয়াত উত্থাপন কৰিব বিচাৰিছোঁ।

এই সমস্যাটো হ'ল, ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমুহে যি গৰাখহনীয়াৰ সৃষ্টি কৰিছে। এই গৰাখহনীয়াৰ ফলত লাখ লাখ মানুহৰ চকু পানী আৰু ব্ৰহ্মপুত্ৰ নদীৰ পানী একাকাৰ হৈ পৰিছে। এই একাকাৰ হোৱাৰ কথাটো নতুন নহয়, প্ৰায় ৪০,৫০ বছৰৰ পৰা এই প্ৰক্ৰিয়া চলি আছে। এই পৱিত্ৰ সদনত মজিয়াত মই ইয়াৰ বিষয়ে কেইবাৰো কৈছো যে অসমত বৰ্তমান যিমান সমস্যা আছে, বহুতে কব পাৰে যে আটাইতকৈ ভংয়কৰ সমস্যা হ'ল নিবনুৱা সমস্যা, কোনোবাই ক'ব যাতায়ত, কোনোবাই ক'ব শিক্ষাৰ সমস্যা, স্বাস্থ্য খণ্ডৰ সমস্যা। কিন্তু এই পৱিত্ৰ সদনৰ মজিয়াত আমি কেইবাৰো কৈছো অসমৰ বৰ্তমান আটাইতকৈ ভংয়কৰ আৰু জলন্ত সদস্যাটো হৈছে গৰাখহনীয়া। কাৰণ এই গৰাখহনীয়া সমস্যাৰ ফলত বিগত ৪০,৫০ বছৰে অসমত প্ৰায় চাৰে তিনি হাজাৰ গাঁও নদীৰ বুকত সম্পুৰ্ণভাৱে বিলীন হৈ গ'ল আৰু প্ৰায় ৭০০ গাওঁ আংশিকভাৱে বিলীন হৈ গ'ল। লাখ লাখ মানুহৰ মাটি-বাৰী নদীয়ে উটুৱাই লৈ গ'ল আৰু লাখ লাখ মানুহ গৃহহীন, ভূমিহীন হৈ গ'ল। এইলোক সকলে যদি কৰবাত চৰকাৰী মাটি বা বনাঞ্চল বা চৰ চাপৰিত বা মথাউৰিত, VGR, PGR ত আশ্ৰয় লয়, তাৰপৰা তেওঁলোকক সন্দেহজনক নাগৰিক অপবাদ দি তেওঁলোকক উঠাই দিয়ে। Bulldozer চলাই তেওঁলোকৰ ঘৰ-দূৱাৰ তাৰ পৰা উচ্ছেদ কৰে।

ঠিক সেইদৰে যদি তেওঁলোকে উজনি অসম বা বিভিন্ন ঠাইত কাম কৰিবলৈ যায়, তাত কিছুমানে ৰাজমিস্ত্ৰী, যোগালি, ৰাস্তা বা construction sector ত শ্ৰমিক বা বহুতে শাক-পাচলিৰ বেপাৰ কৰে, ফেৰি কৰে, বহুতকে সন্দেহজনক নাগৰিক, অবৈধ্য বিদেশী বুলি কাণত ধৰি উঠাৰো বহোৱাও কৰে। বিভিন্ন সমস্যা এই গৰাখহীয়াৰ সমস্যাৰ কাৰণে সৃষ্টি হৈ আছে। কৰোবাত যদি তেওঁলোকে নতুন ঠাইত ঘৰ বনাই, লগে লগে বাতৰি প্ৰকাশ পাই যে সন্দেহজনক নাগৰিক অবৈধ্য ভাবে প্ৰৱেশ কৰি গাওঁ পাতিছে।

এই গৰাখহীয়াৰ সমস্যাৰ কাৰণে বিদেশী সমস্যা, এই গৰাখহীয়াৰ সমস্যাৰ কাৰণে নিৰনুৱাৰ সমস্যা, এই গৰাখহীয়াৰ সমস্যাৰ কাৰণে গৃহহীন, ভূমিহীনৰ সমস্যা, এই গৰাখহীয়াৰ সমস্যাৰ কাৰণে মানুহক সন্দেহজনক নাগৰিক বুলি আক্ৰমণ কৰাৰ সমস্যা, Law & Order situation, অৰ্থ্যাৎ এটা সমস্যাৰ কাৰণে ২০,৩০ টা নতুন সমস্যাৰ সৃষ্টি হৈছে।

সেই কাৰণে আমি বাৰে বাৰে এই পবিত্ৰ সদনৰ মজিয়াত কৈ থাকো যে বৰ্তমান অসমত আটাইতকৈ ভংয়কৰ সমস্যা হ'ল গৰাখহনীয়াৰ সমস্যা। সেইকাৰণে আমি এটা সংকল্প প্ৰস্তাৱ ইয়াত দিছিলো, আমাৰ সংকল্প প্ৰস্তাৱটো আছিলে এনেধৰণে ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমুহে সৃষ্টি কৰা গৰাখহনীয়া অসমৰ আটাইতকৈ ভয়াবহ সমস্যা। গৰখহনীয়াৰ ফলত কেইবা হাজাৰ গাওঁ নদীৰ বুকত বিলীন হোৱাৰ লগতে লাখ লাখ লোক ভূমিহীন আৰু গৃহহীন হৈ পৰিছে। এই ভূমিহীন লোক সকলে জীয়াই থকাৰ কাৰণত বিভিন্ন চৰকাৰী ভূমিত আশ্ৰয় গ্ৰহণ কৰি বাৰে বাৰে উচ্ছেদৰ বলি হৈ আহিছে। গৰাখহনীয়া গ্ৰষ্ট লোকসকলৰ তালিকা প্ৰস্তুষ্ট কৰি তেওঁলোকক আভ্যন্তৰিন ভাৱে স্থানন্তৰিত ব্যক্তি হিচাপে আৰু গৰাখহনীয়াগ্ৰষ্ট লোক হিচাপে প্ৰমান পত্ৰ দিয়া হওঁক আৰু স্থায়ী সংস্থাপনৰ ব্যৱস্থা কৰা হওঁক। আমি এই সংকল্প প্ৰস্তাৱটো এই কাৰণে দিছিলো যে যিহেতু এই লোকসকলে যতে যায়, তাতে তেওঁলোকে বিভিন্ন অপমান, উৎপীড়ন আৰু নিৰ্য্যাতনৰ সন্মুখীন হয়। হয়তো তেওঁলোকক চৰকাৰী ভূমিত আশ্ৰয় ললে উচ্ছেদ কৰে বা উজনি অসমত বা বিভিন্ন ঠাইত ব্যৱসায় বা শ্ৰমিক হিচাপে গলে, তেওঁলোকক কাণত ধৰি সন্দেহ জনক নাগৰিক বুলি উঠোৱা বহোৱা কৰোৱা হয়। গতিকে এইলোক সকলোৰো জীয়াই থকাৰ অধিকাৰ আছে। তেওঁলোকো মানুহ। এটা সময়ত তেওঁলোকৰ ২০,৫০ বিঘা মাটি আছিল। গৰাখহনীয়া অসমৰ আটাইতকৈ ভয়াৱহ সমস্যা। গৰাখহনীয়াৰ ফলত কেইবা হাজাৰ গাওঁ নদীৰ বুকুত বিলীন হোৱাৰ লগতে লাখ লাখ লোক ভূমিহীন আৰু গৃহহীন হৈ পৰিছে । এই ভূমিহীন লোক সকলক জীয়াই থকাৰ তাড়নাত বিভিন্ন চৰকাৰী ভূমিত আশ্ৰয় গ্ৰহণ কৰি বাৰে বাৰে উচ্ছেদৰ বলি হৈ আহিছে । গৰাখহনীয়াগ্ৰস্ত লোক সলকৰ তালিকা প্ৰস্তুত কৰি তেওঁলোকক আভ্যন্তৰীণভাৱে স্থানান্তৰিত ভিত্তি হিচাপে আৰু গৰাখহনীয়াগ্ৰস্ত লোক হিচাপে প্ৰমাণ-পত্ৰ দিয়া হওক আৰু স্থায়ী সংস্থাপনৰ ব্যৱস্থা কৰা হওঁক । আমি এই সংকল্প প্ৰস্তাৱটো এই কাৰণেই দিছিলো যে যিহেতু এই লোক সকলে য'তেই যায় তাতেই তেওঁলোকে বিভিন্ন অপমান, উৎপীড়ন আৰু নিৰ্য্যাতনৰ সন্মুখীন হয় । হয়তো তেওঁলোকে চৰকাৰী ভূমিত আশ্ৰয় ল'লে তেওঁলোকক উচ্চেদ কৰক, উজনি অসমত বা বিভিন্ন ঠাইত ব্যৱসায়ী বা শ্ৰমিক হিচাপে কৰক। কাণত ধৰি বিদেশী নাগৰিক বুলি, সন্দেহজন নাগৰিক বুলি উঠা বহা কৰোৱা হয় । গতিকে এই লোক সকলোৰো জীয়াই থকাৰ অধিকাৰ আছে । তেওঁলোকো মানুহ। এটা সময়ত তেওঁলোকৰ ২০-৫০ বিঘা মাটি আছিল। কিছুমান এনেকুৱা লোক আছিল যি সকলৰ ঘৰত গোটেই বছৰ বিশ, ত্ৰিশ জন কাম কৰা লোক ৰাখে। কিছুমান এনেকুৱা লোক আছে তেওঁলোকৰ গোহালীত ৪০,৫০ টা গৰু আছিলে, বহুত মানুহ এনেকুৱা আছিল, যি সকলৰ ঘৰত বছৰত হাজাৰ হাজৰ মন ধান তেওঁলোকে উৎপাদন কৰি আনিছিল । তেওঁলোকে কেইবা শ মন মৰাপাট উৎপাদন কৰি আনিছিল । কিন্তু আজি তেওঁলোকৰ মাটি বুলিবলৈ এক ফুট মাটি নাই । সকলো মাটি নদীৰ বুকুট বিলীন হৈ গ'ল । এই লোকে আজি নিজৰ অঞ্চলত ভিক্ষা খুজিবলৈ লাজ পায় । উপাধ্যক্ষ মহোদয়, যি অঞ্চলত গৰাখহনীয়া হৈছে ইয়াৰ ওচৰৰ অঞ্চলত ভিক্ষা খুজিব লাজ পায় । কিন্তু এটা সময়ত তেওঁলোকক মানুহে মহাজন বুলি মাতিছিল। মানুহে তেওঁলোকক বহুত সন্মান কৰিছিল । কিন্তু আজি তেওঁলোক ভূমিহীন হোৱাৰ কাৰণে এই অঞ্চলত ভিক্ষা পৰ্য্যন্ত খুজিব নোৱাৰা গতিকে

তেওঁলোকে উজনি অসমত বা চুবুৰীয়া ৰাজ্য মেঘালয়, নাগালেণ্ড অন্যান্য ৰাজ্যত গৈ শ্ৰমিক হিচাপে কাম কৰি হ'লেও কোনোমতে তেওঁলোকৰ পৰিয়াল পোহপাল দি আছে । অতি দুখৰ বিষয় উপাধ্যক্ষ মহোদয়, এই গৰাখহনীয়া ইতিহাস অসমত আৰম্ভ হোৱাৰ পিছৰ পৰাই বিগত চল্লিছ পঞ্চাচ বছৰত এই কথাটো বহুবাৰ বিধান সভাত উপস্থাপন কৰা হ'ল । অন্তত আমাৰ দলৰ পৰাও দহ পোন্ধৰ বাৰ অসম বিধান সভাত এই লোক সকলৰ প্ৰতি অলপ সদৰ দৃষ্টিৰে চাবলৈ, এই লোকক বিধান সভাই চাবলৈ, এই লোক সকলক গৰাখহনীয়া আক্ৰান্ত হিচাপে তেওঁলোকক প্ৰমান-পত্ৰ দিবলৈ, এই লোক সকলৰ প্ৰতি দয়াৰ দৃষ্টিৰে চাবলৈ বহুতবাৰ এই পৱিত্ৰ সদনৰ মজিয়াত দাবী উত্থাপন কৰি আহিছো ।এই গৰাখহনীয়াৰ ইতিহাস আৰম্ভ হোৱাৰ পিছৰ পৰাই ছয় গৰাকী মুখ্যমন্ত্ৰীয়ে অসমত কাৰ্য্যনিৰ্বাহ কৰি আহিছে। ছয় গৰাকী মুখ্যমন্ত্ৰী তিনিটা দলৰ পৰা কাৰ্য্যনিৰ্বাহ কৰি গ'ল কিন্তু এই গৰাখহনীয়া আক্ৰান্ত লোকৰ সকলৰ প্ৰতি কোনেও সদয় নজৰেৰে নাচালে। আমি বিগত চৰকাৰৰ দিনতো বাৰে বাৰে দাবী উত্থাপন কৰিছিলো, তাৰ আগৰ পৰাই এই দাবীটো উত্থাপন কৰি অহা হৈছে, কিন্তু কোনো দিনত এই গৰাখহনীয়া লোক সকলক মানুহ হিচাপে জীয়াই থকাৰ অধিকাৰ তেওঁলোকৰ আছে বুলি কোনো এগৰাকী মুখ্যমন্ত্ৰীয়ে নকৰিলে । উপাধ্যক্ষ মহোদয়, ক'বলৈ লাজ লাগে এই যে কেইবা লাখ লোক যি সকলৰ মাটিবাৰী নিদি গৰাখহনীয়া আক্ৰান্ত হোৱাৰ পিছত আশ্ৰয় বিচাৰি য'তেই যায় তাতেই তেওঁলোকে মাৰ খায়, বুলডজাৰৰ সন্মুখীন হয়, য'তেই যায় তেওঁলোকক সন্দেহজনক নাগৰিক বুলি অত্যাচাৰ কৰে। চৰ-চাপৰিত গৈ তেওঁলোকক উচ্চেদ কৰে । গতিকে এই লোক সকলৰ মানুহ হিচাপে জীয়াই থকাৰ অধিকাৰ আছে । মানুহক যদি মানুহ হিচাপে গণ্য কৰা নহয়, মানুহক যদি মানৱতাৰ মৰ্য্যদাৰে জীয়াই থাকিবলৈ কোনো এখন চৰকাৰে নাভাবে সেই চৰকাৰক কেনেকৈ আমি কল্যাণকামী চৰকাৰ বুলি কম । গতিকে আমি এই কথাটো আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো । পূৰ্বে আমি দুগৰাকী মুখ্যমন্ত্ৰী থাকোটেও কেইবাৰো কৈছিলো । কিন্তু তেওঁলোকে গৰাখহনীয়া লোক সলকৰ সমস্যা সমাধানৰ কাৰণে কোনো ব্যৱস্থা নকৰিলে আনকি গৰাখহনীয়া স্থায়ী সমাধানৰ কাৰণেও কোনো পদক্ষেপ গ্ৰহণ নকৰিলে । গতিকে আৰু এটা কথা ইতিপূৰ্বে এই পৱিত্ৰ সদনৰ মজিয়াত আলোচনা হৈছে যে এই লোক সকলে য'ত আশ্ৰয় লৈছে, কিছুমানে চৰ-চাপৰিত আশ্ৰয় লৈছে আনকি বসুন্ধৰা-২ ৰ অধীনত এই লোক সকলক আবেদন কৰিবও সুবিধা দিয়া নাই । আনকি তেওঁলোকক গৰাখহনীয়াৰ প্ৰমান-পত্ৰ দিলেহেতেন তেতিয়া তেওঁলোকে অসমত য'তেই যাওক তেওঁলোকে পৰিচয়টো দেখুৱাব পাৰিলেহেঁতেন যে আমাক সন্দেহজনক নাগৰকি বা অবৈধ প্ৰৱেশকাৰী বুলি আপোনালোকে মাৰপিট নকৰিব আৰু কাণত ধৰি ৰাস্তাত আঁঠুকাঢ়ি লৈ নাযাব । আমাক থানাত লৈ কাণত ধৰাই তিনি কিলোমিটাৰ ধৰি পিঠিত লঠিয়াই সন্দেহজনক নাগৰিক বুলি এনেকৈ মাৰপিট কৰি লৈ নাযাব, আমি কোনো সন্দেহজনক নাগৰকি নহয় । এই চাওঁক আমাৰ গৰাখহনীয়া প্ৰমান-পত্ৰ আছে । এইখন অসমৰ আমি ভূমিহীন লোক, এইখন অসমত আমাৰ মাটি আছিল, এইখন অসমত নদীৰ গৰাখহনীয়াৰ ফলত আজি আমি ভূমিহীন, গৃহহীন হৈছো। আমি কোনো বিদেশী ৰাষ্ট্ৰৰ পৰা অহা নাই, সন্দেহ জনক নাগৰিক নহয়, অবৈধ অনুপ্ৰৱেশকাৰী নহয় গতিকে আমাক এনেকৈ লঠিয়াই লঠিয়াই নিনিব, আমিও মানুহ। আমি জীৱজন্তু নহয়, আমাৰো জীয়াই থকাৰ অধিকাৰ আছে , আমাৰো আত্মসন্মান আছে । কিন্তু কোনো এগৰাকীৰ মুখ্যমন্ত্ৰীৰ সদয় দৃষ্টি তেওঁলোকৰ ওপৰত নপৰিলে । আজি এই লোক সকলক আৰু কৈ কৈ ভাগৰি গৈছো। পুনৰবাৰ কৈছো যে এই ভূমিহীন, গৰাখহনীয়া আক্ৰান্ত লোক সকলক ভূমিহীন প্ৰমানপত্ৰ দিয়াৰ ব্যৱস্থা কৰে যেন।

আটাইটকৈ দুখলগা কথাটো হ'ল মাননীয় উপাধ্যক্ষ মহোদয়, মই ২০১১ চনত প্ৰথম এই সদনত প্ৰৱেশ কৰো আৰু তেতিয়াৰে পৰা ১৫, ২০ বাৰ অসমৰ খহনীয়া আক্ৰান্ত লোকৰ সংখ্যা কোন কোন গাওঁত কিমান খহনীয়া আক্ৰান্ত লোক আছে আৰু কিমান পৰিমানৰ মাটি নৈত জাহ গ'ল তাৰ তালিকা বিচাৰি মই বিধান সভাত প্ৰশ্ন উত্থাপন কৰিছিলো । তৰুণ গগৈ ডাঙৰীয়া মুখ্যমন্ত্ৰী হৈ থাকোতে পিছত সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া মুখ্যমন্ত্ৰী হৈ থাকোতে আৰু এতিয়া ড° হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী হৈ থাকোতেও ইয়াৰ তথ্য বিচাৰি সদনত প্ৰশ্ন উত্থাপন কৰিছিলো। কিন্তু পৰিতাপৰ বিষয় যে প্ৰতিবাৰ চৰকাৰৰ ওচৰত তথ্য নাই, তথ্য বিচাৰি থকা হৈছে আদিৰে উত্তৰ দিয়া হয় । কিন্তু চৰকাৰৰ হাতত তথ্য সংগ্ৰহ কৰাৰ আহিলা আছে । উপায়ুক্ত , চক্ৰ বিষয়া মণ্ডল গাওঁবুঢ়া আদি আছে তথাপি চৰকাৰে অসমৰ খহনীয়া আক্ৰান্ত লোকৰ সংখ্যা কিমান, কোন কোন গাওঁত কিমান খহনীয়া আক্ৰান্ত লোক আছে আৰু কিমান পৰিমানৰ মাটি নৈত জাহ গ'ল তাৰ তথ্য সংগ্ৰহ কৰিব নোৱাৰিলে । চৰকাৰৰ হ'ল এটা continuos process ,স্বাধীনতাৰ পিছত প্ৰথম কংগ্ৰেছ তাৰ পিছত এ জি পি তাৰ পিছত আকৌ কংগ্ৰেছ আৰু এতিয়া বিজেপি দলে চৰকাৰ গঠন কৰিলে যদিও আজি পৰ্য্যন্ত ভূমিহীনৰ তথ্যটো নাপালে । চৰকাৰ এখনক কোন গাওঁ কিমান লোক খহনীয়া আক্ৰান্ত হ'ল, কোন কোন মানুহৰ কিমান পৰিমানৰ মাটি ব্ৰহ্মপুত্ৰত জাহ গ'ল আৰু অসমৰ কিমান গাওঁ ব্ৰহ্মপুত্ৰত বিলীন হৈ গ'ল এই তথ্য সংগ্ৰহ কৰিবলৈ চৰকাৰ এখনক চল্লিশ বছৰ সময়ৰ প্ৰয়োজন হয় জানো। এখন চৰকাৰ বুলি মই এই কাৰণেই কৈছে যিহেতুকে চৰকাৰ হ'ল এটা continuos process । যদি চল্লিশ, পঞ্চাচ বছৰে গৰাখহনীয়াৰ হিচাপটোৱে দিব নোৱাৰে তেনে ক্ষেত্ৰত চৰকাৰ এখনে কিদৰে ভূমিহীন লোকক চিনাক্ত কৰিব । কাৰণ তালিকা প্ৰস্তুত কৰি পঞ্জীয়ন কৰিলেহে এই লোক সকলক ভূমিহীনৰ প্ৰমান-পত্ৰ দিব পৰা যাব । গতিকে মই ভাবো এইটো এটা অতি লজ্বাজনক কথা আৰু এনে পৰিস্থিতিত এখন চৰকাৰ ক্ষমতাত থকাৰ অধিকাৰ নাই । চৰকাৰে পদত্যাগ কৰিব লাগে । আপোনালোকে ইয়াত বিদেশী স্বদেশীৰ কথা নক'ব কাৰণ উপযুক্ত প্ৰমান নথকাকৈ আমি বিদেশী স্বদেশী চিনাক্ত কৰিব নোৱাৰো । গতিকে মাননীয় অধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে পুনৰবাৰ এই ভূমিহীন লোক সকলক চিনাক্ত কৰণৰ ব্যৱস্থাটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি মই মোৰ বক্তব্য সামৰণি মাৰিছো । ধন্যবাদ ।

**মাননীয় অধ্যক্ষঃ** মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, 'ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহে সৃষ্টি কৰা গৰাখহনীয়াই ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক প্ৰমাণপত্ৰ দিয়া হওঁক আৰু স্থায়ী সংস্থাপনৰ ব্যৱস্থা কৰা হওঁক' শীৰ্ষক সংকল্প প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনাই দু-আষাৰ ক'বলৈ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। অসমৰ যিকেইটা মূল জ্বলন্ত সমস্যা আছে, তাৰ ভিতৰত অন্যতম হৈছে, ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহৰ গৰাখহনীয়াৰ কবলত পৰা পৰিয়াল সমূহৰ সমস্যা। গতিকে যিকোনো চৰকাৰে বা চৰকাৰৰ বিভাগ সমূহে এই বিষয়ৰ পৰা এৰাই চলিলে অসম কেতিয়াও সমস্যামুক্ত নহয়। মাননীয় অধ্যক্ষ ডাঙৰীয়া, যিসকলৰ নদীৰ লগত সম্পৰ্ক নাই, সম্পৰ্ক মানে নদী সকলোৱে দেখিছে, মই সেইসকলৰ কথা কোৱা নাই। বাৰিষাকাল আহি আছে। নদীৰ বাঢ়নি পানীয়ে কেনেকৈ নদীৰ পাৰসমূহ খহাই লৈ যায়, কেনেকৈ মানুহৰ মাটি, সম্পত্তি বিনষ্ট কৰে, কেনেকৈ মানুহৰ পকীঘৰ, কেঁচা ঘৰ , বিভিন্ন খেৰী ঘৰবোৰ কেনেকৈ মিনিটৰ ভিতৰত নদীৰ বুকুত জাহ যায় এই দৃশ্য সমূহ যিসকলে প্ৰত্যক্ষ ভাৱে নেদেখে বা এতিয়ালৈকে দেখা নাই তেওঁলোকে নদীৰ গৰাখহনীয়াৰ কবলত পৰা লোকৰ প্ৰতি, তেওঁলোকৰ মৰণৰ বেদনা কেতিয়াও

উপলব্ধি কৰিব নোৱাৰে বা তেওঁলোকে তেখেতসকলৰ প্ৰতি কি দায়িত্ব কৰ্তব্য পালন কৰিব লাগে সেই বিষয়ে তেওঁলোকে বিবেচনা কৰিব নোৱাৰে। অলপ আগতে আমাৰ সন্মানীয় সদস্য জ্যেষ্ঠ বিধায়ক মাননীয় শ্ৰীআমিনুল ইছলাম ডাঙৰীয়াই সুন্দৰভাৱে উপস্থাপন কৰিছে আৰু তেখেতে এই দুখৰ কাহিনী বৰ্ণনা কৰোতে শাসকীয় পক্ষৰ কোনোবা এজন মাননীয় বিধায়কে টিপ্পনি মাৰিছে। গতিকে এনেকুৱা জ্বলন্ত এটা সমস্যাৰ আৰু বাস্তৱতাৰ ওপৰত যিসমূহ আলোচনা চলি থাকে, তাৰ ওপৰত যিসকলে টিপ্পনি মাৰে তেখেতসকলে কিমান মানৱদৰদী, কিমান মানৱতা তেওঁলোকৰ মাজত আছে, তাক লৈ আমাৰ সন্দেহ আছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, বৰ্তমান অসমত হাজাৰ হাজাৰ বিঘা আৰু হাজাৰ হাজাৰ পৰিয়াল নদীৰ গৰাখহনীয়াৰ কবলত পৰি বৰ্তমান ভূমিহীন গৃহহীন হৈ পৰিছে। এই কথা কোনেও নুই কৰিব নোৱাৰে। এই কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে আৰু তাৰ লগে লগে এই কথা সকলোৱে স্বীকাৰ কৰিব লাগিব যে আজিৰ তাৰিখত ব্ৰহ্মপুত্ৰ নদী আৰু ব্ৰহ্মপুত্ৰৰ উপনদীৰ গৰাখহনীয়াৰ কবলত যিসমূহ পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে, তাৰ ১০০ শতাংশই এই দেশৰ মানুহ, এই দেশৰ নাগৰিক। গতিকে দেশৰ নাগৰিক যেতিয়া বিপদত পৰে, দেশৰ নাগৰিক যেতিয়া অসুবিধাত পৰে, দেশৰ মাটি সমূহ যেতিয়া নদীৰ বুকুত জাহ যায়, তাৰ পাছত নিৰ্বাচিত চৰকাৰৰ সেই মানুহখিনিৰ ওচৰত থাকি মানুহখিনিক সহায় কৰাৰ দায়িত্ব থাকে। আমি প্ৰত্যেকজনেই এই পৱিত্ৰ বিধান সভাত আহিছো, মাননীয় মুখ্যমন্ত্ৰী, বিধায়ক, মন্ত্ৰী সকলোৱে সংবিধানৰ শপত খাই নিজৰ পদ গ্ৰহণ কৰিছো। গতিকে ভাৰতীয় সংবিধানে এইখন ভাৰতবৰ্ষত, এইখন অসমত বাসকৰা প্ৰত্যেকজন মানুহৰ প্ৰতি সমদৃষ্টি দিয়াৰ যিটো দায়িত্ব চৰকাৰ। যিয়ে ন্যস্ত কৰিছে, সেই দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ সময় কিন্তু সমাগত আৰু আমি দেখিছো নদীৰ গৰাখহনীয়াৰ কবলত পৰা মানুহখিনিৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কিন্তু সেই দায়িত্ব ভালদৰে পালন কৰা নাই। মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই আপোনাৰ জৰিয়তে বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক আৰু ৰাজ্য চৰকাৰৰ প্ৰতি আহ্বান জনাম যে অনতিপলমে নদীৰ গৰাখহনীয়াৰ কবলত পৰা পৰিয়াল সকলৰ survey কৰিব লাগে, তাৰ তালিকা বনাব লাগে। কাৰণ মাননীয় Revenue and Minister Disaster Managementৰ মন্ত্ৰী ডাঙৰীয়াই ৰাজহ বিভাগৰ মন্ত্ৰী, দুৰ্য্যোগ বিভাগৰ মন্ত্ৰী হিচাপে গোটেই দায়িত্ব পালন কৰিব লাগে। এতিয়াও প্ৰত্যেক বছৰে যদিও চৰকাৰৰ ফালৰ পৰা বিভিন্ন সময়ত কোৱা যায়, যে গৰাখহনীয়াত ক্ষতিগ্ৰস্ত মানুহখিনিক চৰকাৰে সাহায্য প্ৰদান কৰে, কিন্তু এতিয়াও মাননীয় অধ্যক্ষ ডাঙৰীয়া এতিয়াও যিসকল এনেকুৱা মানুহ ক্ষতিগ্ৰস্ত হৈছে, তেওঁলোকে চৰকাৰৰ পৰা কোনো ধৰণৰ ক্ষতিপূৰণ পোৱা নাই। গতিকে আপোনাৰ জৰিয়তে চৰকাৰৰ প্ৰতি এটাই অনুৰোধ জনাম যে ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনদী সমূহৰ খহনীয়াত যিসকল ক্ষতিগ্ৰস্ত হৈছে, তাৰ বাস্তৱ ছবি ওচৰৰ পৰা চাবলৈ মাননীয় মন্ত্ৰী ডাঙৰীয়া, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া বা মাননীয় অসম মন্ত্ৰী সভাৰ মন্ত্ৰী সকলে বাঢ়নি পানী যেতিয়া আহে, সেই বাঢ়নি পানীৰ সময়ত নদীপাৰলৈ যাব লাগে। DC Office ত গ'লে এইবিলাক প্ৰত্যক্ষ কৰিব নোৱাৰে, চৰকাৰী অফিচত বহি এইবিলাক প্ৰত্যক্ষ কৰিব নোৱাৰে, নদীৰ পাৰে পাৰে গৈ যদি প্ৰত্যক্ষ কৰে তেতিয়া নিশ্চিতভাৱে সেই জীয়া ছবিবোৰ চায়। গতিকে মাননীয় অধ্যক্ষ ডাঙৰীয়াক এই ক্ষেত্ৰত ব্যৱস্থা লোৱাৰ কাৰণে আহ্বান জনাই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় সদস্য শ্ৰী ৰফিকুল ইছলাম।

**ড° ৰফিকুল ইছলাম, (জনীয়া)**ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)ডাঙৰীয়া আৰু শ্ৰী হাফিজ বছিৰ আহমেদ ডাঙৰীয়াই যি সংকল্প প্ৰস্তাৱ আনিছে, ইয়াৰ

সমৰ্থনত মই দু-আষাৰ ক'ব বিছাৰিছো। ব্ৰহ্মপুত্ৰ, বৰাক হ'ল অসমত মুখ্য দুখন নদী আৰু ৫০ ৰো অধিক উপনৈ আছে। ইয়াৰ গৰাখহনীয়াই প্ৰত্যেকটো সমষ্টি চুই গৈছে। বৰাক-ব্ৰহ্মপুত্ৰ আৰু প্ৰায় ৫০ খন উপনৈ প্ৰত্যেক সমষ্টিৰ মাজেদি বেঁকী, মানাহ, আই, সোৱনশিৰিৰ পৰা আৰম্ভ কৰি যদি আমি চাওঁ গোটেই অসমত যিবিলাক নদী আছে, তাত গৰাখহনীয়াৰ যি তাণ্ডৱ চলে। মই ভাবো পাহাৰৰ দুই চাৰিটা সমষ্টিতো সৰু-সুৰা যি জান আছে, সেইবিলাকতো কেতিয়াবা কেতিয়াবা এনেকুৱা সমস্যা হৈ যায়। পাহাৰৰ দুই এটা সমষ্টিৰ কিছু অংশ বাদ দি প্ৰায় সকলো সমষ্টিয়েই কিন্তু এই সমস্যাত আক্ৰান্ত। নদী আমাৰ সম্পদ। পানীও সম্পদ, কিন্তু এইটো অসমৰ কাৰণে আপদ হৈ ঠিয় দিছে গৰাখহনীয়াৰ কাৰণে। মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰী report হিচাপে ৪.২৭ লাখ হেক্টৰ মাটি আমাৰ গৰাখহনীয়াৰ কবলত পৰিছে। এইটো চৰকাৰী হিচাপ। ইয়াতকৈ কম নহয়, বেছি হ'ব। এইখিনি যদি আমি বিঘা হিচাপে লওঁ প্ৰায় ৩৫ লাখ বিঘা মাটি আমাৰ গৰাখহনীয়াৰ কবলত পৰিছে, চৰকাৰী report হিচাপে। অসমৰ যিখিনি আমাৰ ভূমি আছে, তাৰ ৭.৪ শতাংশ অঞ্চল আমাৰ গৰাখহনীয়াৰ কবলত পৰিছে। এইটো এটা ডাঙৰ সমস্যা। মই ভাৱো আমাৰ যদি চাৰি পাঁচটা মূল সমস্যা আছে, তাৰ ভিতৰত যদি আমি categorized কৰো সূক্ষ্ম দৃষ্টিৰে যদি কোনোবাই analyse কৰে তেতিয়া ইয়াক মূল সমস্যা বুলি ক'ব লাগিব। য'ত চাৰে তিনি হাজাৰ গাঁও আক্ৰান্ত, ৩৫ লাখ বিঘা মাটি আমাৰ গৰাখহনীয়াৰ কবলত পৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, অলমোষ্ট ৮ শতাংশ এৰিয়া আমাৰ গৰাখহনীয়াৰ কবলত আছে। এজন মানুহ ৫০ বিঘা আৰু ১০০ বিঘা মাটিৰ মালিক। সেই মাটিখিনি যেতিয়া গৰাখহনীয়াত গুছি যায়, তেতিয়া ৰাতিৰ ভিতৰতে সেইজন ব্যক্তি ৰাস্তাৰ ভিক্ষাৰী হৈ যায়। মাননীয় অধ্যক্ষ মহোদয়, গড়াখহনীয়াৰ কবলত গছ-লতা, খেতি-পথাৰ, ঘৰ, বিল্ডিং সকলোবোৰ সেইজন মানুহৰ শেষ হৈ যায়। এই সকলোবোৰ হেৰুৱাই তেওঁ ৰাস্তাৰ কাষত থিতাপি ল'বলগীয়া হয়। মানুহ মাটিত থাকে আৰু তেওঁলোকে চৰাই-চিৰিকটিৰ দৰে আকাশত চাং পাতি থাকিব নোৱাৰে। তেওঁলোকে তেতিয়া ওচৰৰ চৰকাৰী মাটিয়েই হওঁক বা বন বিভাগৰ মাটিয়েই হওঁক তাত থিতাপি লয়। কেৱল আজিৰ চৰকাৰেই নহয় আমি আগৰ পৰাই লক্ষ্য কৰিছো যে সময়ে সময়ে চৰকাৰে ভূতৰ ওপৰত দানব পৰাৰ দৰে উচ্ছেদ কৰি তেওঁলোকক পুনৰ বিপদলৈ ঠেলি দিয়ে। এনেদৰে এই গৰাখহনীয়া গ্ৰস্ত মানুহখিনি এঠাইৰ পৰা আন ঠাইলৈ ঘূৰি ফুৰে। মোৰ সমষ্টিত ব্ৰহ্মপুত্ৰ নদী অতি ওচৰত আছে আৰু বেঁকী নদী আছে। বেকী নদীয়ে মোৰ সমষ্টিৰ আধা অংশ খহাই আছে। বেকী নদীত ৱৰ্ল্ড বেংকৰ ৪০০ কোটি টকাৰ এটা কাম চলি আছে আৰু ১০০ কোটি টকাৰ কাম আৰম্ভ হৈছে। কিন্তু এনেকুৱা লাগিছে যে একো কাম নহ'ব। বৰদাঙাৰ চান্দপুৰ, গোবিন্দপুৰ, ইছপপুৰ, মছজিদবিতা, চৌধুৰী বজাৰ, চৰ্চৰীয়া আদি অঞ্চলবোৰ ভাঙি আছে। মোৰ সমষ্টিৰ নিচিনা গোটেই অসমত বিভিন্ন অঞ্চল বানপানীৰ কবলত পৰিছে। মই এই প্ৰস্তাৱৰ লগত সন্মতি জনাই এটা কথা ক'ব বিচাৰিছো যে তেখেতে আক্ষেপ কৰি কৈছে যে স্বাধীনতাৰ ৭৫ বছৰ পিছতো সঠিকভাৱে চাৰ্ভে কৰিব নোৱাৰিলে কিমান মানুহ গৰাখহনীয়াৰ কবলত পৰিছে, ভূমিহীন হৈছে। সেই বাবে অন্ততঃ আমি চাৰ্ভে কৰি যিসকল মানুহ ভূমিহীন হৈছে আৰু যিসকল মানুহ গৰাখহনীয়াৰ কবলত পৰিছে সেইসকলৰ লিষ্ট আমি প্ৰস্তুত কৰিব লাগে। ধুমুহাত ঘৰ-বাৰী ভাঙিলে তেখেতসকলক ঘৰ বনোৱাৰ বাবে পইচা দিয়াৰ প্ৰভিজন আছে। কিন্তু গৰাখহনীয়াৰ কবলত ঘৰ-দুৱাৰ হেৰুৱালে একো দিয়া নহয়। গতিকে এইবোৰ এচ ডি আৰ এফ ৰ অধীনত আনিব লাগে। গৰাখহনীয়াৰ কবলত পৰা সেই মানুহখিনিৰ কাৰণে অলপ মাটি আৰু ঘৰৰ কাৰণে চাৰ্ভে কৰি এটা যদি ব্যৱস্থা গ্ৰহণ কৰে তেন্তে

বহুত উপকাৰ হ'ব। এটা নিৰ্বাচিত চৰকাৰৰ প্ৰধান দায়িত্ব হৈছে "অন্ন-বস্ত্ৰ আৰু বাসস্থান"। এই তিনিটা কাম আমি কৰিব লাগিব। যাৰ বাসস্থান নদীৰ কবলত পৰি নোহোৱা হৈছে সেই সকলক চিনাক্ত কৰি সেই সকলৰ কাৰণে ভূমি আৰু ঘৰৰ ব্যৱস্থা কৰা হওঁক । লগতে তেখেতসকলক চাৰ্টিফিকেট দিয়াৰ ব্যৱস্থা কৰিব লাগে। কাৰণ এই ভূমিহীন মানুহ যদি অসমৰ বাহিৰত বা ভিতৰত বা অন্য ঠাইত কাম কৰিবলৈ যায়, তেওঁলোকে বিভিন্ন ধৰণৰ হাৰাশাস্তিৰ সন্মুখীন হয়। তেওঁলোকক অপদস্থ কৰা হয়। গতিকে চাৰ্টিফিকেট থাকিলে এইটো প্ৰমাণ হ'ব যে He is a bonafide Indian citizen, He is a Assamese citizen. তেতিয়াহ'লে কোনোধৰণৰ সমস্যাৰ সৃষ্টি নহ'ব। সেইকাৰণে এই প্ৰস্তাৱৰ লগত চৰকাৰে যাতে ৭০ বছৰে নোহোৱা কামটো চাৰ্ভে কৰি কৰে আৰু এই ক্ষতিগ্ৰস্ত আৰু বিপদগ্ৰস্ত মানুহখিনিক উদ্ধাৰ কৰাৰ বাবে মই চৰকাৰক প্ৰস্তাৱ আগবঢ়ালো।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই বিধান সভাত গোটেই তথ্যখিনি চাইছো আৰু দেখিছো যে এই চাৰ্টিফিকেটখিনি এটা অঞ্চলৰ এটা জনগোষ্ঠীৰ মানুহকহে দিয়া হোৱা নাই, বাকীসকলোকে দিয়া হৈছে। দ্বিতীয়তে, Rehabilitation of erosion affected family ও অসমত চলি আছে। কিন্তু ই কেৱল এক মাত্ৰ এটা জনগোষ্ঠী আৰু এটা অঞ্চলৰ মানুহকহে বঞ্চিত কৰা হৈছে।

**শ্ৰী যোগেন মহন, (মন্ত্ৰী, ৰাজহ ইত্যাদি বিভাগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Private Member's Resolution Bill ত সংকল্প প্ৰস্তাৱত এইবাৰ 'ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহে সৃষ্টি কৰা গড়াখহনীয়া অসমৰ আটাইতকৈ ভয়াৱহ সমস্যা'। এই সমস্যা সন্দৰ্ভত যিখন Private Member's Resolution Bill আনিছে তাৰ বাবে হাফিজ বছিৰ আহমেদ ডাঙৰীয়া, আমিনুল ইছলাম ডাঙৰীয়া ইত্যাদিয়ে অংশ গ্ৰহণ কৰাৰ বাবে সকলোকে ধন্যবাদ জনাইছো। সঁচাকৈ আমি স্বীকাৰ কৰিছো যে গড়াখহনীয়া এটা জ্বলন্ত সমস্যা আৰু এই সমস্যাটো সমাধান কৰাৰ বাবে চৰকাৰে বিভিন্ন ধৰণৰ পলিচি লৈ আছে। ইয়াক সমাধান কৰাৰ বাবে চৰকাৰৰ ২০১৯ চনৰ পলিচিখনৰ কথা মই আগতেও কৈছো। Rehabilitation ৰ কাৰণেও এখন পলিচি আছে। বিশেষকৈ গড়াখহনীয়াগ্ৰস্ত লোকসকলক State Specific Disaster হিচাপে চিহ্নিত কৰা হৈছে। য'ত এচ ডি আৰ এফৰ দহ শতাংশ টকা আমি খৰচ কৰিব পাৰো। মাননীয় সদস্যসকলে যিটো তথ্যৰ কথা কৈছে, এইক্ষেত্ৰত তথ্য আছে কিন্তু শুদ্ধ তথ্য নাথাকিব পাৰে। কাৰণ এই গৰাখহনীয়া লোক সকল স্থানান্তৰ হৈ থাকে। বানপানীত ক্ষতিগ্ৰস্ত হোৱা ৰাইজ বিভিন্ন স্থানত স্থানান্তৰিত হৈ থকাৰ কাৰণে সঠিক তথ্যটো নাহে। কিন্তু আমাৰ চৰকাৰৰ এটা E-System আছে। তাৰ দ্বাৰা KYC ৰ জৰিয়তে তেওঁলোকে যদি এপ্লাই কৰে তেতিয়া Disaster Management ৰ জৰিয়তে আমি তথ্যসমূহ পাম। এই ক্ষেত্ৰত আমাৰ চৰকাৰৰ তিনিটা পলিচি ইতিমধ্যে আছে। ইয়াৰ উপৰিও যিসকল লোক বানপানী গড়াখহনীয়াত ক্ষতিগ্ৰস্ত হৈছে, তেওঁলোকৰ বাবে চৰকাৰে আৰু নতুনকৈ চিন্তা কৰিব পাৰে। ২০১৯ চনৰ পলিচিখনৰ চেকশ্যন-১৭ ত আপোনালোকে ইতিমধ্যে অধ্যয়ন কৰিছে। গড়াখহনীয়াত আক্ৰান্ত হোৱা, ভূমিহীন হোৱা আৰু প্ৰাকৃতিক দুৰ্যোগত যিমানখিনি ক্ষতিগ্ৰস্ত হৈছে তেওঁলোকৰ কাৰণে এইখন পলিচি অনা হৈছে। এই পলিচি মতে ভূমিহীনক মাটি দিব লাগে। বানপানী, গড়াখহনীয়াত ক্ষতিগ্ৰস্ত হৈ মানুহ ভূমিহীন হয় আৰু ভূমিহীনৰ তালিকাখন তেনেকৈ প্ৰস্তুত কৰা হয়। তেওঁলোকৰ ঘৰৰ ভেটিৰ কাৰণে এক বিঘা আৰু খেতিৰ কাৰণে সাত বিঘা গাওঁ অঞ্চলত মাটি দিয়া হয়। .......interruption.......

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই পলিচিসমূহ কাৰ্য্যকৰী হোৱা নাই। ধুবুৰী, বৰপেটা জিলাৰ তথ্য লওঁক তাত এজনো মানুহে ভূমি পোৱা নাই।

**মাননীয় অধ্যক্ষ** ঃ আপোনালোকে মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰটো শুনি লওঁক। তাৰ পিছত আপুনি ক'ব।

**শ্ৰী যোগেন মহন, (মন্ত্ৰী, ৰাজহ ইত্যাদি বিভাগ)**ঃ মাননীয় অধ্যক্ষ মহোদয়, পলিচিসমূহ কাৰ্য্যকৰী হৈ আছে। এই পলিচিৰ যোগেদি  ইতিমধ্যে চাৰে তিনি লাখ ভূমিহীন লোকক ভূমি প্ৰদান কৰা হৈছে। প্ৰথম পৰ্য্যায়ত এইখিনি দিয়া হৈছে। দ্বিতীয় পৰ্য্যায়তো আমি কৈছো যে প্ৰায় চাৰে তেৰ লাখ লোকৰ আবেদন আহিছে। ইয়াত খাচ লেণ্ডত বসবাস কৰা প্ৰায় দহ লাখ লোকৰ আবেদন আহিছে। এই খাচ লেণ্ডত বসবাস কৰা লোকসকলো ভূমি হীন, তেওঁলোকে চৰকাৰী মাটিত বহিছে। বনাপানী বা গৰাখহনীয়াগ্ৰস্ত হৈ যিসকল লোক ভূমিহীন হৈছে, ভূমিৰ পট্টা নাই সেই সকলে আবেদন কৰিছে। আমি ভূমি দিয়াৰ সময়ত আপোনালোকে নিশ্চয় গম পাব। সেই কাৰণে ২০১৯ চনৰ পলিচিখন চৰকাৰে আনিছে। চেকশ্যন ১.৭ ত চালে আপোনালোকে ইয়াৰ বিতং তথ্যখিনি গম পাব। গাওঁ অঞ্চলত ভেটিৰ কাৰণে এক বিঘা আৰু খেতিৰ কাৰণে সাত বিঘা মাটি দিয়া  হয় আৰু চহৰ অঞ্চলৰ গুৱাহাটীত এক কঠা পাঁচ লেচা আৰু বাকী চহৰসমূহত এক কঠা দহ লেচা মাটি দিয়া হয়। লেণ্ড পলিচিত ভূমিহীনক মাটি দিয়াৰ এই দুটা পলিচি আছে। তাৰ কাৰণে আমি 'মিশ্যন বসুন্ধৰা' য'ত গাওঁত এক বিঘা মাটিত পাঁচশ টকা দিব লাগে। এইবাৰ আমি এশ টকা কৰি দিছো। গুৱাহাটীৰ এটা শ্লেবত প্ৰিমিয়াম লোৱাৰ ব্যৱস্থা আছিল। এশ শতাংশ আৰচিচি ঘৰ থাকিলে, ত্ৰিশ শতাংশ অসম আৰ্হিৰ ঘৰ থাকিলে আৰু দহ শতাংশ জুপুৰী ঘৰ বা খেৰৰ ঘৰ থাকিলে প্ৰিমিয়াম লোৱাৰ ব্যৱস্থা আছিল। এইবাৰ সেই শ্লেবটো সকলো চহৰলৈ ঠেলি দিলো। ইয়াৰ পৰা ৰাইজে বহু সকাহ পাব। আগতে ডেৰ শ শতাংশ আছিল। Zonal value ৰ ওপৰত আৰু ৫০ শতাংশ দিবলগীয়া ব্যৱস্থাটো নাইকিয়া কৰি চহৰৰ ৰাইজে যাতে কম প্ৰিমিয়ামত ভূমি ল'ব পাৰে তাৰ বাবে ১৩০ আৰু ১০ শতাংশলৈ ঠেলি দিয়া হ'ল। মিশ্যন বসুন্ধৰাত এই ব্যৱস্থাটো  কৰা হ'ল। মই আগতেই কৈছো যে এইটো ভূমি খুব সীমিত বস্তু। চৰকাৰে বিভিন্নধৰণে চৰকাৰে ইয়াক সংৰক্ষণ কৰে। সেইকাৰণে চৰকাৰী মাটি বে-দখল কৰি থকা বহুতো মাটি উচ্ছেদ কৰি আছো। চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান স্থাপন কৰিবৰ বাবে মাটি লাগিব। ইয়াত Ecological Balance ৰ কথা আহি পৰিছে। সেয়েহে এই পলিচি মতে যিসকল খিলঞ্জীয়া ভাৰতীয় নাগৰিক Eligible হৈ আছে, তেওঁলোকে এপ্লাই কৰিলে মাটি পাবই। এইটো আমাৰ পলিচিত আছে। এতিয়া আপোনালোকে নিজৰ নিজৰ জিলাত এচ ডি এল এ চি ত বহিব আৰু তাত কিমান আবেদন আহিছে, সেইখিনি চাব আৰু বাচনি কৰি নিষ্পত্তি কৰিব। যিখিনি নিষ্পত্তি কৰিব নোৱাৰে, সেইখিনি চৰকাৰলৈ পঠিয়াব। আমি এটা মিশ্যন মুডত হয়তো কেবিনেটত সিদ্ধান্ত কৰি তেৰ লাখ আবেদনৰ কিমান নিষ্পত্তি কৰিব পাৰো, এইখিনি আমি বিবেচনা কৰিম। ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰীয়ে এখন মিটিঙত MLA, DC, ADC (Revenue), Circle  Officer আৰু Municipal Board ৰ Chairman সকলোকে ধুনীয়াকৈ বুজাই দিছে। তেওঁলোকক member আৰু এইবাৰ DFO সকলকো member কৰি দিয়া হৈছে । এই পলিচিটো ৰূপায়ণ কৰাৰ বাবে  যাতে সৰ্বসন্মত হয়। দুজনকৈ public member ও দিয়া হৈছে। তেওঁলোকক remuneration দিয়াৰ ব্যৱস্থাও কৰিছে। যদি MP আহিব নোৱাৰে, তেন্তে MP ৰ representative জনে ১০০০ টকা পাব যদি তেওঁলোকে মিটিঙলৈ আহে আৰু অনলাইন কৰিলে ৫০০ টকা পাব। এনেকুৱা ধৰণৰ noti-

fication ইতিমধ্যে হৈ গৈছে। যদি দৰকাৰ হয়, তেন্তে সপ্তাহত দুই-তিনিদিন SDLAC পাতিব পাৰিব কাৰণ আপোনালোকে চৰকাৰক এটা নিৰ্দিষ্ট সময়ত proposal কৰিব লাগিব আৰু সেইখিনিক আমি নিৰ্দ্দিষ্ট সময়ত dispose কৰিব লাগিব। তাৰোপৰি, আমাৰ এটা Rehabilitation Policy আছে। এই পলিচিটোতো আমাৰ সন্মানীয় বিধায়কসকল member। ইয়াৰে এখন State Level ত, এখন District Level Committee ত। District Level Rehabilitation Policy খনত Deputy Commissionerজন Chairperson, MLA, MP, Presdient, Zilla Parishad, SDO (Civil), SDO (Sadar), All revenue Circle Officer, District Agriculture Officer সকল Member আৰু ADC (Revenue), Member Secretary হিচাপে আছে। এই পলিচিখনত ১০% SDRF আমি ৰূপায়ণ কৰিব পাৰো। ধৰি লওক, আমি ৮০০ কোটি টকা পালো, তাৰ ১০%, ৮০ কোটি টকাৰে এই Rehabilitation Policy খন আমি খুলিব পাৰো। এই পলিচিটো আমি এইবাৰ কাৰ্যকৰী কৰিম ....interruptions...

**শ্ৰী ৰফিকুল ইছলাম, (জনীয়া)ঃ** সবকা সাথ সবকা বিকাশ আপোনালোকে নিশ্চিত কৰক ....interruptions...

**শ্ৰী যোগেন মহন, (মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি)ঃ** এইটো নিশ্চিত আছেই। মই আগৰ সংকল্প প্ৰস্তাৱত কৈ দিলো। গতিকে, আপোনালোক সকলোকে সাঙুৰি লোৱা আছে। বিশ্বাস আৰু প্ৰয়াসটো আপোনালোকৰ লাগিব। এই পলিচি সমূহ ভালদৰে ৰূপায়ণ কৰক, আমি নিশ্চয় ভূমিহীনক মাটি দিব পাৰিম। চৰকাৰৰ সদায় আন্তৰিকতা আৰু সদিচ্ছা আছে। আমি ক'ৰবাত উচ্ছেদ কৰিছো যদিও জাননী দি কৰিছো। যিখিনি genuine মানুহৰ উচ্ছেদ হৈছে, তেওঁলোকক আমি পট্টাও দিছো। বটদ্ৰৱাতে হওক বা অন্যান্য ঠাইতে হওক, সকলো তথ্য মই ইতিমধ্যে দাখিল কৰিছো। এই গোটেইখিনি থকাৰ পিছত মই ভাৱো যে নতুনকৈ সংকল্প প্ৰস্তাৱ লোৱাৰ প্ৰয়োজন নাই। এই পলিচিখনত কি নিৰিখত পইচা দিয়া আছে সেই সম্পৰ্কত তিনিটা শ্ৰেণীৰ মানুহক অন্তৰ্ভুক্ত কৰা হৈছে। যিসকলৰ ঘৰ-মাটিৰ ভেটি, খেতি-পথাৰ গৰাখহনীয়াত গুছি গৈছে তেওঁলোক Class I, যিসকলৰ ঘৰ-মাটি গুছি গৈছে কিন্তু খেতিৰ মাটি আছে, তেওঁলোকক Class IIত, এনেদৰে তিনিটা শ্ৰেণী আছে। কেৱল ঘৰটো গুছি যোৱাজনে ডেৰ লাখ টকা পাব। ঘৰ-মাটি ভেটি কিনিবৰ বাবে এই পলিচিত আঢ়ৈ কঠা মাটিত ৫ লাখ টকা দিব। ৩ বিঘা মাটি কিনিবৰ বাবে তেওঁলোকক Rehabilitation Policy ত ধৰা আছে। এইখন কাৰ্যকৰী কৰিলে তেওঁলোকে ধুনীয়াকৈ চলিব পাৰিব। ঘৰ বনাব পাৰিব, খেতিৰ কাৰণেও মাটি পাব। গতিকে এইখন কাৰ্যকৰী কৰিবলৈ আমাৰ ৰাজহ বিভাগে fund available কৰিবলৈ ব্যৱস্থা কৰিছো। এইক্ষেত্ৰত আপোনালোকেও এই পলিচিখন কাৰ্যকৰী কৰাত সহযোগ কৰিব। এই পলিচিখন আমি যদি সকলোৰে ৰূপায়ণ কৰো তেন্তে গৰাখহনীয়াৰ যি জ্বলন্ত সমস্যা সেই সমস্যাটো সমাধান কৰিব পাৰিম। গতিকে, যি কেইগৰাকী সন্মানীয় বিধায়কে সংকল্প প্ৰস্তাৱটো আনিছে, তেওঁলোকে আন্তৰিকতাৰে উঠাই ল'বলৈ মই অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষঃ** মাননীয় সদস্য।

**শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিখিনি কথা কৈছে, তেখেতে বহুত ভাল কথা কৈছে আৰু আমিও অনুৰোধ জনাম যে তেখেতে যিখিনি প্ৰতিশ্ৰুতি দিছে, সেই অনুসৰি যাতে এই লোকসকলৰ অতি সোনকালে চাৰ্ভে কৰি, তেওঁলোকৰ পঞ্জীয়ন কৰি তেখেতে কোৱা ধৰণে I, II, III category wise ক্ষতিপূৰণ দি বা ভূমিৰ আৱন্টন দি

এই লোকসকলক যাতে permanent settlement দিয়ে। যিটো চৰকাৰী পলিচিৰ কথা কৈছো, সেইটোৰ যাতে সকলো এলেকাতে সম্পূৰ্ণ ৰূপায়ণ হয় তাৰ প্ৰতি অনুৰোধ জনাই আৰু তেখেতৰ কথাৰ প্ৰতি আস্থা প্ৰকাশ কৰি মোৰ সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিলো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। সদনৰ সন্মতি সাপেক্ষে সংকল্প প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা হ'ল।

এতিয়া শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুরকায়স্থ, (উত্তর করিমগঞ্জ)ঃ**-মাননীয় অধ্যক্ষ মহোদয়, under Rule 115 private member resolution .এই বিষয়টি উত্থাপন করার সুযোগ দেওয়ার জন্য আমি আপনাকে ধন্যবাদ জ্ঞাপন করছি। মায়ের ভাষাই মাতৃ ভাষা, সেই ভাষাকেই ভালোবাসা। ভালোবাসি বাংলা ভাষা, ভালোবাসি বিশ্বজোড়ের মাতৃভাষা।

অধ্যক্ষ মহোদয়, বর্তমান সরকার আসামের বিভিন্ন জাতি জনগোষ্ঠী নিয়ে সচেতন। এবং সেই মর্মে আমরা দেখেছি প্রত্যেকটি জাতি জনগোষ্ঠীর যাতে উন্নয়ন হয়, সংস্কৃতি যাতে এগিয়ে যায় সেই নিয়ে সরকার নিজের কাজ চালিয়ে যাচ্ছে। অধ্যক্ষ মহোদয়, কদিন আগে আমরা উপেন্দ্রনাথ ব্রহ্মোর জন্মদিন পালন করি ছাত্র দিবস হিসাবে। এবং প্রত্যেক বছর ওনার জন্মদিন ছাত্র দিবস হিসাবে পালন করা হবে। ইতিমধ্যে দাবিও উঠেছে প্রত্যেকটি বিশ্ববিদ্যালয়ে যাতে ওনার প্রতিকৃতি বা ওনার মূর্তি লাগানো হয়। বিভিন্ন জায়গা থেকে সেই দাবি উত্থাপন করা হয়েছে। আমিও সমর্থন করছি অধ্যক্ষ মহোদয়। তাতে আমাদের কোন আপত্তি নেই সমর্থন করছি । এবং সরকারকে অনুরোধ করছি সরকারের কাছে আমার কয়েকটি প্রশ্ন, বিশেষ করে ভাষা সার্কুলার আইন ১৯৬১, সেই মর্মে বড়োল্যাণ্ডে বড়ো, বরাকভ্যালিতে বাংলা , এবং আসামের অন্যান্য জায়গায় আসামীস। সেটাই ভাষা সার্কুলার আইন। এবং সেই মতে আমাদের আসাম চলছিল এবং আমাদের সুন্দর একটি পরিবেশ ছিল। বিশেষ করে আমার প্রশ্ন হচ্ছে যে আমাদের আসামে বঙ্গবাসীর সংখ্যা হচ্ছে ২৯.৮০ শতাংশ। আমি অত্যন্ত খুশি যে বড়োকে সহযোগী ভাষা দেওয়া হয়েছে। এবং সেই মর্মে বড়োভাষীর সংখ্যা ৫.৬ শতাংশ। আমি ব্যক্তিগত ভাবে বিধানসভায় ধন্যবাদ জানাই যখন সেই বিল পাস হয়েছিল। কিন্তু আমার প্রশ্ন মন্ত্রী মহোদয়ের কাছে যাদেরকে আপনারা ভোট ব্যাংক হিসাবে ব্যবহার করেন অর্থাৎ ৩০ শতাংশ এই রাজ্যে বঙ্গ ভাষী থাকা সত্যেও সেই বঙ্গভাষীকে সহযোগী ভাষা না দেওয়ার কারনটি কি? আজ এই বিধানসভায় আপনি কারনটি বলবেন। কারনটি আমি জানতে চাই।

অধ্যক্ষ মহোদয়, বিশেষ করে বলতে হচ্ছে আমরা যদি দেখি, যে সিকিমে প্রায় ১০টি সহযোগী ভাষা। সেখানে গুর্গা, লাম্বার, মার এভাবে সহযোগী ভাষা আছে। পশ্চিমবঙ্গে ১১টি সহযোগী ভাষা সেখানে নেপালি, উর্দু , হিন্দী এরকম অনেক সহযোগী ভাষা আছে। আরো যদি দেখা যায় দিল্লিতে ৩টি, তামিলনাড়ুতে এভাবে প্রত্যেকটি রাজ্যে ৩টি,৪টি সহযোগী ভাষা আছে। কিন্তু আসামে বাংলাকে সহযোগী ভাষা না দেওয়ার কারণ কি? আমি মন্ত্রী মহোদয়ের কাছে জানতে চাই। অধ্যক্ষ মহোদয়, আপনারা যে চেয়ারে বসা, যাদের জন্য আপনারা বসা ওদের যখন সেই দাবি থাকে যে সহযোগী ভাষা করা, ওদের যখন দাবি থাকে যে এনআরসিতে নাম নেই, আধার কার্ডের সমস্যা। কর্পাস ফান্ডের ক্ষেত্রে সবচেয়ে দুঃখের কথা বলতে হচ্ছে কর্পাস ফান্ডে আমাদের রাজ্যে বিভিন্ন ভাষাগোষ্ঠীর সংস্কৃতি সভ্যতা ভাষাকে উন্নয়ন করার জন্য আপনারা ২০১৯-২০ এ ৮০ লক্ষ টাকা এবং ২০২০-২১এ ৮৬ লক্ষ টাকা আপনারা সেংশন করেছিলেন। ভালো কথা ,আমি ধন্যবাদ জ্ঞাপন করছি। কিন্তু সেই ক্ষেত্রে আমি বারবার বিধান সভায় আপনাদেরকে

বলেছিলাম সেই সময় মুখ্যমন্ত্রীকে আমি বললাম যে মুখ্যমন্ত্রী বঙ্গভাষীর জন্য কোন সাহিত্যসভা এনে দিন এই সাহিত্যসভাকে আমরা ফাইনান্সিয়েল সাহায্য করব। কিন্তু আমরা দেখেছি যে এই ৮০লক্ষ, ৮৬ লক্ষ টাকা সেংশন হল কিন্তু এখানে একটি বঙভাষী সংস্থাকে একটি টাকাও সেংশন হয়নি। আমি বিধায়ক হিসাবে আজকের দিনে দুঃখের সঙে বলতে হচ্ছে, শুধু আজ নয় আমি বারবার সেই কথাগুলো এই বিধানসভায় বলি যে বিশেষ করে আসাম আন্দোলনে যারা শহীদ হয়েছে ওদের প্রতি আমরা শ্রদ্ধা জ্ঞাপন করছি। আমি ধন্যবাদ জ্ঞাপন করছি যে আপনারা ৮৮৫ জন শহীদের ক্ষেত্রে আর্থিক সাহায্য করেছেন। আমি বিধায়ক হিসাবে গর্ববোধ করি। আমি গর্ববোধ করি বড়ো আন্দোলনে যারা ভাষা আন্দোলনে শহীদ হয়েছেন, ওদেরকে আর্থিক সাহায্য করেছেন। আমি ধন্যবাদ জানাই কার্বিদেরকে আপনারা সাহায্য করেছেন। আপনাদের এই একটিভিটিসের জন্য আমি অশেষ ধন্যবাদ জানাই। অধ্যক্ষ মহোদয়, বাংলা ভাষায় যারা শহীদ হয়েছিল আমি বিধানসভায় বললাম বিধানসভায় মুখ্যমন্ত্রী আশ্বাস দিয়েছিলেন...

**মাননীয় অধ্যক্ষঃ**- আপনি কি চান স্পষ্ট করে বলেন।

**শ্রী কমলাক্ষ দে পুরকায়স্থ, (উত্তর করিমগঞ্জ)ঃ**- মুখ্যমন্ত্রী আশ্বাস দিয়েছিলেন যে আর্থিক সাহায্য করা হবে। এখানে আসামের মানুষ দেখছে, আসামের বাঙালিরা দেখছে যে আপনারা কি ডিসক্রিমিনেশন করছেন। আজ ট্রেন্সলেশন বোর্ড করার জন্য বারবার আমি দাবি জানিয়েছিলাম। আজ এখানে ইন্টারপ্রেটর করা হয়েছে সেই বিধানসভায় অনেক বার বলার পর। মুখ্যমন্ত্রীর সমষ্টিতেও বঙভাষী আছেন। মুখ্যমন্ত্রী ভোট পাবেন আমি জানি। কিন্তু আজকের দিনে প্রশ্ন হচ্ছে মুখ্যমন্ত্রী সেই বঙভাষীদের গিয়ে কি বলবেন যে আমি একটি ইন্টারপ্রিটার দিতে পারি নি। আজ ট্রেন্সলেশন বোর্ড থাকলে অনেকগুলো আমাদের মধ্যে বিভ্রান্তি সৃষ্টি হয়। ট্রেন্সলেশন বোর্ড দরকার ছিল। সেই বঙভাষীদের জন্য আজ ট্রেন্সলেশন বোর্ড দেওয়া হচ্ছে না। দুঃখের সাথে বলতে হচ্ছে, মন্ত্রী মহোদয় বলছেন ঠিক আাছে আপনি যে উত্তর দেবেন আমি তার আগে কিন্তু আমার ডিবেট আমি শেষ করব। আপনার উত্তর আমি শুনতে চাই। যে আপনাদের মানসিকতা কি আপনারা কি অধিকার সুরক্ষিত করবেন।

**মাননীয় অধ্যক্ষঃ**- ধন্যবাদ, মন্ত্রী উত্তর দেবে।

**শ্রী কমলাক্ষ দে পুরকায়স্থ, (উত্তর করিমগঞ্জ)ঃ**- আপনারা কিভাবে অধিকার সুরক্ষিত করবেন। কার ভোট দিয়ে? বাঙালির ভোট দিয়ে। এবং সমাজকে ভয় দেখিয়ে আপনারা রাজনীতি করছেন। আমরা বুঝতে পারছিনা? ঠিক বুঝতে পারছি।

**মাননীয় অধ্যক্ষঃ**-ধন্যবাদ। ঠিক আছে বাংলা ভাষা এসসিয়েট অফিসিয়েলের জন্য আপনি প্রস্তাব এনেছেন। মন্ত্রী উত্তর দেবে।

**শ্রী কমলাক্ষ দে পুরকায়স্থ, (উত্তর করিমগঞ্জ)ঃ**- আমি লাস্ট একটি কথা বলছি যে Growth,Progress success আমি আগেও বলেছি Growth হচ্ছে ১০০ কোটি থেকে ২০০ কোটি করা আপনাদের সম্পত্তি বৃদ্ধি হয়েছে Progress হচ্ছেGrowth র সাথে Ethics সংযোগ হয় তখন হচ্ছে Progress.Growth, Progress এবং Success সেটার সঙে মানবতা সংযোগ হয়। অধ্যক্ষ মহোদয় এই সরকার মোটেই মানবতামূলক কাজ করছেন না। এবং বাঙালির সঙেও। সেটার সঠিক উত্তর যাতে আমরা পাই। সেই কথাগুলো বলছি যাতে আজ আমার প্রস্তাব গ্রহণ করা হয়। প্রস্তাবটি ছিল আসামের দ্বিতীয় ভাষাভাষি জনসাধারণ হলো বঙভাষী। সেটা সহযোগী ভাষা হিসাবে আসামের বিধানসভায় স্বীকৃতি দেওয়ার জন্য ঠিক

সেইভাবে বাংলা ভাষাকেও আসাম বিধান সভায় স্বীকৃতি দেওয়া হোক সেটাকে সর্বসম্মত গ্রহণ করার জন্য এবং রিজলিউশন নেওয়ার জন্য আমি অনুরোধ করছি।

**শ্ৰীপিয়ুষ হাজৰিকা , (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, তেখেতে যে ভুল কথা এটা কৈ আছে সেইকাৰণে উত্তৰটো মোৰ সোনকালে দিবলৈ মন গৈ আছিলে, দিব দিয়া নাই। He is so ignorant. He doesn't know Assam Assemby already has.The business of the Assam Assembly shall be transacted Assamese, Bengali or English or in Hindi.Bengali is a language.-----iterruption------

**মই বাংলা ভাষা ....৫০ শতাংশ জানো............** অধ্যক্ষ মহোদয়, এখানে কি ছিল। সম্মানীয় সদস্য এখানে একটি আমাকে দিয়েছিল পরিসংখ্যগত ভাবে আসামে দ্বিতীয় ভাষা জনগোষ্ঠী হলেন বাংলাভাষীরা। ওনাদের প্রশ্ন কি ছিল সেটা বলছি আমি। তাই বড়ো ভাষাকে যেরূপ সহযোগী ভাষা হিসাবে অসম বিধান সভায় স্বীকৃতি দেওয়া হয়েছে ঠিক সেভাবে বাংলা ভাষাকে আসাম বিধান সভায় সহযোগী ভাষা হিসাবে স্বীকৃতি দেওয়া হোক। আমি বাংলা ভাষা বলার জন্য চেষ্টা করি। আপনারা কি বলছেন আসাম বিধানসভার কথা।alresdy assam assembly has this. আপনারা এখানে কি লেখা আছে, The business of the Assam Assembly shall be transacted ----হুলস্থুল-----আমাৰটো অসমীয়া বঙালীৰ মাজত ভেদাভেদ নাই। আমি তেওঁলোকক সন্মান কৰো, আপুনি বড়ো ভাষা ইয়াত সহযোগী ভাষা কৰাৰ কাৰণে বেয়া পাইছে। কংগ্ৰেছ দলে বেয়া পাইছে। গাত লাগিছে বড়ো ভাষা কিয় অসম বিধান সভাত লিখা হ'ব? ----হুলস্থুল-----বড়ো সকল অসমৰ ভূমিপুত্ৰ। আপুনি আমাক গালি পাৰিলে, মুখ্যমন্ত্ৰী ডাঙৰীয়াক গালি পাৰিলে। চৰকাৰক গালি পাৰিলে। মূল কথাৰ পৰা গৈ ভোটৰ কথা লৈকে লৈ গ'ল। তাৰ পাছত আপুনি এইটো নাচালেই যে অসম বিধান সভাৰ Meeting Chapter- 7, meetings quorum and language in the Assam Legislative Assembly এইটো আপুনি নাচালে। আপুনি বৰাকভেলীত ভোট কেনেকৈ পাব পাৰে সেইটো চালে। এটা মিছা কথা কৈ তেখেতে বুজাব বিচাৰিলে যে অসম বিধান সভাত বেংগলী ভাষাটো সহযোগী ভাষা নহয়। আজি সেইকাৰণে দাবী কৰিলে যে বেংগলী ভাষাক বিধান সভাৰ সহযোগী ভাষা হিচাপে ল'ব লাগে। এইটো অসত্য কথা ক'লে নে নাই? ------হুলস্থুল-----অধ্যক্ষ ডাঙৰীয়া, তেখেতৰ বিৰুদ্ধে বিশেষাধিকাৰ প্ৰস্তাৱ আনিব লাগে। কাৰণ তেওঁ সদনখনক বিপথে পৰিচালিত কৰিছে। Assembly ৰ Rules of Procedure খনক তেওঁ মিছাকৈ বৰ্ণনা কৰিছে।

**শ্ৰী কৰিম উদ্দিন বৰভূএগ, (সোনাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১ মিনিট মোৰ ক'বলগা আছে। মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিটো কৈছে, তাৰ অৰ্থ এনেকুৱা হৈছে যে বেংগলী মানুহখিনিয়ে বড়ো ভাষাক বেয়া পায়। এই কথাটো তেওঁ কমলাক্ষ্যক কওক। ----iterruption------

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই বাৰে বাৰে কৈছো মই কংগ্ৰেছ দলক কোৱা নাই। মই কমলাক্ষ্য দে পুৰকায়স্থক কৈছো যে তেওঁ বড়ো ভাষা অনাৰ কাৰণে বেয়া পাইছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি শান্তভাবে কওঁক ছোন কি আছে আপোনাৰ ক্লিয়েৰ হ'ব লগা ।

**শ্ৰীকৌশিক ৰায়, (লক্ষীপুৰ) ঃ** অধ্যক্ষ মহোদয়, বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ মাজত ডিভিজন অনাৰ চেষ্টা এইটো । বেংগলী আৰু অসমীয়াৰ মাজ কাজিয়া লগোৱাৰ চেষ্টা এইটো ।

**মাননীয় অধ্যক্ষ ঃ** অনাৰেবল্ মেম্বাৰ প্লিছ ... প্লিছ বহক । শান্ত হওঁক । কৌশিক ৰায় --- কৃষ্ণেন্দু পাল ... প্লিছ বহক ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ , (কৰিমগঞ্জ উত্তৰ) ঃ** আপোনালোকে চিঞৰি থাকক । বৰাক ভেলীৰ মানুহে চাই আছে আপোনালোকক ।

**মাননীয় অধ্যক্ষ ঃ** প্লিছ চাইলেঞ্চ । কমলাক্ষ দে পুৰকায়স্থ ।

**শ্ৰী কমলাক্ষ দে পুরকায়স্থ, (উত্তর করিমগঞ্জ)ঃ-** আমি প্ৰথমেই বলেছি স্যার যে উপেনন্দ্রনাথ ব্রহ্ম মহাশয়ের প্রত্যেকটি বিশ্ববিদ্যালে ওনার প্রতিকৃতি দেওয়ার কথা ওনার প্রতি শ্রদ্ধা জ্ঞারন করছি।

**মাননীয় অধ্যক্ষঃ-** এটা অন্য ব্যপার। ভাষার উপর আর কিছু আছে বলার জন্য। প্রস্তাবের উপর বলুন না।

**শ্ৰী কমলাক্ষ দে পুরকায়স্থ, (উত্তর করিমগঞ্জ)ঃ-**আমি বলছি যে মন্ত্রী মহোদয় যা বললেন এখানে র দেখালন। আমার পর্শ্ন হচ্ছে যেট ভাষা সার্কোলার আইন ১৯৬১ সেকান পরিষ্কার লেখা আছে যে বড়ো ল্যান্ডে বড়ো, বরাক ভ্যালিতে বাংলা এবং আসামের বাকি জায়গায আসামীস। সেই মর্মে বড়োকে যেভাবে সহযোগী ভাষা করা হয়েছে সেকেন্ডলি উনি বলেছেন যে বাংলাও করা হয়েছে। তাই বিদানসভায় বাংলায় প্রশ্ন করা হোক ইন্টারপ্রিটার করা হোক।

**মাননীয় অধ্যক্ষ ঃ** প্লিছ ... চাইলেন্স ।

**শ্ৰীপিয়ুষ হাজৰিকা , (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয় আজি মোৰ দুখ লাগিছে । সন্মানীয় বিধায়ক গৰাকীয়ে বাৰ বছৰ ধৰি এই পবিত্ৰ বিধান সভাত বিধায়ক হিচাপে আছে । আগতে তেখেতে কেতিয়াও উলিওৱা নাই এতিয়া কিয় উলিয়াব লগা হ'ল? অকল ভূমি পুত্ৰ বড়োসকলৰ ভাষাটো ইয়াত সহযোগী ভাষা কৰা নাই । ইয়াততো মিছিং আছে, কাৰ্বি আছে কোনেওতো কোৰা নাই । কিয় কোৰা নাই যে বড়ো জনগোষ্ঠী অসমৰ ভূমি পুত্ৰ বুলি সকলোৰে জানে । ভূমি পুত্ৰৰ অধিকাৰ যদি আমি দিব পাৰিছো এইটো সকলোৰে ভাল পাব লাগে। এইটো লৈ কিয় গা পুৰিব লগা হ'ল ?

--------হুলস্থুল--------

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ , (উত্তৰ কৰিমগঞ্জ) ঃ** আমি ধন্যবাদ জনাইছো । বড়োসকলক দিয়া বাবে আমি বেয়া পোৱা নাই নহয় ।

**মাননীয় অধ্যক্ষ ঃ** মই কৈছো অনাৰেবল্ হাউচ । যিটো বিষয়ৰ ওপৰত সন্মানীয় সদস্য কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে ইয়াৰ ওপৰত মই ক্লেৰিফিকেশ্যন দিব খুজিছো যে অসম বিধান সভাত আমাৰ ৰুল হিচাপে আগৰ পৰাই চাৰিটা ভাষা ইয়াত চলে । সেই হিচাপে চলিও আছে । যিগৰাকী মাননীয় সদস্য এইটো আনিছে তেখেতে বেংগলীতে লিখিছে আৰু বেংগলীতে ভাষণ ৰাখিছে । আগতেও বেংগলীতে কোৱেশ্চন কৰিছে । ইয়াত বাংলা ভাষাৰ ক্ষেত্ৰত কোনো আপত্তি নাই কাৰণ এইটো ৰুলতে আছে । হিন্দীত ক'ব পাৰিব , হিন্দীত লিখিব পাৰিব, ইংৰাজীত লিখিব পাৰিব , ইংৰাজীত ক'ব পাৰিব । অসমীয়াতো পাৰিব। বড়োৰ ক্ষেত্ৰত , আগতে কংগ্ৰেছৰ দিনত অকল ওদালগুৰি চাব ডিভিজন আৰু কোকৰাঝাৰ ডিষ্ট্ৰিক্ট হিচাপে এচোচিয়েট অফিচিয়েল লেংগুৱেজ দিয়া হৈছিল । গতিকে কোকৰাঝাৰ আৰু উদালগুৰিত যদি বড়ো ভাষা

ব্যৱহাৰ কৰিব বিচাৰে  কৰিব পাৰে ।  কিন্তু লাষ্টত অসম চৰকাৰে গোটেই অসমত বড়ো ভাষাটো এচোচিয়েট  অফিচিয়েল লেংগুৱেজ হিচাপে  সিদ্ধান্ত লৈ এই সদনত পাছ কৰিলে ।  ইটো পাছ হোৱাৰ পিচত বড়ো ভাষা আজি সমগ্ৰ অসমত এচোচিয়েট অফিচিয়েল লেংগুৱেজ হ'ল । গতিকে সেই হিচাপে বড়ো ভাষাটো দুটা হৈ গ'ল, এটা হ'ল প্ৰত্যেকটা ৰিজনত লেংগুৱেজ দুই- তিনিটা স্বীকৃতি থাকে , আদাৰৱাইজ সমান সমান পৰ্য্যায়ত  অফিচিয়েল লেংগুৱেজ  দুই- তিনিটা ভাষা স্বীকৃতি দিয়া হয় এইটো ৰাজ্যিক হিচাপে । এটা আমাৰ ভাষা আছে এইট শ্বিডিউল লেংগুৱেজ । গতিকে অল ইণ্ডিয়াৰ বিভিন্ন ভাষা এইট শ্বিডিউলত আছে গতিকে সেই এইট শ্বিডিউলৰ লেংগুৱেজবিলাক  ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ যিকোনো ক্ষেত্ৰত ব্যৱহাৰ কৰিব পাৰি এইটো মৰ্য্যদাটো থাকিব ।  ৰাজ্যবিলাকৰ ক্ষেত্ৰত  স্থানীয় ভাষা নিজাববীয়াকৈ অফিচিয়েল লেংগুৱেজ হিচাপে হ'ব পাৰে ।  সেইটো এইট শ্বিডিউল নহ'ব পাৰে  কিন্তু তথাপি এইটো এই ৰাজ্যখনৰ  অফিচিয়েল লেংগুৱেজ হ'ব। এতিয়া আপোনাৰ যিটো প্ৰস্তাৱ এই প্ৰস্তাৱত কৈছে যে বড়োৰ লেখীয়াকৈ বিধান সভাত বঙালী এচোচিয়েট লেংগুৱেজ হ'ব লাগে । কিন্তু বাংলাৰ  অলৰেডী যিটো মৰ্য্যদা এই মৰ্য্যদাটো মোৰ দেন দি বড়ো লেংগুৱেজ । বড়োটো এচেচিয়েটহে কিন্তু বেংগলী , হিন্দী, ইংৰাজী, অসমীয়া এইবিলাক সমমৰ্য্যদাৰ ভাষা। ইয়াত ট্ৰেন্সচেলেট বা আন আন কোনো কথা নাই । গতিকে এইটো আপোনালোকে ক্লিয়েৰ কৰি ল'ব । আপোনালোকে ইংৰাজীত কোৱেশ্বন কৰিব পাৰে,  ইংৰাজীত ভাষণো দিব পাৰে । ইন্টাৰপ্ৰেট কৰাৰ ক্ষেত্ৰত আমি ট্ৰাই কৰি আছো , আমাক পোষ্ট লাগে , বড়ো ভাষা যিহেতু  বুজি নাপায় সেইটোৰ বাবে ইন্টাৰপ্ৰেট কৰাৰ বাবে আমি ব্যৱস্থা ল'ম। যদি বড়ো ভাষাত কয় সেইটো আমি ইংৰাজী আৰু অসমীয়াত যাতে ইন্টাৰপ্ৰেটৰ দ্বাৰা অনুবাদ কৰিব পাৰো তাৰ বাবে আমি প্ৰথম পদক্ষেপ লৈছো । কিন্তু আমাক  চাৰিজন মান ইন্টাৰপ্ৰেটৰ লাগে । আমাৰ যিসকল ট্ৰেন্সসেলেটৰ আৰু  ৰিপোৰ্টাৰ আছে তেওলোকৰ মাজৰ পৰা আমি চেষ্টা কৰি আছো যে দুই চাৰিজনমানক আমি ইন্টাৰপ্ৰেটৰ কৰিব পাৰোনেকি ? যিমান ভাষা আছে চাৰিটা- পাচটা,  সময় সাপেক্ষে বা প্ৰয়োজন সাপেক্ষে আমি কৰিম । ইয়াত যেতিয়া কনফাৰেন্স হৈছিলে আমি পাৰ্লিয়ামেন্টৰ পৰা আনি ট্ৰেন্সলেট কৰাৰ ব্যৱস্থা কৰিছিলো । ইংলিছৰ পৰা হিন্দী আৰু হিন্দীৰ পৰা ইংৰাজী। গতিকে বিধান সভাত এইটো হৈ যাব। গতিকে আপুনি যিটো কৈছে ইয়াত বেংগলী ভাষাৰ বাবে নতুনকৈ কোনো প্ৰস্তাৱ লোৱাৰ প্ৰয়োজন নাই । অলৰেডী আছে । চাইনবোৰ্ডটো বেলেগ কথা । মই কৈছো অফিচিয়েল লেংগুৱেজ , এইটো চৰকাৰৰ অফিচিয়েল লেংগুৱেজহে হ'ব । বিধান সভাৰ কাৰণে সুকীয়া  তেনেকুৱা নাথাকে । গতিকে অসমত অসমীয়া আৰু বড়োটো যিহেতু অফিচিয়েল লেংগুৱেজ  সেই হিচাপে চাইন বোৰ্ড বা আন আন লিখা হৈছে । সেই কাৰনে কোৱেশ্বন আৰু উত্তৰ সকলো ভাষাতে কৰিবলৈ আমি  চেষ্টা কৰি আছো  । চেপাৰেট চেপাৰেট কোৱেশ্বন কৰিব পাৰিনেকি ,  ডিপাৰ্টমেন্টবিলাকত ট্ৰেন্সসেলেটৰৰ প্ৰয়োজন। কিন্তু এই বিধান সভাত বাংলা ভা,াৰ বাবে কোনো সমস্যা হোৱা নাই । ভাষণ ৰাখোতে বা নোটিছ দিয়াৰ ক্ষেত্ৰতো হোৱা নাই  গতিকে মই ভাবো ইয়াৰ মাজত কোনো কনফিউশ্যন থাকিব নালাগে । বিধান সভাত বঙালী ভাষা চলি আহিছে আৰু চলি থাকিব । গতিকে আপুনি এইটো উইড্ৰ' কৰিব ল'বনে ?

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (কৰিমগঞ্জ উত্তৰ) ঃ** অধ্যক্ষ মহোদয়, চৰকাৰে যাতে এইটো চায়। আমি  ষ্টেটাচটো একে বিচাৰিছিলো। আমি উইড্ৰ' কৰা নাই ছাৰ । ইমান কনচাৰ্ণ যিহেতু আমি এটা পজিটিভ চিন্তাধাৰাৰ বাবে চৰকাৰক অনুৰোধ কৰিলো ।

**মাননীয় অধ্যক্ষ  ঃ** হ'ব, উঠাই ল'ব।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** চৰকাৰ যিহেতু concern.

**শ্ৰীপিয়ুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, এই খন বিধান সভাৰ সিদ্ধান্ত আপুনি ল'ব পাৰে। চৰকাৰৰ যিখিনি আমি ক'লো। বাকী আপুনি সিদ্ধান্ত কি ল'ব, মোৰ ক'বলগীয়া এইখিনিয়েই।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই মূল প্ৰস্তাৱটোলৈ আহো, প্ৰস্তাৱটো হ'ল এই যে মাননীয় সদস্য শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই উত্থাপন কৰা সংকল্প প্ৰস্তাৱটো গৃহীত কৰাৰ সদনৰ সন্মতি আছে নে? যি সকল সদস্য-সদস্যাই সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়, মই ভাৱো নহয় সাপেক্ষে, নহয় সাপেক্ষে, নহয় সাপেক্ষে সংকল্প প্ৰস্তাৱটো ...

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** মই withdraw কৰিছো, ছাৰ। কেৱল অনুৰোধ জনাম nextত যাতে কিবা এটা পাওঁ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। সদনৰ সন্মতিক্ৰমে withdrawal হৈ গ'ল।

মাননীয় সদন আমাৰ আগতে কথা পতা মতে আমি আকৌ তিনি বজাৰ পৰা আছিল, ২ টাৰ পৰা ৩ টা লৈকে lunch break . কিন্তু মই ভাৱো lunchটো লৈ থাকিব পাৰিব, আৰু কাৰ্য্যসূচী সলাই থাকিলে take up কৰিব পৰা যাব। গতিকে যি সকলে lunch কৰা নাই তেওঁলোকে কৰিব পাৰিব আৰু আমি সদন continue কৰি গৈ থাকিম। তেতিয়া এক ঘন্টা আমাৰ চেভ হৈ যাব। House ৰ কিবা আপত্তি আছে নেকি? আপত্তি নাই যদি ঠিক আছে।

এতিয়া কাৰ্য্যসূচী নং ৫। শ্ৰীঅখিল গগৈৰ Motion আছে, মই তেখেতক মুভ কৰিবলৈ অনুৰোধ জনালোঁ আৰু Motionৰ ওপৰত বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিছোঁ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ ছাৰ, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলী ১৩১ নং নিয়ম অনুসৰি মই তলত প্ৰস্তাৱটো উত্থাপন কৰিছোঁ। প্ৰস্তাৱ ঃ যোৱা ২৪ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখে ওদালগুৰি জিলাৰ ৰৌতাৰ এক নং ধনশিৰি সূতি গাঁৱত অসম পুলিচৰ গুলিত নিহত লোক জন ৰৌতাৰ কেনাৰাম বসুমতাৰী নে বাক্সাৰ গগৈদনাৰ জংৰংফাই গাঁৱৰ ডিম্বেশ্বৰ মুছাহাৰী, আৰু সেই মৃত্যুৰ ঘটনা তদন্ত কৰিবলৈ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই চি আই ডি ৰ জৰিয়তে তদন্ত ঘোষণা কৰা বুলি জন সংযোগ বিভাগে ২৭ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখৰ প্ৰেছবাৰ্তা নং ৩৫/২০২৩ ৰ জৰিয়তে প্ৰেছ বিবৃতি জাৰী কৰিছিল। ডিম্বেশ্বৰ মুছাহাৰীক অসম পুলিছে ভুৱা en-counter কৰা বুলি সংবাদ মাধ্যমত ব্যপক চৰ্চা হৈছে। ডিম্বেশ্বৰ মুছাহাৰীৰ মৃত্যু এটি extra judicial killing অথবা ন্যায় বৰ্হিভূত হত্যাৰূপে চৰ্চা হৈছে। ২০২১ চনৰ মে' মাহৰ পৰা আজিৰ তাৰিখলৈকে অসমত পুলিচৰ জিন্মাত অভিযুক্তৰ ওপৰত আক্ৰমণৰ ১৭৪ টা এনে ঘটনা ঘটা আৰু এনে ঘটনাত ৬১ জন মানুহৰ মৃত্যু আৰু ১৪৫ জন অভিযুক্ত আঘাতপ্ৰাপ্ত হোৱা বুলি সংবাদ মাধ্যমত প্ৰকাশ পাইছে। এনে ন্যায় বৰ্হিভূত হত্যা আইনৰ শাসনৰ পৰি পন্থী। অসমত এনে ন্যায় বৰ্হিভূত হত্যা অথবা পুলিচৰ জিন্মাত অভিযুক্ত ৰূপত আক্ৰমণৰ ঘটনা বন্ধ কৰাৰ বাবে অসম বিধান সভাত প্ৰস্তাৱ গ্ৰহণ কৰা হওঁক। মই ডিম্বেশ্বৰ মুছাহাৰীৰ মৃত্যু বা হত্যাৰ ঘটনা প্ৰথমতে কৈ ল'ব খুজিছোঁ। ডিম্বেশ্বৰ মুছাহাৰী তেখেতৰ পিতা মৃত গুণিৰাম মুছাহাৰী, ঠিকনা, জেংগেংপাৰ গাওঁ, থানা গোবৰ্ধনা, জিলা বাক্সা। ডিম্বেশ্বৰ মুছাহাৰীক হত্যা কৰা হৈছিল যোৱা ২৪ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখৰ দিনা। ৰৌতা থানাৰ ধনশিৰী সূতি গাঁৱত ওদালগুৰি জিলাত তেওঁক হত্যা কৰা ঘটনা সংঘটিত হৈছিল। তাৰ পিছতে যোৱা ২৬ তাৰিখৰ দিনা তেওঁৰ পত্নী মঞ্জু মুছাহাৰীয়ে প্ৰথমতে তেওঁ ডিম্বেশ্বৰ মুছাহাৰী নহয়, তেওঁ কেনাৰাম বসুমতাৰী বা কেনাৰাম বড়ো বুলি প্ৰচাৰ কৰিছিল। কিন্তু তাৰ

পৰৱৰ্তী সময়ত ২৬ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখৰ দিনা তেওঁৰ পত্নী মঞ্জু মুছাহাৰীয়ে গৈ এটা গোচৰ দিলে যে নহয় এই যিটো মৃতদেহ আছে সেই মৃতদেহটো আচলতে কেনাৰাম বসুমতাৰীৰ নহয় সেই মৃতদেহটো ডিম্বেশ্বৰ মুছাহাৰীৰহে। তাৰ পিছত ভাতৃৰ DNA test কৰা হ'ল ২৮ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখৰ দিনা। পুত্ৰৰ DNA test কৰা হ'ল ৬ মাৰ্চ, ২০২৩ তাৰিখৰ দিনা, বডি হেণ্ডঅভাৰ কৰা হ'ল ১১ মাৰ্চ, ২০২৩ তাৰিখৰ দিনা। কিন্তু এতিয়ালৈকে ডি এন এ টেষ্ট আৰু postmortemৰ report ৰ ফলাফল পৰিয়ালক প্ৰদান কৰা হোৱা নাই। আমি সকলোৱে জানো যে এনেকৈ যদি এজন ST/SC ৰ মানুহক যদি হত্যা কৰা হয় বা এনেকুৱা নিৰ্যাতনৰ ঘটনা সংঘটিত হয়, তেতিয়াহ'লে এনেকুৱা হত্যাৰ ঘটনা যেনেকৈ IPC-302 ত সেই ধাৰা অন্তৰ্ভূক্ত হয়, তেনেকৈ ST/SC prevention of Atrocities Act 1989ৰ অধীনতো গোচৰ ৰুজু কৰা হয়। তেওঁৰ পত্নীয়ে এই গোচৰটো সেই Atrocityৰ অধীনত গোচৰ ৰুজু কৰিবলৈ আহ্বান জনাইছিল। কিন্তু আমি সকলোৱে দেখিলো যে সেই গোচৰ অভিযোগ কৰা হৈছিল ২৬ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখে এতিয়া ২৬ মাৰ্চ পাৰ হৈ গুচি গ'ল, এতিয়া এপ্ৰিল চলি আছে, কিন্তু আমাৰ জনজাতীয় ব্যক্তি Dimbeswar Mushaharyয়ে এতিয়ালৈকে ন্যায় পোৱা নাই। পুলিচৰ জিম্মাত মৃত্যু বা পুলিচৰ গুলিত মৃত্যু হোৱা এই ঘটনাৰ ওপৰত PIL 86 2021, নামৰ এটা গোচৰ PIL কৰিছিল Arif Mohammad Yasim Jwadar verses the State of Assam. এই গোচৰটোত আমি দেখিছিলো যে অসম চৰকাৰে additional affidavit in opposition bill ত যোৱা 29 September তাৰিখে ঘোষণা কৰিছিল যে অসমত এনেকৈ পুলিচৰ গুলিত বা পুলিচৰ হাতত May, 2021 ৰ পৰা August, 2022লৈকে total ১৭১ টা এনেকুৱা ধৰণৰ ঘটনা সংঘটিত হৈছে। চৰকাৰে নিজে শপতনামাত কৈছে যে ১৪৫ জন মানুহ এনেকুৱা ঘটনাত আঘাতপ্ৰাপ্ত হৈছে আৰু মৃত্যু হৈছে ৫৬ জনৰ। গৃহ বিভাগৰ এই শপতনামা ২৯-০৯-২০২২ তাৰিখে গুৱাহাটী উচ্চ ন্যায়ালয়ত দিয়া হৈছিল। এনেকুৱা ঘটনাৰ ক্ষেত্ৰত পুলিচৰ হাতত মৃত্যু বৰণ কৰা বা পুলিচৰ গুলিচালনাৰ ঘটনাৰ ক্ষেত্ৰত আমি সকলোৱে জানো যে PUCL verses the State of Maharastra এই যিটো গোচৰ আছে সেই গোচৰৰ অধীনত কেইটামান guideline আছে, 16 guideline আছে আৰু সেই টা16 guidelineৰ ভিতৰত কেইটামান অত্যন্ত গুৰুত্বপূৰ্ণ guideline হ'ল যে এনেকৈ যদি পুলিচৰ হাতত কোনোবা মানুহৰ মৃত্যু ঘটে বা এনেকুৱা গুলিচালনাৰ ঘটনা ঘটে , তেতিয়াহ'লে চেপাৰেট আৰু independent FIR. দিয়া হয় অৰ্থাৎ প্ৰথমে কোনোবা এজন অভিযুক্তক গ্ৰেপ্তাৰ কৰে সেই গ্ৰেপ্তাৰ কৰাৰ কাৰণে এখন এফ আই আৰ থাকেই, সেই case টোৰ কাৰণে তাৰ পৰবৰ্তী সময়ত ইয়াত অতি স্পষ্টকৈ কৈ দিয়া হৈছে যে তাৰ পৰৱৰ্তী সময়ত যদি এনেকৈ আঘাতপ্ৰাপ্ত হয় বা মৃত্যু ঘটে তেতিয়াহ'লে under-302 IPC ৰ অধীনত আকৌ এখন independent বা নতুন FIR lodged হ'ব লাগে। কিন্তু এতিয়া পৰ্য্যন্ত আমি দেখিবলৈ পাইছো যে ডিম্বেশ্বৰ মুছাহাৰীৰ ক্ষেত্ৰত এতিয়ালৈকে নতুন কোনো FIR ৰুজু কৰা হোৱা নাই। আমি দেখিবলৈ পাইছো যে এই গোচৰটো ইতিমধ্যে CID ক অৰ্পণ কৰা হৈছে আৰু CID য়ে যিটো fresh note দিছে, তাত কৈছে যে এতিয়ালৈকে এই গোচৰটো আগৰ মানুহজনক ধৰাৰ কাৰণে পুলিচে যিটো case দিছিল সেই কেচটোহে transfer কৰি CID য়ে নিয়া বুলি কোৱা হৈছে। অৰ্থাৎ এতিয়ালৈকে ডিম্বেশ্বৰ মুছাহাৰীৰ ক্ষেত্ৰত নতুন এটা গোচৰ under-302 ৰ অধীনত হত্যা কৰা হ'ল, সেই ধাৰাৰ অধীনতে এতিয়ালৈকে নতুন case লোৱা হোৱা নাই এক নম্বৰ। দ্বিতীয়তে, তেওঁৰ পত্নীয়ে যে SC/ST Atrocities Act ৰ অধীনত যিটো গোচৰ দিছে সেই গোচৰটোকো

এতিয়ালৈকে গ্ৰহণ কৰা হোৱা নাই। গতিকে এইটো সম্পূৰ্ণ ৰূপে ভুৱা কাম কৰা হৈছে আৰু অতি সোনকালে আমি এই গোচৰটোৰ ওপৰত এটা independent FIR গ্ৰহণ কৰিবলৈ আহ্বান জনাইছোঁ। দ্বিতীয়, কথাটো হ'ল যে এনেকৈ পুলিচৰ হাতত আঘাতপ্ৰাপ্ত বা মৃত্যু হোৱা ঘটনাক magisterial enquiry লাগে। তাৰ পিছত forensic case আৰু ballistic case কৰিব লাগে। এই যে কথাটো কলো এই কাম PUCL guideline ৰ অধীনত। মাননীয় উপাধ্যক্ষ মহোদয়, ফৰেন্সিক টেষ্ট কৰিব লাগে। এই কেইটা কাম কৰিব লাগে Police Accountable Commissioner ৰ নিৰ্দেশনা অনুসৰি। অকল মই কোৱা কথা নহয়, ইতিমধ্যে Law of the Land ঘোষণা কৰিছে উচ্চতম ন্যায়ালয় এটা অৰ্ডাৰত। এনেকৈ ১৬ টা গাইডলাইন অনুসৰি গোচৰ দিবই লাগিব Law of the Land বুলি ঘোষণা কৰিছে। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশে ঘোষণা কৰা Law of the Land মানে Article ১৪১ ত অধীনত এটা গোচৰক কৈ দিয়ে Law of the Land হ'ব এইটো অকল গোচৰৰ ক্ষেত্ৰত নহয়, সেইটো গোটেই দেশখনৰ আইনত পৰিণত হয়। ডিম্বেশ্বৰ মুছাহাৰীৰ ক্ষেত্ৰত এতিয়ালৈ এই গোচৰটো কৰা হোৱা নাই। তেখেতৰ পত্নীয়ে দিয়া FIR, CID য়ে নিজৰ ব্যক্তিগত ভাবে FIR খন গ্ৰহণ কৰিব লাগে। Firing আৰু হত্যাৰ লগত জড়িত যি সকল মানুহ আছে, পুলিচ বিষয়া বা চিপাহী সকলক তেওঁলোকক অতি সোনকালে গ্ৰেপ্তাৰ কৰাৰ ব্যৱস্থা কৰিব লাগে। ST/SC ৰ যিখিনি আইন আছে তাৰ অধীনত ৩০ দিনৰ ভিতৰত তদন্ত শেষ কৰিব লাগে। এতিয়ালৈ কিন্তু কাকো গ্ৰেপ্তাৰ কৰা হোৱা নাই। ST/SC ৰ যিখিনি আইন সেই অনুসৰি তেখেত সকলক ক্ষতিপূৰণ দিব লাগে। মই যেতিয়া এই প্ৰস্তাৱটো দিছিলো তেতিয়া লৈকে অসমত ১৭৪ টা এনেকুৱা এনকাউন্টাৰৰ ঘটনা হৈছিল। কিন্তু এতিয়া সেই সংখ্যাটো ১৮০০ টা লৈ বৃদ্ধি হৈছে। চৰকাৰে মানুহ গুলিয়াই মৰাৰ সংখ্যাটো ৭৪ টালৈ বৃদ্ধি পাইছে। সমগ্ৰ অসমৰ ক্ষেত্ৰত পুলিচৰ হাতত আঘাতপ্ৰাপ্ত, মৃত্যু হোৱা ঘটনাৰ ক্ষেত্ৰত নতুনকৈ স্বাধীন ভাবে FIR দাখিল কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। স্বাধীন ভাবে তদন্তৰ ব্যৱস্থা কৰিব লাগে। দণ্ডাধীশৰ দ্বাৰা তদন্তৰ ব্যৱস্থা কৰিব লাগে। অসমত যি বিলাক ভুৱা এনকাউন্টাৰৰ ঘটনা হৈছে ইয়াক প্ৰথমে বন্ধ কৰিব লাগে। এই গোটেই এনকাউন্টাৰৰ বিলাকৰ ওপৰত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাৰ্য্যকাৰী ন্যায়াধীশৰ তত্বাৱধানত এটা SIT বা CBI দ্বাৰা তদন্তৰ ব্যৱস্থা কৰিব লাগে। আগতে যেনেকৈ এ.জি.পি.ৰ বা বিজেপিৰ দিনত গুপ্ত হত্যা হৈছিল। এতিয়া মুক্ত হত্যা হৈ আছে। গুপ্ত হত্যা মুক্ত হত্যা বন্ধ হ'ব লাগে।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া গৃহ মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰী।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ২৪-০২-২০২৩ তাৰিখে ৰৌতা পুলিচ থানাত এটা তথ্য আহিছিল। অতিৰিক্ত আৰক্ষী অধীক্ষক ওদালগুৰিৰ পৰা। কিনাৰাম বসুমতাৰী বুলি এজন দুধৰ্ষ ডকাইতে মাথি দৈমাৰী, গাওঁ নম্বৰ ১, দক্ষিন শ্ৰী খুতি, এই ঘৰটোত পিষ্টল লৈ ডকাইত কৰিবলৈ আহিব। Accordingly Rowta Police Station went to the site and indulged in an ambush in and around the house of Mathi Daimary led by Shri Asurya Jibon Boruah, APS, ASP, HQ udalguri and Shri Jyoti Pegu, APS, ASP (Crime). And Around 10.30 A.M the said Dacoit, Shri Kina Ram Bodo alies Kina Ram Basumatary and his compaions reportedly came to the house of Mathi Daimary on a Motor Bike without Number Plate with the intention of committing

of Arms Robbering. When they were challenged by the police, one of the Dacoit open fired on police party, the police team also fired in the name of self defence to stop the Arms Dacoit from escaping. After the firing police seized one Dacoit was found lying with bullet injuries and two numbers of police personnel namely, SI Hirak Jyoti Pegu and APRG constable 153 Shri Sukumar Barman sustained bullet injuries. Immediately the injured dacoit and injured police personnel also shifted to the Udalguri Civil Hospital but the attending doctor declared the injured dacoit was dead and injured police SI Hirak Jyoti Pegu referred to the GMCH. মুচাহাৰী মানুহজন নিৰীহ হয় নে নহয় সেইটো CID ৰ তদন্তত গোটেই কথাখিনি ওলাব। এগৰাকী মহিলাই মোৰ স্বামী বুলি গ্ৰহণ কৰিছে। পৰিয়ালে গ্ৰহণ কৰি লৈ গ'ল। পাছত যেতিয়া আকৌ দুখন ফটো ওলাল তেতিয়া আহি পেলায় ক'লে যে এইজন আচলতে কিনাৰাম নহয় ডিম্বেশ্বৰ হে। তেতিয়া কথাটো নতুনকৈ চিন্তা-চৰ্চা কৰা হ'ল। এইটো তদন্তত ওলাই পৰিব।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** আপোনালোকে আইনখন বদলাই দিব নোৱাৰে নহয়?

(সদনত হুলস্থুল)

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, পুলিচ তেখেত সকলৰো। পুলিচৰ PSO টো তেওঁৰো আছে। নাই নেকি? ইমান যদি বেয়া পায় PSO কেইটা এৰি দিলে হ'ল। পুলিচক আমি কিয় গালি পাৰো, ক'ৰবাত পুলিচে ডকাইতৰ পৰা বাচিবলৈ , গুলীৰ পৰা বাচিবলৈ পুলিচে কেতিয়াবা ফায়াৰিং কৰিবলগীয়া হয়। সেই এককেইটা পুলিচকে আমি গালি পাৰো। ইয়ালৈ যদি আপোনালোক কেতিয়াবা যদি আহে, কেতিয়া আহে মই নাজানো সেই পুলিচে কিন্তু আপোনাকে ল'গ ধৰিব লাগিব। সেই পুলিচক গালি পাৰাৰ প্ৰৱনতা কিয় ইমান বেছি মই বুজি নাপাওঁ। যি কি নহওঁক উপাধ্যক্ষ ডাঙৰীয়া এই ডিম্বেশ্বৰ মুছাহাৰীৰ বিৰুদ্ধে বিভিন্ন থানাত গোচৰ ৰুজু হৈ আছে।

(সদনত হুলস্থুল)

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মুছাহাৰীৰ হত্যাৰ তদন্ত লাগে।

(সদনত হুলস্থুল)

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়া আপুনি সময় পাব মাজত ডিষ্টাৰ্ব নিদিব যদি এইটো কৰে, মই ভোটিংত গুছি যাম।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই ব্যক্তিগৰাকী, যি গৰাকী বসুমতাৰী, তেখেতৰ বিৰুদ্ধেও গোবৰ্দ্ধনা পি এচ, ৰঙিয়া পি এচ, ঢেকীয়াজুলি পি এচ, এই ঠাই বিলাকত ডকাইতি আৰু এ টি এম লুট এই কেচবিলাক আছিল। গতিকে পুলিচে নিৰীহ মানুহ ক'তো হত্যা কৰা নাই, পুলিচে কোনোবা ডকাইতৰ পৰা বাচিবলৈ গুলিয়াবলগীয়া হৈছিল। তেতিয়া তেখেতৰ মৃত্যু হৈছিল। গতিকে উপাধ্যক্ষ ডাঙৰীয়া, সন্মানীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে অসম চৰকাৰৰ পুলিচে কোনো ধৰণৰ মানুহ হত্যা কৰা নাই। এনকাউন্টাৰত কোনো মৰা নাই। পুলিচে নিজক বচাবলৈ কেতিয়াবা গুলীয়াইছে, ক'ৰবাত হয়তো মৰিছে। কিন্তু এই নিৰ্দ্দিষ্ট কেচটো চি আই ডি ৰ তদন্ত হৈ আছে। গতিকে চি আই ডি ৰ তদন্ত যেতিয়া হ'ব তেতিয়া আমি নতুনকৈ চিন্তা-চৰ্চা

কৰিব পাৰিম।

(সদনত হুলস্থুল)

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়া আপুনি প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে?

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত খুব স্পষ্টকৈ লিখি থোৱা আছে, এটা বাক্য গাই দিলেই কথাটো স্পষ্ট হৈ পৰিব।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি উইড্ৰ কৰিব নে নকৰে? আপুনি প্ৰশ্ন কৰিলে আৰু মন্ত্ৰী মহোদয়ে ইয়াৰ উত্তৰ দিলে। আপুনি এতিয়া কওঁক উইড্ৰ কৰিব নে নাই?

(সদনত হুলস্থুল)

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)**-ঃ এখেতে বেলেগ এটা চিটৰ পৰা আহি চিঞৰ বাখৰ কৰি আছে। নিজৰ ঠাইৰ পৰাহে কথা ক'ব পাৰে।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য সকলে ৰুল পঢ়ে জানো? সদস্যসকলে ৰুল নপঢ়ে সেই কাৰণে মোৰ অনুৰোধ থাকিল সকলো সদস্যই ৰুল বুকখন পঢ়িব।

(সদনত হুলস্থুল)

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য ৰকিবুল হুছেইন ডাঙৰীয়াই ৰুলৰ কথা কৈছে, ঠিক কথা কৈছে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** এনেকৈ কৈছে যে সঁচাকৈ যদি পুলিচৰ হাতত এনেকুৱা ধৰণৰ ঘটনা এটা ঘটে তেতিয়া হলে, কৈছে যে যদি পুলিচৰ হাতত এজন মানুহ মৰেও বা আঘাতপ্ৰাপ্ত হয় নতুনকৈ এখন FIR দিবই লাগিব পুলিচৰ বিৰুদ্ধে।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য প্ৰস্তাৱ আনোতে ক'লে, উত্তৰ দিলে, এতিয়া আপুনি প্ৰস্তাৱটো উইড্ৰ কৰিব নে নকৰে? There is no provision for question under Rule 55, you can not ask question. আপুনি প্ৰস্তাৱটো উইড্ৰ কৰিব নে নকৰে?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** এনেকৈ বিধান সভাৰ যোৱা ২৪-১২-২০২২ তাৰিখৰ সন্মানীয় সদস্য আশ্ৰাফুল হুছেইন ডাঙৰীয়াই.......

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মুল প্ৰস্তাৱটোলৈ আহো, প্ৰস্তাৱটো হ'ল মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াই উত্থাপন কৰা প্ৰস্তাবটো গৃহীত কৰাত সদনৰ সন্মতি আছে নে? যি সকল সদস্য/সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক হয়, আৰু যি সকল বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়। মই ভাবো, 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, প্ৰস্তাৱটো নাকচ কৰা হ'ল। এতিয়া আইটেম নং - ৬, Speakers initiative . The subject is prevention of drugs addiction and child trafficking in Assam. খুব গুৰুত্বপূৰ্ণ বিষয় মই ভাবো সকলো সদস্যই ইয়াত অংশগ্ৰহণ কৰিব। যি সকল সদস্যই যোৱা বিধান সভা চলি থাকোতে এটা ইয়াৰ ওপৰত চেমিনাৰ হৈছিল। তাত যি সকলে অংশগ্ৰহণ কৰিছিল তেখেত সকলৰ নাম ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে। তেখেত সকলে সঠিক ভাবে ইয়াত অংশগ্ৰহণ কৰিব পাৰিব বুলি মোৰ বিশ্বাস। মই আৰম্ভ কৰিব ধৰিছো, এতিয়া মাননীয় সদস্য শ্ৰী সঞ্জয় কিষাণ, মাননীয় মন্ত্ৰী।

**শ্ৰী সঞ্জয় কিষাণ, (মন্ত্ৰী) ঃ** ধন্যবাদ মাননীয় উপাধ্যক্ষ মহোদয়, অতি গুৰুত্বপূৰ্ণ বিষয় এটা আজি সন্মানীয় অধ্যক্ষৰ উদ্যোগত এই সন্মানীয় বিধান সভাত আলোচনাৰ বাবে দিয়া হৈছে। সঁচাকৈয়ে আজিৰ তাৰিখত বিশেষভাবে গাৱঁৰ হওঁক বা চহৰৰ হওঁক বা চাহ বাগিচাৰ হওঁক আমাৰ উঠি

অহা যুৱক যুৱতীৰ মাজত ড্ৰাগছে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। বিশেষভাৱে এই নিচাজাতীয় সামগ্ৰীৰ সেৱন কৰাৰ পিছত আজি কেৱল যুৱক যুৱতীয়েই যে নষ্ট হৈছে এনে নহয়, যিটো পৰিয়ালত এনেধৰণৰ সদস্য আছে, তেখেত সকলৰ গোটেই পৰিয়ালটোৰ কাৰণেই এটা ডাঙৰ ভাবুকি আহি পৰিছে। উপাধ্যক্ষ ডাঙৰীয়া অতি দুৰ্ভাগ্যজনক ভাবে আমাৰ অসমত বিশেষভাবে অন্যান্য ৰাজ্য সমূহৰ পৰায়েই হওক বা আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ পৰায়েই হওক ড্ৰাগচ সৰবৰাহ হৈ আহিছে। মই ধন্যবাদ জনাইছো, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক যে তেখেতৰ বলিষ্ঠ পদক্ষেপৰ বাবে ইতিমধ্যে অসমত বহু এনেধৰণৰ কু কৰ্মত জড়িত, ড্ৰাগছ ব্যৱসায়ীৰ লগত জড়িত যি সকল লোক ইতিমধ্যে গ্ৰেপ্তাৰ হৈছে, আৰু লগতে বহুত কোটি টকাৰ ড্ৰাগছ পুলিছে জব্দ কৰিবৰ কাৰণে সক্ষম হৈছে। কিন্তু তথাপিও আমাৰ গোটেই উত্তৰ পূৰ্বাঞ্চল তথা অসমখনক অশান্তি কৰিবৰ কাৰণে এনেধৰণৰ অপশক্তি বিলাকে অহৰহ চেষ্টা কৰিছে। নিশ্চিত ভাৱে আমাৰ সকলো কেইজন বিধায়ক বিৰোধী দলৰে হওঁক বা শাসক দলৰে হওঁক সকলোৱে মিলি drugs ৰ বিৰুদ্ধে আমি যুঁজিব লাগিব আৰু অসমখনৰ পৰা ইয়াক সম্পূৰ্ণভাৱে নাইকিয়া কৰিব লাগিব। নহ'লে আমাৰ উঠি অহা প্ৰজন্ম সম্পূৰ্ণভাৱে বিধস্ত হ'ব। এই কথা আমি সকলোৱে আজি মৰ্মে মৰ্মে উপলব্ধি কৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, যিসকল এবাৰ drugs আসক্ত হৈ পৰে তেওঁলোকৰ জীৱনটো কিমান ভয়ানক হৈ পৰে সেইখিনি আমি চকুৰে দেখাৰ পিছতহে উপলব্ধি কৰিব পাৰিম। সম্ভ্ৰান্ত পৰিয়ালৰ বহু এনে যুৱক-যুৱতী আমি দেখিছো যে মাক-দেউতাকে বহুত সপোন লৈ তেওঁলোকৰ ল'ৰা-ছোৱালীক জ্ঞান লাভ কৰিবলৈ কলেজ, স্কুললৈ পঠিয়াইছে, কিন্তু অতি দূভাৰ্গ্যজনক ভাৱে হাইস্কুল-কলেজত পঢ়ি থকা বা বিশ্ববিদ্যালয়ত পঢ়ি থকা ল'ৰাটো আজি drugs ত আসক্ত হৈ তেওঁলোকৰ জীৱনটো তিলতিলকৈ ধ্বংসৰ মুখলৈ ঠেলি দিয়া এটা পৰিবেশ ইতিমধ্যে সৃষ্টি হৈছে। ইয়াৰ বাবে ইতিমধ্যে যিবিলাক ব্যৱস্থা আমাৰ চৰকাৰে গ্ৰহণ কৰিছে, নিশ্চিতভাৱে সঠিক ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু মই ভাবো যে ইয়াক সম্পূৰ্ণভাৱে নাইকিয়া কৰিবলৈ হ'লে যিবিলাক আন্তঃৰাষ্ট্ৰীয় চক্ৰই আমাৰ উত্তৰ-পূৰ্বাঞ্চল অঞ্চলক অশান্তি কৰিবৰ কাৰণে বা আমাৰ উঠি অহা নতুন প্ৰজন্মক নিঃশেষ কৰিবৰ কাৰণে যি চেষ্টা কৰিছে, ইয়াক সম্পূৰ্ণভাৱে নাইকিয়া কৰিবৰ কাৰণে আমি আৰু অধিক চিন্তা-চৰ্চা কৰি সঠিক পদক্ষেপ গ্ৰহণ কৰিব লাগিব। মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ পুলিচ-প্ৰশাসনে যিখিনি Source পাইছে, যিখিনিৰ পৰা এই কামখিনি সৰবৰাহ হৈ আছে আৰু ইয়াক সম্পূৰ্ণভাৱে নিঃশেষ কৰিবৰ কাৰণে আগন্তুক দিনত আৰু শক্তিশালী পদক্ষেপ গ্ৰহণ কৰা হব। যাতে কোনেও সাহস কৰিব নোৱাৰে। মই মাননীয় মন্ত্ৰী শ্ৰী পিযুষ হাজৰিকা ডাঙৰীয়াক ধন্যবাদ জনাইছোঁ যে তেওঁ আমাৰ যিখিনি Rehabilitation চেণ্টাৰ আছে সেইবিলাকলৈ তেওঁ নিজেই গৈ নিৰীক্ষণ কৰিছে। মাননীয় উপাধ্যক্ষ মহোদয়, মই ভাবো ইয়াত আৰু যিবিলাক চেণ্টাৰ আছে, সেই আসক্ত যুৱক সকলক drugs ৰ পৰা তেওঁলোকে নিজকে কিদৰে ৰক্ষা কৰিব পাৰিব তাৰ বাবে তেওঁলোকক বিভিন্ন ধৰণৰ চিকিৎসা কৰাৰ লগতে বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়োৱা হয়। আজি এনেধৰণৰ বহু Rehabilitation centre আছে য'ত নেকি কিছুমান যুৱকে তেওঁলোকে নিজেই এটা সময়ত drugs আসক্ত আছিল আৰু তেওঁ কিবা কাৰণে তা ৰপৰা ঘূৰি আহিছে আৰু তেওঁলোক নিজেই কথাবিলাক অন্তৰৰ পৰা উপলব্ধি কৰাৰ পিছত এনেধৰণৰ Rehabilitation centre বিলাক গঢ়ি তুলিছে। মোৰ তিনিচুকীয়া জিলাখনতেই এনেধৰণৰ Rehabilitation centre ত কেইবাজনো যুৱকৰ মৃত্যুও ঘটিছে। এই যিবিলাক চেণ্টাৰ আছে এই চেণ্টাৰ বিলাকত চৰকাৰে চৰকাৰী ভাৱে কিছু নীতি-নিয়ম সঠিকভাৱে তেওঁলোকক পালন কৰিবৰ বাবে দিয়া হয়

আৰু এই চেণ্টাৰ বিলাক যাতে কোনো কাৰণতে যিখিনি চৰকাৰী নীতি-নিয়ম আছে তাৰ বাহিৰত গৈ যাতে কোনো আসামাজিক কামত লিপ্ত হ'ব নোৱাৰে আৰু চৰকাৰী কিছু সঠিক নীতি-নিৰ্দ্দেশনা পালন কৰিবলৈ দিয়াৰ লগতে সেই চেণ্টাৰ বিলাকত এজন drugs আসক্ত যুৱক তাত থাকিবলৈ হ'লে যিখিনি সা-সুবিধা লাগে, যিখিনি পৰিবেশ থাকিব লাগে, যিখিনি ব্যৱস্থা থাকিব লাগে সেই ব্যৱস্থাখিনি যাতে তাত সম্পূৰ্ণৰূপে কৰা হয় তাৰ কাৰণে চৰকাৰে নিশ্চয় আগন্তুক দিনত বিবেচনা কৰিব। আমি মাজে-সময়ে আমাৰ কলেজেই হওঁক বা বিশ্ব বিদ্যালয়ে হওঁক বা আমাৰ গাওঁ অঞ্চলতো আমি কিছুমান যুৱকক হেৰুৱাব লগীয়া হৈছে, আমাৰ পৰিবেশ বিলাক নষ্ট হৈছে। আজি যিটো সময়ত এজন ল'ৰাই শিক্ষা গ্ৰহণ কৰি দেশৰ কাৰণে কাম কৰিব লাগিছিল সেই সময়ত উক্ত যুৱকজন নিজকে নষ্ট কৰি পেলাইছে, নিজৰ পৰিয়ালটোক নষ্ট কৰি পেলাইছে আৰু নিজৰ সমাজখনক নষ্ট কৰি পেলাইছে। তেনেক্ষেত্ৰত সজাগতা শিৰিৰ বিলাক যদি আমি সঠিক ভাৱে কৰিব পাৰো, আমি যাতে যুৱক-যুৱতীসকলক সঠিকভাৱে আগুৱাই আনিব পাৰো তেতিয়াহ'লে নিশ্চয় এই ভয়াৱহ পৰিস্থিতিৰ পৰা যুৱক-যুৱতী সকলক ৰক্ষা কৰিব পাৰিম আৰু লগতে আজিও এনে যিসমূহ শক্তি আছে, যিবিলাকক আমি ইতিমধ্যে চিনাক্ত কৰিছো তেওঁলোকৰ ওপৰত যাতে সঠিক ব্যৱস্থা হয়, তেওঁলোকৰ ওপৰত যাতে কঠিন ব্যৱস্থা লোৱা হয়, কোনেও যাতে এই সামগ্ৰীৰ লগত ব্যৱসায় কৰিবৰ বাবে সাহস কৰিব নোৱাৰে তাৰ কাৰণে উপযুক্ত ব্যৱস্থা আমাৰ চৰকাৰৰ তৰফৰ পৰা হোৱাতো কামনা কৰিম আৰু আগন্তুক দিনত আমি গাওঁয়েই হওঁক, চহৰেই হওঁক, চাহ বাগিচাই হওঁক এইবিলাকত সজাগতা শিৰিৰ বিলাক যাতে আমি আৰু অধিক শক্তিশালী ভাৱে কৰিব পাৰো। মই এইখিনি কথা কৈছো আৰু মোক আজি এই বিষয়ত আমাৰ সন্মানীয় সদনত ক'বলৈ সুবিধা দিয়াৰ বাবে মই পুনৰবাৰ মাননীয় উপাধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰি মোৰ ক'বলগীয়াখিনি ইমানতে সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি যি এটা গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত অধ্যক্ষৰ উদ্যোক্তাত ভাগ ল'বলৈ পাই সদনত মই ধন্যবাদ জনাইছো। আজি আমাৰ ৰাজ্যত drugs ৰ প্ৰতি আসক্তি আৰু শিশু সৰবৰাহৰ ঘটনাবোৰ যোৱা সময়চোৱাত যথেষ্ট বৃদ্ধি পাইছে। এইখিনি তথ্য চৰকাৰৰ ফালৰ পৰা যোৱা সময়চোৱাত এই সদনত আমাৰ সদস্য সকলৰ মাজত যিটো উপস্থাপন কৰা হ'ল তাৰ পৰাই আমাৰ প্ৰতীয়মান হয়। এই ঘটনাবোৰৰ প্ৰতি নিশ্চিতভাৱে চকুমুদি থাকিব নোৱাৰো। সেয়েহে এই drugs আৰু শিশু সৰবৰাহ এই দুইটা বিষয়ৰ ওপৰত চৰকাৰৰ ফালৰ পৰা আৰু অধিক সুনিদিষ্ট পদক্ষেপ লোৱাৰ প্ৰয়োজনীয়তা আছে বুলি এই সদনৰ আলোচনাৰ পৰা অনুভৱ কৰিব পাৰো। Drugs ৰ এটা তথ্যমতে অসমত তিনি লাখতকৈ অধিক লোক drugs আসক্ত। কিন্তু United Nation ৰ অফিচত drugs and crime মতে চাৰে সাত লাখতকৈ অধিক হ'ব। ইয়াৰ ভিতৰত যিখিনিয়ে সুৰাপান কৰে সেইখিনি ইয়াত ধৰা হোৱা নাই। আমাৰ ৰাজ্যত বিশেষকৈ যুৱক -যুৱতী সকলৰ মাজত drugs ৰ প্ৰতি আসক্তি এটা গুৰুত্বপূৰ্ণ সমস্যা। ইয়াৰ ফলত সমাজৰ আৰু পৰিয়ালত যি বিধ্বংসী পৰিণতি হয়, বিভিন্ন সময়ত সংবাদ মাধ্যমৰ যোগেদি আমি পৰিলক্ষিত কৰি আহিছো। ইয়াৰ ওপৰত আমাৰ যথেষ্ট কৰণীয় আছে। বিশেষকৈ সচেতনতা যেনেধৰণে হ'ব লাগিছিল এইটো আৰু অধিক হোৱাৰ প্ৰয়োজন। এইক্ষেত্ৰত আমি ভাবো যে পুলিচ লগাতকৈ অধিক সচেতনতাৰ যোগেদি যদি কাম কৰিবলৈ চেষ্টা কৰা হয় বেছি ভাল হ'ব। Drugs সেৱনৰ ওপৰত কঠোৰ আইন প্ৰণয়নে সমাজত

drugs আসক্তি প্ৰতিৰোধৰ ক্ষেত্ৰত সহায়ক হয়নে নে নহয় সেইক্ষেত্ৰত কোনো স্পষ্টতা নাই। কেতবোৰ ৰাষ্ট্ৰত কেতবোৰ drugs ক এতিয়া লিগেল কৰা হৈছে যাতে যিবিলাক কম মাৰাত্মক সেইবিলাকৰ প্ৰতি আসক্তি হয় আৰু বেছি মাৰাত্মক বিলাকৰ প্ৰতি দেশৰ প্ৰজন্মখিনিক আঁতৰাই আনিব পাৰি। কঠোৰ drugs আইনৰ বিৰূদ্ধে এটা যুক্তি হ'ল যে ইয়াৰ ফলত অপৰাধ আৰু drugs সম্পৰ্কীয় হিংসাও বৃদ্ধি পাব পাৰে। কিয়নো drugs ৰ কলা বজাৰখন অধিক লাভজনক আৰু বিপদজনক হৈ পৰাৰ ফলত বিভিন্ন ধৰণৰ ভয়ানক ঘটনা এই drugs related ঘটনা বিলাকত দেখা পোৱা যায়। যদিহে অধিক কঠোৰ কৰা হয় তেতিয়াহ'লে কাৰাগাৰত বন্দিত্বৰ হাৰও বৃদ্ধি পাব পাৰে, অপৰাধ মূলক কাৰ্য্যকলাপ বৃদ্ধি পাব পাৰে আৰু ঠিক তেনেকৈ যেতিয়া drugs সেৱকক অপৰাধমূলক ন্যায় বিষয় হিচাপে গণ্য কৰা হয় তেতিয়া ইয়াৰ লগত আসক্ত যিসকলে ওলাই আহিবলৈ যুঁজি থাকে সেই ব্যক্তি সকলে নিচাৰ এটা কলংক ল'ব লগা হ'ব পাৰে আৰু তেওঁলোকে ইয়াৰ ফলত নিজৰ নিচাৰ বাবে সহায় বিচৰাত বাধা হ'ব পাৰে বা সমাজত গ্লানি হ'ব পাৰে বুলি তেওঁলোকে চিন্তা কৰে আৰু অপৰাধ মূলক আচৰণ আৰু drugs আহৰণৰ যিটো চক্ৰ তাৰ পৰা ওলাই অহাত কষ্ট হ'ব পাৰে। ঠিক তেনেকৈ সমাজত drugs ৰ যি আসক্তি সেই আসক্তিৰ ফলত দেখা পাওঁ যে বহু উঠি অহা প্ৰজন্ম ধ্বংস হয় কেতবোৰ PL ৰ কাৰণে বা কেতবোৰ তেওঁলোকৰ বন্ধুৰ হেচাত পৰিও, drugs দিশলৈ গতি কৰে আৰু যাৰ ফলত খুব ভাল দিশত গতি থকা কিছুমান যুৱক, শিশু, ছাত্ৰই মৃত্যু মুখত পৰা ঘটনা অসমত ঘটি আছে।

ঠিক তেনেকৈ অন্য এটা বিষয়, শিশু সৰবৰাহৰ ক্ষেত্ৰত আমাৰ ৰাজ্যৰ বহু শিশুক বলপূৰ্বক শ্ৰম, যৌন-শোষণ, অংগ ব্যৱসায় আদি বিভিন্ন উদ্দেশ্যত সৰবৰাহ কৰাৰ ঘটনাই বিভিন্ন সময়ত আমি গম পাওঁ। শিশু সৰবৰাহ ৰোধ কৰিবলৈ যিখিনি পদক্ষেপ, অনুৰূপ ধৰণে এটা সজাগতা আৰু শিশু সৰবৰাহৰ গোচৰৰ দিয়াৰ বাবে help line, সেই help line টো আৰু অতি জনপ্ৰিয় হ'ব লাগে। আৰক্ষী আৰু অন্যান্য বিষয়া সকলক সৰবৰাহ কৰা শিশুক চিনাক্ত আৰু উদ্ধাৰৰ বাবে আৰু উচ্চ মানৰ প্ৰশিক্ষণ, যিসকল শিশু আমাৰ মাজৰ পৰা নাইকিয়া হৈ যায়, তেওঁলোকক যাতে খুব সোনকালে চিনাক্ত কৰিব পৰা যায়, তাৰ বাবে অন্য কিছুমান দেশত কৰাৰ নিচিনাকৈ তেওঁলোকৰ ফটোসহ বিজ্ঞাপন আদি দি যাতে ৰাইজৰ মাজত তেওঁলোকক লৈ ফুৰিছে, সেই কথাখিনি জনাৰ বাবে এটা সজাগতা কৰিব পাৰি।

ঠিক তেনেকৈ শিশু সৰবৰাহৰ ফলপ্ৰসু বিৰোধীতা কৰিবলৈ চৰকাৰে আইন প্ৰয়োগকাৰী সংস্থা সমূহক আৰু শক্তিশালী কৰা উচিত। আমাৰ Anti Child Trafficking Unit এতিয়া ঘোষণা কৰিছে, সেইখিনি আৰু অধিক কাৰ্য্যক্ষম কৰিব লাগে আৰু অধিক তাত আৰক্ষী মোতায়নৰ ব্যৱস্থা হ'ব লাগে, যিখিনি পুনৰবাসন কেন্দ্ৰ, যোৱা সময়ছোৱাত বিভিন্ন আঁচনিৰ অধীনত কেতবোৰ পুনৰবাসন কেন্দ্ৰ থাকে, আমি দেখিবলৈ পাইছিলো, মন্ত্ৰী মহোদয়েও সেই সমুহ কেন্দ্ৰলৈ যাওঁতে, সেই সমূহ ভাল ধৰণে পৰিচালনা নোহোৱাৰ বাবে, তেখেতে নিজেও ক্ষোভ প্ৰকাশ কৰিছিল আৰু ব্যৱস্থা গ্ৰহণৰ ব্যৱস্থা কৰিছে। সেই গতিকে এই ক্ষেত্ৰত যদি আৰু কিছু বিভাগটোক সক্ৰিয় কৰিব লাগে, তাৰবাবে জলসম্পদৰ আৰু ব্যৱস্থা কৰি পুনৰবাসন কেন্দ্ৰসমূহ চোৱাচিতাৰ ব্যৱস্থা আমি কৰিব লাগে।

ঠিক তেনেকৈ আৰু বহুখিনি নিশ্চিতভাৱে কৰণীয় আছে। যিহেতু আমাৰ কাষৰীয়া কেইখনমান ৰাজ্যৰ লগত আৰু golden triangle ভিতৰত হোৱাৰ কাৰণে, এই অঞ্চলটোত যথেষ্টখিনি drugs ৰ সৰবৰাহ হয়। ঠিক তেনেকৈ মানৱ সম্পদৰো সৰবৰাহৰ বাবে সুবিধা থকা

বুলি কোৱা হয়। সেই গতিকে আজি যিটো আলোচনা, এই আলোচনাৰ জৰিয়তে আমাৰ সদস্যসকলে আৰু কিছু ভাল পৰামৰ্শ আগবঢ়াব, এই আশা কৰি, এই বিষয়টোৰ ওপৰত মোৰ বক্তব্য সামৰিছোঁ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী ৰাম কৃষ্ণ ঘোষ। তেখেত অনুপস্থিত।

মাননীয় সদস্য শ্ৰী শ্বেৰমান আলি আহমেদ, তেখেত অনুপস্থিত।

মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, তেখেত অনুপস্থিত।

মাননীয় সদস্য শ্ৰী দিপায়ন চক্ৰবৰ্তী, তেখেত অনুপস্থিত।

মাননীয় সদস্য শ্ৰী দিগন্ত বৰ্মন।

**শ্ৰী দিগন্ত বৰ্মন(বৰক্ষেত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় অধ্যক্ষ মহোদয়ৰ "Speaker Initiative" "Prevention of Drug addiction and Child Trafficking in Assam. তাৰ কাৰণে মই মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছোঁ।

এই ক্ষেত্ৰত মই সদনক জনাম যে যোৱা মাহত আমি মাননীয় অধ্যক্ষ মহোদয়ৰ লগত মই আৰু আমাৰ কেইবাজনো বিধায়ক শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, শ্ৰী ভৰেন্দ্ৰ নাথ ভৰালী প্ৰমুখে চিকিমলৈ গৈছিলো। চিকিমৰ বৈঠকতো drugs ওপৰত আছিল। এই ক্ষেত্ৰত আমাৰ আগৰ বক্তা সকলে কৈ গৈছে যে মাদক দ্ৰব্যৰ যিটো ব্যৱহাৰ, ই এটা সমাজৰ ব্যাধি। কথাটো এনেকুৱা, আমাৰ এটা পৰম্পৰা আছে যে আমি ভাত সাঁজ খাই, এখন তামোল খাবলৈ বিচাৰো। আমি addicted, আমি তামোলখন নাখালে, আমি থাকিবলৈ নোৱাৰো। কোনোবাই ভাত খাই, এটা চিগাৰেট খাবলৈ বিচাৰে। Drug ৰ ক্ষেত্ৰতো এনেকুৱা যে আমি দেখিছো যিসকল লোকে drug ব্যৱহাৰ কৰে, লাহে লাহে অলপ সেৱন কৰে, তাৰ পিছত তাৰ পৰিমান বাঢ়ি যায়, আৰু তাৰ পিছত সকলো পাহৰি কেৱল drug ত মত্ত হৈ থাকে। এটা সময়ত আমি drug ৰ সম্পৰ্কত কেইবাখনো TV Serial চাইছিলোঁ। এতিয়া কথাটো হ'ল সমাজত এই drug টো নিৰ্মূল কৰাৰ কাৰণে চৰকাৰে যথেষ্ট কৰিছে। কিন্তু কৰিবলগীয়া আৰু বহুত আছে। প্ৰথম এটা কথাই কওঁ, যে আমাৰ ল'ৰা-ছোৱালীয়ে drug কিয় ব্যৱহাৰ কৰিবলৈ যায়, কাৰণটো কি? প্ৰথম কাৰণ এটাই বুজিব লাগিব তেওঁৰ সংগৰ দোষত পৰিছে নেকি? তেওঁৰ লগত কোনোবা ল'ৰা-ছোৱালীয়ে drug ব্যৱহাৰ কৰিবৰ কাৰণে প্ৰলোভন দিছে নেকি? এই ক্ষেত্ৰত আমি বহুত সময়ত লক্ষ্য কৰিছোঁ যে drug বেয়া। আগতে মানুহে মদ খাইছিলে। আমি কৈছিলো যে মদ বেয়া। গাঞ্জা খাইছিলে, এতিয়া extreme লৈকে গৈছে মানুহবিলাকে। মই কিছুদিন আগত আমাৰ ঠাই বিলাকত লক্ষ্য কৰিছিলোঁ যে কিবা tablet খাই বুলি কয়, যে চকুটো ৰঙা হৈ থাকে, কিবা SP tablet. যোৱা কালি মই বাতৰি কাকতত পঢ়িছো এনেকুৱা tablet cease কৰা হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ সকলো মানুহৰ বেয়া বস্তুৰ প্ৰতি ধাউতি বেছি। ভালটো চাব নিবিচাৰে, বেয়াটো চাই। সেই কাৰণে drug ব্যৱহাৰ কৰিব। তেতিয়া ভাৱে যে এইটো খালে খুব ভাল লাগিব, এইটোৰে খাওঁ।

মাননীয় উপাধ্যক্ষ মহোদয়, drug বুলি কোৱাৰ লগে লগে আমি cocain, heroin এই বিলাকৰ কথা ভাৱো। কিন্তু এতিয়া ডাঙৰ সমস্যা হৈছে, গাওঁ অঞ্চলত ফাৰ্মাচীসমূহ, এই ফাৰ্মাচীসমূহত কিছুমান tablet থাকে, সেই tablet বিলাক আনি খাই থাকে। এটা cough syrup যিটো corex বুলি কয়, এজন মানুহে দুটা corex একেলগে খাই দিয়ে। এইটোও drug। এই ক্ষেত্ৰত আমাৰ চৰকাৰে এই ফাৰ্মাচী বিলাকক অলপ control কৰিব লাগে। বিশেষকৈ অসমত Drug Inspector ৰ সংখ্যা একেবাৰে কম। মই ফাৰ্মাচীৰ বিৰুদ্ধে কবলৈ যোৱা নাই, কিন্তু এই যিবিলাক tablet মাদক দ্ৰব্য হিচাপে লৰা -ছোৱালীবিলাকে গ্ৰহণ কৰি আছে, এইটো আমি ৰোধ

কৰিব লাগিব। এই ক্ষেত্ৰত মই এটা কথা আহ্বান কৰিব বিচাৰো যে আপোনালোক Drug related চাকৰিয়ালৰ সংখ্যা বৃদ্ধি কৰক, ব্লক পৰ্য্যায়ত দিয়ক, তেতিয়া নিশ্চিত ভাৱে এইবিলাক কমিব।

তাৰোপৰি মাননীয় উপাধ্যক্ষ মহোদয়, Child Trafficking যিটো আমি National standard ত কৈছো যে ৭ ৰ পৰা ১৬ বছৰৰ ল'ৰা -ছোৱালীকে তেওঁলোকে লৈ যায়। ক'ত নিয়ে, কেৰেলা, গুজৰাট, মহাৰাষ্ট্ৰ। Fish packing কৰাৰ কাৰণে এই লৰা -ছোৱালী বিলাকক লৈ যায়। বেছি পইচা দিব নালাগে কাৰণে লৈ গুছি যায়। সেইটো হ'ল এক নম্বৰ।

দুই নম্বৰত কিছুমান ঠাই আছিল, আজি কালি বহুত কমিলে, এই লৰা-ছোৱালী বিলাকক লৈ ভিক্ষা খুজিবলৈ দিয়ে। তেওঁলোকক বিকলংগ কৰি কলিকতা বা অন্যান্য মহানগৰীত ভিক্ষা খুজিবলৈ দিয়ে। তাৰ পৰা collection কৰে। এতিয়া কি কৰিছে লৰা -ছোৱালী বিলাকক বেয়া কামতো লগাই দিয়া হৈছে। আপুনি শুনি আচৰিত হ'ব, অলপতে আমাৰ নলবাৰীত সৰু ল'ৰা ষ্টেট বেংকৰ ওচৰত ৰৈ থাকিব, বয়স ৯,১০ বছৰ হ'ব, তিনিজনমান লৰা-ছোৱালী থাকে, এজনে বেগটো টানি দৌৰি পিছৰ জনক দিব, তেনেকৈ Railway station পিনে পলাই যায়, ভাবিব নোৱাৰে। বিহু আহি আছে, বিহুৰ সময়ত দেখিব কিছুমান সৰু লৰাই মহিলাৰ চেইন টানি লৈ যাব, আপুনি সিহঁতক ধৰিব নোৱাৰে। এই যিবিলাক কৰি আছে, কোনোবাই inspire কৰি আছে তেওঁলোকক। এই ক্ষেত্ৰত মই কৈছো যে এখন গাওঁৰ পৰা কোনোবা এজন লৰা যদি নোহোৱা হয়, গাওঁ প্ৰধান জনক দায়িত্ব দিব লাগে যে গাওঁৰ ল'ৰাজন ইমান দিন নাই, ক'ত গ'ল। তেনেকৈ স্কুলৰ কোনোবা লৰা -ছোৱালী যদি বহু দিন ধৰি অনুপস্থিত হৈ আছে, প্ৰধান শিক্ষকজনে চাব লাগিব যে এই ছাত্ৰ জন ক'ত গ'ল, প্ৰধান শিক্ষক জনে পৰিয়ালৰ লগত councilling কৰিব লাগিব যে ক'ত গৈছে। বহুতৰ ক্ষেত্ৰত মই দেখিছো যে বাহিৰলৈ লৈ গুছি যায়, এই চৰকাৰে কাম কৰি আছে, মই বেয়া বুলি কোৱা নাই, কিন্তু এই ক্ষেত্ৰত কৰিব লগীয়া বহুখিনি আছে। বিশেষকৈ অসমৰ ক্ষেত্ৰত । বিশেষকৈ আমাৰ অসমৰ যিহেতু ম্যানমাৰ আৰু ভূটানৰ আন্তৰাষ্ট্ৰীয় সীমা আছে, ড্ৰাগছ কোকেইন আদি ক'ৰ পৰা আহি আছে। এইটো যদি আমি মন কৰো গাঞ্জা সৰহসংখ্যক মণিপুৰৰ পৰা আহে । মানুহে কয় লোকেল গাঞ্জাটোতকৈ মনিপুৰী গাঞ্জাটো খায় ভাল পায় । গতিকে মণিপুৰৰ পৰা আহি আছে । সেই কাৰণে কৈছে যে আমাৰ যিটো সীমান্ত, সেইটো বন্ধ কৰিব লাগিব আৰু আমাৰ চৰকাৰৰ বহুখিনি কমিটি আছে, সেই বিলাক কমিটিয়ে যদি কাম কৰে তেতিয়াও বহুখিনি নিৰাময় হ'ব । ডিষ্ট্ৰিক এন্টি হিউমেন ট্ৰেফিকিং ইউনিট আছে, ডিষ্ট্ৰিক্ট চাইলড্ প্ৰটেক্সন ইউনিট আছে, কিন্তু আমি নিজেই হয়তো গুৰুত্ব নিদিও । আমি অন্যান্য উন্নয়নমূলক কামত লাগি থাকো। গতিকে এই ক্ষেত্ৰত চৰকাৰে অলপ সিদ্ধান্ত ল'ব লাগে যে আজিৰ দিনত ফাৰ্মাচী বিলাকত যিবোৰ টেবলেট বিক্ৰী কৰি আছে এইটো বন্ধ কৰাৰ বাবে ব্যৱস্থা কৰক আৰু তাৰ কাৰণে স্বাস্থ্য বিভাগত কিছু নিযুক্তি দিয়ক, তেতিয়া এইটো নিশ্চিতভাবে কমি যাব । মই দীঘলীয়া নকৰো, মোক এইখিনি সময় দিয়াৰ বাবে ধন্যবাদ জনাইছো ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী জয়ন্ত বসুমতাৰী।

**শ্ৰী জয়ন্ত বসুমতাৰী, (চিদলী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অধ্যক্ষৰ উদ্যোগ শিতানত মাদক দ্ৰব্য আৰু মানহ সৰবৰাহ এই বিষয়ে আলোচনা চক্ৰটোত মই দুআষাৰ কথা ক'বলৈ যত্ন কৰিম। সন্মানীয় উপাধ্যক্ষ মহোদয়, ই এটা ডাঙৰ সমস্যা আজিৰ দিনত । আমাৰ বিশেষকৈ মাদক দ্ৰব্য বুলি যদি কোৱা যায় ইয়াত বহুখিনি বস্তু সাঙুৰি লোৱা হয়। আমাৰ সৰু সৰু ল'ৰা ছোৱালী, ছাত্ৰ

সকল যিবিলাকে স্কুলত পঢ়ি থাকে  এই সকলৰ বিষয়ে মই দুআষাৰ ক'বলৈ যত্ন কৰিছো । আমি ভাবো যে  টেবলেট বা কোকেইন-হিৰোইন এইবিলাকে ড্ৰাগছ হয়, আমি সেইটোৰে জানো । কিন্তু এটা বিষয়ত আমি চকু নিশ্চয়কৈ কৰা নাই সেইটো হ'ল যে ডেনড্ৰাইট। মই যিটো দেখিছো বিশেষকৈ আমাৰ যিসকলৰ আৰ্থিক অৱস্থা ভাল নহয় বা সৰু গাওঁ অঞ্চলৰ ল'ৰা-ছোৱালী, তেখেত সকলে সহজতে  পোৱা বস্তুটো হ'ল ডেনড্ৰাইট। এই ডেনড্ৰাইটো আচলতে হাৰ্ডৱেৰ দোকান বিলাকে ৰাখিব লাগে, কিন্তু দেখা গৈছে যে যিবোৰ পান দোকান আছে সেইবিলাকে ৰাখি দিয়ে আৰু বিশেষকৈ স্কুলৰ ল'ৰা ছোৱালী বিলাকৰ কাৰণে সেই ডেনড্ৰাইট সহজে উপলব্ধ হয়। মই এখন স্কুলৰ লগত জড়িত, মই দেখিছো যেতিয়া হোষ্টেলত থাকে তেতিয়া সেই সমস্যাটো নাহে। কিন্তু পূজা, বিহুৰ বন্ধত যেতিয়া ঘৰত যায় আৰু তেতিয়া এই অভ্যাসটো স্কুললৈ আহি যায়। আকৌ আমি এক সপ্তাহ দুই সপ্তাহ ধৰি সেইটোৰ কাৰণে সজাগ হ'ব লাগে। লাহেকৈ এইটো বন্ধ হৈ যায় । তেওঁলোকে সেই ডেনড্ৰাইটটো পলিথিনত লৈ ব্যৱহাৰ কৰে । এইটো এটা ডাঙৰ ব্যাধি হৈ গৈছে। প্ৰায় তিনি চাৰিজন মান ল'ৰা ছোৱালী চেষ্টা কৰিও আমি ঠিক কৰিব নোৱাৰিলো । শেষত সেই সকলৰ পঢ়া শুনা নোহোৱা হৈ গ'ল, কাৰণ পাছ কৰিবই নোৱাৰে । সেইটো ন'ললে, তেওঁলোকে শুবই নোৱাৰে। তেনেকুৱা এটা অৱস্থা। সেই কাৰণে মই প্ৰস্তাৱ ৰাখিব বিচাৰিছো যে আজি আমাৰ বহুতো ব্যৱস্থা গ্ৰহণ কৰিছে, পুলিচ প্ৰশাসনেও বহুতো সৰু সৰু ড্ৰাগছৰ চোৰাং ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰিছে, কিছুমানক জেল পৰ্য্যন্ত দিলে, কোনো কোনো ঠাইত গাঞ্জা, হিৰোইন আদিও জব্দ কৰা হ'ল। কিন্তু এই পান দোকান বিলাকত ডেনড্ৰাইটৰ যি চোৰাং কাৰবাৰ চলি আছে সেই বিষয়টোত গুৰুত্ব প্ৰদান কৰা হোৱা নাই । পান দোকান সমূহত চলি থকা ডেনড্ৰাইটৰ চোৰাং কাৰবাৰ বন্ধ কৰাৰ বাবে আমি নিশ্চিত ভাবে ব্যৱস্থা  গ্ৰহণ কৰিব লাগিব । তেতিয়াহে আমাৰ গাঁৱলীয়া অঞ্চল সমূহত থকা ল'ৰা-ছোৱালী বিলাকক নিচামুক্ত কৰিব পৰা যাব । আৰ্থিক দুৰৱস্থাত ভোগা বা এটা সন্তান থকা বহুতো পৰিয়ালৰ ছাত্ৰ-ছাত্ৰী এই মাদক দ্ৰব্যৰ কবলত পৰা দেখা যায় । গতিকে এই ডেনড্ৰাইট বন্ধ কৰাৰ বাবে চৰকাৰে এক বিহীত ব্যৱস্থা গ্ৰহণ কৰিব লাগে । আনহাতে টি ভি চেনেল বিলাকতো পান গুটখা আদি বিজ্ঞাপনৰ বহুল প্ৰচাৰ দেখা যায় । এই বিলাকো যিহেতু ড্ৰাগছৰ ভিতৰত পৰে,গতিকে এই বিলাকৰ বিজ্ঞাপন দিয়া বন্ধ কৰাৰ ব্যৱস্থা কৰিব লাগে ।

আন এটা হ'ল মানৱ সৰবৰাহ। ২০২১ চনৰ ফেব্ৰুৱাৰী মাহত মোৰ সমষ্টিৰ পৰা প্ৰায় পঞ্চাছ জন কিশোৰ কিশোৰীক চিকিমলৈ লৈ যোৱা হৈছিল, পিছত আটাইকেইজনকে পুলিচ প্ৰশাসনৰ জৰিয়তে উদ্ধাৰ কৰি অসমলৈ ওভতাই অনা হ'ল । তদন্তত দেখা গ'ল যে কোভিডৰ সময়ত প্ৰায় দুটা বছৰ মোৰ সমষ্টিৰ দাঁতিকাষৰীয়া অঞ্চলত থকা চাওতাল জনগোষ্ঠীৰ লোক সকল চুড়ান্তভাবে আৰ্থিক অনাতনত ভুগিছিল । কাৰণ এই লোকসকলে ভুটানত কাম কৰি উপাৰ্জন কৰিছিল আৰু ক'ভিদৰ সময়ত ভূটান প্ৰশাসনে এই লোক সকলক ভূটানত প্ৰৱেশ কৰিবলৈ দিয়া নাছিল যাৰ ফলত তেওঁলোকৰ আৰ্থিক অৱস্থা অতি শোচনীয় হৈ গৈছিল । সেইবাবে এই জনগোষ্ঠীৰ কিছু পিতৃ-মাতৃয়ে স্ব-ইচ্ছাৰে ৭,১৪,১৫ বছৰীয়া এজন এজেন্টৰ জৰিয়তে চিকিমত নিয়োজিত কৰাৰ বাবে পঠিয়াই দিছিল যাতে কিছু উপাৰ্জন কৰিব পাৰে । কিন্তু ভাগ্য ভাল আছিল যে আন ঠাইলৈ সৰবৰাহ কৰাৰ আগতে তেওঁলোকক উদ্ধাৰ কৰি আনিব পৰা গ'ল । কেতিয়াবা টকাৰ বিনিময়তো মানৱ সৰবৰাহ হোৱা দেখা যায় । গতিকে মই ভাবে চৰকাৰে মানৱ সৰবৰাহ ৰোধ কৰাৰ বাবে নিশ্চয়কৈ ব্যৱস্থা গ্ৰহণ কৰিব লাগে । চৰকাৰে এন জি অ'ৰ জৰিয়তে সজাগতামূলক ব্যৱস্থা কৰিব লাগে । সেই কাৰণে মই  সদনত মাদক দ্ৰব্যৰ ব্যৱহাৰ ৰোধ কৰা আৰু মানৱ সৰবৰাহ ৰোধ কৰাৰ

কাৰণে ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে আহ্বান জনাই প্ৰস্তাৱ উত্থাপন কৰিছো আৰু এই খিনি কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিছো । ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ।

**শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ, (সোনাৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় অধ্যক্ষ মহোদয়ৰ উদ্যোগত অসমত নিষিদ্ধ ড্ৰাগ্‌ছ শিশু মহিলা অবৈধ সৰবৰাহকাৰী ইয়াৰ প্ৰতিকাৰ সম্পৰ্কে যি আলোচনা আগবঢ়াইছিল আৰু তাৰ ওপৰত বিধান সভাৰ মজিয়াত দু-আষাৰ ক'বলৈ দিয়াত মই পুনৰবাৰ ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, সংশ্লিষ্ট বিষয়াসকলৰ মাজত অসমত মাদক দ্ৰব্য সেৱন আৰু শিশু সৰবৰাহৰ নিবাৰণৰ ওপৰত অনুষ্ঠিত গুৰুত্বপূৰ্ণ আলোচনাৰ ওপৰত ভিত্তি কৰি আজি পৱিত্ৰ সদনৰ মজিয়াত মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, শস্য শ্যামলা চিৰ সেউজীয়া আমাৰ অসমৰ চহৰে-নগৰে, গাঁৱে-ভূঁঞে অবৈধ ড্ৰাগ্‌ছ সৰবৰাহকাৰী শিশু আৰু মহিলা সৰবৰাহৰ লগত জড়িত দুষ্ট চক্ৰ সামাজিক পৰিৱেশ বিষময় কৰি তুলিছে। উঠি অহা নতুন প্ৰজন্মৰ গাঞ্জা, ড্ৰাগছৰ কবলত পৰি নিজৰ জীৱন ধ্বংস কৰাৰ লগতে নিজৰ ঘৰখনলৈকে কাল অমানিশা নমাই অনাৰ লগতে সামাজিক পৰিৱেশ সাংঘাতিক ধৰণে বিনষ্ট কৰা পৰিলক্ষিত হৈছে। কিশোৰ-কিশোৰী সকল বা যুৱক-যুৱতী সকল দেশৰ ধৰণী স্বৰূপ। তেওঁলোকক মানৱ সম্পদ হিচাপে গঢ়ি তোলাৰ দায়িত্ব আমাৰ পৰিয়াল, সমাজৰ, চৰকাৰৰ, প্ৰশাসন সকলোৰে ওপৰত ন্যস্ত থাকে। কিশোৰ অৱস্থাতে নানা নিচাত আসক্ত হৈ এটা অস্বাভাৱিক অকামিলা জীৱন-যাপন সংগী হোৱাতো কেৱল মাক-দেউতাকৰ বাবে দুৰ্ভাগ্যজনক নহয়, সমগ্ৰ সমাজখনৰ বাবে, জাতিটোৰ বাবে দুৰ্ভাগ্যজনক। নিষিদ্ধ ড্ৰাগ্‌ছ সেৱনৰ ফলত যুৱ মানসিকতাৰ ইমানেই বিকৃতি ঘটে যে মানসিক ভাৰসাম্য হেৰুৱাই কেতিয়াবা নিজৰ পিতৃ-মাতৃক হত্যা কৰা জঘন্য ঘটনাই বাতৰি কাকতৰ শিৰোনামা দখল কৰা দেখা যায়। আজিকালি নানা সমাজ বিৰোধী অপৰাধ সংঘটিত কৰি আইনৰ ৰোষত পৰাতো নিত্য নৈমিত্যিক ঘটনাৰ দৰে হৈ পৰিছে। এনে বিষাক্ত পৰিৱেশৰ পৰা উঠি অহা প্ৰজন্মক আমি বচাব লাগিব। তাৰবাবে আমাৰ সকলোৰে বহুতো কৰণীয় আছে বুলি মই ভাবিছো। কৈশোৰ আৰু যুৱ অৱস্থাত মনস্তাত্বিক বিকাশ কাৰ্য্যদক্ষতাৰ বৃদ্ধিৰ লগতে কেনেকৈ সু-স্বাস্থ্যৰ অধিকাৰী হ'ব পাৰি। শাৰীৰিক উৎকৰ্ষ সাধন আৰু ব্যক্তিত্ব বিকাশ সাধন কৰি এক কলাত্মক জীৱন- নিৰ্বাহ কৰিব পাৰি তাৰবাবে সচেতনতা বৃদ্ধি কৰিব লাগিব। ড্ৰাগ্‌ছ আসক্ত পৰিৱেশত এটা সুন্দৰ পৰিৱেশৰ কথা কেতিয়াও কল্পনা কৰিব নোৱাৰি। এটা সুস্থ পৰিৱেশতহে সমাজ সুন্দৰ হয়। মানুহে পৰিৱেশ গঢ়ে আৰু পৰিৱেশে মানুহ গঢ়ে। ইটো-সিটো পৰস্পৰৰ নিৰ্ভৰশীল। ড্ৰাগ্‌ছ মুক্ত পৰিৱেশ গঢ় দিয়াৰ ক্ষেত্ৰত সমাজত প্ৰতিজন মানুহে চৰকাৰৰ আৰু প্ৰশাসনক পূৰ্ণসহযোগিতা কৰিব লাগিব বুলি মই অনুভৱ কৰো। মাননীয় অধ্যক্ষ মহোদয়, এফালে নিষিদ্ধ ড্ৰাগছৰ ভয়াৱহতা, অন্যহাতে শিশু মহিলা সৰবৰাহৰ দৰে ঘটনাই আমাৰ পৰিৱেশতো শ্বাসৰুদ্ধময় কৰি পেলাইছে। শিশু আৰু মহিলা সৰবৰাহকাৰীয়ে সকলোকে সচকিত কৰি সমাজ খনত নতুন প্ৰত্যাহ্বানৰ সৃষ্টি কৰি আহিছে। মানৱ দেহৰ অংগৰ চোৰাং ব্যৱসায়ীয়ে মহিলাসকলক অবৈধ দেহ ব্যৱসায়ৰ লগত জড়িত কৰোৱা, শিশুক শ্ৰমিক হিচাপে নিয়োজিত কৰা, ভিক্ষাবৃত্তিত জড়িত কৰা ইত্যাদি সামাজিক ব্যাধিসমূহ প্ৰসাৰিত কৰি সমাজখনক অন্ধকাৰ যুগলৈ ঠেলি পঠিয়াইছে। অতি পৰিতাপৰ কথা যে নিতৌ বাতৰি কাকতসমূহত পঢ়িবলৈ পাওঁ যে নিষিদ্ধ ড্ৰাগ্‌ছ সৰবৰাহকাৰী শিশু মহিলা সৰবৰাহৰ লগত জড়িত এই গোটেই অবৈধ সমাজ বিৰোধী কাম-কাজৰ লগত জড়িত দুষ্ট চক্ৰদুটা একেটা মুদ্ৰাৰে ইপিঠি-সিপিঠি। সমাজ প্ৰদুষিত কৰা জাতি ধ্বংসকাৰী যুৱ প্ৰজন্ম তিল তিল কৈ ধ্বংসৰ

পথলৈ ঠেলি পঠিওৱা সেই ড্ৰাগ্‌ছ শিশু আৰু মহিলা সৰবৰাহকাৰী চক্ৰক পুলিয়ে পোখাই উভালি পেলাবলৈ চৰকাৰে যি শূণ্য সহনশীলতা নীতি অৱলম্বন কৰিছে তাক মই পূৰ্ণ সমৰ্থন জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, মই ক'বলৈ বিচাৰিছো মোৰ সোনাৰি সমষ্টিৰ কথা। আমাৰ সোনাৰী সমষ্টিত নামতোলা, বৰাহী আৰু সোনাইত এই তিনিটা ড্ৰাগছ rehabilitation center আছে। ভুক্তভোগী বহুকেইটা পৰিয়ালে আজি বহুত মনোকষ্টত দিন অতিবাহিত কৰিব লগা হৈছে। বৰ্তমান ৩২ টাৰো অধিক vicitims আছে। দুখনকৈ চুবুৰীয়া ভগ্নী ৰাজ্য সীমা সংলগ্ন হোৱাৰ বাবে সীমান্ত অঞ্চলত এই জীৱন ধ্বংসকাৰী, সমাজ ধ্বংসকাৰী নিষিদ্ধ ড্ৰাগ্‌ছ সৰবৰাহৰ প্ৰকোপ যথেষ্ট বেছি। সোনাৰীত চৰকাৰী ড্ৰাগ্‌ছ rehabillitation center অতি প্ৰয়োজন। যাতে ভূক্তভোগী লোকে কম খৰচত চিকিৎসা, counseling ইত্যাদি গ্ৰহণ কৰিব পাৰে লগতে চৰকাৰৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাত নগৰৰ উৎকণ্ঠ অঞ্চলত আৰু গাওঁৰ প্ৰান্তি অঞ্চলত এইসমূহ দুষ্টচক্ৰৰ চক্ৰান্ত বা নিষিদ্ধ ড্ৰাগ্‌ছ সৰবৰাহকাৰীৰ কবলত যাতে নপৰে তাৰবাবে সজাগতা বৃদ্ধিৰ বাবে ধাৰাবাহিক কাৰ্য্যসূচী ৰূপায়ণ কৰাৰ প্ৰয়োজনীয়তা আছে বুলি মই অনুভৱ কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আজি পবিত্ৰ সদনত এই অবৈধ ড্ৰাগ্‌ছ আৰু শিশু মহিলা সৰবৰাহকাৰী চক্ৰ উৎখাত আৰু সোণাৰী চৰকাৰী ড্ৰাগ্‌ছ rehabilitation center ৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাই মোৰ চমু এক-আষাৰ সামৰিলো। আজি এই পবিত্ৰ সদনত এক-আষাৰ ক'বলৈ সুবিধা দিয়াৰ বাবে মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰীৰকিবুল হুছেইন।

**শ্ৰীৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমে আপোনাক ধন্যবাদ দিব বিচাৰিছো যে আজি Speakers Initiative ত subject হিচাপে আপুনি Prevention of Drugs Addiction and Child Trafficking in Assam অসমত মাদক দ্ৰব্য সেৱন আৰু শিশু সৰবৰাহকাৰী নিবাৰণৰ কাৰণে বিষয় বস্তু আপুনি নিৰ্ধাৰণ কৰাৰ বাবে। আপুনি যিমানখিনি নাম ঠিক কৰিছিল, মোৰ নামটো নাছিল। কিন্তু সদনত থাকি এক জীয়া অনুভূতিৰ কাৰণে মই একেবাৰে মাটিত লগা দুটামান কথা ক'ব বিচাৰিছো। আজি আমি ড্ৰাগছৰ কথাখিনিত সকলোৰে এটা সিদ্ধান্ত ল'ব পাৰো নেকি যে আমাৰ যিটো এটা সামাজিক ব্যাধি, যিটো আমাৰ সমাজখন নিঃশেষ কৰি পেলাব, যিটো আজি আমাৰ গোটেই জাতিটোক ধ্বংস কৰি পেলাব, সেই কথাটোত আমি এটা সৰ্বসন্মত সিদ্ধান্ত লৈ এটা মেছেজ হিচাপে আমি ইয়াৰ পৰা পঠিয়াব পাৰো নেকি মাননীয় অধ্যক্ষ মহোদয়, মই চৰকাৰকো এই কথাটো অনুৰোধ কৰিছো। মই অনুৰোধ কৰিছো যে আমাক কোনেও বলে নোৱাৰিলেও ড্ৰাগছে কিন্তু আমাৰ জাতিটোক শেষ কৰি পেলাব। ড্ৰাগছ এনেকুৱা ভিতৰলৈকে সোমাইছে, যাৰ হৈছে তেওঁহে গম পাইছে আৰু আমাৰ এজন সদস্যই মাননীয় উপাধ্যক্ষ ডাঙৰীয়া থাকোতে কৈছিল যে, আমি ক'বলৈ লাজ কৰো নিজৰ ঘৰত যেতিয়া হয়। প্ৰথমে আমাৰ এই চৰকাৰখন আহি নিশ্চয়কৈ এই ব্যৱস্থা লৈছিল priority basis ত। মই ইয়াত থাকি সমৰ্থন কৰিব লাগে নে নালাগে মই নাজানো, কিন্তু মই কৈছো যে এইক্ষেত্ৰত আপোনালোকে যাতে আৰু কঠোৰ হয় মই অন্ততঃ ব্যক্তিগতভাৱে আৰু মোৰ দলকো বুজাম যে এইক্ষেত্ৰত আপোনালোকে যিমান শক্তিশালী পদক্ষেপ ল'ব লাগে, সিমান শক্তিশালী পদক্ষেপ লওঁক। আমি বিনা দ্বিধাই সহায় কৰিব লাগিব, নহ'লে কিন্তু সমাজখন ভাঙি-চিঙি চুৰমাৰ হৈ গৈছে। আমি দিশপুৰ গুৱাহাটীত বহি আছো। কিন্তু গাওঁৰ অলপমান জংঘল থাকিলে তাতে বহি, মোৰ ভাইতো, মোৰ ল'ৰাটোৰে কিন্তু তাত ড্ৰাগ্‌ছ সেৱন কৰি আছে। আমি যদি সকলোৰে একগোট

হওঁ, মই বাকীবোৰ বেমাৰলৈ যোৱা নাই, সকলোৱে যাতে একগোট হওঁ, তেতিয়াহ'লে নিশ্চয়কৈ এই ব্যাধি আমি শেষ কৰিবলৈ পাৰিম। মাননীয় অধ্যক্ষ মহোদয়, মই ভাৱো যে তিনিটা দিশ ড্ৰাগ্‌ছৰ লগত জড়িত আছে, যেতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই কথাখিনি উপস্থাপন কৰিছিল আপোনালোকে যদি house ৰ proceeding চাই মই ইয়াত থাকিয়েই সমৰ্থন কৰিছিলো। এটা হ'ল source ক'ৰপৰা আহে। সেইখিনি চৰকাৰে কি ব্যৱস্থা লৈ source টো নাইকিয়া কৰে, সেইখিনি চৰকাৰে কাঢ়া ব্যৱস্থা লৈ কৰক। দ্বিতীয়তো হ'ল যে আমাৰ ইয়াত আহি কোনে বিক্ৰী কৰে। সেই সকলৰ বিৰুদ্ধেও কঠোৰ হ'ব লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, তৃতীয়টো হ'ল যিটো আমাৰ সেৱন কৰে, যিজনে খায়, সেইটো কিন্তু আমাৰেই নিজৰ ল'ৰা বা ছোৱালী। আমাৰেই নিজৰ সমাজৰ এটা অংগ। সেইলোকসকলক আমি মুকলিকৈ ক'ব লাগিব যে তোমালোকে যদি এইটো সেৱন কৰিছা আহা আমি একেলগে কথা পাতো তোমালোকৰ অসুবিধাবিলাক দূৰ কৰাৰ কাৰণে এটা পৰিৱেশ তৈয়াৰ কৰিব লাগিব। মই দেখিছিলো কেইদিনমান আগত আমাৰ মাননীয় মন্ত্ৰী পিযুষ হাজৰিকা ডাঙৰীয়াই কেইজনমানক লগত লৈ এটা Rehabilitation Centre লৈ গৈছিল। মই আৰম্ভণিৰ দিনাই ইয়াত কৈছিলো যে সেইসকলক লৈ যদি আমি Rehabilitation Centre কৰো, তেতিয়াহ'লে যিসকলে ড্ৰাগ্‌ছ সেৱন কৰিছে, কিমান টান এৰাবৰ কাৰণে যোন ভুক্তভোগী, যাৰ অঙহী-বঙহী সকল ইয়াৰ লগত জড়িত আছে, সেইলোকসকলেহে জানে। আমি পৰিকল্পিতভাৱে বিশেষজ্ঞসকলক লগতলৈ এটা ব্যৱস্থা কৰো আৰু মই ভাৱো যে এইক্ষেত্ৰত সকলোৱে এটা মেচেজ দি Responsibility ফিক্স কৰিব লাগে। চৰকাৰী পক্ষ বা বিৰোধী পক্ষ বুলি কথা নাই। আমাৰ এই ১২৬ জন বিধায়কক লৈয়েইতো অসম। আমি যদি Responsibility ফিক্স কৰো আৰু চৰকাৰে যদি বিভিন্ন কাৰণত সৰ্বদলীয় কমিটি কৰিব পাৰে তেন্তে আমি সমষ্টি ভিত্তিত এখন কমিটি কিয় কৰিব নোৱাৰো ? লাগিলে মন্ত্ৰী বা তাৰ বিধায়কজনকে দায়িত্ব দিয়ক আৰু সমাজ সচেতন লোকসকলক লগত লৈ থানা ভিত্তিত এখন কমিটি গঠন কৰি ড্ৰাগ্‌ছ বিক্ৰী কৰা আৰু ড্ৰাগ্‌ছ সেৱন কৰা লোকসকলক চিনাক্ত কৰিব লাগে আৰু দুটা তিনিটা ভাগত বিভক্ত কৰিব লাগে। চৰকাৰী পক্ষ বা বিৰোধী পক্ষই হওঁক খবৰ দিয়াৰ লগে লগে যদি আৰক্ষীয়ে ব্যৱস্থা গ্ৰহণ কৰে, তেতিয়া মই ভাৱো যে এইক্ষেত্ৰত আলোচনা কৰিলে আমাৰ ফল দিব। এইখিনি কৰিবলৈ যাওঁতে কৰোবাত দুই এটা ঘটনা হৈছে সেইবোৰক বাদ দি, মই মুকলিকৈ কৈছো এনকাউণ্টাৰ জাতীয় ঘটনাবোৰক যাতে বাদ দিও, উৎসাহ নিদিও। আমাক কিছু উৎসহ লাগিব, কিছুমান ড্ৰাগ্‌ছ খোৱা মানুহো আমাক লাগিব। আজি মোক হয়তো বহুতে বেয়া পাব। মই নাম ল'ব খুজিছো আনন্দ মিশ্ৰ ডাঙৰীয়াৰ। আনন্দ মিশ্ৰ ডাঙৰীয়াই দুই এটা ঘটনা কৰিছে আৰু মানুহে সেইটো বেয়া পাইছে। তেওঁৰ দিনত কিন্তু নগাওঁৰ বাসিন্দা হিচাপে মই কওঁ যে ড্ৰাগ্‌ছ খোৱা আৰু ড্ৰাগ্‌ছ বিক্ৰী কৰা লকোসকলে ভয় খাইছিল। ড্ৰাগ্‌ছৰ ক্ষেত্ৰত ধৰ্মৰ কথা নাই। ড্ৰাগ্‌ছ খোৱা সকলৰ সকলো জাতি-জনগোষ্ঠীয়ে একেলগে ড্ৰাগ্‌ছ সেৱন কৰে। এইদৰে গোটেই জাতি ধ্বংস হ'ব। যোৱাকালি মই চামগুৰিৰ পৰা আহিছো আৰু মই আহোতে দেখিছো যে মোৰ আজিকালি চিকিউৰিটি নাই সেয়েহে মোক দূৰৰ পৰা ধৰিব পৰা নাই। অলপ জংঘল অঞ্চলত মোৰ গাড়ীখন দেখি কেইটামান ল'ৰা দৌৰিছে। তাৰে কেইটামান ল'ৰা মোৰ চিনাকী। মই যেতিয়া চালো দেখিছো যে সেই ল'ৰা- কেইটাই একেলগে ড্ৰাগ্‌ছ সেৱন কৰি আছে। কিন্তু ৰাজনৈতিকভাৱে তেওঁলোক বেলেগ বেলেগ দলৰ আৰু বেলেগ বেলেগ ধৰ্মৰ। কিন্তু ড্ৰাগ্‌ছ সেৱন কৰাৰ ক্ষেত্ৰত সকলো এক। এই কথাটো গভীৰভাৱে ল'ব লাগে। চৰকাৰে

এইটো আৰু বেছি গুৰুত্ব সহকাৰে ল'ব লাগে। যদি দৰকাৰ হয় আমি সদনত পইচা দিবলৈ সাজু আছো। মাজতে চৰকাৰে এইটো অতি গুৰুত্ব দিছিল আৰু কিবা কাৰণত এতিয়া গুৰুত্বটো কমাই দিয়াৰ নিচিনা লাগিছে। এইখিনি কোৱা কাৰণে হয়তো বহুতে মোক বেয়া পাব পাৰে। আজি এই ক্ষেত্ৰত এটা বাৰ্তা যাব লাগে যে আমি সকলোৱে এক। আমি নিজৰ জাতিটো বচাব লাগিব। নিজৰ ল'ৰাটো বচাব লাগিব। আৰু এটা কথা ক'ব বিচাৰিছো যে আমি শুনিছিলো যে কেন্দ্ৰীয় কেবিনেটত মাননীয় শৰদ পাৱাৰ ডাঙৰীয়া মন্ত্ৰী আছিল আৰু তেওঁ কেবিনেটত যাব পৰা নাছিল। কিন্তু এটা বিষয়-বস্তু আলোচনা কৰিবলৈ তেওঁ বিমানবন্দৰৰ পৰা ঘূৰি আহি সেইখন লৈ গৈছিল। সেইটো আছিল গুট্‌খা বন্ধ কৰিবৰ বাবে। তেওঁ নিজৰ, গুট্‌খা খাই কেন্সাৰ হৈছিল। এই গুট্‌খাটোৱেই ধ্বংস কৰিব। এইটো সদনত কোৱা কথা হয়নে নহয় নাজানো কিন্তু পিক্ পেলাই গোটেই পৰিৱেশটো যি সকলে গুট্‌খা খায় সেইসকল মানুহে নষ্ট কৰে। গুট্‌খাক আমি শিখৰ বুলি কওঁ। আমি সদনতো দেখিছো যে দুই এজন বিধায়কৰ গোট্‌খা খাই লিপিষ্টিক লগোৱাৰ নিচিনা ওঁঠখন হৈ থাকে। এই শিখৰটোকো অলপ মান মাননীয় অধ্যক্ষ মহোদয়, অলপমান চাব লাগে। আমাৰ অৰ্থনীতিত বহুখিনি এই কেন্সাৰ বেমাৰৰ কাৰণে গুচি গৈছে। কেন্সাৰ বেমাৰৰ কাৰণ চিগাৰেটতকৈ শিখৰ বুলি কোৱা হৈছে। সেইকাৰণে অধ্যয়ন কৰোতে মই নেটত চালো যে আজিকালি আমেৰিকাই হওঁক বা লণ্ডনতেই হওঁক বেমাৰটো হোৱাৰ আগতে প্ৰতিৰোধৰ কাৰণে বেছি পইচা খৰচ কৰে আৰু বেমাৰটো হোৱাৰ পিছত কম পইচা খৰচ কৰে। সেই কাৰণে ড্ৰাগ্‌ছৰ ক্ষেত্ৰত আমি Rehabilitation Centre আৰু বেছিকৈ কৰিব পাৰো নেকি? জিলা ভিত্তিত এই চেণ্টাৰসমূহ কৰিব পাৰে নেকি আৰু এইবোৰ কৰাৰ ক্ষেত্ৰত আমি সকলোকে কাউঞ্চিলিং কৰিব লাগে আৰু স্কুলসমূহতো ব্যৱস্থা ল'ব লাগে। ড্ৰাগ্‌ছৰ ক্ষেত্ৰত আমি সকলো সদস্য একেলগে আগবাঢ়িব লাগে আৰু মাদকদ্ৰব্য নিবাৰণৰ কাৰণে আমি সকলোৱে এটা সপ্তাহ ল'ব লাগে। এই ক্ষেত্ৰত আমাৰ চৰকাৰৰ মন্ত্ৰীসকলো থাকিব লাগে আৰু মই নিজেও আগভাগ লম। এইখিনি নকৰিলে আমি যিমানেই অংক নকৰো কিয় আমি নিজৰ ল'ৰাটো ড্ৰাগ্‌ছ খাই, অঙহী-বঙহী আৰু গোটেই জাতিটো ধ্বংস হৈ যাব। এই ক্ষেত্ৰত বাস্তৱসন্মত সিদ্ধান্ত লোৱাৰ বাবে অনুৰোধ কৰিছো। আপোনালোকে যদি থানা ভিত্তিত কমিটি গঠন কৰে আৰু স্কুল-কলেজসমূহত মিটিং কৰি সচেতনতা বৃদ্ধি কৰাৰ লগতে তিনিটা ক্ষেত্ৰত চৰকাৰ কঠোৰ হওঁক। প্ৰথমতে উৎসটো বন্ধ কৰা, দ্বিতীয়তে বিক্ৰী কৰা লোকসকলৰ ক্ষেত্ৰত চৰকাৰ কঠোৰ হ'ব লাগে। তৃতীয়তে আমাৰ ল'ৰা-ছোৱালীসকলৰ কোনো ধৰণৰ মনোকষ্ট নিদিয়াকৈ মুকলিকৈ কথা পাতি এই সামাজিক ব্যাধিৰ পৰা দূৰ কৰিব পৰা যায়। এই উদ্যেগতাক ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰিলো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া আমিনুল ইছলাম ডাঙৰীয়াই কওঁক।

**শ্ৰী আমিনুল ইছলাম, (ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এটা অতি গুৰুত্বপূৰ্ণ বিষয় আপোনাৰ উদ্যোগত গ্ৰহণ কৰাৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিলো। আজি যিটো বিষয় অধ্যক্ষৰ উদ্যেগতাত অন্তৰ্ভূক্ত কৰা হ'ল তাৰ দুটা অংশ আছিল। এটা হ'ল-মাদক দ্ৰব্য নিবাৰণ আৰু আনটো হ'ল হিউমেন ট্ৰেফিকিং। সকলোৱে আচলতে এটা বিষয়তে গুৰুত্ব আৰোপ কৰি আহিছে যে কেনেকৈ ড্ৰাগ্‌চ বা মাদকদ্ৰব্য নিৰ্মূল কৰিব পৰা যায়। তাৰ লগত হিউমেন ট্ৰেফিকিংটো অলপ হ'লেও জড়িত হৈ আছে। বহুক্ষেত্ৰত দেখা যায় যে যিসকলে ড্ৰাগ্‌চ সৰবৰাহ কৰে সেই অপক্তিয়ে হিউমেন ট্ৰেফিকিংৰ লগতো জড়িত হৈ থাকে। অন্তঃত কু-চক্ৰসমূহ একেই থাকে। এই বিষয়টো বৰ্তমান উদীয়মান প্ৰজন্মৰ কাৰণে অত্যন্ত ঘাতক আৰু ধ্বংসকাৰী। এইটোৱে আমাৰ ভৱিষ্যত প্ৰজন্মক কেনেকৈ ধ্বংস

কৰিছে ভুক্তভোগীসকলে জানে। বহু কথা কিন্তু বাহিৰলৈ ওলাই নাহে আৰু বহু শিক্ষিত আৰু সম্ভ্রান্ত ঘৰৰ পৰিয়ালৰ সন্তান ড্রাগ্‌চ আসক্ত হৈ কি কি কাণ্ড কৰিছে, সেইটো আত্মসন্মানৰ কাৰণে বাহিৰত প্রকাশ নকৰে। আমি এনেকুৱা ঘটনাও শুনিছো যে ল'ৰা এজনে ড্রাগ্‌চ খোৱাৰ পিছত কেইবা হাজাৰো টকা তেওঁৰ বাকী হ'ল। তেওঁ ড্রাগ্‌চ কিনিবৰ বাবে টকা নোহোৱা হ'ল। যাৰ বাবে তেওঁ পিতৃৰ নামত থকা মাটি কাৰোবাক বিক্রী কৰি দিব বুলি জবান দিছে। কিন্তু মাটিটো যিহেতু তেওঁৰ নামত নাই সেয়েহে তেওঁ লিখিত দিব নোৱাৰে। সেইকাৰণে তেওঁ ডেগাৰ এখন আনি তেওঁ পিতৃক চহী কৰি দিবৰ কাৰণে কৈছে নহ'লে মাৰি পেলাব বুলি কৈছে। বাপেকে কান্দি কান্দি মূৰব্বীসকলক কৈছে। মো্ৰ পূৰ্বৰ বক্তাই নগাওঁৰ এচ পি এজনৰ কথা কৈছে যে তেখেতে যেতিয়া অপাৰেশ্যনটো বহুত ভালকৈ চলাইছিল মই তেওঁৰ নামটো কৈ দিওঁ আনন্দ মিশ্র ডাঙৰীয়া। সেই সময়ত কিছুমা্ন গাওঁত যেতিয়া ড্রাগ্‌চৰ যোগান বন্ধ হৈ গ'ল আমি জনা নাছিলো যে যুৱ-প্রজন্মৰ মাজত ইমান সংখ্যক যুৱক ড্রাগ্‌চ আসক্ত হৈ আছে। তাৰ পিছত আমি শুনিছিলো যে গাওঁত বহু ল'ৰা ৰাস্তাত বাগৰি ফুৰিছিল। যেতিয়া শৰীৰে দুদিন-তিনিদিন ড্রাগ্‌চ নাপাই তেতিয়া শৰীৰে ৰিয়েক্ট কৰে। এনেকৈ ধৰা পৰিছে যে কিমান ল'ৰা তলে তলে ড্রাগ্‌চ আসক্ত হ'ল বহু পৰিয়াল ধ্বংস হৈছে। বহু পৰিয়াল অসহায় হৈ পৰিছে। কিন্তু বহুতে বাহিৰত এই কথাখিনি ক'ব পৰা নাই। যিটো দাবী আহিছে যে প্রত্যেক জিলাতে Rehabilitation Centre হ'ব লাগে। কিন্তু অৱস্থাটো দেখি এনেকুৱা লাগিছে যে প্রত্যেক ব্লক, থানা ভিত্তিত বা চাৰ্কোলত Rehabilitation Centre হ'ব লাগে। ড্রাগ্‌চ আসক্ত লোকৰ সংখ্যা ইমান বাঢ়ি গ'ল যে জিলা এখন Rehabilitation Centre হ'লে নহ'ব। Rehabilitation Centre অনাটোতো এটা সমস্যা আছে। পৰিয়ালৰ লোকে যোৰ কৰিলেও বা নিব খুজিলেও নাযায়। পৰিয়ালৰ লোকে হয়তো কেতিয়াবা আনৰ সহায় ল'ব লাগিব বা আইনৰ সহায় ল'ব লাগিব। Rehabilitation Centre ত যদি ইমানখিনি সুবিধা দিব পৰা যায় বুলি ভাৱে বা চেতনা জগাব পৰা যায় যে মই এটা ভুল পথত গৈ ধ্বংসৰ ৰাস্তাত মই গুচি গ'লো, **তাৰ** পৰা ঘূৰি অহাৰ এটাই ৰাস্তা আছে যে **তেওঁ** Rehabilitation Centre ত যাব লাগিব। বহু ক্ষেত্রত দেখা যায় তেওঁলোকৰ এইখিনি বিবেক শক্তিও নোযোৱা হৈ যায় যে তেওঁলোক ধ্বংসৰ ৰাস্তাত গৈ আছে, তেওঁলোকৰ জীৱনটো কিছু দিন পিছত ধ্বংস হ'ব, এইখিনি তেওঁলোকৰ বিবেকে ঢুকি নাপায়। গতিকে, এই ক্ষেত্রত গাঁৱে গাঁৱে সজাগতা সভা যাতে খুব বেছিকৈ কৰা হয়, গাওঁ পঞ্চায়ত সমূহত চৰকাৰীভাৱে যাতে পদক্ষেপ লয়। তেওঁলোকৰ মাজত সজাগতা আনিলে তেওঁলোকক Rehabilitation Centre লৈ আনিব পৰা যাব। আনহাতে human trafficking ৰ ক্ষেত্রত আমি দেখিছো যে ইয়াৰ শিপাত সেই চক্রটোৱে জড়িত থাকে আৰু বহু সময়ত বহিঃ ৰাজ্যত চাকৰি বা সংস্থাপন দিয়াৰ কথা কৈ বেছিভাগ ছোৱালী বা মাইকী মানুহক নি বিক্রী কৰি দিয়ে। মই দেখিছো ৯০% ক চাকৰি দিয়াৰ কথা কৈয়েই লৈ যায়। গতিকে, এই বিষয়টোত প্রত্যেক গাঁৱে গাঁৱে সজাগতা সভা বা থানাই থানাই কমিটি হ'ব লাগে। এই বিষয়টো কোনেও কোৱা নাই বাবে এক মিনিটত মই এই ক্ষেত্রত পৰামৰ্শটো দিছো। অধ্যক্ষ মহোদয়, এই ড্রাগ্‌ছ বন্ধ কৰাৰ ক্ষেত্রত আমাৰ সতীৰ্থ বিধায়ক আমিনুল ইছলাম চাহাবে ক'ব যে মানকাচৰ বা মেঘালয় বাংলাদেশৰ সীমা এলেকাৰ পৰা কেনেকৈ চাপ্লাই আহে, ই কেনেকৈ corridor হৈ গ'ল। যিসকলে এই corridor বন্ধ কৰাৰ বাবে complaint কৰিছে সেই ক্ষেত্রত প্রশাসনে কি ব্যৱস্থা লৈছে? অধ্যক্ষ মহোদয়, আমাৰ ধিং থানাত বৰ্তমান এজন অ.চি. আহিছে। আমাৰ যিবোৰ মানুহে ড্রাগ্‌ছৰ বিৰুদ্ধে গাঁৱে গাঁৱে কাম কৰি আছে, তেওঁ সেই মানুহখিনিক টাৰ্গেট

কৰি আছে। কৈছে যে তোমালোক বহুত বাঢ়ি গৈ আছা, মই এটা সুযোগ বিচাৰি আছো ধৰিবলৈ। কেইদিনমান আগত গাওঁবুঢ়া বা যি সকলে ড্ৰাগ্‌ছৰ বিৰুদ্ধে সমাজত কাম কৰি আছিল তেওঁলোকক তেওঁ টাৰ্গেট কৰি প্ৰায় ১৫ জন ব্যক্তিৰ বিৰুদ্ধে এটা মিছা কেচ ৰেজিষ্টাৰ কৰিছে আৰু এতিয়া এই লোকসকল পলাই ফুৰি আছে। মানে ড্ৰাগ্‌ছ চলিব লাগে। গতিকে, এই অ.চি.জনে ড্ৰাগ্‌ছৰ বিৰুদ্ধে কাম কৰি থকাসকলৰ ওপৰত যে action লৈ আছে, তেনে ক্ষেত্ৰত সেই অ.চি.জনৰ বিৰুদ্ধে চৰকাৰে যদি action নলয়, তেন্তে কোনো দিনেই কিন্তু ড্ৰাগ্‌ছমুক্ত কৰিব নোৱাৰিব। আপোনাৰ জৰিয়তে মই সদনক অৱগত কৰিলো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী অমিয় কুমাৰ ভূঞা।

**ড° অমিয় কুমাৰ ভূঞা, (বিহপুৰীয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ গুৰুত্বপূৰ্ণ এই উদ্যোগৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। যুৱ-প্ৰজন্মক বচাবৰ বাবে আমাৰ চৰকাৰ তথা মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই যি শক্তিশালী উদ্যোগ লৈছে তাক আদৰণি ও ধন্যবাদ জনাইছো।এই উদ্যোগটোক movement হিচাপে আমি আগলৈ লৈ যাব লাগে। ড্ৰাগ্‌ছেই হওঁক বা মানৱ সৰবৰাহেই হওঁক, বহুত পৰিয়াললৈ ই অন্ধকাৰ কঢ়িয়াই আনিছে। ড্ৰাগ্‌ছ আসক্ত হৈ দিনে দুপৰীয়াই ডকাইতি কৰাৰ কামত লিপ্ত হৈছে। যোৱা সপ্তাহত মোৰ সমষ্টি বিহপুৰীয়াত তেনেকুৱা ঘটনা সংঘটিত হৈছে। নাগৰিক আৰু পুলিচৰ মাজত আলোচনা কৰি তেওঁলোকক আমি কৰায়ত্ব কৰিবলৈ সক্ষম হৈছো। গতিকে, আমাৰ পৰিয়ালৰ সংস্কাৰ, আমি নিজৰ থলুৱা নাট, ভাওনা, থিয়েটাৰ, খেল আদিৰে ৰাজ্যজুৰি এটা পৰিৱেশ নিৰ্মাণ কৰাৰ বাবে প্ৰয়াস চলাব লাগে। আমাৰ যুৱ-প্ৰজন্মক বচাবৰ বাবে মানৱীয় প্ৰমূল্যবোধেৰে সমাজ সেৱা কৰিবৰ বাবে আমাৰ মনবোৰ থিৰ কৰিব লাগে। আমি কিছুমান ক্ষন্তেকীয়া উত্তেজনা বা ব্যক্তিগত বা ৰাজনৈতিক লাভালাভৰ বাবে কিছুমান সময়ত চকু মুদি থাকো, নুশুনাৰ ভাও জুৰো, আমাৰ মনৰ কথাবোৰ নকওঁ। কিন্তু, আমি কোনোবাই উদ্যোগ ল'ব লাগিব। আজি এই ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে উদ্যোগ লৈছে। গতিকে, এই উদ্যোগটো যেতিয়াই সফল হ'ব তেতিয়া ৰাইজে নখ জোকাৰিব লাগিব, ৰাইজে সহযোগ কৰিব লাগিব। ৰাইজে সহযোগ কৰিব পৰাকৈ তেনেকুৱা বুনিয়াদী এটা পৰিৱেশ ৰাজ্যজুৰি নিৰ্মাণ কৰাৰ বাবে সকলোৰে উদ্যোগ ল'ব লাগিব। আন্তঃৰাষ্ট্ৰীয় সীমা বা আন্তঃৰাজ্যিক সীমাবোৰত strong vigilance বা monitoring হ'ব লাগিব আৰু to some extent, আমি পুলিচকো full freedom দিব লাগিব যাতে তেওঁলোকে এই anti social বা তেনে সেৱনকাৰীৰ ক্ষেত্ৰত strongly law enforce কৰিব পাৰে। গতিকে, আমি যেতিয়া নতুনকৈ চিন্তা কৰিম, হাতে-কামে যেতিয়া কাম কৰিম, তেনেকুৱা পৰিৱেশ নিৰ্মাণ কৰিবৰ বাবে আমি যেতিয়া নামিম তেতিয়া এই ব্যাধিক আমি ইয়াৰ পৰা মুক্ত কৰিব পাৰিম বা প্ৰতিৰোধ কৰিব পাৰিম। যদি আমি ছেগা-চুৰুগাকৈ কামবিলাক কৰো তেতিয়া হ'লে ইয়াৰ সুদূৰ প্ৰসাৰী প্ৰভাৱটো আমি নাপাম। গতিকে আমি এই movement টোক খুব শক্তিশালীভাৱে আগবঢ়াই নিবৰ কাৰণে কাম কৰিব লাগে আৰু যিবোৰ Rehabilitation Centre আছে, সেই Centre বিলাকো আমি অলপ শক্তিশালী কৰিব লাগে। Rehabilitation Centre থাকিলে আমি বহুতো source ৰ কথা জানিম। তেওঁলোকৰ যোগেৰেও আমি এইটোক নিৰ্মূল কৰিবৰ কাৰণে কাম কৰিব পাৰিম। এইয়া সময়ৰ আহ্বান, আমি সকলোৰে ঐক্যবদ্ধ হৈ ইয়াত কাম কৰিব লাগে। তেতিয়াহে আমি নতুন চামক ইয়াৰ পৰা বচাব পাৰিম। গুৰুজনাই আমাক দি যোৱা যিবিলাক সংস্কাৰ, যিবিলাক কলা শৈলী, তাৰ লগত যাতে আমাৰ নতুন চামক সম্পৰ্ক কৰাই দিব পাৰো, সেইবোৰৰ যাতে চৰ্চা হ'ব পাৰে।

আমি চাওঁ, যিবিলাক পৰিয়ালত সেই সংস্কাৰ আছে, সেই পৰিয়ালৰ মাজৰ পৰা তেনেকুৱা ল'ৰা-ছোৱালী ওলোৱা নাই। যিবিলাক পৰিয়াল materialistic হৈ গৈছে সেই পৰিয়ালৰ মাজত বা য'ত অতি দৰিদ্ৰতা আছে, সেই দৰিদ্ৰতাৰ মাজত থকাসকলৰ মাজৰ পৰা তেনেকুৱা কাম-কাজবিলাক হৈ আছে। শেহতীয়াভাৱে আমাৰ চৰকাৰে নিশ্চয় খেলা-ধূলাৰ বাবে কাম কৰিবলৈ বিশাল আন্তঃগাঁথনিৰ কাম ব্লক পৰ্যায়লৈকে এতিয়া লৈ গৈছে। বাজেটত দেখিলো, গাওঁৰ উদ্যোগত তেনে প্ৰতিযোগিতা পাতিবৰ কাৰণে আয়োজন কৰিছে। সঁচা অৰ্থত ৰাইজক জড়িত কৰি আমি কাম বিলাক যদি কৰো তেতিয়া হ'লে নতুন চামক এটা নতুন বাটেৰে লৈ যোৱাৰ পৰিৱেশ এটা নিৰ্মাণ কৰিব পাৰিম। সেই পৰিৱেশৰ আজি আৰম্ভণি বুলি ইয়াক গাঁৱলৈ লৈ যাব লাগে। আমি ভাৱো যে এনেদৰে আমি সকলোৱে ঐক্যবদ্ধ ভাৱে কাম কৰিলে ইয়াক বন্ধ কৰিব পাৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ উদ্যোগত সঠিক সময়ত, সঠিক বিষয় এটা লৈ আলোচনাৰ বাবে অসম বিধান সভাত দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। আজি দুটা বিষয় আপুনি ইয়াত অন্তৰ্ভুক্ত কৰিছে। এটা হ'ল- শিশু সৰবৰাহ আৰু আনটো হৈছে ড্ৰাগছ্। আজি যদি আমি চাওঁ, তেনেহ'লে গোটেই ভাৰতবৰ্ষৰ ভিতৰতে এই দুটা সমস্যা এতিয়া জটিল সমস্যা হিচাপে পৰিগণিত হৈছে আৰু বিশেষভাৱে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ড্ৰাগছ্ আৰু মানৱ সৰবৰাহৰ বাবে যি এটা পদক্ষেপ লৈছে, আমি ধন্যবাদ দিবই লাগিব। আমি দেখিছো যে শিশু সৰবৰাহ, এই বিষয়টোৱে আজি গোটেই অসমতে এটা সামাজিক ব্যাধি হিচাপে দেখা দিছে। এই সামাজিক ব্যাধিটো আমি কি ভাৱে নিৰাময় কৰিব পাৰো আৰু কি ভাৱে আমি এই ব্যৱস্থাবিলাক একেবাৰে নিৰ্মূল কৰিব পাৰো সেই সম্পৰ্কত নিশ্চয় অসম বিধান সভাই হৈছে এটা উত্তম মঞ্চ। এই মঞ্চৰ জৰিয়তে আমি, বিশেষভাৱে এই সম্পৰ্কত আপোনাৰ জৰিয়তে ৰাজ্য চৰকাৰক কেতবোৰ পৰামৰ্শ দিব বিচাৰিছো। ইতিমধ্যে আপোনাৰ উদ্যোগত ড্ৰাগছ্ আৰু শিশু সৰবৰাহৰ ক্ষেত্ৰত আপুনি এটা আলোচনা অনুষ্ঠিত কৰিছিল আৰু তাত আপুনি বিভিন্ন NGO, পুলিচ প্ৰশাসন বা সমাজৰ বিভিন্ন স্তৰৰ ব্যক্তিক আনি এই সম্পৰ্কত আলোচনা কৰিছিল। ইয়াৰ কাৰণ সমূহ কি? আমি প্ৰথমতে ইয়াৰ কাৰণসমূহ উদ্‌ঘাটন কৰিব লাগিব। আমি দেখিছো যে ইয়াৰ কেইবাটাও কাৰণ আছে। এটা হৈছে- দৰিদ্ৰতা। দৰিদ্ৰতাৰ সুযোগ লৈয়ো শিশু সৰবৰাহৰ ক্ষেত্ৰত যথেষ্টখিনি মধ্যভোগীয়ে ব্যৱস্থা গ্ৰহণ কৰিছে। ঠিক তেনেকৈ আমি দেখিছো যে ঘৰুৱা হিংসাৰ ফলতো ঘৰত যিটো অশান্তি হয়, তাৰ ফলতো বিভিন্ন লৰা ছোৱালীয়ে টকা আহৰণৰ ক্ষেত্ৰত আজি বিভিন্ন ধৰণে কাম কৰিবলগীয়া হৈছে। দুখীয়া পৰিয়ালে লৰা-ছোৱালীক সম্পদ আহৰণৰ আঁহিলা হিচাপেও ব্যৱহাৰ কৰা পৰিলক্ষিত হৈছে। তাৰ পিছত তৃতীয়টো হৈছে, নিচা আসক্ত। এতিয়া আমি যদি চাওঁ আমাৰ যিখিনি দুখীয়া পৰিয়াল আছে, তেওঁলোকৰ অৰ্থনৈতিক অৱস্থাটো উন্নত নোহোৱাৰ কাৰণে লৰা-ছোৱালীক হয় শ্ৰমিক হিচাপে বা কৃষক হিচাপে নতুবা ঘৰুৱা সহায়ক হিচাপে কাম কৰিবলৈ পঠায়। যেতিয়া এটা পৰিয়ালৰ পিতৃয়ে ড্ৰাগছ খাই মদ্যপান কৰি ঘৰলৈ গৈ অশান্তিৰ সৃষ্টি কৰে তাৰ ফলতো ল'ৰা-ছোৱালীয়ে হয় ক'ৰবাৰ শ্ৰমিক হিচাপে বা ক'ৰবাত domestic servant হিচাপে যাবলগীয়া অৱস্থাৰ সৃষ্টি হয়। এই অৱস্থাবিলাকৰ পৰিত্ৰাণৰ কাৰণে আমি ব্যৱস্থা ল'ব লাগিব। সেইকাৰণে বিশেষভাৱে আমি কেইটামান ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। সেই ব্যৱস্থা সমূহৰ ভিতৰত হৈছে - আমাৰ শিক্ষাৰ সম্প্ৰসাৰণ কৰিব লাগিব। যদি আমি অভিভাৱক সকলক শিক্ষাৰে শিক্ষিত কৰি তুলিব নোৱাৰো বা

এই সম্পৰ্কত আমি তেখেতসকলক সজাগ কৰি তুলিব নোৱাৰো তেনেহ'লে এই ঘটনা সদায় সংঘটিত হৈ থাকিব। আজি যদি আমি ভাৰতবৰ্ষলৈ চাওঁ, child trafficking বেছিকৈ হোৱা ৰাজ্য সমূহৰ ভিতৰত প্ৰথম হৈছে অন্ধ্ৰ প্ৰদেশ, দ্বিতীয়খন হৈছে অৰুণাচল, তৃতীয়খন হৈছে অসম আৰু চতুৰ্থখন হৈছে বিহাৰ। অন্ধ্ৰপ্ৰদেশত ২.৯৪ শতাংশ, অৰুণাচলত ০.০২ শতাংশ, অসমত হৈছে ১.১২ শতাংশ আৰু বিহাৰত হৈছে ০.৫৩ শতাংশ। আমাৰ ভৌগলিক অৱস্থা সুকীয়া। আজি অসমৰ সীমান্তৱৰ্তী আন্তঃৰাষ্ট্ৰীয় দেশসমূহ হৈছে বাংলাদেশ, ম্যানমাৰ, নেপাল, ভুটান। আমি যদি চাওঁ দেখা যাব যে অন্য কিছু কাৰণতো কিছুমান শিশু বাহিৰলৈ নিব লগা হৈছে। কেতিয়াৰা দেখা যায় যে কোনোবাই দুখীয়া পৰিয়াল বুলি সেই ছোৱালীক বিয়া কৰাই পৰৱৰ্তী সময়ত বেশ্যালয় বিলাকতো বিক্ৰী কৰা দেখিবলৈ পাইছো। গতিকে সেই ক্ষেত্ৰত আমি সজাগতা বৃদ্ধি কৰিব লাগিবই। তাৰবাবে মই ভাৱো বিদ্যালয়ৰ পৰা মহাবিদ্যালয়লৈকে এই ক্ষেত্ৰত কিছু সজাগতাৰ সৃষ্টি কৰিব লাগে। আমাৰ NGO, Police প্ৰশাসন আদি ধৰণৰ বিভিন্ন মাধ্যমেৰে আমি কিছু ব্যৱস্থা ল'ব লাগে। ঠিক তেনেকৈ মানৱ সৰবৰাহ কৰাৰ ক্ষেত্ৰত প্ৰয়োজন হ'লে চৰকাৰে এখন documentary picture উলিয়াই সেই সম্পৰ্কত কেনেকুৱা ধৰণৰ ভয়ানক অৱস্থাৰ সৃষ্টি হ'ব পাৰে, এটা পৰিয়াল যে ধ্বংশ হ'ব পাৰে, এই কথাবিলাক আমি documentary ৰ জৰিয়তে বিদ্যালয়ৰ পৰা মহাবিদ্যালয়লৈকে আৰু লগতে বিভিন্ন গ্ৰাম্যাঞ্চলত পঞ্চায়তৰ যোগেদি সজাগতা সভা অনুষ্ঠিত কৰিব লাগে। আইন আমাৰ আছে, কিন্তু এই আইনখনো আমি কঠোৰভাৱে বলবৎ কৰিব লাগিব যাতে পৰৱৰ্তী সময়ত এনেকুৱা ধৰণৰ ঘটনা সংঘটিত হ'ব নোৱাৰে। গতিকে মই আশা ৰাখিছো যে এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে কেতবোৰ বিশেষ ব্যৱস্থাৰে আমাৰ যিটো মানৱ সৰবৰাহ ব্যৱস্থা চলি আছে, সেইটো নিয়ন্ত্ৰণ কৰাৰ কাৰণে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব, সজাগতাৰ সৃষ্টি কৰিব লাগিব আৰু লগতে NGO সমূহৰ লগতো পোনপটীয়াভাৱে যোগাযোগ কৰি তেখেতসকলৰ জৰিয়তেও যাতে এই ক্ষেত্ৰত ব্যৱস্থা লয়, তেনেধৰণৰ কেতবোৰ সিদ্ধান্ত লৈ আগবাঢ়িব লাগিব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া শ্ৰী কমলাক্ষ দে পুৰকায়স্থ। আপোনাক তিনি মিনিট সময় দিয়া হৈছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত ক'বলৈ দিয়াৰ বাবে মই আপোনাক পোন প্ৰথমে ধন্যবাদ জ্ঞাপন কৰিছো। চিকিমত আমাৰ conference হৈছিল আৰু তাতো drug abuse আৰু trafficking ৰ ওপৰত আলোচনা হৈছিল। সমগ্ৰ ভাৰতবৰ্ষ এই বিষয়টোলৈ concern.Accordingly আজি আমাৰ অসম বিধান সভাও concern. অধ্যক্ষ মহোদয়, প্ৰত্যেকজন বক্তাই আজি তেখেতসকলৰ বক্তব্য ৰাখিছে। যোৱাকালি মই এজন ডক্টৰক লগ ধৰিছিলো মোৰ সমষ্টিৰ এজন ৰোগীৰ সম্পৰ্কে। তেখেতে ক'লে যে আমাৰ অসমৰ ৰাইজৰ এটাই সমস্যা যে আমাৰ যেতিয়া ৰোগটো হৈ যায়, তেতিয়াহে আমি আহো। আমি prevention ৰ কাৰণে ব্যৱস্থা নলওঁ। এই নিচাসক্তটো সমাজৰ এটা ৰোগ আৰু এইটো আমি prevent কৰিব লাগিব। মাদক দ্ৰব্যৰ কাৰণে আমাৰ সমাজত এটা বিভীষিকাময় পৰিৱেশৰ সৃষ্টি হৈছে। আমি যদি চাওঁ, ক'ভিডৰ সময়ত যিটো সমীক্ষা হৈছিল NDDC ৰ survey মতে আমাৰ ৬৩ লাখ মানুহে হিৰোইন সেৱন কৰে। ৫০ লাখ মানুহে গাঞ্জা সেৱন কৰে। ২.১ শতাংশ মানুহে বিনোদনৰ কাৰণে ড্ৰাগছ সেৱন কৰে, ০.৪ শতাংশ মানুহে intermittent route

ত ড্ৰাগছ ব্যৱহাৰ  কৰে। যিবিলাক মানুহে ড্ৰাগছ ব্যৱহাৰ  কৰে, তাৰ কাৰণে আমি কি পদক্ষেপ হাতত লৈছো। আজি হয়তো বিধানসভাত আমাৰ resolution লোৱা হ'ব যে প্ৰত্যেকজন বিধায়কে এই বিষয়ে awarness কৰিব লাগে। ইয়াত politics ৰ কোনো কথা নাই। এইটো prevent কৰিবৰ কাৰণে, awarness ৰ কাৰণে বাজেটত যিমান টকা ধৰিব লগিছিল হয়তো সিমান টকা  বাজেটত ধৰা নাই। আমাৰ মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতাই এটা কথা কৈছে যে যিটো ড্ৰাগছ সেৱনৰ পৰিমাণ যিটো দিনে দিনে বৃদ্ধি পাইছে, মই ভাৱো তাৰ কাৰণটো ক'ত? কাৰণটো হৈছে নিম্ন আয়, বেকাৰত্ব, বৈষম্য আৰু এই যিবোৰ কথা বাৰ্তা বেকাৰত্বৰ কাৰণে মানুহৰ সমস্যাবোৰ বাঢ়ি যায় আৰু সেৱনটো আৰম্ভ কৰে। অধ্যক্ষ মহোদয়, আমি ইয়াত যিমান মানুহ আছো, আমি প্ৰত্যেকে এদিন মৰিম। কিন্তু জীৱিত অৱস্থাত যাতে কোনেও মৰিব নালাগে। এই ড্ৰাগছ সেৱনকাৰী সকলে জীৱিত অৱস্থাতে মৰি থাকে। এনকুৱা এটা পৰিৱেশ হৈছে। সেইকাৰণে ২০২১ চনত ভাৰত চৰকাৰে নিচামুক্তি অভিযান আৰম্ভ কৰিছিলে আৰু ২৭২ Rehabilatation Centre কৰা হৈছিল। এইটো হয়তো পিছত বঢ়োৱা হৈছিল। এই Rehabilatation Centre প্ৰত্যেকটো circle wise দিব লাগে। লগতে বৰ্তমান এই Rehabilatation Centre সমূহৰ এটা ভয়ানক অৱস্থা হৈছে। যিবিলাক Rehabilitation centre ৰিহাব্লিটেশ্যন সেইবিলাক ঠিক কৰিবলৈ চৰকাৰে ব্যৱস্থা ল'ব লাগে । প্ৰত্যেকটা চাৰ্কেলিত একোটাকৈ চেন্টাৰ হ'ব লাগে আৰু মই ভাবো আজিৰ দিনত তৎপৰতাৰে যাতে এইখিনি কাম কৰি ড্ৰাগছমুক্ত অসম গঢ়ি তোলাত সহায় কৰে, এইখিনিকে আবেদন জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ ... এতিয়া চক্ৰধৰ গগৈ ।

**শ্ৰীচক্ৰধৰ গগৈ, (মৰাণ) ঃ** নমস্কাৰ অধ্যক্ষ মহোদয়, আপোনাৰ তত্বাবধানত স্পীকাৰ ইনচিয়েটিভত যিটো গুৰুত্বপূৰ্ণ বিষয় আজি সদনৰ মজিয়াত ৰাখিছে, তাত অংশ গ্ৰহণ কৰিবলৈ পাই মই অত্যন্ত আনন্দিত হৈছো । অধ্যক্ষ মহোদয় মই সৰু ঘটনা এটাৰ পৰা আৰম্ভ কৰিব বিচাৰিছো । আজিৰ পৰা প্ৰায় এক বছৰ আগত ঘৰৰ কাষৰে এগৰাকী মাতৃ ৰাতিপুৱা মোৰ ঘৰলৈ আহিল । তেওঁ কন্দনমুৱা হৈ আহিছে আৰু আন যিসকল ব্যক্তি মোক লগ পাবলৈ আহিছিল, সকলোতকৈ আগতে লগ পাবলৈ বিচাৰিছিল । মই অনুমতি দিলো , তেওঁ মোৰ লগত কথা - বতৰা পাতি খুব কান্দিলে আৰু তেওঁ কন্দাৰ কাৰণ হ'ল যে , তেওঁৰ একমাত্ৰ সন্তান, যিটো সন্তানক মই দুই বছৰ আগতে উচ্চ নম্বৰ লৈ পাছ কৰাৰ বাবে ঘৰলৈ সম্বৰ্দ্ধনা জনাবলৈ গৈছিলো , সেই ছাত্ৰজন এতিয়া Drug addict হৈছে । মাক দেউতাকক যথেষ্ট যন্ত্ৰণা দি আছে । ঘৰৰ বয় বস্তু ভাঙিছে আনকি সেই বাবে মাটিও বিক্ৰি কৰিব লগা হ'ল । এই গোটেইখিনি কথা মোক মাকে কান্দি কান্দি ক'লে । ইতিমধ্যে ল'ৰাটোকDe addiction centre ত থৈ আহিছিল, কিন্তু সি তাৰ পৰা পলাই আহি ঘৰত আকৌ উৎপাত কৰিবলৈ আৰম্ভ কৰিলে। তেতিয়া মাকে মোক ক'লে যে এতিয়া কি ব্যৱস্থা কৰিব পাৰি । মই লগে লগে আৰক্ষী এজনক মাতি আনি সোধ পোছ কৰি কথাখিনি এটা পৰিৱেশলৈ আনিবলৈ চেষ্টা কৰিছিলো । সেই ঘটনাৰ পৰা মই দেখিলো যে আমাৰ দেশৰ ভৱিষ্যত মানৱ সম্পদ এই ছাত্ৰ- ছাত্ৰীবোৰ এনেকৈয়ে ধ্বংস হৈ যোৱাটো আমি নিজে ওচৰৰ পৰা প্ৰত্যক্ষ কৰিব পাৰিছো । এইটোৱে আমাৰ জাতিটোক এটা বেয়া ইংগিত দিছে । মই ভাবো যে আমাৰ সমাজত এনেকুৱা সমস্যা নাইকিয়া কৰিবলৈ হ'লে আমাৰ সমাজখনত অধিক সচেতনতা আনিবলৈ চৰকাৰৰ ফালৰ পৰা আৰু অধিক উদ্যোগ ল'ব লাগিব । এই মুহূৰ্তত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ উদ্যোগৰ কথা প্ৰশংসা কৰিব লাগিব। তেখেতৰ কাৰ্য্যকালত আমি দেখিছো যে প্ৰায় ছশ কোটিৰো অধিক

টকাৰ ড্ৰাগছ উদ্ধাৰ কৰি জ্বলাই দিয়া হৈছে । বহুতো ড্ৰাগছ সমজুৰাভাবে জ্বলাই দিয়া আমি দেখিছো । ইয়াৰ ওপৰিও আমি আৰু অধিক কাম কৰিব লাগিব বুলি মই ভাবো । কাৰণ আজিকালি আমাৰ ল'ৰা- ছোৱালীবোৰে ভালকৈ পঢ়িছে । চাৰি-পাঁচটা বিষয়ত লেটাৰ নম্বৰ লৈ উত্তীৰ্ণ হৈছে । আমি তেওঁলোকক মুক্তভাবে এৰি দিছো । তাৰ ফলত তেওঁলোকে যি ইচ্ছা তাকে কৰিবলৈ আগবাঢ়ি গৈছে । আমাৰ বিদ্যালয় - মহাবিদ্যালয়ৰ শিক্ষাত হয়তো বৰ্ত্তমান বহুখিনি মানবীয় চেতনাবোধ নোহোৱা হৈ আহিছে । আৰু জীবনবোধৰ শিক্ষাটো কম হৈ গৈছে । বৰ্ত্তমান যান্ত্রিক শিক্ষা হোৱা বাবে মানুহে জীৱনটো কি , আমি ভবিষ্যতে কি কৰিম , আমি ক'ৰ পৰা আহিছো, ক'লৈ যাম , এই যিটো জীৱনবোধৰ চিন্তাধাৰা এইখিনি কমকৈ থকা বাবে হয়তো আমাৰ ল'ৰা-ছোৱালীবিলাক আওবাটে যোৱা বুলি উপলব্ধি কৰিছো। গতিকে মাহেকে পষেকে বিদ্যালয় মহাবিদ্যালয়বোৰত ড্ৰাগছ এডিকশ্যনৰ একোখনকৈ চেমিনাৰ আয়োজন কৰি ছাত্ৰ ছাত্ৰীৰ লগতে পিতৃ মাতৃসকলোকো উপস্থিত ৰাখিব লাগে । আৰু তেতিয়া আমি আমাৰ ল'ৰা ছোৱালী বিলাকক মূল সুঁতিলৈ ঘূৰাই আনিব পাৰিম । অলপ আগতে আমাৰ বিৰোধী দলৰ এগৰাকী সদস্যই খুব সুন্দৰ কথা কৈছে , আজিকালি দেখা যায় যে ল'ৰা বিলাকে সৰু সৰু জোপোহা গছ থাকিলে তাত সোমাই যায় । আঠ - দহজনমান ল'ৰাৰ মাজত দুই তিনিজনী ছোৱালীয়েও সমানে ড্ৰাগছ সেৱন কৰে । অধ্যক্ষ মহোদয় মই আৰু এটা সৰু ঘটনা উল্লেখ কৰি মোৰ বক্তব্য সামৰিম । এদিন ৰাতি বাৰমান বজাত এগৰাকী পিতৃয়ে ফোন কৰিলে । তেতিয়া দেউতাকে ক'লে যে মোৰ ল'ৰাটোক আজি পুলিছে ধৰিলে গতিকে আপুনি অচিক ফোন এটা কৰি ক'ব লাগে । তেতিয়া মই সুধিলো কি কাৰণত পুলিছে ধৰিলে তেতিয়া ক'লে যে দহ জনমান ল'ৰাৰ গ্ৰুপ এটাৰ লগত ড্ৰাগছ সেৱন কৰি আছিল । আৰু তাৰে ছয় জনমানৰ লগত সিহঁতৰ মটৰ চাইকেলকেইখনো লৈ গ'ল, গতিকে সিহঁতৰ লগতে মটৰ চাইকেল কেইখনো এৰিব লাগে বুলি ক'ব লাগে । অধ্যক্ষ মহোদয় এনেকুৰধৰণৰ কথা ল যদি ৰাতি মাক দেউতাকে ফোন কৰে তেতিয়া মনটো বৰ বেয়া লাগে । ৰাতিপুৱা মই খবৰ লৈ গম পালো যে দহ জন নহয় প্ৰায় বিশজনমান ল'ৰাই জোপোহা এটাৰ তলত ড্ৰাগছ লৈ আছিল । গছজোপা ইমান সুন্দৰকৈ ৰাখিছে তাত ফু মাৰি ভাত খাব পাৰি আৰু সেই সন্তানসকল হৈছে নামী দামী পিতৃ -মাতৃৰ সন্তান । ভালকৈ পাছ কৰি অহা ছাত্ৰ- ছাত্ৰী । সেই কাৰণে মই ভাবো সৰহকৈ নম্বৰ পাই পাছ কৰিলেও সিহঁতক ফ্ৰি কৰি এৰি দিব নালাগে, নজৰত ৰাখিব লাগে । ক'ত গৈছে , কি কৰিছে কাৰ লগত আছে, কি খাইছে ইত্যাদি । আমি প্ৰায় কওঁ যে সংগ দোষত ল'ৰা ছোৱালী বেয়া হয় । কিন্তু সংগ দোষত বেয়া নহয় । ছাত্ৰ- ছাত্ৰীৰ মেন্টেলিটি আৰু পৰিবেশ যেতিয়া ভাল নহয় তেতিয়াহে বেয়াৰ ফালে যায় । সেই কাৰণে মই আহ্বান জনাও সদনৰ মজিয়াত এটা সিদ্ধান্ত ল'ব লাগে আৰু মই শিক্ষা মন্ত্ৰী ডাঙৰীয়াকো আহ্বান জনাম যে তেখেতে স্কুল কলেজবিলাকত চেমিনাৰৰ আয়োজন কৰি এই সম্পৰ্কত এটা বহুল প্ৰচাৰৰ ব্যৱস্থা কৰিব লাগে ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ)

**শ্ৰীআমিনুল ইছলাম, (মানকাছাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয় স্পীকাৰ ইনিচিয়েটিভত ইমান গুৰুত্বপূৰ্ণ বিষয় এটা আলোচনা কৰাৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো । ড্ৰাগছ সম্পৰ্কে আমি গোটেইখিনি জানো যে ক'ৰ পৰা হৈ আছে , কেনেকৈ হৈ আছে । এই ক্ষেত্ৰত মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ দিব লাগিব যে ড্ৰাগছৰ ক্ষেত্ৰত তেখেতে এটা ষ্ট্ৰং ইনিচিয়েটিভ লৈছে । যিখিনি এনকাউন্টাৰ কৰিছে তাক বাদ দি বাকীখিনি ইনিচিয়েটিভক আমি আদৰণি জনাব পাৰো। এতিয়া কথাটো হ'ল ড্ৰাগছৰ ক্ষেত্ৰত অপৰাধ কৰি শাস্তি পালে এজন ব্যক্তিয়ে জেলত যায় । সামাজিক

হিচাপত কোনো এটা পৰিয়ালত কোনো এজনে ড্ৰাগছ খালে, সেই গোটেই পৰিয়ালটো তথা গোটেই বংশটো তেওঁৰ প্ৰভাৱ পৰে। বহু এনেকুৱা উদাহৰণ আছে যে ড্ৰাগছ খোৱাৰ বাবে মাক দেউতাকে কোনো সামাজিক বা অনুষ্ঠানত অংশগ্ৰহণ নকৰে । মানুহে সোধে যে আপোনাৰ ল'ৰাটোক বোলে ড্ৰাগছ খাওঁতে ধৰিলে , ড্ৰাগছ খোৱা আৰম্ভ কৰিলে । নাইন্টি পাৰ্চেন্ট আছিল পৰীক্ষাত, এতিয়া বোলে ড্ৰাগছত ধৰিলে । এই প্ৰশ্নবিলাক এৰাই চলাৰ বাবে মাক-দেউতাকে সামাজিক অনুষ্ঠানত যোৱা বাদ দিছে । মোৰ সমষ্টিৰ কথা কৈছো, এই কাৰণে যে মোৰ গোটেই সমষ্টিটো হৈছে বাংলাদেশ বৰ্ডাৰ । মোৰ সমষ্টিত প্ৰায় য'ত কাটা তাঁৰৰ বেৰ নাই ৪৫ কি.মি উন্মুক্ত হৈ আছে বাংলাদেশৰ লগত । বাকীখিনিত কাটা তাঁৰৰ বেৰ আছে । মোৰ সমষ্টিটো এতিয়া ড্ৰাগছৰ নিউ কৰিডোৰ হৈ গৈছে । তাত পঞ্চাশ লাখ টকাৰ ড্ৰাগছৰ টোপোলা বান্ধি যদি No Man's Land ত পেলাব পাৰি । তেওঁলোকৰ ফোন থাকে । ইণ্ডিয়াৰ নেটৱৰ্ক তাত লাগে, বাংলাদেশৰ নেটৱৰ্ক ইয়াত লাগে । ইহতে ফোন কৰি কৈ দিয়ে ইমান নম্বৰ টোপোলাটোত মোৰ ইমান টকাৰ মাল আছে । এনেকৈ দলি মাৰিয়েই পঞ্চাশ লাখ টকাৰ বিজিনেছ কৰিব পাৰি । কিছুদিন আগতে আমি দেখিছো , ধৰা পৰিছে যে এম্বুলেন্সত ড্ৰাগছ আৰু গাঞ্জা লৈ যোৱা হয় । এম্বুলেন্স কোনেও চেক নকৰে হৰ্ণ মাৰি মাৰি গুছি যায় । এইবিলাক ধৰাৰ কোনো ব্যৱস্থা তাত কৰা নাই । ড্ৰাগছৰ যিটো কৰিডোৰ হৈছে আৰু ইমান Easily accessible হৈছে যে এতিয়া যিকোনো পান দোকান বা তেনেধৰণৰ দোকানত ড্ৰাগছ পায় । বাংলাদেশত ড্ৰাগছ মাফিয়াক দেখিলেই গুলি কৰাৰ অধিকাৰ আছে, কিন্তু আমাৰ অসমত এইটো অপেনলী হৈছে আৰু কোনখিনি মানুহ এৰেষ্ট হৈছে । আমি মানকাছৰত দেখিছো যে যদি কোনোবা দোকানীৰ মাজত কাজিয়া আছে , মাটি লৈ বা বিজিনেছ লৈ কাজিয়া আছে, তেতিয়াহ'লে এজনে আনজনক ধৰাই দিয়ে, তেতিয়াহে ধৰা পৰে নহ'লে বাকীসকলে ধৰা নপৰে । ড্ৰাগছৰ কোনো মাষ্টাৰ মাইণ্ড ধৰা নপৰে অনলী পেডলাৰবিলাকহে ধৰা পৰে । তাত যিখিনি ড্ৰাগছৰ কাৰবাৰ কৰে, আন বিজিনেছ একো নাই কিন্তু কোটিপতি হৈ গৈছে । কিছুদিন আগতে Corrception Control Organization এ অসমৰ ডিজিপিক এখন চিঠি দিছে যে আমাৰ ইয়াত কিছু পুলিছৰ মানুহ জড়িত হৈ ড্ৰাগছৰ কাম কৰি আছে । Copy টো হোম মিনিষ্টাৰ, মুখ্যমন্ত্ৰীক দিয়া হৈছে। Copy টো এচ বি ক দিয়া হৈছে, তাত লেটাৰখন লিখা হৈছে ডিজিপিক। DGP office ৰ পৰা যেতিয়া notice গ'ল যিখিনি মানুহে এইখনিৰ বিৰুদ্ধে complain কৰিছিল, সেইখিনি মানুহক ধৰি ধৰি পুলিছে তেখেত সকলক জেলত পঠাইছে। যিকেইজন জেলত গৈছে আৰু বাকী যিকেইজনৰ দৰ্খাস্তত চহী আছিল তেখেতসকলৰ বাহিৰে কমিটি বিলাক হ'ল এতিয়া দেইলী ৰাতি ৰেট চলি আছে তেখেতসকলে পলাই ফুৰিব লগা হৈছে। পুলিছে মাক দেউতাকক ক'ব খোজা নাই। ইতিমধ্যে ডি জি পি অফিচত দৰ্খাস্ত আছে। কিছু কাম আৰম্ভ হৈছিল কিন্তু অপেন হৈ গৈছে বস্তুটো। আমাৰ কথাটো হ'ল স্কুল কলেজৰ কথাটো আহিছিল মই দেখিছো যে বেছিভাগ স্কুলত গুট্‌কা খাই থকা দেখা যায় তাৰ কোনো ব্যৱস্থা লোৱা নহয়। বহুত ভাল ভাল গুৱাহাটীৰ আভিজাত্য স্কুল বিলাকত দেখিছো student বিলাকে flask ত কিবা চেন্ট নোপোৱা সেই কিবা বস্তু পায় সেয়া mix কৰি লৈ যায়। এই কিছুমান স্কুলত সকলোৱে আগতে শিক্ষকে চাধা মাৰি মাৰি ছাত্ৰক পঢ়াই থাকে। ছাত্ৰ বিলাকে Tiffin বুলি চিগাৰেট টানি থাকে, students community ৰ এটা ব্যৱস্থা আমি ভাৱো যে এইটো কৰাৰ প্ৰয়োজন আছে। Next point human trafficking বা child trafficking. এই child trafficking মই ভাৱো আমাৰ বৰ্তমান যিটো Child Marriage Act আছে তাতকৈ বহুত বেছি ভয়াবহ, everyday newspa-

per বা TV news চালে অমূকৰ ছোৱালী স্কুলৰ পৰা নোহোৰা হ'ল, অমূক kidnapping হ'ল এইটো এটা জেনেৰেল হৈ গৈছে সৰু সৰু ছোৱালীৰ ক্ষেত্ৰত। আমাৰো ছোৱালী আছে, ল'ৰা আছে। আজি চেভেন, এইট , class 9,10 ৰ ছোৱালী maximum, আমি দেখা পাওঁ নোহোৰা হৈ যায়। এইবোৰ ক'ত যায়, কি হয়, থানাই থানাই ঘুৰি ভাগৰি পৰে দুই চাৰিটা ঠাইত success হৈছে, থানাই ভাগৰি পৰে, আমাৰ নিজৰো ছোৱালী আছে এবাৰ feel কৰিবছোন, তেখেতক যদি সেই ছোৱালী বিলাক যদি কৰোবাত red light area বা prostitute ক দিয়া হয় তাৰ ওপৰত কি পৰিমাণৰ অত্যাচাৰ চলিব পাৰে অত্যাচাৰ চলি আছে, এইবোৰ আমি অনুভৱ কৰিব লাগে। আজি বহুত ল'ৰা নোহোৰা হৈ যায় kidney বিক্ৰী হৈ আছে বিভিন্ন human body parts বিক্ৰী হৈ আছে, ঘৰত কাম কৰাৰ চলৰে যিটো আমাৰ কি কয় এইটো child labour আমাক ঘৰত কাম কৰাৰ কাৰণে যি খিনি ৰাখে সেইখিনি মানুহক আমি pickup কৰি আছো, যি অৱস্থাত চলি আছে এটা ভয়াবহ picture আমি দেখিছো আৰু আমাৰ ডাঙৰীয়াই যি পিক্‌চাৰ দিছে after Andhra Pradesh, Karnataka আমাৰ অসমৰ পজিচন 2nd as a percentage 1.0 Something এই percentage ত যদি human trafficking হৈ থাকে তেতিয়াহলে কিমান ভয়াৰহ হ'ব। বিয়াৰ নামত লৈ গৈ বিক্ৰী কৰা, চাকৰি দিয়াৰ নামত তাত লৈ গৈ নোহোৰা কৰা।

**মাননীয় অধ্যক্ষ ঃ** হ'ব thank you.

**শ্ৰীআমিনুল ইছলাম, (মানকাছাৰ) ঃ** এই বস্তুবোৰৰ প্ৰতি চৰকাৰে এটা immediate ব্যৱস্থা লব লাগে otherwise কিন্তু আমি দিনক দিনে লাহে লাহে আমাৰ youth generation আমাৰ coming generation educated যিখিনি হ'ব লাগে সেইখিনি drugsৰ আসক্ত হৈ আছে। আৰু এটা group trafficking হৈ তেখেত সকলৰ গোটেই future জীৱনটো ক'ত আমি ঠেলি দিছো? এইটোত যদি effective measure নলয় , তেন্তে অসুবিধা আছে, ইমানতে মোৰ বক্তব্য সামৰণি মাৰিছো আৰু immediate এইটোৰ ওপৰত ব্যৱস্থা ল'বলৈ আহ্বান জনাইছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, thank you.

**শ্ৰীৰামকৃষ্ণ ঘোষ,(হোজাই) ঃ** সন্মানীয় অধ্যক্ষ মহোদয়, এই গাৰ্লৰ ওপৰত মই যিটো বক্তব্য ৰাখিব খুজিছো কথাটো হ'ল যে কিমান পুলিছে ধৰিলে, আমাৰ কিমান awareness বাঢ়িলে তাৰ ওপৰত কিন্তু এইটো নিৰ্ভৰ নকৰে। কাৰণ আমি যদি এইটো ক'বলৈ যাঁও বা বুজিবলৈ যাওঁ তেতিয়াহলে কেইটামান scientific শব্দ আমি বুজিব লগিব, brainৰ কিছুমান chemical reaction হয়, action ত তাৰ ওপৰত এইটো হয় আৰু তেওঁলোকৰ education টো ওতঃপোতভাৱে জড়িত হৈ আছে, এইটো school ৰ পৰা education টো আৰম্ভ হ'ব লাগে। আমাৰ brain ৰ কেইটামান chemical আছে যেনেoxytocin, dopamine, endorphins, melatonin, cortical এইবিলাক reaction যেতিয়া হয় তেতিয়া depression anxiety tension ত ভোগে। যেতিয়া depression anxiety tensionî ত ভোগে তেতিয়া ল'ৰা-ছোৱালী বিলাকৰ drug addiction হয় আৰু তাৰ লগতে আমি এটা পৰিৱেশ বনাই দিওঁ। আজি কিছুমান ডাঙৰ ডাঙৰ স্কুলত ডাঙৰ পৰিয়ালৰ ল'ৰা ছোৱালী বিলাক দিয়ে তাত গৈ সেই পৰিৱেশটো পাই যায়। আজি যেতিয়া cortisol secretion হয় তাৰ পিছতে drug সেৱন কৰে। ইয়াৰ ওপৰত যদি আমি গুৰুত্ব দিব খোজো তেতিয়াহলেYoga education Yoga way of life টো আমি accept কৰিব লাগিব। আমি yoga way of life যদি Accept একচেপ নকৰো তেতিয়াহ'লে এই cortisol secretion হৈ থাকিব তাৰ কাৰণে আমাৰ kidney damage হয়, heart prob-

lem হয়, liver problem হয়, গোটেই body problem হয় সেই কাৰণে মই এই কথাটো ক'ব খোজে যে এইবোৰ  health related matter. এই বস্তুটো ক'ৰ পৰা হয়,  school college ত যদি yogaৰ ওপৰত বিশেষ ধৰণৰ class লোৱা নহয় তেতিয়াহ'লে কিন্তু আমাৰ cortisol secretion হৈয়ে থাকিব। আৰু cortisol secretion যদি আমি বন্ধ কৰিব লাগে তেতিয়াহ'লে কিন্তু আমি কাম কৰিব লাগিব। আৰু কামটো হ'ল yoga way of life আৰু yoga way of lifeৰ কাৰণে আমাৰ যিমান বোৰ মানুহ আছে অসমৰ ভিতৰত তেখেত সকলক সোনকালে বিভিন্ন school college ত লগাই দিব লাগে, আৰু এনেধৰণৰ course দিব লাগে orientation camp কৰিব লাগে তেতিয়া drugs ৰ ওপৰত যি  আক্ৰমণ হয় সেইটো কমি যাব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰীভবেন্দ্ৰ নাথ ভৰালী।

**শ্ৰীভবেন্দ্ৰ নাথ ভৰালী, (দেৰগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমে মই আপোনাক ধন্যবাদ দিব বিচাৰিছোঁ।  বৰ্তমান উচিত সময়ত উচিত বিষয়টো আপুনি বাচনি কৰাৰ বাবে prevention of drugs addiction and child trafficking. বিষয়টো হ'ল প্ৰথম আমি চাব লাগিব কেতিয়া drugs ৰ প্ৰতি আসক্ত হয়। আমি দেখিছো সৰু সৰু ল'ৰা ছোৱালী ৫, ৬ বছৰীয়া ল'ৰা-ছোৱালী প্ৰথমে যেতিয়া চোতালত তেওঁলোকে খেলে তেতিয়া এনেকৈ ঘূৰে তাৰ পিছত মুৰটো অকণমান ঢলংপলং লাগে তেতিয়া তেওঁলোকে খুব ফুৰ্তি পায়। অৰ্থাৎ সেই কেচুৱাৰ পৰা আমাৰ এটা নিচা লগাৰ নিচিনা এটা হ'লে ভাল, এই সৰু বয়সৰ পৰা ৫, ৬ বছৰ বয়সৰ পৰা মানুহৰ  এই ধৰণৰ এটা থাকে। যাৰ ফলত ডাঙৰ হোৱাত tendency এটা থাকে। যেতিয়া ডাঙৰ হৈ যায় তেতিয়া কেনেবাকৈ কোনোৱা মানুহৰ লগত যদি সংযোগ হয় যি জনে কিবা এটা খাবলৈ দিলে অকমান নিচা লগা হয় তেতিয়া সেইটোৰ প্ৰতি সেই ল'ৰা বা ছোৱালীজনী আসক্ত হয়। এই যিটো tendency,সেই tendencyটোৰ সৰুতে মাক দেউতাকে অকণমান লক্ষ্য ৰখাটো ভাল। কাৰণ সেই tendencyটো অহাৰ লগে লগে ল'ৰা ছোৱালীবিলাক এই নিচাহৰ ফালে আগবাঢ়িবলৈ সুবিধা পায়। এই ক্ষেত্ৰত আৰু এটা কথা আছে, সৰু কালত  এইটো হয় আৰু কৈশোৰত যেতিয়া ডেকা হৈ আহে তেতিয়া তেজৰ এটা ফিৰফিৰনি থাকে কিছু নতুন কাম কৰিব বিচাৰে। দুই চাৰিটা ল'ৰা বা ছোৱালী গোট খালেই  চিন্তা কৰে । যাৰ ফলত সেই মুহূৰ্তত যদি কেনেবাকৈ বেয়া মানুহৰ সংগ পাই তেতিয়াহলে এই drugs খাবলৈ নিচা হয়।  গতিকে এই ক্ষেত্ৰত বিশেষভাৱে এটা কথা কিন্তু কব লাগিব মনটোৰ লগতে দৰিদ্ৰতাও এটা কাৰণ। যাৰ ফলত এই দৰিদ্ৰতাই মানুহক ডেকা যুৱকক আচলতে বিপথে পৰিচালিত কৰে। যাৰ কাৰণে নেকি আমি সমাজে কিছু এই ক্ষেত্ৰত সেই আমাৰ ভৱিষ্যৎ প্ৰজন্ম ৰক্ষা কৰিবলৈ হ'লে আমি এটা কাম কৰিব লাগিব। আমাৰ ডেকাখিনিক খেলৰ প্ৰতি, যোগৰ প্ৰতি আমি তেওঁলোকক আসক্ত কৰিব লাগিব। অৰ্থাৎ তেওঁলোকক সেই সৰু বয়সৰ পৰাই শিকাব লাগে যিহেতু আজি কালি পথাৰলৈ যাব নিবিচাৰে, গলেও টেক্টৰ সমূহে হাল বায়, নাঙলৰে হাল বাব নিবিচাৰে। গতিকে এই ক্ষেত্ৰত আমাৰ ডেকা খিনিক ১৫, ১৬ বছৰ বয়সৰ পৰাই আমি তেওঁলোকক যোগৰ প্ৰতি বা খেলৰপ্ৰতি আগবঢ়াই নিব লাগিব। তেতিয়া তেওঁলোক এনেধৰণৰ চিন্তাৰ পৰা দূৰত থাকিব।  আমাৰ সমাজত বিভিন্ন  পৰ্য্যায়ত আমাৰ ড্ৰাগছ বিলাক ক'ৰ পৰা আহিছে, সেই সন্দৰ্ভত আমাৰ বহুত বিধায়কে কৈছে মই নতুনকৈ নকওঁ কিন্তু সহজলভ্য গৈ গ'ল। আমাৰ অসম  আৰক্ষীৰ যিটো বিশেষ শাখা আছে সেইটো ড্ৰাগছ আদি এইবোৰ দ্ৰব্য মষিমুৰ কৰাৰ কাৰণে সেই  শাখাটো অধিক শক্তিশালী কৰাৰ প্ৰয়োজন আছে। কিছুমান বেপাৰী আছে ঘূৰি ফুৰে সেই

বিলাকেও কিছু মানুহ চিনি পায়, য'ত এটা বয়সৰ ল'ৰা-ছোৱালীক টাৰ্গেট কৰি লয়। এই কথাটো স্বীকাৰ কৰিব লাগিব আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিখিনি ব্যৱস্থা লৈ আছে, সেইখিনিত আমি আন্তৰিক ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্য শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো যে তেখেতে আজি গোটেই বিধান সভাখনক এই ড্ৰাগছৰ বিৰুদ্ধে সজাগ হ'বলৈ প্ৰয়াস কৰাৰ বাবে। আমি যি বিলাক আইন প্ৰণেতা কোনেও ভালকৈ এই বিষয়ত জড়িত কৰা নাই। মই নিজে ভালকৈ ড্ৰাগছৰ কথাটো নাজানো। বহু সময়ত আমাৰ শিৱসাগৰ বা গোটেই অসমতে হওক বহু অভিভাৱকে মাজে মাজে ফোন কৰে আৰু ফোন কৰি কান্দে। মোৰ ল'ৰাটো এনেকুৱা ধৰণৰ হৈ গৈছে। গুৱাহাটীত যিবিলাক চেইন চোৰ বা অন্য চুৰি ডকাইতিৰ ঘটনা এই ঘটনা বিলাকৰ এটা প্ৰধান অংশ সাধাৰণতে এই ঘটনা বিলাক মাদক দ্ৰব্য সেৱনকাৰী ল'ৰা-ছোৱালী বিলাকৰ দ্বাৰা সংঘটিত হয়। ড্ৰাগছে এটা পৰিয়াল শেষ কৰিছে এইটো নহয় সামগ্ৰিকভাৱে গোটেই সমাজখনক যি ধৰণে অপৰাধীকৰণৰ ক্ষেত্ৰত এটা ডাঙৰ অৱদান আগবঢ়াইছে এইটোক আমি সকলোৱে মিলিজুলি কোনো ধৰণৰ ৰাজনীতি নোহোৱাকৈ শাসক-বিৰোধীয়ে মিলি সকলোৱে আগবঢ়া দৰকাৰ। চৰকাৰে ড্ৰাগছৰ বিৰুদ্ধে কঠোৰ স্থিতি লৈছে সেইটো আমি দেখি আহিছো, সেইটোৰ কাৰণে ধন্যবাদ। কিন্তু ড্ৰাগছ সৰবৰাহকাৰী সকল গ্ৰেপ্তাৰ হৈ আছে এইটোৰ পিছত সেইটো। আমাৰ ভাৰত চৰকাৰৰ লগত এটা ভাল সমন্বয় নাথাকিলে ওচৰ চুবুৰীয়া ৰাষ্ট্ৰ য'ৰ পৰা এই বিলাক বস্তু আহে সেই গোটেই সমন্বয়টো ঠিক কৰিব নোৱাৰো, তেতিয়া আমি ড্ৰাগছটো বন্ধ কৰিব নোৱাৰিম। গুৱাহাটী জেলত যদি আপোনালোকে চাই তেতিয়া দেখিব তাত আটাইতকৈ বেছি ড্ৰাগছ আসক্ত কয়দী সংখ্যা । চৰকাৰে মাজতে এটা সিদ্ধান্ত লৈছিল যে ড্ৰাগছত ধৰা পৰা মানুহক জামিন কোনোপধ্যে নিদিয়ে। সেই সময়ত ড্ৰাগছ সৰবৰাহকাৰী কমি গৈছিল, কাৰণ তেখেতসকল কাৰাগাৰত আছিল। আমি দেখি থাকো যে মুখ্যমন্ত্ৰী ফেচবুক পেজ হওক বা অন্যান্য ব্যৱস্থা আমি দেখা পাঁও প্ৰায়ে এনে ধৰণৰ ঘটনা ঘটি আছে। বহুত বিধায়কৰ পৰাও ভাল পৰামৰ্শও আহিছে। বিদ্যালয় বিলাক এই বিষয়ত সজাগ কৰিব লাগে আৰু ল'ৰা-ছোৱালীক খেলা-ধুলা বা সাংস্কৃতিক দিশত ব্যস্ত কৰি ৰাখিব লাগে। নাগৰিক সমিতি গঠন কৰি অঞ্চলে অঞ্চলে যাব লাগে। সেইটো সমষ্টি ভিত্তিক বা জিলা ভিত্তক হওক আমি এনেকুৱা ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব লাগে যাতে সাধাৰণ ৰাইজে ড্ৰাগছৰ কু-প্ৰভাৱ বোৰৰ বিষয়ে সজাগ হয়।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ উদ্যোগত যি অসমৰ অতিকৈ জ্বলন্ত সমস্যা, মাদকদ্ৰব্য সেৱন আৰু শিশু সৰবৰাহকাৰী এই বিষয়ে আমি আলোচনা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। এই কাৰ্য্যসূচীৰ দ্বাৰা আহি থকা দিন বিলাকত নিচামুক্ত হোৱাৰ দিশত আৰু এখোজ আগবাঢ়ি যাব। মই যেতিয়া হাইস্কুলত পঢ়ো এখন নাটক কৰিছিলো নাটকৰ নাম আছিল 'ড্ৰাগছ'। ড্ৰাগছ নাটক কি, আমি বাৰে বাৰে শিক্ষাগুৰুক সুধিছিলো যে ড্ৰাগছ কি হয়? তেতিয়া শিক্ষাগুৰুজনে ক'লে ড্ৰাগছ এবিধ নিচা । এইবোৰ বিদেশত বেছি ব্যৱহাৰ হয়। আজি হাইস্কুল জীৱন পাৰ হৈ আহি বিধায়কসকলেও আমি বিধান সভাতো ড্ৰাগছৰ বিষয়ে আলোচনা কৰিবলগীয়া হৈছে। অৰ্থাৎ কিছুদিন আগলৈকে ড্ৰাগছ কি এইটো বহুতে বুজি পোৱা নাছিল। কিন্তু আজি অসমত গাঁৱে গাঁৱে উঠি অহা প্ৰজন্ম ড্ৰাগছৰ

কবলত। কিছুদিন আগতে মাননীয় মুখ্যমন্ত্রীৰ প্ৰচেষ্টাত অসম চৰকাৰে, অসম পুলিচে ড্ৰাগছ লৈ বিহীত ব্যৱস্থা গ্ৰহণ কৰিছে। আমি সকলোৰে ধন্যবাদ দিছো, আমি ধন্যবাদ দিছো। আমি মাজে মাজে টিভি বা মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ফেচবুক পেজটো ড্ৰাগছৰ বিষয়ে দেখা পাওঁ। অৰ্থাৎ অসম চৰকাৰে শক্তিশালি উদ্যোগ লোৱাৰ পিছতো অসম পুলিচে উদ্যোগ লোৱাৰ পিছতো আৰু অসমৰ প্ৰত্যেকজন মানুহে ড্ৰাগচ মুক্ত, নিচামুক্ত, নিচাজাতীয় দ্ৰব্য মুক্ত এখন অসম আমি গঢ়াৰ যি পৰিকল্পনা কৰাৰ পাছতো কিন্তু অসমত ড্ৰাগচ এতিয়াওঁ প্ৰচলিত হৈ আছে, নিচাযুক্ত দ্ৰব্য এতিয়াওঁ প্ৰচলিত হৈ আছে। ইয়াৰ পৰা আমি কেনেকৈ ৰক্ষা পাম? এই ড্ৰাগচ আহে ক'ৰ পৰা? বহু মানুহক আমি গ্ৰেপ্তাৰ কৰিলো, বহু মানুহে জামিন পালে, কোনো ৰাস্তাৰে, কোনটো পথেৰে আহে, তাকো দেখা গ'ল। কোনখন ৰাজ্যৰ পৰা আহে বিভিন্ন সময়ত সেয়াওঁ উত্থাপন হ'ল। প্ৰমানিতও হ'ল, কিন্তু তাৰ পিছতো অসমত ড্ৰাগচ বন্ধ হোৱা নাই কিয় ?এই কথাটো মই ভাবো অসম চৰকাৰে, অসম পুলিচে আৰু বেছি অধ্যয়ণ কৰিব লাগিব। আৰু বেছি তেওঁলোকে উপলব্ধি কৰিব লাগিব, আৰু বেছি পদক্ষেপ ল'ব লাগিব। মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই কথাটো এই কাৰণে কৈছো। আমি নদীএখন, নদীৰ মাজত আমি বান্ধ দি নদীক আমি ভেটিব নোৱাৰো। ঠিক তেনেকৈ ড্ৰাগচ সেৱন কৰি আছে, নিচাযুক্ত দ্ৰব্য লৈ আছে, তেওঁলোকক গ্ৰেপ্তাৰ কৰিছো, এইখিনি কৰিলে অসমৰ পৰা ড্ৰাগচ নাইকীয়া কৰিব নোৱাৰো। ড্ৰাগচৰ লগত জৰিত সকলক আমি কিন্তু মুক্ত কৰিব নোৱাৰো। তাৰ কাৰণে হৈছে ড্ৰাগচৰ উৎস ক'ত? অসমত ক'ৰবাত ক'ৰবাত ঘাটি আছে নেকি, ক'ৰবাত ফেক্টৰী আছে নেকি, নে অসমৰ বাহিৰা ৰাজ্যৰপৰা আহে কোন ৰাস্তাৰে আহে? কোন জড়িত এই বিষয় বিলাকৰ যদি pinpoint খিনি, উপযুক্ত ব্যক্তি সকলক যদি আমি চিনাক্ত কৰিব নোৱাৰো, তেনেহলে অধ্যক্ষ ডাঙৰীয়া, এই বিধান সভাত ১০০ বাৰ আমি আলোচনা কৰিলেও নিচামুক্ত এখন অসম আমি গঢ়িব নোৱাৰো। গতিকে মাননীয় অধ্যক্ষ ডাঙৰীয়া আপোনাৰ জৰিয়তে অসম চৰকাৰৰ প্ৰতি আহ্বান জনাইছো, অসম পুলিচৰ প্ৰতি আমাৰ বিশ্বাস আছে, অসম পুলিচে যিকোনো , কোনো অপৰাধ, অপৰাধী, অপৰাধীৰ ঘাটি তেওঁলোকে যদি উৎখাট কৰিব বিচাৰে তেতিয়াহলে খুব কম সময়ৰ ভিতৰত পাৰে। মই আজি আপোনাক ন দি ক'ব পাৰো অধ্যক্ষ ডাঙৰীয়া, অসমৰ প্ৰত্যেকখন জিলাত যিমান পুলিচ থানা আছে, সেই পুলিচ থানাৰ আৰক্ষী চকীৰ ওচৰত খবৰ আছে, ক'ত ক'ত গাঞ্জাৰ ঘাটি আছে ক'ত ক'ত ড্ৰাগচৰ ঘাটি আছে। গতিকে এই বিলাক বিষয়ত নিশ্চিতভাবে পদক্ষেপ ল'ব লাগে আৰু আমি বিচাৰো অসম নিচামুক্ত হওঁক অসমৰ জয় হওঁক।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া ৰূপজ্যোতি কুৰ্মী মাত্ৰ ২ মিণিট।

**শ্ৰীৰূপজ্যোতি কুৰ্মী, (মৰিয়নি)** ঃ মাননীয় অধ্যক্ষ মহোদয় মই প্ৰথমতে আপোনাক ধন্যবাদ জনাব বিচাৰিছো, ক'বলৈ দিয়াৰ বাবে আৰু লগতে দুটা গুৰুত্বপূৰ্ণ বিষয় ড্ৰাগচ আৰু মহিলা সৰবৰাহ, এই বিশেষ দুটা বিষয় আপুনি অনাৰ বাবে। আপোনাৰ যোগেদি মই চৰকাৰক অনুৰোধ জনাম বিশেষকৈ Directorate of Social Justice য়ে welfare ৰ লগতে Rehabilitation center চলায়। এই Rehabilitation center অসমত ৪০ টা মান আছে চৰকাৰী আৰু বেচৰকাৰী। কিন্তু ইয়াৰ সংখ্যা আৰু বৃদ্ধি হ'ব লাগে। ২য়তে আমি যদি চাব যাওঁ অন্য ৰাজ্য সমূহত Anti Narcotic Cell ড্ৰাগচৰ ওপৰত খুলিছে। মই অসম চৰকাৰকো আহ্বান জনাম, অসমতো যেন Anti Narcotic Cell খোলাৰ ব্যৱস্থা কৰে। মোৰ মৰিয়নি সমষ্টি যিহেতু অসম নাগালেণ্ডৰ সীমামুৰীয়া আমাৰ মৰিয়নিত মোৰ মাতৃ বিধায়িকা হৈ থকাৰ অৱস্থাৰ পৰা শুনি আছো আৰু মই কেইদিন মান আগলৈকে দেখা পাই আছো, যে নাগালেণ্ডৰ বহুত গাড়ীত ড্ৰাগচ ধৰা পৰে। এনে

এটা সন্দেহ কৰিব পাৰি নেকি যে আন্তঃৰাজ্যিক বা আন্তঃৰাষ্ট্ৰীয় সীমাবোৰেদি সোমাইছে। অথাৎ ৰাস্তাইদি আহিছে। কাৰণ ফ্লাইটেদি security tight থকাৰ কাৰণে অহাৰ সুবিধা নাথাকে. সেই কাৰণে আমি যিবোৰ আন্তঃৰাষ্ট্ৰীয় সীমা সেই সীমাক অলপ গুৰুত্ব দিব লাগে। তাত ২৪x৭ help line ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আমাৰ psychiatric Doctor বহুত কম হৈ আছে। অসম চৰকাৰে স্পেচিয়েল পেকেজ এটা প্ৰস্তুত কৰিব লাগে যেনে আমাৰ psychiatric Doctor প্ৰস্তুত কৰিব পাৰি। আৰু psychiatric বিষয়া প্ৰস্তুত কৰিব পাৰি। ইয়াৰ লগতে মই ক'ব বিচাৰিছো আমাৰ বিদ্যালয় বিলাকত পাৰিলে এটা leaflet প্ৰদান কৰিব লাগে যে আমাৰ ড্ৰাগচ ব্যৱহাৰ কৰিলে আমাৰ কি কি ক্ষতি হয় আৰু আইনৰ যোগেদি আমি কিমান শাস্তি পাব পাৰো। সেই শাস্তি সমূহৰ বিষয়ে উল্লেখ কৰিব লাগে। আমাৰ যিটো Child trafficking ৰ ওপৰত Special Juvenile police আছে, সেই Special Juvenile police সংখ্যা অলপ বৃদ্ধি কৰিব লাগে। ইয়াৰ লগতে আমি যদি চাওঁ National centre for missing and exploited children যিটো ৰিৰ্পট কেন্দ্ৰীয় চৰকাৰৰ আছে, সেই ৰিৰ্পট টো অসম চৰকাৰে আৰু গুৰুত্ব দিব লাগে। ইয়াৰ লগতে Special cell for Woman পাণবজাৰ থানাত কেৱল আছে। আমি বিচাৰিছো অসমত যি ৩২০খন থানা আছে, প্ৰত্যেকতে Special cell for Woman প্ৰদান কৰিব লাগে। ইয়াৰ লগতে আমি অনুৰোধ জনাব বিচাৰিম আমাৰ মোবাইল ব্যৱহাৰৰ ওপৰত শাসক বিৰোধী সকলো সন্মানীয় বিধায়ক সকলে কৈছে, ইয়াৰ ওপৰত আমি অলপ বিশেষ গুৰুত্ব দিব লাগে। বিশেষকৈ পৰ্ণ ভিডিঅ ৰ পৰা আদি কৰি অন্য ধৰণৰ এইবোৰ আমাৰ ল'ৰা ছোৱালী যুৱ প্ৰজন্মই চাব নোৱাৰে এনেকুৱা ধৰণৰ মেকানিজিম আমাৰ চাইবাৰ টিমৰ ব্যৱস্থা যদি গ্ৰহণ কৰে খুব ভাল হ'ব।

মাননীয় অধ্যক্ষ ঃ ধন্যবাদ শ্ৰী ভাষ্কৰ জ্যোতি বৰুৱা।

**শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা, (তিতাবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ড্ৰাগচ আৰু Child trafficking ৰ ওপৰত আপুনি যিটো ইনিচিয়েটিভ লৈছে, আমাৰ ফালৰ পৰা আপোনাক আন্তৰিক ধন্যবাদ কৃতজ্ঞতা প্ৰকাশ কৰিছো। আজি মোক দুআষাৰ ক'বলৈ দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছো। মই এইটোৰে ক'ব বিচাৰিছো, যে ড্ৰাগছে যি গোটেই পৃথিৱীখন সিপাইছে আৰু বিশ্বৰ এইটো 3rd largest business after Petrolium & Arms আৰু আমাৰ ভাৰতখন এনেকুৱা ভৌগলিক লোকেশ্যনত আছে আমাৰ যিটো Golden triangle আছে, বাৰ্ম্মা লাউজ আৰু থাইলেণ্ড, আৰু ইফালে Golden crescent ত আফগানিস্থান আৰু পাকিস্থান এই দুয়োটা ঠাইৰ মাজত আমাৰ ভাৰতবৰ্ষখন আছে, আৰু বহু পৰিমানৰ ড্ৰাগচ আমাৰ ইয়ালৈ চাপ্লাই হৈছে। প্ৰথম কথা হৈছে আমি দুই চাৰিটা কাৰণ আমি বিচাৰি পাওঁ মই যিটো নিজে অনুভৱ কৰিছো প্ৰথম কথাটোত আমি দেখিছো যে আজি কালি আমাৰ পৰিয়ালবোৰ হৈছে খুব সৰু । সাধাৰণতে আমাৰ এটা বা দুটা ল'ৰা- চোৱালী থাকে। আগতে জইন ফেমেলি থকাৰ কাৰণে, ল'ৰা-ছোৱালী বিলাকৰ কোনে কি কৰিছে ইটোৰে সিটোক দেখা পাই থাকে, আৰু আজি কালি মাক বাপেক বিলাক ব্যস্ত হৈ থকাৰ কাৰণে ল'ৰা-ছোৱালী ক'ত গৈছে কি হৈছে, কোনেও গম নাপায়। ইয়াৰ ফলত কি হয়, সংগৰ দোষত পৰি ড্ৰাগচৰ এডিকশ্যনটো বাঢ়িছে। ২য়তে ইয়াক আমি প্ৰতিৰোধ কেনেকৈ কৰিম। আমি প্ৰতিৰোধৰ কাৰণে মোৰ যিটো মনত আহিছে, ড্ৰাগচটো থাকিবই পৃথিৱীৰ পৰা ড্ৰাগচ কেতিয়াও নিৰ্মূল কৰিব নোৱাৰে।. এইটো নিৰ্মূল কেতিয়া হ'ব, যেতিয়া ইয়াৰ ডিমাণ্ডটো কমি যাব। ডিমাণ্ডটো আমাৰ কেনেকে কমিব যেতিয়া আমাৰ খাৱৰীয়াৰ সংখ্যা কমিব। খোৱা

মানুহৰ সংখ্যা কমিব, খোৰা মানুহৰ সংখ্যা কমাবৰ কাৰণে আমাৰ যিটো ঘৰুৱা পৰিবেশ আমি ড্ৰাগচ কিয় খাব নালাগে এই কথাটো আমাৰ মাক বাপেক বিলাকে যেতিয়া নিজে জানি উঠিব তেতিয়া ড্ৰাগচৰ প্ৰচলনটো কমি যাব। তাৰ লগে লগে আমাৰ আগতেওঁ কেইবাজনো বক্তাই কৈছে, মই এইটো কথা কেইবাবাৰো কম বুলি ভাবিছিলো যে আমাৰ জীমৰ প্ৰচলনটো যিমানেই কৰিম। শৰীৰটোক যদি ভাল পাবলৈ সৰুৰে পৰা নৱ প্ৰজন্মক শিকাওঁ আপোনালোকে চাব জীম কৰা ল'ৰা-ছোৱালী বিলাকে সাধাৰণতে কেতিয়াও বেলেগ বস্তু নাখায়, চেনী নাখায়, তেওঁলোকে নিজৰ শৰীৰটোক ভাল পায়। গতিকে এনেকুৱা ধৰণৰ যদি এটা সজাগতা আনো তেতিয়াহ'লে আমাৰ এই ডিমাণ্ডটো লাহে লাহে কমি যাব। ডিমাণ্ডটো কমি গলে তাৰ লগে লগে প্ৰতিৰোধৰ ক্ষেত্ৰত আমাৰ চৰকাৰখনে যিমান ব্যৱস্থা লৈছে, যিমান পাৰে চৰকাৰে কৰিছে। তেওঁলোকে তেনেকুৱা ব্যৱস্থা ল'ব ডিমাণ্ডটো কমি যোৱাৰ লগে লগে আমাৰ ড্ৰাগচৰ প্ৰচলনটো কমি যাব আৰু ড্ৰাগচৰ প্ৰচলনটো কমি যোৱাৰ লগে লগে আপোনাৰ যিটো পদক্ষেপ আপুনি লৈছে, এইবোৰ আমি আলোচনাৰ মাধ্যমেদি এই এৱাৰনেচটো যেতিয়া লাহে লাহে আগবাঢ়ি যাব। খেলাধুলা যেতিয়া বাঢ়ি যাব তেতিয়া মই ভাবো যে আমাৰ ড্ৰাগচৰ যিটো ব্যাধি যিটো আমাৰ সমাজত বেছি হৈছে এইখিনি আমাৰ কমি যাব, আৰু Child trafficking ৰ ওপৰত মই বিশেষ ক'ব বিচৰা নাই। আপোনাক ধন্যবাদ জনাই মোৰ এই চমু বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ মাননীয় মন্ত্ৰী।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি স্পীকাৰ ইনিচিয়েটিভৰ ওপৰত Child trafficking আৰু ড্ৰাগচ নিৰ্মুলৰ ওপৰত আপোনাৰ যোগেদি এটা বিশেষ আলোচনা সদনত চলিছিল। আচলতে অধ্যক্ষ ডাঙৰীয়া সেইটো এটা খুব গুৰুত্বপুৰ্ণ বিষয়। মই আপোনাক এই গুৰুত্বপুৰ্ণ বিষয়টো উত্থাপন কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ সঞ্জয় কিষান ডাঙৰীয়াৰ পৰা আৰম্ভ কৰি আমাৰ মাননীয় মন্ত্ৰী শ্ৰী সঞ্জয় কিষান ডাঙৰীয়াকে আৰম্ভ কৰি সন্মানীয় তিতাবৰ সমষ্টিৰ বিধায়ক ডাঙৰীয়ালৈকে বহু কেইজন বিধায়কে বা সদস্যই এই বিশেষ আলোচনাত অংশ গ্ৰহণ কৰিলে। মই সকলোক ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰখনে, যেতিয়া আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড'ংহিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই আমাৰ দ্বিতীয়খন চৰকাৰৰ মুখ্যমন্ত্ৰী হিচপে শপত ল'লে, তেতিয়াৰ পৰা সকলোৰে আজি স্বীকাৰো কৰিছে যে আমি drugs নিৰ্মূলৰ কাৰণে অহৰহভাৱে ব্যৱস্থা হাতত লৈছো আৰু আজিও সেই ব্যৱস্থা নিৰন্তৰভাৱে চলি আছে। কোনোবাই কোনোবাই কৈছে যে drugs ৰ ক্ষেত্ৰত আমাৰ যি যুদ্ধ তাত কৰ'বাত থমকি ৰৈছে নেকি। কিন্তু মই দৃঢ়ভাৱে কওঁ, আমাৰ যি operation against drugs নিৰন্তৰ ভাৱে চলি আছে আৰু ই চলি থাকিব। মাননীয় অধ্যক্ষ মহোদয়, মই নগাওঁ জিলাৰ অভিভাৱক মন্ত্ৰী আছিলো, তেতিয়াৰ পৰা গ্ৰুপত আমাৰ সন্মানীয়া আৰক্ষী অধীক্ষক মহোদয়ে দৈনিক যি drugs ত ধৰা পৰে, মোলৈ পঠিয়াই দিয়ে। এতিয়া মই অভিভাৱক মন্ত্ৰী নহয়। তেতিয়াও পঠাই আছিল, এতিয়াও আহি থাকে। মাননীয় অধ্যক্ষ মহোদয়, মই কেতিয়াবা আচৰিত হওঁ যে নগাওঁত প্ৰত্যেক দিনাই পুলিচে কৰ'বাত নহয় কৰ'বাত অলপ হ'লেও drugs জব্দ কৰে। মই কিয় নগাঁৱৰ উদাহৰণটো দিছো, বাকী বিলাকৰ কথা মই সিমান নাজনো। কিন্তু নগাঁৱত দি থকাৰ এটা পৰিবেশ আছিল, সদায় দি থাকে। অলপ দিন আগতে মই কামৰূপৰ এগৰাকী আৰক্ষী বিষয়াক সুধিছিলো যে নগাঁৱত যদি ধৰে আপোনালোকৰ তাত কিয় নধৰে। মোক ক'লে চাৰ, আমাৰ তাতো ধৰে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ টুইটতো ডাঙৰ ডাঙৰ যি drugs seized হয় সেইবিলাক আমি দেখা পাওঁ। গতিকে

আমি নিৰন্তৰ ভাৱে এই প্ৰক্ৰিয়া চলাই আছো। কিন্তু কৰ'বাত কৰ'বাত আমি কেতিয়াবা কেতিয়াবা অলপ থমকি ৰ'বলৈ বাধ্য হৈছো যে drugs addict বা drugs peddler য়ে পুলিচক আক্ৰমণ কৰে, পুলিচে ব্যৱস্থা ল'লে মানুহে আমাক সমালোচনা কৰে। তাৰ কাৰণে কৰ'বাত কৰ'বাত এই যুদ্ধখন অলপ থমকি নপৰাতো নহয়। ইয়াতেই আপোনালোকৰ বহুতে আমাক সমালোচনা কৰে, এনকাউণ্টাৰ বুলি এটা নতুন শব্দ উলিয়ায়। কিন্তু আমাৰ এই যি যুদ্ধ এই যুদ্ধখন হ'ল drugs সৰবৰাহ কাৰীৰ বিৰূদ্ধে। drugs সৰবৰাহকাৰীৰ বিৰূদ্ধে আমি অতি কঠোৰ হ'বই লাগিব। নহ'লে আমাৰ সমাজৰ পৰা এই বৰবিহ কেতিয়াওঁ আতৰি নাযাব। মাননীয় অধ্যক্ষ মহোদয়, আজিৰ এই আলোচনাটোৰ ওপৰত আমি বিতং তথ্য অহা ৯০ দিনৰ ভিতৰত এই পবিত্ৰ বিধান সভাত দাখিল কৰিব লাগে। মই Child Trafficking আৰু drugs নিৰ্মূল এই দুইটা বিষয়ৰ ওপৰত আমি next session ত যোৱা দুবছৰত আমি কি কি কৰিছো বিতং তথ্য দিম। কিন্তু মই এটা কথা ক'ব খোজো, যিটো বিভাগ মই চাওঁ সেইটোত অকল Rehabilitation Center টোহে পৰে। Drugs নিৰ্মূলৰ কাৰণে গৃহ বিভাগে ব্যৱস্থা হাতত লয়। এইটো খুব strictly লৈ আছে। Child Trafficing নাইকিয়া কৰিবলৈ গৃহ বিভাগে strictly এই প্ৰক্ৰিয়া চলাই ৰাখিছে। আমি যিখিনি চাওঁ Rehabilitation Center. অসমত আমি কেইটামান চৰকাৰৰ Rehabilitation Center আৰম্ভ কৰিছো। এটা দ্বীপৰ বিলত আৰম্ভ কৰিছিলো। আমি অতি সোনকালে তিনিচুকীয়া, গোলাঘাট, ডিব্ৰুগড়, তেজপুৰত অতি সোনকালে আৰম্ভ কৰিম। বহুতো মানুহে ব্যক্তিগত ভাৱে Rehab Center চলাই। ব্যক্তিগত ভাৱে Rehab Center চলোৱাৰ যি মোৰ অভিজ্ঞতা সেইটো খুব ভয়ানক আছিল। কিছু সলনি কৰিবলৈ সক্ষম হোৱা যেন মোৰ অনুভৱ হয়। মাননীয় অধ্যক্ষ মহোদয়, এদিন মই বাতৰি কাকতত এটা বাতৰি পঢ়িলো যে এটা Rehab Center ত আমাৰ যি ৰোগী থাকে তেওঁলোকক শাৰীৰিক ভাৱে প্ৰহাৰ কৰা হৈছিল। মই চাবলৈ গলো আৰু তাত এটা ভয়ানক পৰিবেশ দেখিলো। তেতিয়া মই সেই বিভাগৰ নতুনকৈ মন্ত্ৰী হৈছিলো। মাননীয় অধ্যক্ষ মহোদয়, এটা আঢ়ৈশ Squar Feat ৰ ফিটৰ ৰূমত ২০ জন ল'ৰা থাকে। বিচনা বুলিবলৈ এখনো নাথাকে। মোৰ কাৰণে ভয়াৱহ আছিল। গোটেই বিলাক ল'ৰায়ে খালী গা। গৰমৰ দিন আছিল। হাফপেণ্ট এটা পিন্ধে গাত আৰু একো নাথাকে আৰু ল'ৰাটোৰ বা মানুহ জনৰ মুখখনলৈ চাব নোৱাৰি। এনেকুৱা ভয়ানক পৰিবেশ এটা। তাৰ পিছত গৈ দেখিলো যে খোৱা ঠাই অত্যন্ত লেতেৰা, টয়লেটৰ অৱস্থাই নাই। এই ১০০০-১৫০০ Squar Featৰ ঘৰ এটাত ৬০ জন মান ল'ৰা থাকে including reception, wash room, kitchen, মই কঠোৰভাৱে গুৱাহাটীত যিমানবোৰ Rehabilitation Center আছিল সকলোকে মাতি আনি কলো যে এনেকৈ Rehabilitation Center চলিব নোৱাৰিব। অতি কমেও ৫০ স্কুৱেৰ ফিট এজন মানুহৰ কাৰণে দিবই লাগিব। গতিকে ২০০ Squar Feat যদি ৰুম হয়, তেতিয়া তাত ৪ খন বিচনা হ'ব আৰু খোৱা-বোৱা চাফ-চিকুণকৈ ৰাখিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, এতিয়া আমি য'তে যাওঁ তাতেই আগতকৈ ভাল পৰিবেশ দেখিছো। মই নকওঁ যে এইক্ষেত্ৰত ১০০ শতাংশ সফল হৈছো। কিন্তু ৫০-৬০ শতাংশ এইক্ষেত্ৰত সফল হৈছো বুলি মোৰ অনুভৱ হয়। এতিয়া অন্ততঃ প্ৰত্যেকটো Rehabilitation Center ত বিচনা হৈ গ'ল আৰু ৫০ বা ৬০ স্কুৱেৰ ফিট এভাৰেজত তেওঁলোক মানুহ ৰখাৰ ব্যৱস্থা .গ্ৰহণ কৰিছে। গতিকে এইদৰে আমি কামখিনি কৰিছো। অহা বিধান সভাত আজি যিহেতু সকলোৱে পৰামৰ্শ আগবঢ়াইছে আৰু সেই পৰামৰ্শখিনি তাৎক্ষণিকভাৱে আমি একো কৰিব নোৱাৰো। গতিকে আমাৰ নিয়মটোৱেই আছে যে ৯০ দিনৰ ভিতৰত প্ৰতিবেদন

দাখিল কৰিব লাগে। এই দুইটা বিষয়ৰ ওপৰত অহা বিধান সভাত আমি বিস্তৃত ভাৱে যোৱা ২ টা বছৰত আমি কি কৰিছো, লগতে আপোনালোকে কি কি পৰামৰ্শ গ্ৰহণ কৰিব পাৰে আৰু কি কি গ্ৰহণ কৰিব নোৱাৰে এই বিষয়েও এই পবিত্ৰ বিধান সভাত প্ৰতিবেদন দাখিল কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। সন্মানীয় সদন আজি এই বিষয়টো লৈ সদনত যি আলোচনা হ'ল ই অতি গুৰুত্বপূৰ্ণ। আমাৰ যুৱ প্ৰজন্মৰ ভৱিষ্যতৰ কাৰণে আমি উদ্যোগ লোৱাতো অত্যন্ত দৰকাৰ। সেই হিচাপে আমাৰ সকলো সদস্যই ধুনীয়াকৈ ইয়াৰ ওপৰত নিজৰ নিজৰ যি অনুভৱ আৰু যি ধৰণৰ ব্যৱস্থা ললে ভাল হ'ব, সেইখিনি পৰামৰ্শ দিলে। ইয়াৰ ওপৰতো মন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে বক্তব্য ৰাখিলে আৰু ক'লে যে ৯০ দিনৰ ভিতৰত প্ৰতিবেদন দাখিল কৰব আৰু প্ৰত্যেক সদস্যই ইয়াৰ প্ৰতিবেদন পাই যাব। আমি এই বিষয়ৰ কাৰণে সজাগতা অনাৰ বাবে প্ৰত্যেকটো বিধান সভাত প্ৰতিজন বিধায়কে যাতে উদ্যোগ লৈ নিজৰ নিজৰ সমষ্টিত কিছু হ'লেও কাম কৰিব পাৰে, তাৰ বাবে ১ লাখ টকাকৈ ইতিমধ্যে এই বছৰতে দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। নিজৰ নিজৰ সমষ্টিত কেনেকুৱা ধৰণে সজাগতা কৰিলে সকলোৰে কাৰণে ভাল হ'ব বা ভালদৰে প্ৰচাৰিত কৰিব পাৰিব, তাৰ পৰিকল্পনাও আপোনালোকে লওঁক আৰু আপোনালোক এইখিনি পুঁজি বিধান সভাৰ পৰা পাই যাব। ইয়াৰ পিছত আমাৰ UNICEF ৰ পৰা যথেষ্ট পৰিমাণে গুৰুত্ব সহকাৰে লোৱা হৈছে আৰু stakeholder meeting ত তেওঁলোকে আহি বহুখিনি তথ্য দাখিল কৰিছে। আমাৰ Social Justice বিভাগৰ পৰা, গৃহ বিভাগৰ পৰা আৰু stakeholder সকলৰ লগত আমাৰ briefing meeting ত তেওঁলোক আহিছিল আৰু তাত যথেষ্টখিনি তেখেত সকলে সন্মানীয় সদস্য সকলক বিভিন্ন তথ্য প্ৰদান কৰিছে আৰু কি ব্যৱস্থা লৈ থকা হৈছে সেইটোও জনাইছে। মই ভাবো আজিৰ আলোচনাৰ পিছত সকলোৱে এই বিষয়ত গুৰুত্ব সহকাৰে লৈ কাম কৰিলে নিশ্চয়কৈ ইয়াৰ পৰা কেনেকৈ আমি আমাৰ সমাজখনক বচাব পাৰো এই ক্ষেত্ৰত সফলতা অৰ্জন কৰিব পাৰিম।

এতিয়া সদন ৫ এপ্ৰিল ২০২৩ তাৰিখ ৰাতিপুৱা ০৯ঃ৩০ বজালৈ স্থগিত কৰা হ'ল।